

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা



দ্বাদশ বছৰ ■ সংখ্যা ৩৪৪ ■ গুৱাহাটী ■ শনিবাৰ, ২৩ জুলাই, ২০২২, ৬ শাওণ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 344 Dainandin Barta ■ Guwahati, Saturday ■ 23 July, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only

## সাংবিধানিক মুৰব্বীৰ আসনত আদিবাসী ৰাষ্ট্ৰপতি

■ ড° নৰেন হাজৰিকা

দেশৰ পঞ্চদশ ৰাষ্ট্ৰপতি নিৰ্বাচিত হ'ল দ্ৰৌপদী মুৰ্মু। শাসকীয় এনডিএৰ প্ৰাৰ্থীগৰাকীয়ে অনায়াসে বিৰোধীৰ প্ৰাৰ্থী যশোৱন্ত সিনহাক পৰাজিত কৰে। শাসকীয় গণতান্ত্ৰিক মৰ্চাৰ (এনডিএ) প্ৰাৰ্থী হিচাপে দ্ৰৌপদী মুৰ্মুৰ এই বিজয় অৱধাৰিত আছিল যদিও দেশৰ ওঠৰটা বিৰোধী দলে দুবাৰকৈ কেন্দ্ৰীয় বিত্তমন্ত্ৰীৰ পদ অলংকিত কৰা প্ৰবীণ, অভিজ্ঞ ৰাজনীতিক যশৱন্ত সিনহাক উমৈহতীয়া প্ৰাৰ্থীৰূপে প্ৰক্ষেপ কৰাত নিৰ্বাচনী যুঁজখন অধিক উৎকণ্ঠাপূৰ্ণ হৈ পৰিছিল। একালৰ ভাৰতীয় প্ৰশাসনীয় সেৱাৰ বিষয়া আৰু বিজেপিৰ দীৰ্ঘকালৰ নেতা ■ ৮ পৃষ্ঠাত

## ৬৮সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা ঘোষণা

# আইমী বৰুৱাৰ ছবি চেমখৰলৈ শ্ৰেষ্ঠ ডিমাচা চলচ্চিত্ৰৰ বঁটা



### অসমৰ কেইবাখনো ছবিলৈ ৰাষ্ট্ৰীয় সন্মান

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২২ জুলাই ঃ** ৬৮সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা আজি নতুন দিল্লীত আনুষ্ঠানিকভাৱে ঘোষণা কৰা হয়। ১৯৫৪ চনতে স্থাপিত ভাৰত চৰকাৰৰ চলচ্চিত্ৰ মহোৎসৱ সঞ্চালকালয়ৰ দ্বাৰা পৰিচালিত এই বঁটাত জিলিকি উঠিল অসমৰ কেইবাখনো ছবি তথা তথ্যচিত্ৰ। ক'ভিড পৰিস্থিতিৰ বাবে এই বঁটা বিগত দুবছৰে প্ৰদান কৰিব পৰা হোৱা নাছিল। আজি চলচ্চিত্ৰ নিৰ্মাতা বিপুল শ্বাহৰ নেতৃত্বত ১০জনীয়া জুৰীয়ে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অনুৰাগ ঠাকুৰক সাক্ষাৎ কৰে আৰু ৬৮ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা সন্দৰ্ভত প্ৰতিবেদন দাখিল কৰে। জুৰীয়ে প্ৰদান কৰা বঁটাসমূহৰ তালিকাৰ বিষয়ে মন্ত্ৰী ঠাকুৰে সংবাদ মাধ্যমক অৱগত কৰে। নতুন দিল্লীত এখন সংবাদ মেলৰ জৰিয়তে ঘোষণা কৰা হয় বঁটা বিজয়ীৰ নাম তালিকা। এইবাৰ শ্ৰেষ্ঠ অভিনেতাৰ বঁটা যৌথভাৱে লাভ কৰিছে অজয় দেৱগণ (তানহাজী) আৰু সূৰ্যাই (সুৰাৰাই পোট্ৰু)। আশুতোষ গোৱাৰীকাৰৰ 'তুলসীদাস' ছবিখনে লাভ কৰিছে শ্ৰেষ্ঠ হিন্দী চলচ্চিত্ৰৰ বঁটা। 'তানহাজী'ক শ্ৰেষ্ঠ জনপ্ৰিয় চলচ্চিত্ৰ আৰু সুৰাৰাই ■ ৮ পৃষ্ঠাত



## চিবিএছইৰ দশম, দ্বাদশ শ্ৰেণীৰ ফলাফল ঘোষণা

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২২ জুলাই ঃ** চিবিএছইৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ ফলাফল আজি ঘোষণা কৰা হয়। চিবিএছইৰ ফালৰ পৰা জনোৱা হৈছে যে এইবাৰ উত্তীৰ্ণৰ হাৰ ৯২.৭১ শতাংশ। উত্তীৰ্ণৰ হাৰত আটাইতকৈ আগত দাক্ষিণাত্য। ৯৮.৮৩ শতাংশ উত্তীৰ্ণৰ হাৰেৰে প্ৰথম স্থানত আছে ত্ৰিবান্দ্ৰম। ৯৮.১৬ শতাংশ উত্তীৰ্ণৰ হাৰেৰে দ্বিতীয় স্থানত আছে বেংগালুৰু আৰু ৯৭.৭৯ শতাংশ উত্তীৰ্ণৰ হাৰেৰে তৃতীয় স্থানত চেন্নাই। স্বাভাৱিকতে ফলাফল প্ৰকাশ হোৱাৰ পিছতে আনন্দিত হৈ পৰে ছাত্ৰ-ছাত্ৰীসকল। এইবাৰ দুটা পৰ্যায়ত ■ ৮ পৃষ্ঠাত

# অৰুণাচলত দুৰ্ঘটনাত মৃত্যু ৪ যুৱকৰ

## ঘন কুঁৱলীৰ বাবেই ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ সন্দেহ ঃ নগাঁৱত শোকৰ ছাঁ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২২ জুলাই ঃ** অৰুণাচল প্ৰদেশৰ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰিবলৈ গৈ দুৰ্ঘটনাত পতিত হৈ নগাঁৱৰ দুই যুৱকসহ চাৰি বন্ধুৱে মৃত্যুক সাবটি লোৱাৰ বাতৰিয়ে নগাঁৱত শোকৰ ছাঁ পেলায়। উল্লেখ্য যে ১৮ জুলাইত নগাঁৱৰ পৰা তেজপুৰলৈ বুলি ওলাই যোৱা বেদান্ত বৰমহেলা আৰু নয়নজ্যোতি বসুমতাৰী নামৰ যুৱকদ্বয়ৰ মৃতদেহ অৰুণাচল প্ৰদেশৰ জিৰ'ত উদ্ধাৰ হোৱাৰ বাতৰিয়ে আজি পুৱা নগাঁৱত চাঞ্চল্যৰ সৃষ্টি কৰে। নগাঁও চহৰৰ লাওখোৱা ৰোডৰ বেদান্ত বৰমহেলা (৩০) আৰু বঢ়মপুৰ কন্দলীৰ নয়নজ্যোতি বসুমতাৰী (৩০) ১৮ জুলাইত নগাঁৱৰ পৰা সোণাপুৰৰ বন্ধু হীৰক বড়োৰ (৩২) সৈতে তেজপুৰলৈ বুলি ওলাই গৈছিল। কিন্তু তাৰ পিছতে তেজপুৰৰ বন্ধু সঞ্জীৱ দাসৰ (৩৪) সৈতে চাৰিওগৰাকী ৰাওনা হয় অৰুণাচল প্ৰদেশৰ জিৰ'লৈ। বাইক ৰাইডাৰ চাৰি বন্ধুৱে এ এছ-০১ বি পি-০৬৫০ নম্বৰৰ এখন ভকছ ৱাগন প'ল' গাড়ীৰে অৰুণাচল প্ৰদেশলৈ ৰাওনা হৈছিল। কিন্তু আৰুণাচল প্ৰদেশৰ চেঁচাৰ পৰা দিৰাঙৰ ■ ৮ পৃষ্ঠাত

## ভুৱা খবৰ প্ৰচাৰ কৰা ডিজিটেল মাধ্যমৰ বিৰুদ্ধে কঠোৰ কেন্দ্ৰীয় চৰকাৰ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২২ জুলাই ঃ** ভুৱা খবৰ প্ৰচাৰ কৰা ডিজিটেল মাধ্যমসমূহৰ বিৰুদ্ধে কঠোৰ হৈছে কেন্দ্ৰীয় চৰকাৰ। ভুৱা খবৰ প্ৰচাৰৰ বাবে ২০২১-২২ বৰ্ষত দেশত ৯৪টা ইউটিউব চেনেল, ১৯টা ছ'চিয়েল মিডিয়া একাউণ্ট আৰু ৭৪৭টা ইউনিফৰ্ম ৰিচ'ৰ্ছ লোকেটৰ (ইউআৰএল) বন্ধ কৰা হৈছে। কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অনুৰাগ ঠাকুৰে বৃহস্পতিবাৰে ৰাজ্যসভাত এই তথ্য দাঙি ধৰিছে। এক প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে ■ ৮ পৃষ্ঠাত









# ৰাষ্ট্ৰপতি হিচাপে কেনে সুবিধা লাভ কৰিব দ্ৰৌপদী মুৰ্মুৱে

## সাংবিধানিক মুৰব্বীৰ দৰমহা কিমান

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২২ জুলাই ঃ** বিজেপি নেতৃত্বাধীন এনডিএৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মু দেশৰ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হৈছে। ৰাষ্ট্ৰপতি হিচাবে তেওঁ ভালেমান সুবিধা লাভ কৰিব। ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি ভাৰতীয় সশস্ত্ৰ বাহিনীৰ মুখ্য সেনাধ্যক্ষও। ভাৰতত নিৰ্বাচনী সদস্যসকলে ৰাষ্ট্ৰপতি নিৰ্বাচন কৰে। ইয়াত দুয়োটা সংসদ সদন, ৰাজ্যসমূহৰ বিধানসভাৰ নিৰ্বাচিত সদস্য থাকে। ভাৰতৰ ৰাষ্ট্ৰপতিগৰাকী, ৰাষ্ট্ৰপতি ভৱনত থাকে, যিটো বিশ্বৰ সৰ্ববৃহৎ ৰাষ্ট্ৰপতি ভৱন। ৰাষ্ট্ৰপতিৰ দৰমহা ঃ বৰ্তমান ভাৰতৰ ৰাষ্ট্ৰপতিৰ দৰমহা মাহে ৫ লাখ টকা। লক্ষণীয় কথাটো হৈছে, ইয়াৰ বাবে দেশৰ মুৰব্বীগৰাকীয়ে কোনো ধৰণৰ কৰ পৰিশোধ কৰিব নালাগে। ইয়াৰ বাহিৰেও ৰাষ্ট্ৰপতিগৰাকীয়ে লাভ কৰে আন বহুতো ভাত্তা। বাসস্থান ঃ নতুন দিল্লীত অৱস্থিত ৰাষ্ট্ৰপতি ভৱন ভাৰতৰ ৰাষ্ট্ৰপতিৰ চৰকাৰী বাসস্থান। ২,০০,০০০ বৰ্গফুট এলেকাত নিৰ্মাণ কৰা ■ ৮ পৃষ্ঠাত



## শ্ৰীলংকাৰ নতুন প্ৰধানমন্ত্ৰী দীনেশ গুণাৱৰ্ধন

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২২ জুলাই ঃ** অৰ্থনৈতিক সংকটে গ্ৰাস কৰা দ্বীপৰাষ্ট্ৰ শ্ৰীলংকাৰ ৭৩ বছৰীয়া প্ৰবীণ ৰাজনীতিবিদ দীনেশ গুণাবৰ্ধনে দেশখনৰ নতুন প্ৰধানমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিছে। শুকুৰবাৰে দেশৰ নতুন ৰাষ্ট্ৰপতি ৰনিল বিক্ৰমসিংহে তেওঁক প্ৰধানমন্ত্ৰী হিচাপে নিযুক্তি দিয়ে। তাৰ পিছতে শ্ৰীলংকাৰ ■ ৮ পৃষ্ঠাত

## তেজপুৰৰ বৰপক্ষীয়াঝাৰ পথাৰত ছিৰাল ফাঁট

### মূৰে-কপালে হাত দিছে কৃষকে

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২২ জুলাই ঃ** তেজপুৰৰ বৰপক্ষীয়াঝাৰ পথাৰৰ হাজাৰ হাজাৰ বিঘা কৃষিভূমিত ছিৰাল ফাঁট। মূৰে-কপালে হাত দিছে কৃষকে। পানীৰ অভাৱতেই ছিৰাল ফাঁট দিছে তেজপুৰৰ বৰপক্ষীয়াঝাৰৰ কৃষিভূমিত। বৃহত্তৰ বৰপক্ষীয়াঝাৰ অঞ্চলটোত নাই জলসিঞ্চনৰ কোনো ব্যৱস্থা। ভাদ মাহৰ খৰাং বতৰত পানীৰ অভাৱৰ বাবে শালি খেতিত কৃষকে ক্ৰয় কৰি দিছে পানী। দৰিদ্ৰ কৃষকসকলে গাঁঠিৰ ধন ভাঙি শালি খেতি কৰিছে যদিও দেখা নাপাব ■ ৮ পৃষ্ঠাত




*আদিবাসী ছাত্ৰ সন্থাৰ অৱস্থান ধৰ্মঘট কাৰ্যসূচী গুৱাহাটীত*

## বৰকলাত পিতৃয়ে হত্যা কৰিলে সুৰাসক্ত পুত্ৰক

**দৈনন্দিন বাৰ্তাৰ সেৱা, বেবেজীয়া, ২২ জুলাই ঃ** নগাঁও জিলাৰ সদৰ সমষ্টিৰ অন্তৰ্গত বৰকলাত আজি পুৱাই সংঘটিত হয় এক চাঞ্চল্যকৰ হত্যাকাণ্ডৰ ঘটনা। আজি এজন ষাঠি উৰ্দ্ধৰ পিতৃৰ দাৰ ঘাপত প্ৰাণ গ'ল এজন পুত্ৰৰ। জানিব পৰা মতে, বৰকলা নিবাসী চামচেৰ সিঙৰ পুত্ৰ বিজেন্দ্ৰ সিং নামৰ যুৱকজনে দীৰ্ঘদিন ধৰি সুৰাপান কৰি অতিষ্ঠ কৰি আহিছিল ঘৰত। যোৱানিশাও সুৰাপান কৰি প্ৰথমে পিতৃক দাৰে আক্ৰমণ কৰে সুৰামত্ত পুত্ৰই। তাৰ পিছতে পিতৃয়ে সেইখন দাৰেই ঘপিয়াই ঘপিয়াই হত্যা কৰে পুত্ৰক। নিহত পুত্ৰৰৰ নাম বিজেন্দ্ৰ সিং, হত্যাকাৰী পিতৃ ■ ৮ পৃষ্ঠাত

# ছোনিয়া গান্ধীক ই ডিৰ জেৰাৰ প্ৰতিবাদত তেজপুৰত কংগ্ৰেছৰ প্ৰতিবাদ

### কংগ্ৰেছত গাড্ডাৰ আছে- অকপট স্বীকাৰোক্তি সভাপতি ভূপেন বৰাৰ

তেজপুৰ ২২ জুলাই ঃ সদ্য সমাপ্ত ৰাষ্ট্ৰপতি নিৰ্বাচনত ক্ৰছ ভোটিং সন্দৰ্ভত আজি তেজপুৰত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ অপকট স্বীকাৰোক্তি- কংগ্ৰেছত আছে গাড্ডাৰ। ২৬ জনৰ বিধায়কৰ ২০ গৰাকীয়েই বিৰোধী প্ৰাৰ্থীক ভোট প্ৰদানৰ বিপৰীতে ৬ গৰাকীয়েই দ্ৰৌপদী মুৰ্মুক ভোট দিয়াৰ পিছতেই চিনাক্ত হৈছে নিজ দলৰ গাড্ডাৰসকল। অচিৰেই এইসকলক চিহ্নিত কৰি উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আজি তেজপুৰত মন্তব্য কৰে সভাপতিগৰাকীয়ে। তেওঁ কয় যে, নিজ দলৰ ৪ বিধায়কে গাড্ডাৰি কৰিছে আৰু তেওঁলোকক অতি শীঘ্ৰে চিনাক্ত কৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব। লগতে এ আই ইউ ডি এফৰ বিধায়কৰ সন্দৰ্ভতো বিৰূপ মন্তব্য কৰে কংগ্ৰেছৰ সভাপতিগৰাকীয়ে। গুৱাহাটীস্থিত কংগ্ৰেছৰ কাৰ্যালয় ৰাজীৱ ভৱন লিজত দিলে এ আই ইউ ডি এফে ল'বলৈ সাজু আছে বুলি বিধায়ক কৰিমুদ্দিন বৰভূঞাই কৰা মন্তব্যৰ সন্দৰ্ভত কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই 'তেওঁলোকৰ টকা আছে। ৰাজ্যসভাতো ঘটিছে, ৰাষ্ট্ৰপতি নিৰ্বাচনতো বহুত ঘটিছে। তেওঁলোকৰ টকা আছে' বুলি মন্তব্য কৰে। ■ ৮ পৃষ্ঠাত




## হাজোত জাপানীজ এনকেফেলাইটিছত মহিলাৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২২ জুলাই ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত হাজোৰ পতনিত আজি এগৰাকী মহিলা জাপানীজ এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। আমিনগাঁৱৰ জিএনআৰচিত চিকিৎসাধীন অৱস্থাত আজি পুৱা ১০.৪৫ মিনিটত মৃত্যু হয় মহিলাগৰাকীৰ। আজিৰ পৰা প্ৰায় ১৬ দিন পূৰ্বে প্ৰথম অৱস্থাত মহিলাগৰাকীক হাজো ■ ৮ পৃষ্ঠাত



*খহনীয়া পৰ্যবেক্ষণ কৰিছ মন্ত্ৰী পীযূষ হাজৰিকাই, শিলচৰত*

## কাহিলিপাৰাত টিউটৰ শিক্ষক সংস্থাৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমিনগাঁও, ২২ জুলাই ঃ** সদৌ অসম প্ৰাদেশীকৃত মধ্য ইংৰাজী শিক্ষক (টিউটৰ) সংস্থাই এক বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। কাহিলিপাৰাত থকা সৰ্বশিক্ষা অভিযান সঞ্চালকালয়ৰ সন্মুখত গ্ৰহণ কৰা প্ৰতিবাদী কাৰ্যসূচীত হাতে হাতে প্লে-কাৰ্ড লৈ শিক্ষাগুৰুসকলে চৰকাৰবিৰোধী শ্ল'গান দিয়ে। শিক্ষকসকলে অভিযোগ কৰে যে, প্ৰাদেশিকীকৰণ আইন (২০১৭) মতে পদ প্ৰাদেশিকীকৰণৰ বাবে ০১-০১-২০১৭ তাৰিখত শিক্ষকসকলে কৰ্মৰত বিদ্যালয়সমূহত ছবছৰীয়া ধাৰাবাহিক সেৱা আগবঢ়োৱাটো বাধ্যতামূলক। সেই অনুসৰি ২০০৯-১০ চনত শিক্ষকৰ নাম ডাইছত (UDISE) নাম থকাটো প্ৰয়োজনীয় চৰ্ত যদিও উক্ত ডাইছত উল্লেখ থকা বিদ্যালয়ত যোগদানৰ তাৰিখটো পদ প্ৰাদেশিকীকৰণত গুৰুত্ব নিদি ০১-০১-২০২১ তাৰিখৰ শিক্ষা অধিকাৰ আইন বা শিক্ষকৰ যোগ্যতাবিষয়ক বৰ্তমান আইনসমূহ শিক্ষকৰ ওপৰত বলৱৎ কৰে। ইয়াৰ বিৰুদ্ধে ■ ৮ পৃষ্ঠাত

### তামাৰহাটত বিবাহ যাত্ৰী বাছ দুৰ্ঘটনাগ্ৰস্ত

## মটৰচাইকেলৰ মুখামুখি সংঘৰ্ষত নিহত ১

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামাৰহাট, ২২ জুলাই ঃ** ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত মুছলমানপাৰা (বাসন্তীপুৰ) গাঁৱত যোৱানিশা এখন বিবাহ যাত্ৰী কঢ়িওৱা বাছ আৰু এখন মটৰচাইকেলৰ মুখামুখি ■ ৮ পৃষ্ঠাত

## লক্ষীপুৰত বন্য হস্তীৰ আক্ৰমণত মৃত্যু ২

**দৈনন্দিন বাৰ্তাৰ সেৱা, লক্ষীপুৰ, ২২ জুলাই ঃ** গোৱালপাৰা জিলাৰ লক্ষীপুৰৰ গাৰোপাৰাত বন্যহস্তীয়ে যোৱানিশা দুগৰাকী লোকক গচকি মাৰি পেলোৱা ঘটনাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য ■ ৮ পৃষ্ঠাত

### মাখিবাহাত লোমহৰ্ষক হত্যাকাণ্ড

# প্ৰণৱ শৰ্মা নামৰ এজনক হানি-খুঁচি হত্যা

### হত্যাকাৰী নিৰেন শৰ্মা আৰক্ষীৰ জিম্মাত

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২২ জুলাই ঃ** নলবাৰী জিলাৰ টিহুৰ মাখিবাহাত কালি এক লোমহৰ্ষক হত্যাকাণ্ড সংঘটিত হয়। জানিব পৰা মতে মাখিবাহাৰ অধ্যাপকপাৰা চুবুৰিৰ প্ৰণৱ শৰ্মা নামৰ এজন যুৱকক দিন-দুপৰতে একে চুবুৰিৰে নিৰেন শৰ্মা নামৰ এজন লোকে হানি-খুঁচি হত্যা কৰে। ইয়াৰ পিছতে অঞ্চলটোত এক উত্তেজনাময় পৰিৱেশৰ সৃষ্টি হয়। ■ ৮ পৃষ্ঠাত

## যোগীঘোপাত চোৰাং কাঠ মাফিয়াই কাগজ কলৰ আৱাসিক এলেকাত কাটিছে বৃহৎ শালগছ

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ২২ জুলাই ঃ** বনাঞ্চল সংৰক্ষণৰ বাবে যি সময়ত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰি আছে ঠিক তেনে সময়তে বঙাইগাঁও জিলাত একাংশ বনদস্যুই এফালৰ পৰা চলাই গৈছে বন ধ্বংসযজ্ঞ। জিলাখনৰ উত্তৰ শালমাৰা মহকুমাৰ ■ ৮ পৃষ্ঠাত

### কমলপুৰৰ মহাত্মা গান্ধী আদৰ্শ হাস্পতালৰ দূৰৱস্থা

## তেজৰ নমুনা পৰীক্ষাৰ বাবে যাবলগীয়া হয় ব্যক্তিগত পৰীক্ষাগাৰলৈ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কমলপুৰ, ২২ জুলাই ঃ** কমলপুৰৰ এখন আগশাৰীৰ চিকিৎসালয় হৈছে মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়। বৃহত্তৰ অঞ্চলটোৰ চিকিৎসাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰি ■ ৮ পৃষ্ঠাত

### ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চলত মৰ্মান্তিক ঘটনা

# বনৰীয়া হাতীয়ে এটা পৰিয়ালৰ ঘৰ কৰিলে চূৰমাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ২২ জুলাই ঃ** ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তত বামুণজুলি চাহ বাগিচাৰ উড়িয়া লাইন নিৱাসী দ্বিজেন গোৱালাৰ ঘৰ ভাঙি চূৰমাৰ কৰি থৈ যায় বন্যহস্তীয়ে। ভাৰত-ভূটান সীমান্তত হাতী-মানুহৰ সংঘাত দিনক দিনে তীব্ৰ গতিত বাঢ়িছে। বনৰীয়া হাতীৰ আক্ৰমণত বহুতো পৰিয়ালৰ ঘৰ-বাৰী ভাঙি থৈ যোৱা আৰু হাতীৰ আক্ৰমণত মানুহৰ মৃত্যু হোৱা ঘটনাই অঞ্চলটোত বাস কৰা লোকসকলক চিন্তিত কৰি তুলিছে। কালি পুৱা ৩ মান বজাত দ্বিজেন গোৱালাৰ ঘৰ ভাঙি বিধ্বস্ত কৰা ঘটনাই ৰাইজক মহা চিন্তাত পেলাইছে। সঘনাই এনে ঘটনা সংঘটিত হৈ থকা সত্ত্বেও চৰকাৰ আৰু বন বিভাগে কোনো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা নাই । কুম্ভকৰ্ণ নিদ্ৰাত থকা চৰকাৰ তথা বন বিভাগ এটা বৃহৎ শূন্য। বিটিচি আৰু অসম চৰকাৰক শীঘ্ৰে ক্ষতিগ্ৰস্ত পৰিয়ালক সাহায্য প্ৰদান কৰাৰ দাবী জনাই সদৌ অসম আদিবাসী ■ ৮ পৃষ্ঠাত





*নগাঁৱত পাঞ্জা চেম্পিয়নশ্বিপ মুকলি কৰাৰ মুহূৰ্তত বিধায়ক ৰূপক শৰ্মা*

# চেঙাত গাঁওপ্ৰধানৰ বিৰুদ্ধে ৰাইজ মেল
# বন্যাৰ্তক প্ৰৱঞ্চনা কৰাৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুকালমুৱা, ২২ জুলাই ঃ** বৰপেটা জিলাৰ চেঙা ৰাজহ চক্ৰৰ অন্তৰ্গত এগৰাকী গাঁওপ্ৰধানৰ দৌৰাত্ম্যত অতিষ্ঠ কৰি তুলিছে সাধাৰণ ৰাইজক। এখন প্ৰমাণ-পত্ৰৰ বাবে ডেৰশ-দুশ টকা দাবী কৰি অহা গাঁওপ্ৰধানজনৰ শেহতীয়া কৰ্ম-কাণ্ডই ক্ষোভিত কৰি তুলিছে স্থানীয় ৰাইজ তথা বন্যাৰ্তক। চেঙা ৰাজহ চক্ৰৰ অন্তৰ্গত ১৩নং চাৰ্জৰ গাঁওপ্ৰধান হৰেকৃষ্ণ ডেকাৰ বিৰুদ্ধে সম্প্ৰতি বন্যাৰ্তক প্ৰৱঞ্চনা কৰাৰ লগতে ৰাইজক বিপথে পৰিচালিত কৰাই সহা, দুখনকৈ সমাজৰ মাজত বিভেদ সৃষ্টিৰ দৰে কাৰ্যত লিপ্ত হোৱাৰ দৰে স্পৰ্শকাতৰ অভিযোগ ৰাজহুৱাভাৱে উত্থাপন হৈছে। নিজৰ দায়িত্ব আৰু কৰ্তব্য ৰাইজৰ স্বাৰ্থত ৰাইজৰ হকে পালনত হেমাহি কৰি নিজৰ অভীষ্ট সিদ্ধিৰ বাবে পক্ষপাতমূলক আচৰণ কৰি অৱশেষত ৰাইজৰ কাঠগৰাত থিয় হ'ব লগীয়া হ'ল চেঙাত দীৰ্ঘদিন ধৰি দৌৰাত্ম্য চলাই অহা এইগৰাকী গাঁওপ্ৰধান হৰেকৃষ্ণ ডেকা। উল্লেখ্য যে শেহতীয়া প্ৰলয়ংকৰী বানত বিধ্বস্ত হৈ শিবিৰত থকা বানাক্ৰান্তৰ বাবে চৰকাৰী হিতাধিকাৰীৰ তালিকা প্ৰস্তুতকৰণৰ ক্ষেত্ৰত গাঁওপ্ৰধানজনৰ চূড়ান্ত হেমাহি আৰু ন্যস্ত স্বাৰ্থৰ বাবে বহুতো বানাক্ৰান্ত পৰিয়ালে চৰকাৰী আঁচনিৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। কিন্তু নিজৰ প্ৰকৃত দায়িত্ব পালনত ব্যৰ্থ হোৱা গাঁওপ্ৰধানজনে নিজৰ দোষ ঢাকি অন্য ব্যক্তি এজনৰ ওপৰত দোষ জাপি দি দুখন সমাজৰ মাজত বিভেদ সৃষ্টি কৰাৰ উপক্ৰম হোৱাত বিষয় সন্দৰ্ভত ৰাইজ মেল অনুষ্ঠিত কৰিবলৈ বাধ্য হয় বৰচেঙাপাৰা পঞ্চায়তৰ কাৰ্যনিৰ্বাহক সমিতিয়ে। কালি সন্ধিয়াৰ ভাগত অনুষ্ঠিত ৰাইজ মেলত ৰাইজৰ কাঠগৰাত থিয় কৰোৱা হয় গাঁওপ্ৰধান হৰেকৃষ্ণ ডেকাক। ইফালে, বন্যাৰ্তক বঞ্চিত কৰা সন্দৰ্ভত গাঁওপ্ৰধান হৰেকৃষ্ণ ডেকাই অন্য সমাজৰ লোকক দোষ জাপি দিয়া সন্দৰ্ভত ৰাইজ মেলত ব্যক্তিজনে দিয়া স্বীকাৰোক্তিৰে গাঁওপ্ৰধানজনৰ প্ৰকৃত স্বৰূপ ওলাই পৰে। গাঁওপ্ৰধানজনে এই অভিযোগ নিজৰ ব্যৰ্থতা ঢাকি থোৱাৰ কৌশল আৰু গাঁওপ্ৰধান হৰেকৃষ্ণ ডেকাই ৰাইজক বিপথে পৰিচালিত কৰা বুলি নিশ্চিত হয়। এইক্ষেত্ৰত ৰাইজ মেলত গাঁওপ্ৰধান হৰেকৃষ্ণ ডেকাক জবাবদিহি কৰি তীব্ৰ ভৰ্ৎসনা কৰে। ৰাইজ মেলতেই কে'বাটাও পৰিয়ালে গাঁওপ্ৰধানজনৰ সন্মুখতে প্ৰমাণ-পত্ৰৰ নামত ডেৰশৰ পৰা দুশ টকা দাবী কৰা বুলি অভিযোগ উত্থাপন কৰে। উল্লেখ্য যে এইজন গাঁওপ্ৰধানৰ নিযুক্তিৰ পাছতেই একাংশ লোকে নিযুক্তি প্ৰক্ৰিয়া অবৈধ বুলি সন্দেহ প্ৰকাশ কৰিছিল। নিযুক্তিৰ ক্ষেত্ৰত দুৰ্নীতিৰ অভিযোগ উত্থাপন হৈছিল। সম্প্ৰতি এই গাঁওপ্ৰধানজনৰ নিযুক্তিৰ বিষয়ত উচ্চ ন্যায়ালয়ত এটা গোচৰো চলি আছে। নিজকে স্বয়ম্ভু আপঞহুৰ কৰ্মী বুলি কৈ দম্ভালি মৰা হৰেকৃষ্ণ ডেকাই আপঞহুৰ সহায়তে বক্ৰ পথেৰে চাকৰিত মকৰল হোৱাৰ অভিযোগ আছে। এতিয়া পুনৰ নিজৰ দোষ ঢাকিবলৈ আপঞহুৰ সহায় ল'ব বুলিও চৰ্চা চলিছে। ৰাইজক বিপথে পৰিচালিত কৰা, ন্যস্ত স্বাৰ্থৰ বাবে দুখন সমাজৰ মাজত বিভেদ সৃষ্টি কৰা, প্ৰমাণ-পত্ৰৰ নামত সাধাৰণ লোকক আৰ্থিক লুণ্ঠন চলোৱা, বানাক্ৰান্তক আৰেলাক অংগুষ্ঠ দেখুৱাই প্ৰাপ্যৰ পৰা বঞ্চিত কৰা এইগৰাকী গাঁওপ্ৰধানৰ দৌৰাত্ম্যক লৈ বিভাগীয় কৰ্তৃপক্ষই কি পদক্ষেপ গ্ৰহণ কৰে সেয়াহে হ'ব লক্ষণীয়।

## বৰপেটা জিলা কংগ্ৰেছৰ প্ৰতিবাদ
# কংগ্ৰেছ সভানেত্ৰী ছোনীয়া গান্ধীক ই ডিৰ চমন



**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ২২ জুলাই ঃ** নেচনেল হেৰ'ল্ড গোচৰত কংগ্ৰেছ সভানেত্ৰী ছোনীয়া গান্ধীলৈ ই ডিয়ে চমন জাৰি কৰাৰ বিৰুদ্ধে আজি বৰপেটা জিলা কংগ্ৰেছে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। শুক্ৰবাৰে বৰপেটাৰ উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখেৰে এক প্ৰতিবাদী সমদল উলিয়ায় জিলা কংগ্ৰেছ দলে। বৰপেটা সমষ্টিৰ বিধায়ক আব্দুৰ ৰহিম আহমেদৰ নেতৃত্বত তিনি শতাধিক কংগ্ৰেছ নেতা-কৰ্মীয়ে প্ৰতিবাদী সমদলত অংশ লয়। আৰক্ষীৰ বাধা নেওচি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে কংগ্ৰেছ নেতা-কৰ্মীসকলে। বিজেপিবিৰোধী শ্ল'গানেৰে ৰাজপথ উত্তাল কৰি তোলে প্ৰতিবাদকাৰীসকলে। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব নোৱাৰি অৱশেষত প্ৰতিবাদকাৰীসকলক আটক কৰে আৰক্ষীয়ে।

# জামুগুৰি সাৰ্বজনীন গৰখীয়া থানত 'শৰাই এদিন আৰু গৰখীয়া সৱাহ'ৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, জাজৰি, ২২ জুলাই ঃ** নগাঁও জিলাৰ জামুগুৰিৰ ঐতিহ্যমণ্ডিত 'সাৰ্বজনীন গৰখীয়া থানত' ২৮সংখ্য বাৰ্ষিক সেৱা 'শৰাই'ৰ এদিন আৰু গৰখীয়া সৱাহ' উৎসৱ ভাগ দুদিনীয়াকৈ উদ্‌যাপনৰ দিহা কৰা হৈছে। কাৰ্যসূচী অনুসৰি ৩০ জুলাই শনিবাৰে পুৱা ৭ বজাত পৰিৱেশ নিকাকৰণ, ৭.৩০ বজাত মণিকূটত বন্তি প্ৰজ্বলনেৰে উৎসৱৰ শুভাৰম্ভ কৰিব থানঘৰীয়া টংকেশ্বৰ নাথে, ৯ বজাত ধৰ্মধ্বজা উত্তোলন কৰিব উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি শুকুৰাম বৰুৱাই। তাৰ পাছতে স্মৃতি তৰ্পণ, খোল-প্ৰসংগ আৰু নাম-কীৰ্তন আৰু দুপৰীয়া ১২ বজাত ভাগৱত পাঠ আৰু বাখ্যাৰ উদ্বোধন কৰিব মৰিগাঁও মহাবিদ্যালয়ৰ প্ৰবক্তা ড° বোধেন কুমাৰ শইকীয়াই। সন্ধ্যা ৬.৩০ বজাত সমূহীয়া বন্তি প্ৰজ্বলন, নিশা ৯.৩০ বজাত আপ্যায়নেৰে উক্ত দিনাৰ কাৰ্যসূচীৰ পৰিসমাপ্তি ঘটিব। দ্বিতীয় দিনা অৰ্থাৎ ৩১ জুলাই দেওবাৰে পুৱা ৪ বজাত ভাগৱত পাঠৰ সামৰণি, ৮ বজাত সেৱকীসকলৰ শৰাই উচৰ্গা, ৯.৩০ বজাত খোল আৰু নাম প্ৰসংগ, দুপৰীয়া ১২ বজাত মহানাম আৰম্ভ, বিয়লি ৫ বজাত মহানাম সামৰণি, প্ৰসাদ বিতৰণ আৰু সমূহীয়া ঘোষাৰে অনুষ্ঠানৰ সামৰণি পৰিব বুলি উদ্‌যাপন সমিতিয়ে জনাইছে।

# ভাৰতীয় জনতা পাৰ্টীৰ তিনিদিনীয়া প্ৰশিক্ষণ শিবিৰ আৰম্ভ
## ৰাজ্যিক আৰু জিলা স্তৰৰ তিনি শতাধিক স্বয়নিত কাৰ্যকৰ্তাৰ অংশগ্ৰহণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২২ জুলাই ঃ** ভাৰতীয় জনতা পাৰ্টী, অসমৰ প্ৰদেশৰ প্ৰতিগৰাকী কাৰ্যকৰ্তাৰ দলীয় নীতি-আদৰ্শেৰে অনুপ্ৰাণিত হৈ সমাজ সেৱাৰ বাবে নিজকে উৎসৰ্গা কৰা তথা কাৰ্যকৰ্তাসকলক অধিক সক্ৰিয়তা কৰিবৰ বাবে প্ৰতি বছৰে ৰাষ্ট্ৰীয় নেতৃত্বৰ মাৰ্গ দৰ্শনত প্ৰশিক্ষণ শিবিৰৰ কাৰ্যসূচী আয়োজন কৰা হয়। চলিত বৰ্ষতো ৰাজ্যিক বিজেপি প্ৰশিক্ষণ বিভাগৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ ড° বাণীকান্ত কাকতি প্ৰেক্ষাগৃহত তিনিদিনীয়াকৈ প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰা হৈছে। ৰাজ্যিক কাৰ্যালয়ৰ পৰা সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিবৃতিত বিজেপি, অসম প্ৰদেশৰ প্ৰশিক্ষণ বিভাগৰ আহ্বায়ক ব্ৰজ কুমাৰ দাসে কয় যে তিনিদিনীয়া আৱাসিক প্ৰশিক্ষণত ৰাজ্যিক সমিতিৰ বিষয়ববীয়াসকল, জিলা সভাপতি আৰু জিলাৰ সাধাৰণ সম্পাদকসকল, মুখপাত্ৰ, পেনেলিষ্ট, কোষ আৰু বিভাগৰ আহ্বায়ক, সহঃ আহ্বায়ক, চি ই এম, প্ৰাক্তন বিধায়ক, সন্মানীয় বিশেষ আমন্ত্ৰিত কাৰ্যকৰ্তাসকলে অংশগ্ৰহণ কৰিব। উক্ত প্ৰশিক্ষণ শিবিৰত ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় সমিতিৰ উপ-সভাপতি, সাধাৰণ সম্পাদককে আদি কৰি কে'বাজনো শীৰ্ষ পৰ্যায়ৰ নেতা উপস্থিত থাকি ৰাজ্যিক বিজেপিৰ কাৰ্যকৰ্তাসকলক মাৰ্গ দৰ্শন কৰিব। উল্লেখ্য যে নিৰ্বাচনৰ সমান্তৰালভাৱে দলৰ নীতি, আদৰ্শ আৰু ৰাষ্ট্ৰ নিৰ্মাণৰ ভাবধাৰাৰে কাৰ্যকৰ্তাসকলক উদ্বুদ্ধ কৰি তোলাটো ভাৰতীয় জনতা পাৰ্টীৰ অন্যতম লক্ষ্যণীয় পদক্ষেপ। এই প্ৰশিক্ষণ শিবিৰৰ সমাপ্তিৰ পিছত পৰ্যায়ক্ৰমে ৰাজ্যিক মৰ্চাসমূহৰ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হ'ব বুলি ৰাজ্যিক প্ৰশিক্ষণ বিভাগৰ আহ্বায়ক ব্ৰজ কুমাৰ দাসে জানিব দিছে।

# মইনা নায়কৰ উন্নত চিকিৎসা-পৰিয়ালক ১০ লাখ টকা-দোষীক উচিত শাস্তি প্ৰদানৰ দাবীত আছাৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২২ জুলাই ঃ** সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা)ৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক দেবেন উৰাঙৰ নেতৃত্বত তথা আছা, মৰাণ আঞ্চলিক সমিতিৰ উদ্যোগত ডিব্ৰুগড় জিলাৰ মৰাণ সমষ্টিৰ অন্তৰ্গত লেপেটকটা চাহ বাগিচাত কৰ্মৰত অৱস্থাত ১৯ জুলাইত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত মইনা নায়কক উন্নতমানৰ চিকিৎসা প্ৰদান কৰা, মইনা নায়কৰ পৰিয়ালক ১০ লাখ টকাৰ ক্ষতিপূৰণ প্ৰদান কৰা আৰু লক্ষ্মী টি কোম্পানীৰ স্বত্বাধিকাৰী আৰু লেপেটকটা চাহ বাগিচাৰ পৰিচালকক উচিত শাস্তি প্ৰদান কৰাৰ দাবীত আজি মৰাণ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত দুপৰীয়া ১২বজাৰ পৰা ২ ঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। উক্ত দুঘন্টীয়া অৱস্থান কাৰ্যসূচীৰ যোগেদি শ্ৰমিক মইনা নায়কক উন্নত মানৰ চিকিৎসা




প্ৰদান কৰা, প্ৰয়োজন বহিঃৰাজ্যত চিকিৎসা প্ৰদান কৰা, মাইনা নায়কৰ পৰিয়ালক সংস্থাপন প্ৰদান কৰা, ডিব্ৰুগড় জিলাৰ সহকাৰী শ্ৰম আয়ুক্তক নিলম্বন কৰা, পৰিয়ালক ক্ষতিপূৰণ প্ৰদান কৰা আদি দাবী জনাই মৰাণ ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ যোগেদি জিলা উপায়ুক্তলৈ স্মাৰক-পত্ৰ প্ৰেৰণ কৰা হয়। কাৰ্যসূচীত আছাৰ কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক নীতিশ কুমাৰ গড়, আছাৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি মদন বাঘোৱাৰ, উপ-সভাপতি শিৱ কুৰ্মী, সহকাৰী সাধাৰণ সম্পাদক মিঠুৰাজ কিস্কু, উপ-সভাপতি বিচু মুণ্ডা, মৰাণ আঞ্চলিক সমিতিৰ সভাপতি ফিলিপ বেং, সম্পাদক বিপুল মুণ্ডা, নাহৰকটীয়া আঞ্চলিকৰ সাধাৰণ সম্পাদক মিখেল পুৰ্তীৰ লগতে বহুকেইজন আছাৰ কৰ্মকৰ্তা উপস্থিত থাকে। উল্লেখ্য যে বিশিষ্ট অভিনেতা, অসমীয়া ছবি পৰিচালক আব্দুল মজিদে চাহ জনগোষ্ঠী তথা চাহ শ্ৰমিকক লৈ কৰা অসমীয়া ছবি 'সাত নম্বৰৰ সন্ধানত' এজন শ্ৰমিকক চিটিচি মেচিনে টানি নি যেনেকৈ আঘাতপ্ৰাপ্ত কৰি মৃত্যুমুখত পেলালে সেই একে জীৱন্ত ঘটনাই সংঘটিত হ'বলৈ গৈছিল লেপেটকটা চাহ বাগিচাৰ ফেক্টৰীত। উক্ত বোলছবিখনত অভিনয় কৰিছিল অসমৰ এজন জনপ্ৰিয় কণ্ঠশিল্পী আৰু অভিনেতাই। উক্ত শ্ৰমিকজনক চেফটি কেয়াৰ (নিৰাপত্তা) পোছাক নিদিয়া বাবেই সংঘটিত হৈছিল এই দুৰ্ঘটনাটো। লেপেটকটা চাহ বাগিচাৰ ফেক্টৰীতো তদ্ৰূপ ঘটনাই সংঘটিত হৈছিল মইনা নায়কৰ ক্ষেত্ৰত। দুৰ্ঘটনাটো সন্দৰ্ভত অধিক জানিবৰ বাবে আজি বাগিচাৰ পৰিচালক ইমদাদুল হকক লগ কৰিবলৈ যোৱা হৈছিল যদিও বাগিচাৰ পৰিচালকজনক সাক্ষাৎ কৰিব পৰা নগ'ল। ফোন কৰিলত জনালে বাহিৰত যোৱা বুলি। আনহাতে বাগিচাৰ অন্যান্য কৰ্মচাৰীসকলে এই সন্দৰ্ভত একো ক'ব নিবিচাৰে। আনহাতে জিলা প্ৰশাসনৰ ফালৰ পৰা ঘটনাৰ সন্দৰ্ভত দণ্ডাধীশৰ দ্বাৰা তদন্ত চলাই আছে। আজি তদন্তৰ ৰিপ'ৰ্ট জিলা উপায়ুক্তক দাখিল কৰিব বুলি ডিব্ৰুগড় জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগুৱে জানিব দিছে।

# ঘোষিকা, লেখিকা সাগৰিকা গোস্বামীলৈ অসম কলা কৃষ্টি বঁটা-২০২২

**দৈনন্দিন বাৰ্তৰ সেৱা, পাটাছাৰকুছি/বজালী, ২২ জুলাই ঃ** সদ্যপ্ৰকাশিত সাগৰিকা গোস্বামীৰ 'কবিতা সুধা' শীৰ্ষক কবিতা পুথি আৰু প্ৰয়োজন সাপেক্ষে সংগীত, কবিতা আবৃত্তি, বাদ্য বজোৱা, যাদু, অভিনয়, ছায়েৰী, বক্তৃতাৰ পৰ্যালোচনা আদি ব্যতিক্ৰমী শৈলীৰে ঘোষিকা হিচাপে পৰিচালনা কৰা অনুষ্ঠানৰ বাবে লাভ কৰে 'অসম কলা কৃষ্টি বঁটা-২০২২'। শিশুৰ পৰা বৃদ্ধলৈ সকলো বয়সৰ কবিতাপ্ৰেমীৰ বাবে উপযোগী, চন্দ্ৰ প্ৰকাশৰ পৰা প্ৰকাশিত, আইএছবিএনযুক্ত কবিতা পুথিৰ বাবে তথা বাচকবনীয়া জ্ঞানবৰ্ধক কথনশৈলীৰে পৰিচালনা কৰা অনুষ্ঠানৰ বাবে সাগৰিকা গোস্বামীয়ে লাভ কৰে এই সন্মান। শ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহ, গুৱাহাটীত প্ৰদান কৰা হয় এই বঁটা। সাহিত্য, সংস্কৃতিৰ লগতে শিক্ষা জগততো সমানে নিজৰ কামত অটল থকা সাগৰিকা গোস্বামীৰ কৰ্মৰাজিত আনন্দ আৰু আশীষ প্ৰকাশ কৰে শংকৰদেৱ শিশু নিকেতন পাটাছাৰকুছিৰ পৰিয়ালবৰ্গৰ লগতে তেওঁ পঢ়ি থকা কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ পৰিয়ালবৰ্গ তথা বিভিন্ন দল-সংগঠনে। স্নাতকোত্তৰ চূড়ান্ত যাণ্মাসিকৰ মেধাৱী ছাত্ৰীগৰাকীৰ কৃতিত্বত আনন্দ প্ৰকাশ কৰে পিতৃ হেমন্ত কুমাৰ গোস্বামী আৰু মাতৃ অনামিকা গোস্বামীয়ে।


**LOST**

I have lost my original Certificate, Admit, Markssheet & Regn. of H.S.L.C Roll-BM 20-949 No 0016, Passing year-2019. Also H.S Admit & Regn. Roll-0047 No-20008, Passing year-2021.If anyone have any information please contact below

Injamul
Ph. No - 9365605829
Rangeswari Pam
Kamrup, Assam

## ৰাশিফলত আজিৰ দিনটো

**৬ শাওণ, শনিবাৰ, ২৩ জুলাই, ১৪২৯ ভাস্কৰাব্দ**
**তিথি ঃ কৃষ্ণা দশমী, নক্ষত্ৰ ঃ কৃত্তিকা ঃ বৃষ ৰাশি**
**সূৰ্যোদয়- ৪-৪৮-২ সূৰ্যাস্ত- ৬-১৩-৩৬**



■ **মেষ** ঃ শিল্পীৰ সুনাম ■ **বৃষ** ঃ পৰিশ্ৰম বৃদ্ধি ■ **মিথুন** ঃ খেতিয়কৰ কষ্ট ■ **কৰ্কট** ঃ সাহিত্য চৰ্চা ■ **সিংহ** ঃ বিদ্যাৰ্থী সফল ■ **কন্যা** ঃ ছোৱালীৰ মনত আনন্দ ■ **তুলা** ঃ বিবাহৰ আলোচনা ■ **বৃশ্চিক** ঃ আত্মগৌৰৱ ■ **ধনু** ঃ শুভ সংবাদ ■ **মকৰ** ঃ কৃতকাৰ্যতা ■ **কুম্ভ** ঃ মতুন প্ৰেম বিফল ■ **মীন** ঃ ৰাইজৰ লগত।

# বৰপেটাৰোডত ড্ৰাগ্‌ছসহ আটক দুই

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটাৰোড, ২২ জুলাই ঃ** সমাজৰ নৱ প্ৰজন্মৰ বৰবিহস্বৰূপ ড্ৰাগ্‌ছ। এই ড্ৰাগ্‌ছ সেৱনৰ ফলত সমাজৰ হয়তো বহু পৰিয়ালৰ বাবে অমানিশা কঢ়িয়াই অনাটো নতুন কথা নহয়। এনে ড্ৰাগ্‌ছ সেৱনকাৰী তথা সৰবৰাহকাৰীৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান মাজে-সময়ে অব্যাহত ৰাখি অসম আৰক্ষীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। নামনি অসমৰ বাণিজ্য প্ৰধান চহৰ বৰপেটাৰোড আৰক্ষী থানাৰ নৱনিযুক্তি সৎ, নিকা, নিষ্ঠাৱান, দক্ষ আৰক্ষী ভাৰপ্ৰাপ্ত বিষয়া দেৱানন্দ দাসৰ নেতৃত্বত এটি আৰক্ষীৰ দলে গোপন সূত্ৰৰ পম খেদি আজি দুপৰীয়া প্ৰায় ১২ মান বজাত বৰপেটাৰোডৰ ৰে'ল গেটৰ সন্মুখৰ পৰা ড্ৰাগ্‌ছসহ দুজনক আটক কৰিবলৈ সক্ষম হৈছে। আটকাধীন ধৃত ড্ৰাগ্‌ছ সৰবৰাহকাৰী দুটা হৈছে বৰপেটাৰোডৰ সমীপৰ বাঁহবাৰীৰ বিশাল সৰকাৰ আৰু বৰপেটাৰোডৰ বৰ্মনপাৰাৰ বাবু দাস বুলি জানিব পৰা গৈছে। ধৃত ড্ৰাগ্‌ছ সৰবৰাকাৰীৰ পৰা আৰক্ষীয়ে ৯টা ড্ৰাগ্‌ছভৰ্তি কণ্টেইনাৰ, ৮টা খালী কণ্টেইনাৰ আৰু ২টা ম'বাইল ফোন আৰক্ষীয়ে জব্দ কৰিছে। যুৱক দুজনক বৰপেটাৰোড আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে। বৰপেটাৰোড আৰক্ষী থানাৰ বিষয়া দেৱানন্দ দাসৰ এনে ড্ৰাগ্‌ছবিৰোধী কৰ্মৰ বাবে সচেতন মহলে একমুখে শলাগীছে।






# মুখ্যমন্ত্ৰীক দক্ষিণ কামৰূপ গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ উষ্ম সম্ভাষণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২২ জুলাই ঃ** ৰাজ্যৰ বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰে চলিত মাহৰ বিগত ৫ তাৰিখে চৰকাৰৰ কেবিনেটে গৰিয়া জনগোষ্ঠীৰ লগতে মৰিয়া, দেশী, চৈয়দ আৰু জলহা জনগোষ্ঠীক অসমৰ খিলঞ্জীয়া ভূমিপুত্ৰ হিচাপে মান্যতা প্ৰদান কৰিছে। অসমৰ মুখ্যমন্ত্ৰীৰ এনে বলিষ্ঠ পদক্ষেপক দক্ষিণ কামৰূপ গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদে অশেষ ধন্যবাদ জনাইছে বুলি আজি সংবাদ মাধ্যমক জনায় সংগঠনটোৰ সভাপতি ৰৌচান আলীয়ে। উল্লেখ্য যে যোৱা ২০ তাৰিখে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কামৰূপ জিলাৰ বকোৰ ভালুকঘাটাত সৌৰ বিদ্যুৎ প্ৰকল্প উদ্বোধন কৰিবলৈ অহাৰ সময়ত দক্ষিণ কামৰূপ জিলা গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ তৰফৰ পৰা মুখ্যমন্ত্ৰীগৰাকীক উষ্ম সম্ভাষণ জনায়। মুখ্যমন্ত্ৰীক সম্ভাষণ জনোৱাৰ সময়ত সংগঠনটোৰ দক্ষিণ কামৰূপ জিলাৰ সভাপতি ৰৌচান আলী; সম্পাদক আলটাৰ হুছেইন, উপ-সভাপতি আব্দুল হুছেইন, সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ মহিলা কোষৰ সাংগঠনিক সম্পাদিকা পূৰ্ণিমা বেগম, আব্দুল ৰহমান, ৰুস্তম আলী, বকো আঞ্চলিক সমিতিৰ সভাপতি আৰু সম্পাদক ক্ৰমে চফিত আলী আৰু আনোৱাৰ হুছেইনৰ লগতে বহুকেইখন আঞ্চলিক সমিতিৰ বিষয়ববীয়াই সহযোগ আগবঢ়ায়। ইফালে, সভাপতি ৰৌচান আলীয়ে জনোৱা মতে মুখ্যমন্ত্ৰীক সম্বৰ্ধনা জনোৱা সময়ত মুখ্যমন্ত্ৰীয়ে সদ্য ঘোষণা কৰা খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ সুকীয়া জৰীপৰ কাম চৰকাৰীভাৱে আৰম্ভ কৰিব; এই ক্ষেত্ৰত আনুষংগিক আন আন কাম যেনে সুকীয়া জনগোষ্ঠীয় পৰিষদ গঠন; জনগোষ্ঠীয় প্ৰমাণ-পত্ৰ দিয়া আদি কামৰ লগতে জনগোষ্ঠীসমূহৰ উন্নয়নৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে। সম্ভাষণৰ সময়ত সংগঠনটোৰ প্ৰায় চল্লিছজনীয়া দলটোৰ সকলোৰে ডিঙিত গৰিয়া মৰিয়া জনগোষ্ঠীৰ কবচখন (গামোচা) দেখি মুখ্যমন্ত্ৰীয়ে সন্তোষ প্ৰকাশ কৰে আৰু কবচখন সদায় ব্যৱহাৰৰ কৰিবলৈ অনুৰোধ জনায়। মুখ্যমন্ত্ৰীয়ে দিয়া আশ্বাস বাণীত দক্ষিণ কামৰূপ গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদে সন্তোষ প্ৰকাশ কৰে বুলি জানিব দিয়ে সংগঠনটোৰ নেতৃবৰ্গই।

# দুধনৈত গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থাৰ উদ্যোগত সম্বৰ্ধনা অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, দুধনৈ, ২২ জুলাই ঃ** ২০২২ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৭৫ শতাংশ বা তাতোকৈ অধিক নম্বৰপ্ৰাপ্ত কৃতী ৰাভা জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জ্ঞাপন কৰাৰ বাবে আজি দুধনৈ জনমন্দিৰ সাংস্কৃতিক ভৱনত এক সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থাৰ সভাপতি বীৰঞ্জন ৰাভা আৰু গোৱালপাৰা জিলা ৰাভা মহিলা পৰিষদৰ সভানেত্ৰী মনোমা ৰাভাই পৌৰোহিত্য কৰা সম্বৰ্ধনা সভাৰ আঁত ধৰে গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক তিলক ৰাভাই। সভাখন উদ্বোধন কৰে নিখিল ৰাভা ছাত্ৰ সন্থাৰ আলোচনী সম্পাদক তথা গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থাৰ উপদেষ্টা অসীম কুমাৰ ৰাভাই। উদ্বোধনী ভাষণত তেওঁ কয় যে আৰম্ভণিতে মাত্ৰ চাৰিগৰাকী ৰাভা ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হৈছিল। কিন্তু আজি জিলাখনৰ পৰা বহু ছাত্ৰ ছাত্ৰী উত্তীৰ্ণ হৈছে। এয়া জাতিটোৰ বাবে মংগলজনক। ৰাভা জনগোষ্ঠীৰ হকে প্ৰাণ আহুতি দিয়া মহান ব্যক্তিসকলৰ আত্মাৰ শান্তি কামনাৰে এক মিনিট মৌন প্ৰাৰ্থনা জনোৱা হয়। সম্বৰ্ধনা অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ চীফ টংকেশ্বৰ ৰাভাই ভাষণ প্ৰসংগত কয় যে ভাৰতৰ বিভিন্ন উচ্চ শিক্ষা প্ৰতিষ্ঠানত ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ পৰা ২০গৰাকী ছাত্ৰ-ছাত্ৰীক নিৰ্বাচন কৰি উচ্চ শিক্ষা প্ৰতিষ্ঠানত যিকোনো বিষয়ৰ ওপৰত কোচিং কৰাৰ বাবে পৰিষদৰ তৰফৰ পৰা সম্পূৰ্ণ খৰচ বহন কৰাৰ পৰিকল্পনা হাতত লোৱা হৈছে। তেওঁ লগতে কয় যে চৰকাৰী বিদ্যালয়ৰ উত্তীৰ্ণৰ হাৰতকৈ প্ৰাইভেট স্কুলৰ উত্তীৰ্ণৰ হাৰ বেছি। এই ক্ষেত্ৰত চৰকাৰী বিদ্যালয়ৰ শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীৰ প্ৰতি গুৰুত্ব দি চৰকাৰী বিদ্যালয়ৰ শিক্ষাৰ মান উন্নত কৰাৰ বাবে পৰিষদৰ চীফগৰাকীয়ে আহ্বান জনায়। সভাত উপস্থিত থাকে ক্ৰমে ষষ্ঠ অনুসূচী দাবী সমিতিৰ সভাপতি দশানন ৰাভা, উপদেষ্টা মহীধৰ ৰাভা, উপ-সভাপতি বীৰবল ৰাভা, বিত্ত সম্পাদক প্ৰদীপ ৰাভা, গোৱালপাৰা জিলা ষষ্ঠ অনুসূচী দাবী সমিতিৰ সভাপতি ৰত্নেশ্বৰ ৰাভা, সম্পাদক ভবেন ৰাভা, পণ্ডিত দীনদয়াল আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি শৰ্মা, ৰাভা হাছং পৰিষদৰ অধ্যক্ষ চাৰুমোহন ৰাভা, কাৰ্যবাহী সদস্য হৰিশ চন্দ্ৰ ৰাভা, নিখিল ৰাভা ছাত্ৰ সন্থাৰ উপ-সভাপতি মতিলাল বাকচক, সহকাৰী সম্পাদক বাসুদেৱ ৰাভা, বিত্ত সম্পাদক দেবেশ ৰাভা, গোৱালপাৰা জিলা ৰাভা মহিলা পৰিষদৰ উপদেষ্টা সৰলা বাৰচুং, উপ-সভানেত্ৰী লীলাৱতী ৰাভা, নীলিমা ৰাভা, গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থাৰ উপ-সভাপতি প্ৰতুল ৰংখ, শিক্ষা সচিব দেৱানন্দ পাম। উল্লেখ্য যে গোৱালপাৰা জিলাৰ ২৩খন আঞ্চলিক ৰাভা ছাত্ৰ সন্থাই সহযোগ আগবঢ়ায়। ইপিনে, ৰাভা হাছং পৰিষদৰ শিক্ষা বিভাগৰ কাৰ্যবাহী সদস্য হৰিশ চন্দ্ৰ ৰাভাই ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰি অনুষ্ঠানটি সৰ্বাংগসুন্দৰ কৰি তোলে।



# দুমাহে নিখোজ হৈ আছে হাজোৰ বুল্লুট কোঁৱৰপুৰ গাঁৱৰ এগৰাকী ৬০ বছৰীয়া মহিলা

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২২ জুলাই ঃ** কামৰূপ জিলাৰ হাজো আৰক্ষী থানাৰ অধীনস্থ বুল্লুট কোঁৱৰপুৰ গাঁৱৰ এগৰাকী মহিলা বিগত দুমাহে নিৰুদ্দেশ হৈ আছে। নিৰুদ্দেশ হোৱা মহিলাগৰাকীৰ নাম জিৰাতন বিবি। বয়স ৬০ বছৰ। প্ৰায় পাঁচ ফুট ওখ। গাৰ বৰণ বগা। হাজোৰ বুল্লুট কোঁৱৰপুৰ নিৱাসী সূৰ্য আলীৰ পত্নী তথা আঠোটাকৈ সন্তানৰ মাতৃ জিৰাতন বিবি (৬০ ) বিগত দুমাহ ধৰি নিৰুদ্দেশ হৈ থকা ঘটনাৰ পিছত অঞ্চলজুৰি তীব্ৰ প্ৰতিক্ৰিয়াই বিৰাজ কৰিছে। ঘটনাৰ সন্দৰ্ভত পৰিয়ালৰ সূত্ৰে জানিব দিয়া অনুসৰি মহিলাগৰাকী মানসিকভাৱে সামান্য অসুস্থ আছিল। মহিলাগৰাকী পূৰ্বেও কেতিয়াবা ঘৰৰ পৰা ওলাই গৈছিল যদিও পুনৰ ঘৰলৈ ঘূৰি আহিছিল। কিন্তু বিগত দুমাহ পৰ্যন্ত নিজ ঘৰলৈ উভতি নহাত পৰিয়ালৰ লোকসকল অধিক চিন্তাত পৰিছে। পৰিয়ালৰ লোকে ঘৰৰ আলহী-অতিথিৰ উপৰিও বিভিন্ন ঠাইত বিচাৰ কৰিও আজি পৰ্যন্ত কোনো সন্ধান পোৱা নাই মহিলাগৰাকীৰ। সেয়েহে আজি পৰিয়ালৰ লোকে মহিলাগৰাকী নিৰুদ্দেশ হোৱাৰ সন্দৰ্ভত হাজো আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। তদুপৰি পৰিয়ালৰ লোকে মহিলাগৰাকীৰ কোনো সন্ধান পালে- ৯৩৬৬৪-৩৩৯০২, ৯৩৬৫০২০৪১৭ আৰু ৬০০৩৭৪৭৭৭৯ ফোন নম্বৰত যোগাযোগ কৰিবলৈ সংবাদ মাধ্যমযোগে অনুৰোধ জনাইছে। পৰিয়ালৰ এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে ঘটনাৰ সন্দৰ্ভত অনুসন্ধান অব্যাহত ৰাখিছে।



# ২৫ আৰু ৩০ জুলাইত শিৱসাগৰত উদ্‌যাপিত হ'ব উজ্জ্বল ভাৰত উজ্জ্বল ভৱিষ্য শক্তি @ ২০৪৭

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২২ জুলাই ঃ** শক্তি মন্ত্ৰালয়ৰ উদ্যোগত আৰু শিৱসাগৰ জিলা প্ৰশাসনৰ সহযোগত অহা ২৫ আৰু ৩০ জুলাই তাৰিখে শিৱসাগৰত উদ্‌যাপিত হ'ব উজ্জ্বল ভাৰত উজ্জ্বল ভৱিষ্য শক্তি @ ২০৪৭। ২৫ জুলাইত শিৱসাগৰ [illegible] অনুষ্ঠিত হ'ব প্ৰথম দিনৰ কাৰ্যসূচী। এই কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈ। ৰাজ্য সভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, শিক্ষা, ভৈয়াম জনজাতি কল্যাণ আৰু পিছপৰা শ্ৰেণীৰ মন্ত্ৰী তথা শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগু, শিৱসাগৰ বিধায়ক অখিল গগৈ এই কাৰ্যসূচীত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। ৩০ জুলাইত ডিমৌৰ বৰপিয়ল হাবিত অনুষ্ঠিত হ'ব দ্বিতীয় দিনৰ কাৰ্যসূচী। এই কাৰ্যসূচীতো মুখ্য অতিথি হিচাপে সাংসদ তপন কুমাৰ গগৈ, সন্মানীয় অতিথি হিচাপে সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ লগতে থাওৰাৰ বিধায়ক সুশান্ত বৰগোহাঁই উপস্থিত থাকিব। সাংস্কৃতিক কাৰ্যসূচীকে ধৰি বিভিন্ন কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া দুয়োটা দিনৰ বৰ্ণাঢ্য কাৰ্যসূচীতো শিৱসাগৰ জিলাৰ উপায়ুক্ত মেঘ নিধি দাহালে ৰাইজৰ সহযোগিতা কামনা কৰিছে।

## বকোৰ বালিঝাৰত দেশী জনগোষ্ঠীয় মঞ্চ, অসমৰ উদ্যোগত 'দেশী লোকনৃত্য' সন্দৰ্ভত কৰ্মশালাৰ শুভাৰম্ভ



**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২২ জুলাই ঃ** ৰাজ্যৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ অন্যতম জনগোষ্ঠী দেশী জনগোষ্ঠীয় মঞ্চ, অসমৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত আৰু বকো আঞ্চলিক সমিতিৰ সহযোগত বালিঝাৰ এম ই মাদ্ৰাছা প্ৰাংগণত আয়োজন কৰা হৈছে দেশী লোকনৃত্যৰ ওপৰত কৰ্মশালা। আজিৰে পৰা ২৫ জুলাইলৈ চাৰি দিনীয়াকৈ আয়োজন কৰা হৈছে কৰ্মশালাখন। উল্লেখ্য যে ৰাজ্য চৰকাৰৰ সদ্য ঘোষণা কৰা খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ অন্যতম দেশী জনগোষ্ঠী। এই জনগোষ্ঠীটোৰ সামাজিক আৰু সাংস্কৃতিক দিশত আছে গুৰুত্বপূৰ্ণ সমল। এই সমলসমূহ বিকশিত কৰি প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে জনগোষ্ঠীটোৰ উঠি অহা চামক আগ্ৰহী কৰি তুলিবলৈ লগতে জনগোষ্ঠীটোৰ স্বকীয়তা বজাই ৰাখিবলৈ আয়োজন কৰা হৈছে দেশী লোকনৃত্যৰ ওপৰত কৰ্মশালাখন। ইফালে, উদ্যোক্তা মহলে জনোৱা মতে এই চাৰিদিনীয়া কৰ্মশালাই দেশী জনগোষ্ঠীয় লোকৰ উঠি অহা যুৱক-যুৱতীসকলক ইতিবাচক প্ৰভাৱ পেলাব। ইতিমধ্যে বালিঝাৰ এম ই মাদ্ৰাছা প্ৰাংগণত আয়োজন কৰা কৰ্মশালাৰ প্ৰথম দিনৰ কাৰ্যসূচীত দেশী জনগোষ্ঠীয় মঞ্চৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত সভাপতি খগেন আলী আহমেদে পতাকা উত্তোলন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰাৰ লগতে কৰ্মশালাখনৰ শুভ উদ্বোধন কৰে। দেশী জনগোষ্ঠীয় মঞ্চ, অসমৰ সমিতিৰ সভাপতি, বিশিষ্ট লেখক জাকিৰ হুছেইন সকলৰে। উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে দেশী জনগোষ্ঠীয় মঞ্চ, অসমৰ প্ৰাক্তন কেন্দ্ৰীয় সাধাৰণ সম্পাদক, নাছিৰুল আলম শেইখ, আৰবিয়ুল ইছলাম, মজনু হুছেইন, আজিজ জদ্দাৰ, এজাব হুছেইনৰ উপৰিও মঞ্চৰ নেতৃবৰ্গ।

## ডিমৌত সদৌ অসম আশা কৰ্মী সন্থাৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

### অসমৰ প্ৰতিগৰাকী আশা কৰ্মীৰ দৰমহা দহ হাজাৰলৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ গ্ৰহণ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২২ জুলাই ঃ** ডিমৌত সদৌ অসম আশা কৰ্মী সন্থাৰ ডিমৌ ব্লক সমিতিৰ উদ্যোগত আৰু ডিমৌবাসী ৰাইজৰ সহযোগত দিনজোৰা বিভিন্ন কাৰ্যসূচীৰে প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ শুভক্ষণত দিন-ৰাতি একাকাৰ কৰি সামান্য পাৰিতোষিকত কৰ্ম সম্পাদন কৰি অহা অসমৰ প্ৰতিগৰাকী আশা কৰ্মীৰ দৰমহা দহ হাজাৰলৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰি ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে। দুপৰীয়া ডিমৌ বহুমুখী ভৱনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত মুকলি সভাত ডিমৌ সন্মিলিত মহিলা সমাজৰ সম্পাদিকা পাৰুল বড়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখন শুভ উদ্বোধন কৰে ডিমৌ আদৰ্শ চিকিৎসালয়ৰ উপ-অধীক্ষক ডাঃ ৰূপম বৰকটকীয়ে। তেওঁ গত সময়ত বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজত আশা কৰ্মীসকলে নিষ্ঠা-সততাৰে নিজৰ কৰ্ম সম্পাদন কৰি অহা কাৰ্যৰ শলাগ লয়। সভত আশা কৰ্মী সন্থাৰ শিৱসাগৰ জিলা সমিতিৰ সভানেত্ৰী অশ্বিনী গগৈয়ে উপস্থিত থাকি বিগত সময়ত আশা কৰ্মী সন্থাই চৰকাৰক কৰি অহা দাবীসমূহ শীঘ্ৰে পূৰণ কৰি কৰ্মীসকলক মুক্ত মনেৰে স্বাস্থ্য বিভাগে দিয়া দায়িত্বসমূহ পালনত সুবিধা কৰি দিবলৈ চৰকাৰক আহ্বান জনায়। আনহাতে, মহিলা নেত্ৰী প্ৰিয়লতা কোঁৱৰ, জ্যেষ্ঠ নাৰ্ছ ৰঞ্জিতা বৰুৱা, বৰা, চিকিৎসক দিলীপ কুমাৰ খনিকৰৰ লগতে মঞ্চত উপস্থিত জ্যেষ্ঠ স্বাস্থ্য কৰ্মী, আশা কৰ্মীয়েও নিজৰ মত ব্যক্ত কৰে। আনহাতে, পুৱাৰ ভাগৰ কাৰ্যসূচী অনুসৰি বস্তি প্ৰজ্জ্বলন কৰে ডিমৌ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ আশাকৰ্মী সন্থাৰ সভানেত্ৰী নিজুমণি গগৈয়ে। সন্থাৰ পতাকা উত্তোলন কৰে ৰুক প্ৰোগ্ৰেম মেনেজাৰ ৰঞ্জিত বৰুৱাই। বৃক্ষ ৰোপণ কৰে জ্যেষ্ঠ চিকিৎসক বাজীৰ জাংগীয়ে। স্মৃতি তৰ্পণ কৰে অশ্বিনী গগৈয়ে। সাংস্কৃতিক শোভাযাত্ৰা শুভ উদ্বোধন কৰে শিৱসাগৰ মহকুমা স্বাস্থ্য বিষয়া ডাঃ এছ উপ্ৰাহে। আজিৰ কাৰ্যসূচীত ডিমৌ ব্লক সমিতিৰ সমূহ বিষয়ববীয়াৰ লগতে শিৱসাগৰ জিলাৰ বিভিন্ন প্ৰান্তৰ কে'বাশতাধিক আশা কৰ্মীয়ে শোভাযাত্ৰাত ভাগ লয়।

## মেৰাপানী সীমাত অব্যাহত চোৰাং গৰুৰ বেহা

### অতিৰিক্ত আৰক্ষী অধীক্ষকৰ নেতৃত্বত চোৰাং গৰু, বাহনসহ আটক ২

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ২২ জুলাই ঃ** মেৰাপানীত গোলাঘাটৰ অতিৰিক্ত আৰক্ষী অধীক্ষক অঞ্জন পণ্ডিতৰ নেতৃত্বত পুৱতি নিশা অভিযান চলাই চোৰাং গৰু কঢ়িওৱা বাহনসহ এখন ছুইফট ডিজায়াৰ আৰু দুই সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। মেৰাপানী আৰক্ষী থানাৰ অন্তৰ্গত মেৰাদলঙৰ সমীপত জব্দ চোৰাং গৰু কঢ়িওৱা এএছ০৩ এচি ৬২১৪ নম্বৰৰ টাটা ডি আই আৰু সৰবৰাহকাৰীয়ে ব্যৱহাৰ কৰা এএছ ১৯ ডি০৮৯০ ছুইফট ডিজায়াৰ জব্দ কৰে। জব্দ কৰা ডি আই বাহনখনৰ পৰা আৰক্ষীয়ে এঘাৰটা চোৰাং গৰুৰ লগতে আচিক আহমেদ আৰু নেকিবুৰ আহমেদ নামৰ দুজন যুৱকক আটক কৰে। আটক কৰা দুই যুৱক মেৰাপানী আৰক্ষীয়ে জে'লৈ প্ৰেৰণ কৰিছে। উল্লেখ্য যে ৰাজ্যত গৰুৰ সৰবৰাহ চৰকাৰে নিষিদ্ধ কৰাৰ পাছতো মেৰাপানী সীমাৰ পৰা দৈনিক চুবুৰীয়া নাগালেণ্ডলৈ গৰুৰ চোৰাং বেহা অব্যাহত ৰাখিছে দুষ্ট চক্ৰই।

## ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ক্ৰছ ভোটিঙক লৈ সৰৱ অখিল গগৈ

# দগাবাজ ৰাজনীতিবিদৰ এক চতুৰ্থাংশ অসমত থাকে

### এইখন চৰকাৰৰ দিনত শ্ৰমজীৱী ৰাইজ সুৰক্ষিত নহয়

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২২ জুলাই ঃ** ৰাষ্ট্ৰপতি নিৰ্বাচনত বিৰোধী দলৰ ক্ৰছ ভোটিঙক লৈ সৰৱ হৈছে ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈ। আজি শিৱসাগৰত ৰাজনীতিবিদৰ এনে নীতিহীন কৰ্মক লৈ সৰৱ হৈ পৰে অখিল গগৈ। বিধায়কগৰাকীয়ে নৱনিৰ্বাচিত ৰাষ্ট্ৰপতিগৰাকীলৈ শুভেচ্ছা জ্ঞাপন কৰি বিজেপি চৰকাৰৰ আগ্ৰাসনৰ পৰা সংবিধানখন নতুন ৰাষ্ট্ৰপতিগৰাকীয়ে ৰক্ষা কৰিব বুলি আশা প্ৰকাশ কৰে। আনহাতে, তেওঁ কয় যে কালি সম্পন্ন হোৱা ৰাষ্ট্ৰপতি নিৰ্বাচন সমগ্ৰ ভাৰতত ১০৪টা ক্ৰছ ভোটিং হয়। ইয়াৰ ভিতৰত ২৫টা ক্ৰছ ভোটিং অসমৰ। এনে পৰিসংখ্যাই প্ৰমাণ কৰে যে ভাৰতৰ দগাবাজ-বদমাছ ৰাজনীতিবিদৰ ভিতৰত অসমত এক চতুৰ্থাংশ বদমাছ ৰাজনীতিবিদ আছে। তেওঁ কয় যে বিজেপি এআইইউডিএফ দলৰ তৰফৰ পৰা হোৱা নাই। কংগ্ৰেছ দলৰো বহুতো বিধায়কে বিক্ৰী হৈছে যদিও সমালোচনা কৰে। তেওঁ নীতি-আদৰ্শহীন ৰাজনৈতিক পৰিস্থিতিৰ সমালোচনা কৰি কয় যে এতিয়া একাংশ ৰাজনীতিবিদ গোটে গোটে বিক্ৰী হ'ব ধৰিছে। এয়া ভাৰত তথা অসমৰ ৰাজনীতিৰ বাবে ভাল লক্ষণ নহয়। আনহাতে, তেওঁ নিজে বিজেপিবিৰোধী ইউপিএৰ প্ৰাৰ্থীক ভোটদান কৰা বুলি সদৰী কৰে। ইয়াৰ লগতে বিধায়কগৰাকীয়ে বৰ্ষাশ্ৰীৰ প্ৰসংগ টানি আনি কয় যে কালি ন্যায়ালয়ৰ পৰা জামিন লাভ কৰা বৰ্ষাশ্ৰীক মুখ্যমন্ত্ৰীৰ নিৰ্দেশত মুকলি কৰা হৈছে বুলি প্ৰচাৰ চলিছে। সেইদৰে প্ৰচাৰ চলিছে পংকজ পাঠকক মুখ্যমন্ত্ৰীৰ নিৰ্দেশত গ্ৰেপ্তাৰ কৰা হৈছে। অসমত কেৱল এজন লোকৰ শাসন চলিছে বুলি বিধায়কগৰাকীয়ে অভিযোগ কৰি কয় যে এতিয়া অসমত কেৱল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ শাসন। তেওঁৰ কথা অনুসৰিয়ে আজিৰ দিনত সকলো নিৰ্ধাৰিত হৈছে। আৰক্ষী, আদালত আদি সকলো তেওঁ বুলি কটাক্ষ কৰি কয় যে এইয়া কেৱল স্বেচ্ছাচাৰী আৰু হিটলাৰী শাসন। বিধায়কগৰাকীয়ে ৰাইজক এনে ৰজাকেন্দ্ৰিক শাসনৰ বিৰোধ কৰিবলৈ আহ্বান জনায়। আনহাতে ডিম্পী ভূমিজ আৰু মইনা নায়কৰ প্ৰসংগ উত্থাপন কৰিও বিধায়ক গগৈয়ে অসম চৰকাৰক তীব্ৰ সমালোচনা কৰে। তেওঁ কয় যে বিজেপি আৰু এআইইউডিএফৰ শাসনত থকা অসমত চাহ জনগোষ্ঠীৰ লোকৰ অৱস্থা কেনে সেইটোৱেই তাৰ দুটা উদাহৰণত স্পষ্ট হৈ পৰিছে। অসমত যে এইখন চৰকাৰৰ দিনত শ্ৰম আইন বলবৎ হোৱা নাই, চাহ শ্ৰমিকৰ লগতে আন খাটি খোৱা মানুহৰ এইখন চৰকাৰৰ দিনত যে কোনো সুৰক্ষা নাই সেয়া প্ৰমাণ হৈ গ'ল বুলি তেওঁ উল্লেখ কৰে। এই দুই ঘটনাক কেন্দ্ৰ কৰি বিধায়কগৰাকীয়ে অসম চৰকাৰক ধিক্কাৰ দিয়াৰ লগতে এই দুয়োটা বিষয়ত বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন কৰে।

## বালিমুখ নতুন বজাৰত উদ্বোধন হ'ল অত্যাধুনিক ৰূপত ভাই-ভনী হোটেল এণ্ড ৰেষ্টুৰেণ্ট

**দৈনন্দিন বাৰ্তা সেৱা, ভূৰাগাঁও, ২২ জুলাই ঃ** মৰিগাঁও জিলাৰ মায়ং ৰাজহ চক্ৰৰ অন্তৰ্গত বালিমুখ নতুন বজাৰত থকা অসম গ্ৰামীণ বিকাশ বেংকৰ ওচৰত আজি বিয়লি উদ্বোধন কৰা হয় এক অত্যাধুনিক তথা উন্নত মানৰ হোটেল এণ্ড ৰেষ্টুৰেণ্ট। সমাধান হ'ল বালিমুখ নতুন বজাৰৰ গ্ৰাহকসকলৰ বিলাসিতা ভোজনৰ লগতে বিভিন্ন প্ৰকাৰৰ ফাষ্ট ফুড ভালপোৱা খাদ্যপ্ৰেমীসকলৰ সমস্যা। সুদুৰ কেৰালাৰ পৰা প্ৰশিক্ষণপ্ৰাপ্ত স্বত্বাধিকাৰী ৰিজাউল কৰিমৰ দ্বাৰা পৰিচালিত ভাই-ভনী হোটেল এণ্ড ৰেষ্টুৰেণ্টৰ ফিটা কাটি শুভ উদ্বোধন কৰে বৰালিমাৰী এম ই মাদ্ৰাছাৰ





অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, বিশিষ্ট সমাজ সেৱক আবুল হুছেইন, শিক্ষক- সমাজ সেৱক হাৰিস আলীৰ লগতে সমাজ সেৱক হজৰত আলীয়ে। উদ্বোধন কৰাৰ পাছত ৰেষ্টুৰেণ্ট কৰ্তৃপক্ষৰ তৰফৰ পৰা আমন্ত্ৰিত অতিথি আৰু উপস্থিত ৰাইজক মিঠাই খুৱায়। ইয়াত বিভিন্ন ধৰণৰ উন্নতমানৰ ফাষ্টফুডৰ পৰা আৰম্ভ কৰি উন্নতমানৰ মিঠাই, বিৰিয়ানীলৈকে উপলব্ধ হ'ব। উল্লেখ্য যে ৯৯৫৭২৭১৭৫১ নম্বৰত ফোন কৰি আগতীয়া অৰ্ডাৰ লোৱাৰ লগতে হোম ডেলিভাৰীৰ ব্যৱস্থাও আছে। ৰেষ্টুৰেণ্টৰ ভিতৰচ'ৰাত গ্ৰাহকসকলৰ বাবে আটক ধুনীয়াকৈ সজাই-পৰাই এক মনোমোহা পৰিৱেশৰ সৃষ্টি কৰিছে ৰেষ্টুৰেণ্টৰ স্বত্বাধিকাৰগৰাকীয়ে।

## নদুৱাৰত নৱনিৰ্বাচিত দেশৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ জয়ত বিজয় উল্লাস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ২২ জুলাই ঃ** সমগ্ৰ দেশৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে শোণিতপুৰ জিলাৰ নদুৱাৰৰ অন্তৰ্গত গেলাহাটিঙাত আজি বিয়লি বিজয় উল্লাস পালন কৰে। বিজেপিৰ নদুৱাৰ মণ্ডল সভাপতি জয়ন্ত বৰাৰ নেতৃত্বত নদুৱাৰ অঞ্চলৰ বিভিন্ন প্ৰান্তৰ পৰা সমবেত হোৱা ৰাইজ তথা দলীয় কৰ্মীসহ পাঁচ শতাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত বিজয় উল্লাস অনুষ্ঠানটিত পুৰুষ মহিলাই সদ্য নিৰ্বাচিত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ প্ৰতিচ্ছবি লৈ দেশৰ ৰাষ্ট্ৰপতিগৰাকীক অভিনন্দন জনায়। উল্লেখ্য যে ভাৰতীয় জনতা পাৰ্টীয়ে ৰাষ্ট্ৰপতিৰ প্ৰাৰ্থী ৰূপে প্ৰক্ষেপ কৰা আদিবাসী তথা





পূৰ্বে ৰাজ্যপালৰ দৰে পদত কাৰ্যনিৰ্বাহ কৰা ৰাষ্ট্ৰপতিগৰাকীক গৃহ ভূমিত আগতীয়াকৈ বিজয় উল্লাস পালন কৰাৰ দৰে ৰাজ্যখনতো বিশেষকৈ চাহ জনগোষ্ঠী আদিবাসীসকলৰ মাজত আনন্দ-উল্লাসৰ পৰিৱেশ বিৰাজ কৰা পৰিলক্ষিত হয়। একেদৰে জিলাখনৰ নদুৱাৰ অঞ্চলৰ চাহ জনগোষ্ঠী আদিবাসী অধ্যুষিত অঞ্চল গেলাহাটিঙাত ৰাষ্ট্ৰপতিগৰাকীৰ বিজয়ত আনন্দ-উল্লাসেৰে বিজয় উল্লাস পালন কৰা দেখা যায়। এক উছৱমুখৰ পৰিৱেশত পালন কৰা বিজয় উল্লাসত বিশেষভাৱে নাগশংকৰ জিলা পৰিষদৰ সদস্য হিতেশ বৰুৱা, পুব মূঢ়াদল গাঁও পঞ্চায়তৰ সভানেত্ৰী মেঘালী কলিতা, নদুৱাৰ আঞ্চলিক পঞ্চায়ত সদস্য আকাশ তচা, কুমলিনা লগুণ দক্ষিণ মূঢ়াদল গাঁও পঞ্চায়ত সদস্য দিলীপ সেনাপতি, নদুৱাৰ মণ্ডল বিজেপিৰ উপ-সভাপতি প্ৰদীপ হাজৰিকা, উত্তৰ মূঢ়াদল গাঁও পঞ্চায়ত সভাপতি দীপক নেৱাৰ, নদুৱাৰ বিজেপি যুৱ মৰ্চাৰ সভাপতি ভাস্কৰ শইকীয়াসহ বহুকেইগৰাকী দলীয় নেতা-কৰ্মীৰ লগতে ৰাইজ উপস্থিত থাকে।

## কি হ'ল চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তত অনিয়মেৰে বনাই লোৱা ভুৱা জবকাৰ্ড বন্ধ কৰাৰ কাৰ্যব্যৱস্থা!

### ৰাইজে তদন্ত বিচাৰিলেও কিয় নহয় একো

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২২ জুলাই ঃ** দুৰ্নীতি, অনিয়ম, অনীতি, কেলেংকাৰিৰ ৰম্যপুৰীলৈ পৰ্যৱসিত দৰঙৰ ছিপাঝাৰ উন্নয়ন খণ্ডৰ চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তত এক ধাৰাবাহিকভাৱে কৰ্মচাৰীৰ সহযোগত ঠিকাদাৰসকলে ভুৱা জবকাৰ্ডৰ ৰমৰমীয়া ব্যৱসায় চলাই অহাৰ তথ্যসমৃদ্ধ বাতৰি দৈনিক কাকতত নিয়মিতভাৱে প্ৰকাশিত হৈ অহাৰ পাছতো বিভাগে একো এটা নকৰি দুৰ্নীতিক সাৰ-পানীহে যোগান ধৰাৰ অভিযোগ ৰাইজে উত্থাপন কৰি আহিছে। অভিযোগ অনুসৰি, পূৰ্বৰ সচিব শশীন্দ্ৰ বৰুৱাই দালালৰূপী এনৰেগাৰ ঠিকাদাৰৰ লগত একমাত্ৰ কমিচনৰ অংকত মুখৰ কথাত হকে-বিহকে অসংখ্য জবকাৰ্ড বনাই দি কমিছনৰ হাতোৰা চলোৱাৰ অভিযোগ উত্থাপন বহুদিন আগৰে পৰা ৰাইজে উত্থাপন কৰি আহিছে। যিবোৰ জবকাৰ্ডেৰে ঠিকাদাৰে আঁচনিৰ প্ৰাককলন মতে কাম নকৰাৰ পাছতো ভুৱা জবকাৰ্ডেৰে ডিমাণ্ড বনাই সচিবৰ সহযোগত আঁচনিত চলাই আহিছে লুণ্ঠনৰ জেচিবি। এই অভিযোগ ওপৰ মহলত দিলেও কমিছনৰ স্বাৰ্থতে নিমাত হৈ থকা বুলি পূৰ্বৰে অভিযোগ উত্থাপন হৈ আহিছে। এনে এক সময়ত চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তৰ ইন্দাদুল হক নামৰ সচেতন লোকগৰাকীয়ে পঞ্চায়তখনৰ কুমাৰপাৰা গাঁৱত কিমান জবকাৰ্ড আছে তাৰ এক তথ্য বিচাৰোঁতে ওলাই পৰে জোলোঙাৰ মেকুৰী। আৰ টি আই তথ্য তালিকাৰ ১৭৫ নম্বৰত থকা হাচিম আলীৰ পৰিয়াল পাঁচজন সন্নিবিষ্ট আছে। কিন্তু ১৮০ নম্বৰত তেওঁৰ পত্নীৰ নামত আৰু ১৮৪ নম্বৰত মাদ্ৰাছাত পঢ়ি থকা অবিবাহিত পুতেক হাফিজুল আলী, ছফিকুল আলীক পৰিয়াল কৰি অন্য এখন জবকাৰ্ড বনাই লৈছে। একেলগে থকা পাঁচজন পৰিয়ালৰ ভিতৰত এখন জবকাৰ্ড থাকিব লাগে যদিও জালিয়াতিৰে তিনিখন বনাই লৈছে। তালিকাৰ ১৩৫ নম্বৰত থকা আতিকুৰ ৰহমানৰ জবকাৰ্ডৰ বিপৰীতে ১৪১, ১৪২ নম্বৰত পিতা দুজন ভুঙুৱা নাম দি তিনিখনকৈ জবকাৰ্ড বনাই লৈছে। আনহাতে ১৩৭ নম্বৰত চৈয়েদ আলীৰ লগত ১৩৯ নম্বৰত থকা পুতেক ছফিকুল আলী একেলগে থকা পৰিয়াল। য'ত ছফিকুলৰো আছে সুকীয় জবকাৰ্ড। ১০৬ নম্বৰত থকা নিটুল হক, ১২১ নম্বৰত থকা লিটোল হক, ১২৪ নম্বৰত থকা চিৰাজুল হক এজন ব্যক্তি। কিন্তু ঘৰত মতা উপাধি নামত নিটুল- লিটোল নামেৰ ভুৱা দি জবকাৰ্ড বনাই লৈছে। প্ৰকৃত জবকাৰ্ড হিতাধিকাৰী ১২৪ নম্বৰত থকা চিৰাজুল হক। ১২৭ নম্বৰত থকা চফেদ আলীৰ পৰিয়ালৰ অবিবাহিত পুত্ৰ চাইদুৰ ৰহমান নামৰ সৰু ল'ৰাজনক ঘৰৰ পৰিয়ালৰ অজ্ঞাতে জবকাৰ্ড বনাই লোৱাত পৰিয়ডাল আশ্বৰ্যন্বিত হৈ পৰিছে। তালিকাতৰ ১৩১ নম্বৰত চাইদুৰৰ নাম আছে। ১২৯ নম্বৰত থকা মইনুল হকক ১৩০ নম্বৰত সন্নিবিষ্ট কৰি আন এখন জবকাৰ্ড বনাই লৈছে। ১৬৬ নম্বৰত এলিজা বেগমৰ জবকাৰ্ডৰ বিপৰীতে ১৭২নম্বৰত সন্নিবিষ্ট কৰি আন এখন জবকাৰ্ড বনাই লৈছে। একেদৰে ১৫৭, ১৫৮ নম্বৰত একেজন ব্যক্তিৰ নামত আছে দুখনকৈ জবকাৰ্ড। ২০৬, ১৮৯ নম্বৰত থকা আয়ুব আলী (পিতা আবিদ আলী) দুখনকৈ আছে জবকাৰ্ড। ৩৩৩, ৩৪৭ নম্বৰত আচাদ আলীৰো দেখুওৱা হৈছে দুখন জবকাৰ্ড। ৩৭৯ নম্বৰত থকা মমতাজ, ৩৯৬ নম্বৰত থকা ইমৰান পত্নী-পতিৰ নামত দুখনকৈ আছে জবকাৰ্ড। ৩৬৬, ৩৬৯ত থকা আব্দুল অদুত অবিবাহিত সৰু ল'ৰাজনৰ নামতো আছে দুখন জবকাৰ্ড। ৪১৪ নম্বৰত থকা ভোলা বৰুৱা নামৰ ব্যক্তি গাঁওখনত নাই যদিও ক'ৰ পৰা কেনেকৈ বনালে ভগৱানেহে জানিব। অতিকৈ আশ্চৰ্যজনক কথা যে তালিকাৰ ১৪ নম্বৰত থকা আলাউদ্দিন আহমেদৰ পৰিয়ালত আছে চৰকাৰী চাকৰি, ট্ৰেক্টৰ। কিন্তু এই ব্যক্তিগৰাকীৰ অজ্ঞাতে ১৮ নম্বৰত নাম সন্নিৰিষ্ট কৰি দুখনকৈ জবকাৰ্ড বনোৱাতে সন্তুষ্ট নাথাকি ১৮২ নম্বৰত পত্নী ফিৰোজা বেগমৰ নামত আন এখন জবকাৰ্ড বনাই পৰিয়ালটোৰ অজ্ঞাতে পঞ্চায়তে জালিয়াতিৰে বনাই দিছে। ৫০ নম্বৰত থকা ৰাইচুল হকৰ বিপৰীতে সৰু পুত্ৰ ৰাবুল আজিজৰ নামত তেওঁৰ অজ্ঞাতে জবকাৰ্ড দেখুওৱা হৈছে। ৯০ নম্বৰত থকা আক্কাচ আলীৰ বিপৰীতে ৯২ নম্বৰত একমাত্ৰ বোৱাৰী হাচিনা বেগমৰ নামত আন এখন জবকাৰ্ড দেখুওৱা হৈছে। ৩২৭ নম্বৰত থকা আতুল আলীৰ জবকাৰ্ডৰ বিপৰীতে ১৬৫,১৬৯ নম্বৰত কলেজত পঢ়ি থকা আখৰ ইছলামৰ নামত আন দুখন জবকাৰ্ড বনাই লোৱা দেখুওৱা হৈছে। ১৫৪, ১৫৬ নম্বৰত একেজন ব্যক্তিক দুবাৰ দেখুওৱা হৈছে। আশ্চৰ্যজনক কথা যে পঞ্চায়ত কৰ্মচাৰী, প্ৰতিনিধিৰ আপোন লোকসকলৰ ঘৰৰ প্ৰতিজনৰে নামত জবকাৰ্ড দেখুওৱা হৈছে। এই প্ৰতিবেদকে জবকাৰ্ড হিতাধিকাৰীৰ ঘৰে ঘৰে গৈ চৰজমিন তদন্ত কৰাত অতিৰিক্ত জবকাৰ্ডৰ কথা নাজানে বুলি আশ্চৰ্য প্ৰকাশ কৰাৰ কথাই পঞ্চায়তখনত জবকাৰ্ড কেলেংকাৰিয়ে পাহাৰ গঢ়াটো স্পষ্ট কৰে। এনে অনিয়মৰ জবকাৰ্ড লিখি শেষ কৰিব নোৱাৰি। ই মাত্ৰ এক উদাহৰণহে। ইমানৰ পাছতো দুৰ্নীতিমুক্ত চৰকাৰ বুলিবলৈ কিবা আছেনে? ৰাইজে পঞ্চায়তখনত জৰুৰীভাৱে তদন্তৰ দাবী কৰি দোষীৰ উচিত শাস্তিৰ দাবী জনাইছে।

## গোসাঁইগাঁৱৰ শ্ৰীৰামপুৰত চিমপ্লেক্স কোম্পানীৰ কৰ্মচাৰীৰ তীব্ৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ২২ জুলাই ঃ** গোসাঁইগাঁৱৰ শ্ৰীৰামপুৰৰ পৰা কচুগাঁৱলৈ যোৱা ৩১নম্বৰ(গ) চাৰি শাখাযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ কামৰ ঠিকা লাভ কৰা চিমপ্লেক্স নামৰ কোম্পানীৰ অধীনস্থ বিভিন্ন বিভাগৰ কৰ্মচাৰীসকলে নিজৰ প্ৰাপ্য দৰমহা বিচাৰি আজি উত্তাল কৰি তোলে। তিনি মাহৰ অধিক কাল দৰমহা লাভ নকৰাত কৰ্মচাৰীসকলে আজি শ্ৰীৰামপুৰত থকা চিমপ্লেক্স কোম্পানীৰ সমুখত প্ৰতিবাদী শ্ল'গানেৰে শ্ৰীৰামপুৰত উত্তাল কৰি তোলে। কৰ্মচাৰীসকলক কোম্পানীয়ে দৰমহা আদায় নিদিয়ালৈকে এই আন্দোলন চলি থাকিব বুলি হুংকাৰ কৰ্মচাৰীৰ। কৰ্মচাৰীসকলক দৰমহা দিয়াৰ নামত দীৰ্ঘদিন ধৰি প্ৰতাৰণা কৰি আহিছে। উক্ত ঘটনাস্থলীত শিমুলটাপু আৰক্ষী চকীৰ আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।


**LOST**

I Have Lost my Higher secondary Final year Original Registration Card Roll 0744 No. 20141 Registration no. 065845 Session 2020- 21. Higher secondary final Examination, 2022 On the 15 the day of March 2022.

Yours faithfuly

**Muzahidul Islam Sarker**
S/0. Abdul Mozid Sarkar
Village. Khopati Pt1



**SBI ষ্টেট বেংক অব ইণ্ডিয়া**

ট্ৰেছেড এছেটচ ৰিকভাৰী ব্ৰাঞ্চ
দ্বিতীয় মহলা, ছিগনেছাৰ স্কোৱাৰ,
এমআৰডি ৰোড, বামুনীমৈদাম, গুৱাহাটী-২১
ফোন ঃ ০৩৬১-২৬৫০৩২৮, ই-মেইল আই ডি ঃ sbi.18399@sbi.co.in

[(ৰুল-৮(১)]

**দখলৰ জাননী**

**(স্থাৱৰ সম্পত্তিৰ বাবে)**

যিহেতু ঃ
তলত স্বাক্ষৰদানকাৰী ষ্টেট বেংক অব ইণ্ডিয়াৰ কৰ্তৃত্বশীল বিষয়া, চিকিউৰিটাইজেচন এণ্ড ৰিকনষ্টাকচন অব ফাইনেনচিয়েল এছেটছ এণ্ড এনফ'ৰ্চমেণ্ট অব ছিকিউৰিটি ইণ্টাৰেষ্ট (ধাৰা) এক্ট-২০০২ আৰু উক্ত আইনৰ ধাৰা-১৩(১২) ক্ষমতা প্ৰয়োগ কৰি, পঢ়ি উঠি ৰুল-৩, ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফ'ৰ্চমেণ্ট) ৰুলছ-২০০২ ৰ জৰিয়তে এখন দাবী জাননী জাৰি কৰা হৈছিল **৩০.০৪.২০২২** তাৰিখে ঋণ লওতা **মেচাৰ্ছ দেৱ এণ্ড হিম চনছ প্ৰাঃ লিঃ** যাতে জাননীত উল্লেখ থকা আদায় দিবলৈ থকা **ধনৰাশি ৩,৩০,৩৬,৫০৪.০০/-টকা (তিনি কোটি ত্ৰিশ লাখ ছয়ত্ৰিশ হাজাৰ পাঁচশ চাৰি টকা কেৱল)** আৰু অন্যান্য সূত **২৮.০৪.২০২২** তাৰিখৰ পৰা এই জাননী প্ৰাপ্তিৰ ৬০ দিনৰ ভিতৰত পৰিশোধ কৰাৰ বাবে।
ঋণ লওতাই উক্ত অনাদায় ধন পৰিশোধ কৰাত ব্যৰ্থ হোৱাৰ বাবে এই জাননীৰ জৰিয়তে ঋণীক/গেৰাণ্টৰ/আইনী উত্তৰাধিকাৰী আৰু ৰাইজক সাধাৰণভাৱে অৱগত কৰা হ'ল যে নিম্ন স্বাক্ষৰকাৰীয়ে তলত উল্লেখ কৰা সম্পদ নিজৰ দখললৈ আনিছে ওপৰোক্ত আইনৰ ধাৰা-১৩ (৪) ৰ ক্ষমতা প্ৰয়োগ কৰি, লগতে পঢ়ি উঠি বিধি-৮ অনুসৰি উপৰোক্ত বিধিৰ, **২১.০৭.২০২২ তাৰিখে।**
ঋণ লওতা/গেৰাণ্টাৰ বিশেষভাৱে আৰু ৰাইজক সাধাৰণভাৱে অৱগত কৰা হ'ল যাতে উক্ত সম্পদৰ বিষয়ত কোনো ধৰণৰ লেনদেন কৰা নহয়, অন্যথা ষ্টেট বেংক অব ইণ্ডিয়াক আদায় দিবলৈ বাধ্য হ'ব **ধনৰাশি ৩,৩০,৩৬,৫০৪.০০/-টকা (তিনি কোটি ত্ৰিশ লাখ ছয়ত্ৰিশ হাজাৰ পাঁচশ চাৰি টকা কেৱল) ২৮.০৪.২০২২** তাৰিখৰ ভিত্তিত আৰু তাৰ ওপৰত অতিৰিক্ত সুত তথা আনুসংগিক ব্যয়সহ।
এছএআৰএফএইএছআই আইনৰ ধাৰা-১৩ ৰ উপ-ধাৰা (৮)ৰ ব্যৱস্থামতে সুৰক্ষিত সম্পত্তিসমূহ উপলব্ধ সময়ৰ ভিতৰত উদ্ধাৰ কৰাৰ বাবে ঋণীৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।

**স্থাৱৰ সম্পদৰ বিৱৰণ ঃ-**

i) সমভাৱে বন্ধকীত থকা এখণ্ড ভূমি আৰু বিল্ডিঙৰ পৰিমাপ হ'ল- ১ কঠা ৩ লেচা, দাগ নং-৮৭, ৫৪০ (পুৰণি)/৭১০ (নতুন), কে পি পট্টা নং- ১,৯৪,৩৭৬ (পুৰণি)/৩৮৯ (নতুন)। গাঁও- বামুনীমৈদাম, মৌজা- উলুবাৰী, জিলা- কামৰূপ মেট্ৰ', অসম, পিন- ৭৮১০২১, নামত আছে শ্ৰীমতী বীণা নেওগ আৰু সম্পদৰ চাৰিসীমা হ'ল ঃ
**উত্তৰে ঃ** প্ৰাইভেট ৰোড, **দক্ষিণে ঃ** মণিৰাম দেৱান ৰোড,
**পূবে ঃ** বিশ্বজিৎ বৰদলৈৰ ভূমি, **পশ্চিমে ঃ** কৃষ্ণ চন্দ্ৰ বৰদলৈৰ ভূমি।

ii) সমভাৱে বন্ধকীত থকা এখণ্ড ভূমি আৰু বিল্ডিঙৰ পৰিমাপ হ'ল- ১ কঠা ৩.৮৩ লেচা, দাগ নং-৮৭ (পুৰণি)/৭১১ (নতুন), কে পি পট্টা নং- ১,৩ (পুৰণি)/৫৪৮ (নতুন)। গাঁও- বামুনীমৈদাম, মৌজা- উলুবাৰী, জিলা- কামৰূপ মেট্ৰ', অসম, পিন- ৭৮১০২১, নামত আছে শ্ৰীমতী বীণা নেওগ আৰু সম্পদৰ চাৰিসীমা হ'ল ঃ
**উত্তৰে ঃ** ডাঃ বি চি বৰদলৈৰ ভূমি, **দক্ষিণে ঃ** জি এন বি ৰোড,
**পূবে ঃ** এছ বৰাৰ ভূমি, **পশ্চিমে ঃ** বীণা নেওগৰ ভূমি

iii) সমভাৱে বন্ধকীত থকা এখণ্ড ভূমি আৰু বিল্ডিঙৰ পৰিমাপ হ'ল- ১ কঠা, আৰৰি আছে দাগ নং-৮৬, ১২৭৩ (পুৰণি)/৭২৩ (নতুন), কে পি পট্টা নং- ১,৯৪,৩৮৩ (পুৰণি)/৫৪৮ (নতুন)। গাঁও- বামুনীমৈদাম, মৌজা- উলুবাৰী, জিলা- কামৰূপ মেট্ৰ', অসম, পিন- ৭৮১০২১, নামত আছে দেৱ এণ্ড হিম চনছ প্ৰাঃ লিঃ আৰু সম্পদৰ চাৰিসীমা হ'ল ঃ
**উত্তৰে ঃ** ডাঃ বি বৰদলৈ আৰু অন্যান্যৰ ভূমি, **দক্ষিণে ঃ** বৰ্ণাচল ৰোড,
**পূবে ঃ** নিকটৱৰ্তী গৃহত চাহ গুদাম, **পশ্চিমে ঃ** বৰ্ণাচল ৰোড।

iv) সমভাৱে বন্ধকীত থকা এখণ্ড ভূমি আৰু বিল্ডিঙৰ পৰিমাপ হ'ল- ২ কঠা ২.৯৫ লেচা, দাগ নং-৩৪৭(পুৰণি)/১০৮১ (নতুন), কে পি পট্টা নং- ৩৮ (পুৰণি)/৩৮৯(নতুন)। গাঁও- বামুনীমৈদাম, মৌজা- উলুবাৰী, জিলা- কামৰূপ মেট্ৰ', অসম, পিন- ৭৮১০২১, নামত আছে শ্ৰীমতী বীণা নেওগ আৰু সম্পদৰ চাৰিসীমা হ'ল ঃ
**উত্তৰে ঃ** ৰে'ল লাইন, **দক্ষিণে ঃ** ৰোড,
**পূবে ঃ** ৰোড, **পশ্চিমে ঃ** ড্ৰেইন।

**তাৰিখ ঃ ২১.০৭.২০২২**
**স্থান ঃ গুৱাহাটী**

**কৰ্তৃত্বশীল বিষয়া**
**এছবিআই, এছএআৰবি, গুৱাহাটী**

* ৩০.০৪.২০২২ তাৰিখে জাননী জাৰি কৰাৰ পিছত এছএআৰএফএইএছআই আইনৰ ধাৰা-১৩ (২) অনুসৰি ৩০,০০,০০০.০০ টকা একাউণ্টত জমা থৈছে।



**केनरा बैंक Canara Bank** A Government of India Undertaking | सिंडिकेट Syndicate

**বিক্ৰী জাননী**

**বিশেষভাৱে আৰ্ম ব্ৰাঞ্চ**
ডি বি গ্ৰেণ্ড, দ্বিতীয় মহলা, পাঞ্জাবাৰী ৰোড, ছয়মাইল, ফ্লাই অভাৰৰ কাষত, খানাপাৰা-৭৮১০২২, যোগাযোগ নং ঃ ৯৮৬৪০৬৩৮১৭/৮৮৭৬৫৩৪৩০৭

**ই-নিলাম বিক্ৰী জাননী, স্থাৱৰ সম্পত্তিৰ কাৰণে, চিকিউৰিটাইজেচন এণ্ড ৰি-কনষ্ট্ৰাকচন অৱ ফাইনেন্সিয়েল অচেটছ এণ্ড এনফ'ৰ্চমেণ্ট অৱ ছিকিউৰিটী ইণ্টাৰেষ্ট এক্ট-২০০২, পঢ়ি উঠি ৰুলছ-৮(৬) ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফ'ৰ্চমেণ্ট) ৰুলছ-২০০২ অনুসৰি।**

জাননীৰ জৰিয়তে সাধাৰণ ৰাইজক আৰু লগতে বিশেষভাৱে ঋণ লওঁতা আৰু গেৰেণ্টাৰক অৱগত কৰা হ'ল যে তলত উল্লেখ কৰা ছিকিয়ৰ্ড ক্ৰেডিটৰৰ ওচৰত বন্ধকীকৃত/নিৰিখিত স্থাৱৰ সম্পত্তি যিটো কানাড়া বেংকৰ কৰ্তৃত্বশীল বিষয়াই কনষ্ট্ৰাকটিভ/শাৰীৰিক অধিগ্ৰহণ কৰে, বিক্ৰী হ'ব **"য'ত আছে"** আৰু **"যি ধৰণে আছে"** ভিত্তিত **২৯.০৮.২০২২** তাৰিখত কানাড়া বেংকৰ তলৰ উল্লেখ কৰা শাখাৰ ঋণ লওঁতা আৰু গাৰেণ্টাৰৰ পৰা অনাদায়সমূহ আদায় কৰাৰ বাবে।
আমানত ধন জমা (ইএমডি) দিব লাগিব **২৬.০৮.২০২২** তাৰিখ বা তাৰ পূৰ্বে বিয়লি ৪.০০ বজাত।
নিলাম হ'ব **"অনলাইন ই-নিলাম"** পদ্ধতিৰে https://indianbankseauction.com মাধ্যমেৰে।
**নিলামৰ তাৰিখ আৰু সময় ঃ ২৯.০৮.২০২২, দিনৰ ১১.০০ বজাৰ পৰা ০১.০০ বজালৈ।**
(বিক্ৰী সম্পন্ন নোহোৱালৈকে প্ৰতি ৫ মিনিট ব্যৱধানৰ সীমাহীন সম্প্ৰসাৰণৰ সৈতে)
শাখা, ঋণ লওঁতা/ গেৰেণ্টাৰ, অনাদায় ধনৰ লগতে ইএমডি আৰু সম্পদৰ বিৱৰণ, সংৰক্ষিত মূল্য সম্পৰ্কত সবিশেষ ঃ

| ক্ৰঃ নং | (ক) শাখাৰ নাম আৰু ঠিকনা/ছিকিয়ৰ্ড ক্ৰেডিটৰ (খ) গেৰেণ্টাৰৰ নাম/ঋণ লওঁতা | স্থাৱৰ সম্পত্তিৰ সংক্ষিপ্ত বিৱৰণ | (ক) মুঠ অনাদায় (টকা) ঃ (খ) সংৰক্ষিত মূল্য (টকা) ঃ (গ) ইএমডি (টকা) ঃ (ঘ) ইনক্ৰিমেণ্ট এমাউণ্ট (টকা) ঃ |
|---|---|---|---|
| ১। | (ক) কানাড়া বেংক, বিশেষভাৱে আৰ্ম ব্ৰাঞ্চ, ডি বি গ্ৰেণ্ড, দ্বিতীয় মহলা, পাঞ্জাবাৰী ৰোড, ছয়মাইল, ফ্লাই অভাৰৰ কাষত, খানাপাৰা-৭৮১০২২, যোগাযোগ নং ঃ ৯৮৬৪০৬৩৮১৭/৮৮৭৬৫৩৪৩০৭ (খ) ঋণ লওঁতা ঃ মেচাৰ্ছ নৰ্থ ইষ্ট ৰিজন ফিনচাৰ্ভিছ লিঃ গেৰাণ্ট ঃ (১) কেইচিং জেমছ লালৰনবাউল, (২) লালৰেমছিম, (৩) শ্ৰী আবেল ডি মাৰ ক'ৰ্পৰেট গেৰাণ্টৰ ঃ (১) মেচাৰ্ছ এছিয়ান বুলছ কনষ্ট্ৰাকচন ডেভলপাৰছ লিঃ। | বাণিজ্যিক কাৰ্যালয়ৰ স্থান, দ্বিতীয় মহলা, প্লট নং-২, জিম প্লাজা, লোকেল শ্বপিং কমপ্লেক্স, ব্লক এম (এম-২), বিকাশ পুৰী, নতুন দিল্লী-১১০০১৮ পৰিমাপ হ'ল- ১৩৫ বৰ্গমিটাৰ। চাৰিসীমা ঃ উত্তৰে ঃ প্লট নং ৩, দক্ষিণে ঃ প্লট নং ১, পূবে ঃ পথ, পশ্চিমে ঃ মুক্ত স্থান, প্লাজা। | (ক) মুঠ অনাদায় ঃ ৭৮.৫৭ লাখ কোটি টকা + অতিৰিক্ত সুত আৰু ব্যয়। (খ) সংৰক্ষিত মূল্য ঃ ১.৫৩ কোটি (গ) ইএমডি ঃ ১৫.৩০ লাখ টকা (ঘ) ইনক্ৰিমেণ্ট এমাউণ্ট ঃ ১.০০ লাখ টকা |

বিক্ৰীৰ ক্ষেত্ৰত সবিশেষ তথ্য আৰু চৰ্তৰ বাবে কানাড়া বেংকৰ ৱেবছাইট (www.canarabank.com)ত দিয়া 'ই-নিলাম' লিংক চাওক বা যোগাযোগ কৰিব পাৰিব শাখা মুৰব্বী, বিশেষভালে আৰ্ম ব্ৰাঞ্চ, ডি বি গ্ৰেণ্ড, দ্বিতীয় মহলা, পাঞ্জাবাৰী ৰোড, ছয়মাইল, ফ্লাই অভাৰৰ কাষত, খানাপাৰা-৭৮১০২২, যোগাযোগ নং ঃ ০৩৬১-২৩৩৪০০৮/৯৮৬৪০৬৩৮১৭/৮৮৭৬৫৩৪৩০৭ কাৰ্যালয় চলি থকা সময়ত যিকোনো কৰ্ম দিনত।

**তাৰিখ ঃ ২২.০৭.২০২২, স্থান ঃ গুৱাহাটী** **কৰ্তৃত্বশীল বিষয়া, কানাড়া বেংক**



**केनरा बैंक Canara Bank** A Government of India Undertaking | सिंडिकेट Syndicate

**বিক্ৰী জাননী**

**বিশেষভাৱে আৰ্ম ব্ৰাঞ্চ**
ডি বি গ্ৰেণ্ড, দ্বিতীয় মহলা, পাঞ্জাবাৰী ৰোড, ছয়মাইল, ফ্লাই অভাৰৰ কাষত, খানাপাৰা-৭৮১০২২, যোগাযোগ নং ঃ ৯৮৬৪০৬৩৮১৭/৮৮৭৬৫৩৪৩০৭

**ই-নিলাম বিক্ৰী জাননী, স্থাৱৰ সম্পত্তিৰ কাৰণে, চিকিউৰিটাইজেচন এণ্ড ৰি-কনষ্ট্ৰাকচন অৱ ফাইনেন্সিয়েল অচেটছ এণ্ড এনফ'ৰ্চমেণ্ট অৱ ছিকিউৰিটী ইণ্টাৰেষ্ট এক্ট-২০০২, পঢ়ি উঠি ৰুলছ-৮(৬) ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফ'ৰ্চমেণ্ট) ৰুলছ-২০০২ অনুসৰি।**

জাননীৰ জৰিয়তে সাধাৰণ ৰাইজক আৰু লগতে বিশেষভাৱে ঋণ লওঁতা আৰু গেৰেণ্টাৰক অৱগত কৰা হ'ল যে তলত উল্লেখ কৰা ছিকিয়ৰ্ড ক্ৰেডিটৰৰ ওচৰত বন্ধকীকৃত/নিৰিখিত স্থাৱৰ সম্পত্তি যিটো কানাড়া বেংকৰ কৰ্তৃত্বশীল বিষয়াই কনষ্ট্ৰাকটিভ/শাৰীৰিক অধিগ্ৰহণ কৰে, বিক্ৰী হ'ব **"য'ত আছে"** আৰু **"যি ধৰণে আছে"** ভিত্তিত **১৬.০৮.২০২২** তাৰিখত কানাড়া বেংকৰ তলৰ উল্লেখ কৰা শাখাৰ ঋণ লওঁতা আৰু গাৰেণ্টাৰৰ পৰা অনাদায়সমূহ আদায় কৰাৰ বাবে।
আমানত ধন জমা (ইএমডি) দিব লাগিব **১২.০৮.২০২২** তাৰিখ বা তাৰ পূৰ্বে বিয়লি ৪.০০ বজাত।
নিলাম হ'ব **"অনলাইন ই-নিলাম"** পদ্ধতিৰে https://indianbankseauction.com মাধ্যমেৰে।
**নিলামৰ তাৰিখ আৰু সময় ঃ ১৬.০৮.২০২২, দিনৰ ১১.০০ বজাৰ পৰা ০১.০০ বজালৈ।**
(বিক্ৰী সম্পন্ন নোহোৱালৈকে প্ৰতি ৫ মিনিট ব্যৱধানৰ সীমাহীন সম্প্ৰসাৰণৰ সৈতে)
শাখা, ঋণ লওঁতা/ গেৰেণ্টাৰ, অনাদায় ধনৰ লগতে ইএমডি আৰু সম্পদৰ বিৱৰণ, সংৰক্ষিত মূল্য সম্পৰ্কত সবিশেষ ঃ

| ক্ৰঃ নং | (ক) শাখাৰ নাম আৰু ঠিকনা/ছিকিয়ৰ্ড ক্ৰেডিটৰ (খ) গেৰেণ্টাৰৰ নাম/ঋণ লওঁতা | স্থাৱৰ সম্পত্তিৰ সংক্ষিপ্ত বিৱৰণ | (ক) মুঠ অনাদায় (টকা) ঃ (খ) সংৰক্ষিত মূল্য (টকা) ঃ (গ) ইএমডি (টকা) ঃ (ঘ) ইনক্ৰিমেণ্ট এমাউণ্ট (টকা) ঃ |
|---|---|---|---|
| ১। | (ক) কানাড়া বেংক, বিশেষভাৱে আৰ্ম ব্ৰাঞ্চ, ডি বি গ্ৰেণ্ড, দ্বিতীয় মহলা, পাঞ্জাবাৰী ৰোড, ছয়মাইল, ফ্লাই অভাৰৰ কাষত, খানাপাৰা-৭৮১০২২, যোগাযোগ নং ঃ ৯৮৬৪০৬৩৮১৭/৮৮৭৬৫৩৪৩০৭ (খ) ঋণ লওঁতা ঃ মেচাৰ্ছ নৰ্থ ইষ্ট ৰিজন ফিনচাৰ্ভিছ লিঃ গেৰাণ্ট ঃ (১) কেইচিং জেমছ লালৰনবাউল, (২) লালৰেমছিম, (৩) শ্ৰী আবেল ডি মাৰ ক'ৰ্পৰেট গেৰাণ্টৰ ঃ (১) মেচাৰ্ছ এছিয়ান বুলছ কনষ্ট্ৰাকচন ডেভলপাৰছ লিঃ। | ভূমিৰ সকলো অংশ আৰু সম্পদসহ মুঠ কালি ১৫৯.১০ বৰ্গমিটাৰ (১৭১২.৫৬ বৰ্গ ফুট) কম-বেছি পৰিমাণে, লগতে এটা সাত মহলীয়া (জি+৬) বিল্ডিং উক্ত ভূখণ্ডত আছে। নামত আছে ঃ আবেল ডি মাৰ। চাৰিসীমা ঃ উত্তৰে- বাইলেন, দক্ষিণে- নুনি আৰু জেলা চাইট, পূবে- উপপথ, পশ্চিমে- লালমিঙঠাংগা চাইট। | (ক) মুঠ অনাদায় ঃ ৭৮.৫৭ লাখ কোটি টকা + অতিৰিক্ত সুত আৰু ব্যয়। (খ) সংৰক্ষিত মূল্য ঃ ৫.২১ কোটি (গ) ইএমডি ঃ ৫২.১০ লাখ টকা (ঘ) ইনক্ৰিমেণ্ট এমাউণ্ট ঃ ১.০০ লাখ টকা |
| ২। | (ক) কানাড়া বেংক, বিশেষভাৱে আৰ্ম ব্ৰাঞ্চ, দ্বিতীয় মহলা, ডি বি গ্ৰেণ্ড, পাঞ্জাবাৰী ৰোড, ছয়মাইল, ফ্লাই অভাৰৰ কাষত, খানাপাৰা-৭৮১০২২, (খ) ঋণ লওঁতা ঃ মেচাৰ্ছ এম চি এণ্টাৰপ্ৰাইজ স্বত্বাধিকাৰী ঃ শ্ৰীমতী মমতাজ বেগম, স্বামী ঃ স্বৰ্গীয় আবুল ছামাদ। গেৰাণ্টৰ ঃ (১) শ্ৰীমতী মমতাজ বেগম, স্বামী ঃ স্বৰ্গীয় আবুল ছামাদ। | সম্পদ ১ ঃ এটা প্লট ভূমি আৰু বিল্ডিংসহ সকলো সম্পদ, পৰিমাপ হ'ল ১২১৬.৮০ বৰ্গফুট (১.১৩ একৰ), জি+২ আৰচিচি কমাৰ্ছিয়েল বিল্ডিঙৰ সৈতে প্ৰতিটো মহলাৰ অংশ হ'ল ১২০০.৩ বৰ্গফুট। দাগ নং-৫৫৭ ( পুৰণি)/৭১০( নতুন), কে পি পট্টা নং-৬০(পুৰণি)/৪৮৫(নতুন), হল্ডিং নং- ১০১০৪২৭০। ৰাজহ গাঁও- চহৰ গুৱাহাটী অংশ ৩, মৌজা- চহৰ গুৱাহাটী, হামিদ কমপ্লেক্স, কৰ্ণেল জে আলী ৰোড, লাখটকীয়া, ২নং ৰে'ল গেটৰ কাষত, গুৱাহাটী, অসম, পিন-৭৮১০০১। নামত আছে মমতাজ বেগম আৰু মঃ কামাল, সম্পদৰ চাৰিসীমা হ'ল— চুক্তি অনুসৰি: উত্তৰে- খান বাহাদুৰ, দক্ষিণে- আবেদ আলী, পূবে- মঃ খুৰছেদ, পশ্চিমে- চিটি পুলিচ ৰিজাৰ্ভ; প্ৰকৃত স্থিতি: উত্তৰে- খান বাহাদুৰ, দক্ষিণে- আবেদ আলী, পূবে- মঃ খুৰছেদ, পশ্চিমে- চিটি পুলিচ ৰিজাৰ্ভ | (ক) মুঠ অনাদায় ঃ ৯২.৪৮ লাখ টকা + অতিৰিক্ত সুত আৰু ব্যয়। (খ) সংৰক্ষিত মূল্য ঃ ২০৫.৭২ লাখ টকা (গ) ইএমডি ঃ ২০.৫৮ লাখ টকা (ঘ) ইনক্ৰিমেণ্ট এমাউণ্ট ঃ ১.০০ লাখ টকা |

বিক্ৰীৰ ক্ষেত্ৰত সবিশেষ তথ্য আৰু চৰ্তৰ বাবে কানাড়া বেংকৰ ৱেবছাইট (www.canarabank.com)ত দিয়া 'ই-নিলাম' লিংক চাওক বা যোগাযোগ কৰিব পাৰিব শাখা মুৰব্বী, বিশেষভালে আৰ্ম ব্ৰাঞ্চ, ডি বি গ্ৰেণ্ড, দ্বিতীয় মহলা, পাঞ্জাবাৰী ৰোড, ছয়মাইল, ফ্লাই অভাৰৰ কাষত, খানাপাৰা-৭৮১০২২, যোগাযোগ নং ঃ ০৩৬১-২৩৩৪০০৮/৯৮৬৪০৬৩৮১৭/৮৮৭৬৫৩৪৩০৭ কাৰ্যালয় চলি থকা সময়ত যিকোনো কৰ্ম দিনত।

**তাৰিখ ঃ ২২.০৭.২০২২, স্থান ঃ গুৱাহাটী** **কৰ্তৃত্বশীল বিষয়া, কানাড়া বেংক**

দৈনন্দিন বাৰ্তা
জাতি, মাটি আৰু দেশৰ সেৱাত

সম্পাদকীয়

২৩ জুলাই ■ ২০২২ ■ ৬ শাওণ

# মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণ আৰু চৰকাৰৰ কৰ্তব্য

ভাৰতত টকাৰ মূল্য ধাৰাবাহিকভাৱে পতন ঘটি এই স্তম্ভ লিখাৰ সময়লৈ সামগ্ৰিকভাৱে মাৰ্কিন ডলাৰৰ তুলনাত সৰ্বকালৰ তুলনাত অভিলেখ ভংগ কৰি ৮০ টকা অতিক্ৰম কৰিছে। লগে লগে দেশত উদ্বেগজনকভাৱে বৃদ্ধি পাইছে মুদ্ৰাস্ফীতি। মোদী চৰকাৰ গঠন হোৱাৰ সময়ত অৰ্থাৎ ২০১৪ চনত ডলাৰৰ বিপৰীতে টকাৰ মূল্য আছিল ৫৯.৪৪ টকা। কিন্তু বৰ্তমানে ইমানেই নিম্নগামী হৈছে যে আজিৰ তাৰিখত ই ৮০ টকা হৈছে। ইয়াৰ কাৰণ ব্যাখ্যা কৰিলে দেখা যায় ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধ, শ্বেয়াৰ বজাৰৰ পৰা ব্যাপক হাৰত বিদেশী পুঁজিৰ প্ৰত্যাহাৰৰ লগতে ক'ভিডৰ সংক্ৰমণে ই মূলতঃ কাৰণ। অৱশ্যে পৰ্যবেক্ষকসকলে বিজেপি চৰকাৰখনে আৰম্ভণীৰ পৰা গ্ৰহণ কৰি অহা কেতবোৰ অপ্ৰত্যাশিত অৰ্থনৈতিক সিদ্ধান্ত আৰু ভুল অৰ্থনৈতিক নীতি। বিজেপিৰ আগৰ ইউপিএৰ কংগ্ৰেছ চৰকাৰৰ বিত্তমন্ত্ৰী পি চিদাম্বৰমে পোনপটীয়াকৈ মোদী চৰকাৰক দোষাৰোপ কৰি ভুল অৰ্থনৈতিক নীতিয়ে দেশখনক এনে এটা অৱস্থাত উপনীত কৰিছে বুলি কৈছে। ইউপিএ চৰকাৰৰ দিনত টকাৰ মূল্য বাঢ়ি ৬৯ টকা হোৱাত সেইখন চৰকাৰে ৫৮ টকা কৰিবলৈ সক্ষম হৈছিল আৰু চৰকাৰখনে জিডিপি ৬.৯লৈ বৃদ্ধি কৰিবলৈ সক্ষম হৈছিল। যাৰ বাবে চৰকাৰখন ক্ষুৰধাৰ সমালোচনাৰ সন্মুখীন হৈছিল। তৎসত্ত্বেও তেতিয়াৰ মনমোহন সিং চৰকাৰখনে টকাৰ মূল্য, মুদ্ৰাস্ফীতি, ইন্ধনৰ মূল্যৰ ক্ষেত্ৰত নিয়ন্ত্ৰণ ৰক্ষা কৰিবলৈ সক্ষম হৈছিল। সেইদিন আৰু বিজেপিৰ আমোলৰ দিনৰ পাৰ্থক্য জলজল পটপটকৈ প্ৰকাশ পাইছে। মে' মাহৰ তথ্য অনুসৰি দেশৰ পাইকাৰী মুদ্ৰাস্ফীতি ১৫.৯ শতাংশলৈ বৃদ্ধি পাইছে। খুচুৰা মুদ্ৰাস্ফীতিও ৭.৪ শতাংশৰ পৰা ৭.১ৰ শতাংশৰ ভিতৰত কম-বেচ হৈ আছে, যাৰ বাবে নিত্য-ব্যৱহাৰ্য সামগ্ৰী কিনিবলৈ গৈ জনসাধাৰণ কেনে এক পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হৈছে সেয়া কোৱা নিষ্প্ৰয়োজন। মুঠতে চ'ৰাদামৰ নিয়ন্ত্ৰণহীনভাৱে হৈ থকা ডলাৰৰ বিপৰীতে টকাৰ মূল্য হ্ৰাসে সৃষ্টি কৰিব নতুন সমস্যাৰ যাৰ পৰিণাম ভুগিব সাধাৰণ জনতাই। উল্লেখ্য যে ইন্ধনকে আদি কৰি আমদানিকৃত সামগ্ৰীৰ বিপৰীতে দেশে অধিক ধনেৰে ক্ৰয় কৰিব লাগিব আৰু সেই টাঙোন পৰিব জনতাৰ মূৰত। বাতৰিত প্ৰকাশ পোৱা মতে বিদেশী বিনিয়োগকাৰীয়ে লাখ লাখ কোটি টকা উলিয়াই লৈ গৈছে। এনে পৰিস্থিতিত চৰকাৰ মুদ্ৰাস্ফীতি টকাৰ মূল্য নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হ'বনে? বিত্তমন্ত্ৰীয়ে সেয়েহে কেপিটেল এক্সপেণ্ডিচাৰ অৰ্থাৎ মূলধন ব্যয়ত গুৰুত্ব দিয়াতো। ৰিজাৰ্ভ বেংকে ধাৰ্য কৰা ছয় শতাংশৰ সীমাৰ মুদ্ৰাস্ফীতিলৈ যাবৰ বাবে আৰু মান নিয়ন্ত্ৰণৰ লক্ষ্যৰে চৰকাৰৰ প্ৰচেষ্টা অব্যাহত থাকিব। কঠিন পৰিস্থিতিৰ পৰা দেশক সাধাৰণ অৱস্থালৈ অনাৰ বাবে চৰকাৰে চেষ্টাৰ ত্ৰুটি নকৰে। আনহাতে, চৰকাৰে জনপ্ৰিয় ৰাজনীতি কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিব যদিও পৰিস্থিতি যাতে ভয়ংকৰ নহয় কাৰ প্ৰতিও লক্ষ্য ৰাখিলেহে সকলোৰে মংগল হ'ব।

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

# ৰিস্ক বিনিয়োগ ৰিটাৰ্ণ ইত্যাদি

অৰ্থনীতিত ৰিস্ক মানে হ'ল বিনিয়োগত লোকচান বা ক্ষতি হ'ব পৰা সম্ভাৱনীয়তা। বিনিয়োগ কৰিব খুজিলে ৰিস্ক ল'বই লাগিব। বিনিয়োগত ৰিস্ক নোলোৱাতো এক ধৰণৰ ৰিস্ক। যদিও বিনিয়োগ কৰিলে মানুহে কম ৰিস্ক ল'ব বিচাৰে, বিনিয়োগৰ প্ৰধান মূলমন্ত্ৰ হ'ল বেছি ৰিস্ক বেছি ৰিটাৰ্ণ বা লাভ। প্ৰতিটো জমা বা বিনিয়োগ কৰা আঁচনিত বেলেগ বেলেগ ধৰণৰ ৰিস্ক জড়িত হৈ থাকে। বিনিয়োগত ৰিস্ক লওঁতে বিনিয়োগকাৰী এজনে কেইটামান কথা পৰ্যালোচনা কৰা দৰকাৰ। বিনিয়োগকাৰীজনৰ উপাৰ্জন, বয়স, লায়েবিলিটী বা খৰচ, ৰিস্ক লোৱাৰ সক্ষমতা আৰু আগ্ৰহ আদি কাৰকসমূহ বিনিয়োগ কৰাৰ আগতে মনত ৰখা উচিত। এইবোৰ কাৰকৰ উপৰি বিনিয়োগত ৰিস্কৰ কথাটো জড়িত হৈ থকা আন এটা বিষয় হৈছে বিনিয়োগ কৰিব বিচৰা সামগ্ৰীৰ বৈধতা। অৰ্থাৎ সহজ ভাষাত ক'বলৈ হ'লে আমি বিনিয়োগ কৰিব বিচৰা সামগ্ৰীটো কোনো চৰকাৰী স্বীকৃত এক্ট বা কোনো বিত্তীয় নিয়ন্ত্ৰকৰ আউটিত পৰে নে নপৰে পৰীক্ষা কৰিহে বিনিয়োগ কৰিবলৈ আগবঢ়া উচিত। অন্যথা সাৰদা, ৰোজ ভেলী আদিৰ দৰে অধিক লাভৰ লোভ দিয়া ছিট ফাণ্ড কোম্পানীৰ জালত পৰাৰ সম্ভাৱনাই অধিক। বিনিয়োগত মুদ্ৰস্ফীতি পাৰ কৰিব পৰাকৈ ভাল ৰিটাৰ্ণ পাবলৈ হ'লে কম-বেছি পৰিমাণে ৰিস্ক ল'বই লাগিব। সেয়া প্ৰত্যক্ষ শ্বেয়াৰ ক্ৰয়, মিউছুৱেল ফাণ্ড, ৰিয়েল ইষ্টেট, গ'ল্ড ই টি এফ আদি যিয়েই নহওক কিয়। যিবোৰ বিনিয়োগকাৰীয়ে ইকুইটী আৰু বণ্ডত বিনিয়োগ কৰি ৰিস্ক আৰু ৰিটাৰ্ণৰ সমতা ৰাখিব খোজে তেওঁলোকৰ বাবে মিউছুৱেল ফাণ্ড এটি ভাল আহিলা বা সামগ্ৰী। শ্বেয়াৰ বজাৰৰ ওপৰত সঠিক জ্ঞান আৰু বিশ্লেষণাত্মক ধাৰণা নাথাকিলে প্ৰত্যক্ষ শ্বেয়াৰ ক্ৰয়-বিক্ৰয় বা বিনিয়োগত বেছি ৰিস্ক থাকে। আপাতদৃষ্টিত অন্য আহিলাৰ তুলনাত ৰিয়েল ইষ্টেটত বিনিয়োগত কম সময়ত বেছি লাভৱান হোৱা দেখা যায়। তুলনামূলকভাৱে যদিও ৰিয়েল ইষ্টেটত বিনিয়োগত কম ৰিস্ক থকা দেখা যায় ফ্লেট বা মাটি-বাৰী কিনোতে বহুকেইটা দিশ চালিজাৰি চোৱা দৰকাৰ। উল্লেখ্য যে ৰিয়েল ইষ্টেটৰ গ্ৰাহক বা বিনিয়োগকাৰীৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি ২০১৬ চনত তদানীন্তন চৰকাৰৰ উভয় সংসদত RERA (Real Estate Regulatory Authority) এক্ট প্ৰণয়ন হয়।

বিনিয়োগৰ ক্ষেত্ৰত ৰিস্ক আৰু ৰিটাৰ্ণৰ এক এৰাব নোৱৰা সম্পৰ্ক আছে। বিনিয়োগৰ যি আহিলাত ৰিটাৰ্ণৰ সম্ভাৱনা বেছি তাত ৰিস্কো অধিক হয়। একেদৰে বিনিয়োগৰ যি আহিলাত ৰিস্ক কম তাত ৰিটাৰ্ণৰ সম্ভাৱনাও সাধাৰণতে কম হয়। মিউছুৱেল ফাণ্ডৰ বিনিয়োগত বেংক ফিক্স ডিপোজিটতকৈ ৰিস্ক বেছি থাকে। সেয়েহে ৰিটাৰ্ণৰ সম্ভাৱনাও বেছি হয়। বজাৰৰ উত্থান-পতনৰ ওপৰত মিউছুৱেল ফাণ্ডৰ ৰিটাৰ্ণ নিৰ্ভৰশীল। আনহাতে, পূৰ্বনিৰ্ধাৰিত সময় আৰু সুদৰ হাৰ অনুসৰি বেংক ফিক্স ডিপোজিটত বিনিয়োগ কৰা মূলধনৰ ওপৰত নিৰ্দিষ্ট আৰু স্থিৰ ৰিটাৰ্ণ পোৱা যায়। একেদৰে শ্ৰেণী বিভাজন অনুসৰি বেলেগ বেলেগ মিডছুৱেল ফাণ্ডত (লাৰ্জ কেপ, মিড কেপ, স্মল কেপ ফাণ্ড আদি) বেলেগ বেলেগ ধৰণৰ ৰিক্স আৰু ৰিটাৰ্ণৰ কথা জড়িত হৈ থাকে। গতিকে বিনিয়োগকাৰী এজনে তেওঁৰ উপাৰ্জন, বয়স, খৰচ, ৰিস্ক লোৱাৰ সক্ষমতা আদি কাৰকসমূহ বিবেচনা কৰি চাইহে কিমান মাত্ৰাত ৰিক্স লৈ ক'ত বিনিয়োগ কৰিব তাক নিৰ্ণয় কৰা উচিত।

■ **কংকন তালুকদাৰ**
*ফোন : ৯১০১৩-৭১৫০৫*

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা :**
'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন : ৭৮১০০৩

# সাহিত্য সংস্কৃতিৰ মঞ্চ : অসম, এক প্ৰেৰণাৰ এটি উৎস

■ **ৰাহিদ আহমেদ**

বৰ্তমান সময়ত ছ'চিয়েল মিডিয়া আৰু ইণ্টাৰনেটৰ গুৰুত্ব অপৰিসীম। গোটেই বিশ্বখন হাতৰ মুঠিত ৰখাৰ মূলতে মিডিয়া তথা এই ইণ্টাৰনেট। সাম্প্ৰতিক সময়ত ছ'চিয়েল মিডিয়া বুলি কওঁতে সহজেই মনলৈ আহে ফেচবুক আৰু হোৱাটছএপৰ কথা। ফেচবুক আৰু হোৱাটছএপে পৃথিৱীখনক একেবাৰে সূক্ষ্মভাৱে চকুৰ আগত তুলি ধৰে। দিন পৰিৱৰ্তন হোৱাৰ লগে লগে যেন মানুহৰ চিন্তা আৰু ধ্যান-ধাৰণাৰো অনেক পৰিৱৰ্তন আহিছে। এতিয়া এনে পৰ্যায় পাইছেগৈ যে কিছু কিছু লোকৰ বাবে ইণ্টাৰনেট, ফেচবুক, হোৱাটছএপ জীয়াই থকাৰ এক অপৰিহাৰ্য সম্বল হৈ পৰিছে। কিন্তু পৰ্যালোচনা কৰিলে দেখা যায় ইণ্টাৰনেট তথা ফেচবুক, হোৱাটছএপৰ যথেষ্ট ইতিবাচক দিশ আছে। ইতিবাচক দিশসমূহ যদি সঠিকভাৱে ব্যৱহাৰ কৰা হয় তেন্তে ইয়াক মানৱ জীৱনৰ এক যুগান্তকাৰী সৃষ্টি বুলিয়েই ক'ব পাৰি। সি যি কি নহওক কিয় পৃথিৱীৰ উন্নত দেশসমূহৰ লগতে অনুন্নত দেশসমূহতো ইয়াৰ জনপ্ৰিয়তা তথা প্ৰসাৰতা দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে। ভাৰতবৰ্ষ এখন বিশাল দেশ আৰু এই দেশতো বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই যথেষ্ট আগবাঢ়ি গৈছে।

ভাৰতবৰ্ষতো আজিৰ তাৰিখত ইণ্টাৰনেট আৰু ছ'চিয়েল মিডিয়াৰ ব্যৱহাৰকাৰীৰ সংখ্যা বাঢ়িছে। মাজে-সময়ে এই মিডিয়াৰ যোগেদিয়েই বিভিন্নজনে বিভিন্ন দিশত সফলতা লাভ কৰাৰ বাতৰি পঢ়িবলৈ পাওঁ।

উত্তৰ-পূৰ্বাঞ্চল তথা অসম ৰাজ্যখনো পিছপৰি থকা নাই । অসমৰ গাঁৱে-ভূঞে চহৰে-নগৰে এতিয়া ফেচবুক আৰু হোৱাটছএপে যোগাযোগৰ মাধ্যম হিচাপে গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। আৰু মানুহৰ মানসিক অৱস্থাৰো যথেষ্ট পৰিৱৰ্তন সাধিছে। উল্লেখ্য যে ফেচবুক বুলি কওঁতে ভাল আৰু বেয়া দিশ আৰু যথোপযুক্ত ব্যৱহাৰৰ কথা সচৰাচৰ আমাৰ মনলৈ প্ৰশ্ন অহাটো স্বভাৱিক। আচলতে আমি ইয়াত তুলি ধৰিব বিচৰা কথাটো হ'ল যে বৰ্তমান ফেচবুকৰ জৰিয়তে অসমীয়া কাব্য সাহিত্য আৰু সংস্কৃতিৰ চৰ্চাই জনমানসত এক আশাৰ বতৰা কঢ়িয়াই আনিছে। ফেচবুকৰ জৰিয়তে কাব্য সাহিত্যই যেন এক নতুন গতি লাভ কৰিছে। অসমীয়া কাব্য সাহিত্যক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত যেন আৰু এঢাপ আগুৱাই গৈছে বুলি ক'ব পাৰি। ফেচবুকৰ জৰিয়তে বিভিন্নজনে কাব্য চৰ্চা কৰাৰ লগতে নিজৰ অনুভৱবোৰক সুন্দৰকৈ প্ৰকাশ কৰি এক নৱ-জাগৰণ অনাৰ যি প্ৰয়াস কৰিছে এয়া সঁচাকৈয়ে আনন্দৰ বিষয়।

সাহিত্য-সংস্কৃতিৰ প্ৰতি অগাধ ভালপোৱা আৰু কেইজনমান কাব্য অনুৰাগী লগ লাগি অসমত ইতিমধ্যে এক কাব্যিক সত্তা গঢ়ি তোলাৰ প্ৰয়াস চলাই আছে। উল্লেখ্য যে ইয়াৰে কেইজনমান সমাজ হিতৈষী ব্যক্তি আৰু সাহিত্য চৰ্চাৰ জৰিয়তে নিজকে বিলীন কৰিব বিচৰা তথা অসমীয়া কবিতাক বিশ্বমুখী কৰা আৰু নবীন কবিসকলৰ বাবে এখন উপযুক্ত মঞ্চ গঢ় দিয়াৰ উদ্দেশ্যে এক মহৎ প্ৰচেষ্টাৰে বহুকেইটা কবিতা গোট তথা মঞ্চৰ আত্মপ্ৰকাশ ঘটিছে। ইয়াৰ ভিতৰত 'অসমীয়া কবিতা চৰ্চা', 'সাহিত্য-সংস্কৃতিৰ মঞ্চ অসম', কলঙৰ পাৰত সাহিত্য-সংস্কৃতিৰ সমন্বয় মঞ্চ অসম', 'কবিতাৰ খেতিপথাৰ গোট', 'কবিতা প্ৰেম আৰু বিষাদৰ', 'সাহিত্যৰ কুঁহিপাত' ইত্যাদিকে প্ৰমুখ্য কৰি বহুকেইটা গোট ফেচবুকৰ জৰিয়তে নিয়াৰিকৈ চলি আছে। এই গোটসমূহে বিভিন্ন নবীন-প্ৰবীণ কবিক একেলগে আগুৱাই যোৱাত সহায়কাৰী হিচাপে কাম কৰি আছে। বিশেষকৈ ফেচবুকৰ জৰিয়তে নতুনকৈ উঠি অহা যুৱ-সমাজক এক সঠিক পথ দেখুৱাৰ বাবে যি ধৰণৰ কাব্যিক আন্দোলন গঢ় দিয়াৰ প্ৰয়াস কৰা হৈছে ই অতি সুখৰ খবৰ আৰু সমাজৰ বাবে এক শুভ বাৰ্তা। এটা কথা নিশ্চয়কৈ ক'বই লাগিব যে কবিতা বুলি ক'লে বহুতৰে মনত অনেক সময়ত অনীহা আৰু অনিচ্ছাৰ ভাব আহে যদিও কবিতাই মানুহৰ মনত ৰেখাপাত কৰে। অনুভৱবোৰ সহজ-সৰল শব্দৰে সজাই সকলোৰে বুজিব পৰাকৈ প্ৰকাশ কৰিলে বেছি সুন্দৰ হয় আৰু সকলোৰে বোধগম্য হয়।

সকলো মানুহৰ অন্তৰত সপোন থাকে। সকলোৰে হৃদয়ত কম-বেছি পৰিমাণে অনুভৱ নিহিত হৈ থাকে। অনুভৱবোৰ অৰ্থপূৰ্ণভাৱে সজাই পাঠক সমাজৰ আগত তুলি ধৰিব পৰাটোৱেই আচল কথা। নিশ্চয়কৈ এই কথা ক'বই লাগিব যে ফেচবুকৰ জৰিয়তে আত্মপ্ৰকাশ ঘটা কাব্যিক মঞ্চসমূহৰ ভিতৰত 'সাহিত্য-সংস্কৃতিৰ মঞ্চ অসম' সঁচা অৰ্থত এক সাৰ্বজনীন গোট। এই গোটে নবীনসকলক এখন উচিত মঞ্চ দিয়াৰ লগতে সমাজৰ আগত পৰিচয় কৰোৱাই দিয়াৰ উপৰি সময়ে সময়ে তেওঁলোকৰ কবিতাসমূহৰ ওপৰত গঠনমূলক বিশ্লেষণ আগবঢ়াই এক নতুন দিগন্তৰ সূচনা কৰিছে ই অত্যন্ত প্ৰশংসনীয় আৰু শলাগিবলগীয়া। এই মঞ্চৰ যোগেদি বহুকেইজন নবীন কবিয়ে সুন্দৰ কাব্যিক শৈলীৰে নিজৰ যাত্ৰা অব্যাহত ৰাখিছে। মঞ্চৰ যোগেদি বহুকেইখন আলোচনী প্ৰকাশ কৰিছে আৰু তাত নবীন কবিসকলক স্থান দি তেওঁলোকৰ মনোভাবক ৰাইজৰ আগত তুলি ধৰি মহানুভৱতাৰ পৰিচয় দাঙি ধৰিছে। ইয়াৰ উপৰি এই মঞ্চৰ সহযোগ তথা সাহসৰ বলত বহু নবীন কবিয়ে নিজৰ কবিতা পুথি প্ৰকাশ কৰিছে। মনকৰিবলগীয়া কথাটো হ'ল যে এই মঞ্চই নবীন কবিসকলৰ বাবে বিভিন্ন শিতানত কাব্যিক প্ৰতিযোগিতাৰ আয়োজন কৰিও তেওঁলোকক আগুৱাই নিয়াৰ বাবে অহৰহভাৱে নিস্বাৰ্থভাৱে কাম কৰি আছে। প্ৰণিধানযোগ্য যে এই মঞ্চই কবিতাক আৰু অধিক জনপ্ৰিয় আৰু বিশ্বমুখী কৰাৰ বাবে এই বছৰ মঞ্চলৈ অনবদ্য কাব্যিক বৰঙণি আগবঢ়োৱা ৬জন কবিক 'কাব্যকুঞ্জ' সন্মান তথা বঁটা দিয়াৰ বাবেও সিদ্ধান্তগ্ৰহণ কৰিছে। এই কথাই মঞ্চৰ বিশালতা আৰু প্ৰশাসক মণ্ডলীৰ দূৰদৰ্শী মনোভাবকে সূচায়। আমি মঞ্চৰ এনে কৰ্মৰাজিক আদৰণি জনাইছোঁ।

এই খিনিতে উল্লেখ্য যে, অভাজন বৰ্তমান বিদেশৰ বাসিন্দা আৰু বিদেশৰ পৰাই এই গোট তথা মঞ্চৰ লগত জড়িত। জন্মসূত্ৰে মই অসমৰ আৰু অসমতেই ডাঙৰ-দীঘল হোৱা ল'ৰা। যদিও কৰ্মসূত্ৰে বিদেশত থাকোঁ তথাপি মাতৃভূমি আৰু ওপজা ঠাইখনৰ প্ৰতি মৰম আৰু ভালপোৱাৰ বাবেই মই সদায়েই লিখনিবোৰৰ তলত অসমৰ ঠিকনাই উল্লেখ কৰোঁ। সেই বাবেই হয়তো বহুতেই ভাবে যে মই অসমতেই থাকো। কেতিয়াবা দুখো লাগে কেতিয়াবা বেদনাই বুকু হেঁচা মাৰি ধৰে যে নিজ মাতৃৰ মৰমৰ পৰা আঁতৰত থকা, নিজৰ ভাষা, কৃষ্টি-সংস্কৃতিৰ পৰা নিলগত থাকি অসমীয়া মাত এষাৰ শুনিবলৈ উদগ্ৰীৱ হৈ থাকিলে কেনে ভাব আহিব সেয়া সহজেই অনুমেয়। মই অসমত স্কুল-কলেজত পঢ়ি থকা দিনৰে পৰা ভাষা-সংস্কৃতিৰ প্ৰতি খুব হেঁপাহ আছিল আৰু মই অসমীয়া মেজৰৰ ছাত্ৰ আছিলো আৰু লিখা-মেলা মোৰ হবি আছিল। কিন্তু বিদেশত অহাৰ পৰাই যেন মোৰ কলমৰ গতি ৰুদ্ধ হৈছিল। হয়তো মনত প্ৰবল ইচ্ছা আছিল কিন্তু পৰিৱেশ আৰু সুযোগ নাছিল। য'ত অসমীয়া কিতাপ এখনেই পোৱা নাযায়, য'ত অসমীয়া শব্দ এটা শুনিবলৈ পোৱা নাযায়, য'তনেকি অসমীয়া বাতৰি কাকতখন পোৱাটো অসম্ভৱ কিন্তু অনলাইন সুবিধাৰ বাবে মোবাইলৰ জৰিয়তে চাওঁ। য'ত অসমীয়া লোক-কৃষ্টিৰ কোনো চিন-মোকাম নাই, য'ত অসমীয়া সমাজ জীৱনৰ কোনো প্ৰতিফলন নাই তেনেস্থলত মনৰ অনুভৱবোৰ মনতেই মৰহি যায়। বৰ্তমান কেইজনমান অসমীয়া লোকৰ নেৰা-নেপেৰা প্ৰচেষ্টাৰ ফলত অসমীয়া ছ'চাইটী এখন গঢ় লৈ উঠিছে। এনে এখন মৰুৰ দেশত থাকি হাতত কলম তুলি লোৱাটো দুৰূহ কাম হয়। কিন্তু এইবোৰৰ মাজতো ফেচবুকৰ জৰিয়তে কেইজনমান সমাজ হিতৈষী ব্যক্তিয়ে এই মঞ্চৰ লগত আমাক জড়িত কৰাই এক নতুন আশা আৰু সাহস যোগালে। তাৰ বাবে তেওঁলোকক এই ছেগতে ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ।

ইতিমধ্যে এই মঞ্চৰ যোগেদি বহুকেইজন বন্ধু আৰু শুভাকাংক্ষীৰ সান্নিধ্য পাই ভাল লাগিছে আৰু কাব্য চৰ্চা চেগা-ছোৰোকাকৈ কৰিছিলোঁ যদিও তাৰে কেইজনমানৰ মৰম আৰু দাবীক উপেক্ষা কৰিব নোৱাৰি কবিতাৰ ছিৰিজ আৰম্ভ কৰিছিলোঁ আৰু আপোলোকৰ আশীৰ্বাদ আৰু প্ৰেৰণাত আমাৰ প্ৰথমটো ছিৰিজ 'প্ৰেম অন্তৰৰ এক উপলব্ধি' শতকেৰে সফল সামৰণি মাৰিবলৈ সক্ষম হলোঁ। তাৰ পৰৱৰ্তী সময়ছোৱাত দ্বিতীয়বাৰৰ কাৰণে আন এটি ছিৰিজ আৰম্ভ কৰিলোঁ 'জীৱন মানেই সংগ্ৰাম, সংগ্ৰাম মানেই জীৱন' বৰ্তমান এই ছিৰিজটো মঞ্চৰ জৰিয়তে চলি আছে। আপোনালোকৰ গঠনমূলক দিহা-পৰামৰ্শ আৰু সহযোগিতা পালে নিশ্চয় আগুৱাই নিয়াত সহজ হ'ব। আমাৰ বিশ্বাস যে আপোনালোকৰ সঁহাৰি আগলৈ পাম। সদৌ শেষত এই মঞ্চৰ লগত সন্নিৱিষ্ট হৈ থকা প্ৰতিগৰাকী ব্যক্তি, কাব্য অনুৰাগী, পাঠক আৰু লেখকক আমাৰ তৰফৰ পৰা ধন্যবাদ জনাইছোঁ। বিশেষকৈ সাহিত্য-সংস্কৃতিৰ মঞ্চৰ প্ৰশাসক আৰু মডাৰেটৰসকলৰ কাৰ্যপ্ৰণালী আৰু সমগ্ৰ ব্যৱস্থাপনাৰ বাবে শলাগ লৈছোঁ, তেখেতসকলক নতশিৰে প্ৰণাম জনাইছোঁ। সাহিত্য-সংস্কৃতিৰ মঞ্চ অসম এতিয়া কেৱল অসমতে সীমাবদ্ধ নহয় বৰঞ্চ বিশ্বৰ কোণে কোণে শিপাই আছে। বিশ্বৰ বিভিন্ন স্থানত থাকিও বহুতেই নিজৰ অনুভৱ ব্যক্ত কৰিছে। বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজতো বিভিন্ন সমস্যাৰ স'তে মোকাবিলা কৰিও সুচাৰুৰূপে আহি আহি বৰ্ষপূৰ্তিৰ দুৱাৰ-ডলিত উপস্থিত হৈছেহি । বৰ্ষপূৰ্তিৰ অনুষ্ঠান সুন্দৰভাৱে সফল হোৱাৰ কামনা কৰিলো লগতে আগন্তুক সময়ত এনে ধৰণৰ অনুষ্ঠান কেৱল অসমতেই নহয় বিশ্বৰ অন্যান্য কোণতো পতাৰ পোষকতা কৰিলো লগতে এই মঞ্চৰ যোগেদি অসমীয়া কাব্য সাহিত্যক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ বাবে প্ৰবল কাব্যিক সত্তা আৰু জাগৰণৰ সৃষ্টি হওক, অসমীয়া কাব্য সাহিত্যত সোণালী যুগৰ সূচনা হওক তাকে কামনা কৰিলোঁ । জয় আই অসম।

# মৃত্যুৰ ধুমুহাক পৰাজিত কৰা মহিলাগৰাকী (দ্ৰৌপদী মুৰ্মু)



■ **মাণিক পাল**

স্কটলেণ্ডৰ জনপ্ৰিয় সাহিত্যিক ৰবাৰ্ট লুইচ ষ্টিভেনচনে কৈছিল— 'বোজাটো যিমানেই গধুৰ নহওক কিয়, যি কোনো মানুহেই তাক ৰাতিলৈকে কঢ়িয়াই নিব পাৰে। কামটো যিমানেই কঠিন নহওক কিয়, যি কোনো মানুহেই অন্ততঃ এটা দিনৰ কাৰণে তাক কৰিব পাৰে। যি কোনো মানুহেই বেলি মাৰ নোযোৱালৈকে নিজৰ জীৱনটো মধুৰভাৱে, ধৈৰ্যসহকাৰে, সপ্ৰেম আৰু পৱিত্ৰ হৃদয়েৰে যাপন কৰিব পাৰে। বাস্তৱতে এইটোৱেই হ'ল জীৱনৰ একমাত্ৰ অৰ্থ। 'ৰবাৰ্ট লুইচৰ জীৱনৰ এই অৰ্থ আমি NDAৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুৰ জীৱনত প্ৰতিফলিত হোৱা দেখা পাওঁ, যদি আমি তেওঁৰ জীৱন সংঘৰ্ষ সম্পৰ্কে অধ্যয়ন কৰোঁ। কাৰণ জীৱনৰ প্ৰাৰম্ভিক অৱস্থাত তেওঁ যিদৰে দৰিদ্ৰতা আৰু তাৰ পাছত শাশ্বত মৃত্যুৰ ধুমুহাক পৰাজিত কৰি আগবাঢ়ি গৈছে সেয়া যিকোনো সাধাৰণ মানুহৰ বাবে সম্ভৱ নহয়। ইয়াৰ উপৰি তেওঁ সমাজৰ এনে এটা শ্ৰেণীৰ পৰা আহিছে, য'ত দৰিদ্ৰতাই বেছি ভাগ মানুহৰে জীৱনক পানীত হাঁহ নচৰা অৱস্থা কৰিছে। কিন্তু তেওঁ জীৱনৰ সকলো বাধা-বিঘিনি, দুখ আৰু যন্ত্ৰণাৰ ঔষধ হিচাপে ব্যৱহাৰ কৰিছিল মানৱ সেৱা আৰু অতি সাধাৰণ জীৱনশৈলীক। আচলতে তেওঁৰ জীৱন সংঘৰ্ষই বহু ভাৰতীয় মহিলাক অভাৱৰ মাজত সুযোগ সন্ধানৰ পথ বিচৰাত সহায় কৰিব। ভাৰতত এনে বহু ৰাজনেতা আছে যিসকলে নিজৰ বংশগত ৰাজনৈতিক পৰিচয়-পত্ৰৰ জৰিয়তে ৰাজনীতিত প্ৰৱেশ কৰিছে। কিন্তু দ্ৰৌপদী মুৰ্মুৰ দৰে এনেকুৱা ৰাজনেতাও আছে যিসকলে বংশগত ৰাজনৈতিক পৰিচয়-পত্ৰ লৈ ৰাজনীতিত প্ৰৱেশ নকৰি নিজৰ কষ্ট আৰু সাধনাৰ বলেৰে ৰাজনীতিত প্ৰৱেশ কৰিছে আৰু সফলো হৈছে। কাৰণ তেওঁ একে জাঁপতে ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হোৱা নাই। তেওঁ ৰাজনীতিত প্ৰথম প্ৰৱেশ কৰে এগৰাকী সাধাৰণ কাউঞ্চিলৰ হিচাপে, তাৰ পাছত তেওঁ নিজৰ জনকল্যাণমূলক কামৰ জৰিয়তে সাধাৰণ জনতাৰ হৃদয় জয় কৰি বিধায়ক হয়, তাৰ পাছত ওড়িশা চৰকাৰত দুবাৰকৈ মন্ত্ৰী, ঝাৰখণ্ডৰ ৰাজ্যপাল আৰু এতিয়া যদি ৰাষ্ট্ৰপতি হৈ দেশৰ সৰ্বোচ্চ সন্মানৰ পদত অধিষ্ঠিত হ'ল। দ্ৰৌপদী মুৰ্মুৰ জন্ম হৈছিল ১৯৫৮ চনৰ ২০ জুন তাৰিখে ওড়িশাৰ ময়ূৰগঞ্জ জিলাৰ বৌদাপোসী গাঁৱত। তেওঁৰ পিতৃৰ নাম বিৰাঞ্চী নাৰায়ণ টুডু। তেওঁৰ জন্ম এক দৰিদ্ৰ পিছপৰা জনজাতীয় পৰিয়ালৰত হৈছিল। প্ৰাথমিক শিক্ষা তেওঁ গাঁৱৰ পৰাই গ্ৰহণ কৰিছিল। তাৰ পাছত ৰমা দেৱী মহিলা কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। ইয়াৰ পাছত তেওঁ চৰকাৰী চাকৰিত যোগদান কৰে। কিন্তু বিয়াৰ পাছত বিভিন্ন পাৰিবাৰিক সমস্যাৰ বাবে তেওঁ চাকৰি এৰিবলৈ বাধ্য হয়। তেওঁৰ স্বামীৰ নাম আছিল শ্যাম চৰণ মুৰ্মু । বিয়াৰ পাছত তেওঁ তিনিটা সন্তানৰ মাতৃ হয়। দুজন ল'ৰা আৰু এজনী ছোৱালী। ল'ৰা-ছোৱালী ডাঙৰ হোৱাৰ পাছত সময়ৰ সদ্ব্যৱহাৰৰ বাবে তেওঁ বিভিন্ন অনুষ্ঠানত যোগদান কৰি দৰিদ্ৰ জনজাতীয় লোকসকলক সহায় কৰিবলৈ সমাজসেৱাৰ কামত জড়িত হৈ পৰে । ইয়াৰ উপৰি তেওঁ পাব্লিক স্কুলত বিনা বেতনত শিক্ষকতাৰ কামো কৰে। সমাজসেৱাৰ জৰিয়তে পৰিচিত হোৱা বিভিন্ন সমৰ্থকৰ আগ্ৰহত তেওঁ ১৯৯৭ চনত ৰাজনীতিত প্ৰৱেশ কৰে আৰু ৰায়ৰংগপুৰৰ কাউঞ্চিলৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি জয়ী হয়। তাৰ পাছত আৰু তেওঁ জীৱনত পিছফালে ঘূৰি চাব লগা নহ'ল। ২০০০ চনত ভাৰতীয় জনতা পাৰ্টীৰ টিকটত জয়ী হৈ প্ৰথম বিধায়ক হয়। সেইবাৰে তেওঁ ভাৰতীয় জনতা পাৰ্টী আৰু বিজু জনতা দলৰ মৰ্চাৰ ওড়িশা চৰকাৰত মন্ত্ৰী হয়। ২০০৭ চনত তেওঁ সৰ্বশ্ৰেষ্ঠ বিধায়কৰ বঁটা 'নিলকণ্ঠ' লাভ কৰে। ২০১৫ চনত তেওঁ ঝাৰখণ্ডৰ প্ৰথম মহিলা জনজাতীয় ৰাজ্যপাল হয় আৰু এই পদত তেওঁ ২০২১ চনলৈকে অধিষ্ঠিত হৈ থাকে। তেওঁ ভাৰতীয় জনতা পাৰ্টীৰ এছ টি মৰ্চাৰ উপ-সভাপতিও আছিল। বাল্য কালৰ পৰা তেওঁ কেতিয়াও ৰাজনেত্ৰী হোৱাৰ সপোন দেখা নাছিল। পৰিয়ালৰ আৰ্থিক সংকট দূৰ কৰাৰ বাবে তেওঁ উচ্চ শিক্ষা গ্ৰহণ কৰি চৰকাৰী চাকৰি কৰাৰহে সপোন দেখিছিল। য'ত তেওঁ সফলো হৈছিল। কিন্তু তেওঁৰ জীৱনত মৃত্যু নামৰ শাশ্বত শক্তিয়ে এনেকুৱা ধুমুহা কঢ়িয়াই আনে যে তেওঁ মানসিকভাৱে অসুস্থ হৈ পৰে। যি অসুস্থতাৰ পৰা নিজকে ৰক্ষা কৰিবলৈ ব্ৰহ্মা কুমাৰী নামৰ আধ্যাত্মিক আন্দোলনৰ সংগঠনত যোগদান কৰিব লগা হয়। তেওঁ প্ৰথমবাৰৰ বাবে মৃত্যু নামৰ ধুমুহাৰ সন্মুখীন হয় ২০০৯ চনত যেতিয়া তেওঁৰ ২৫ বছৰীয়া সন্তানে ৰাতি শুই থকা অৱস্থাতে অকাল মৃত্যুক সাবটি লয়। এই মৃত্যুয়ে তেওঁক শাৰীৰিক আৰু মানসিকভাৱে দুৰ্বল কৰি পেলায়। যাৰ ফলত তেওঁ দুমাহলৈকে ডিপ্ৰেচনত ভোগে। ইয়াৰ পৰা তেওঁক ৰক্ষা কৰে ব্ৰহ্মা কুমাৰী নামৰ আধ্যাত্মিক সংগঠনৰ বিভিন্ন অনুষ্ঠানে। জীৱনৰ এই ধুমুহাৰ পৰা ৰক্ষা পৰিছিলহে মাত্ৰ তেতিয়াই ২০১৩ চনৰ জানুৱাৰীত মৃত্যু নামৰ সেই একে ধুমুহাই এইবাৰ চিৰদিনৰ বাবে কাঢ়ি নিলে তেওঁৰ দ্বিতীয় সন্তানক। এবাৰ ভাবি চাওক এগৰাকী মাতৃ হিচাপে তেওঁ কিমান যন্ত্ৰণাৰ মাজেৰে সেই সময়বোৰ পাৰ কৰিছে। ভাবিলেই দেহ-মন শিয়ৰি উঠে। ইমানৰ পাছতো মৃত্যু নামৰ ধুমুহাটো শান্ত নাথাকি ২০১৪ চনত তেওঁৰ স্বামীক কাঢ়ি নিয়ে চিৰদিনৰ বাবে। তেওঁৰ মতে তেওঁৰ স্বামীয়ে সন্তান দুজনৰ অকাল মৃত্যুক সহ্য কৰিব নোৱাৰি মৃত্যুক সাবটি লয়। তাৰ পাছতো কিন্তু দ্ৰৌপদী মুৰ্মুৱে জীৱন যুদ্ধত পৰাজয় স্বীকাৰ কৰা নাই। তেওঁৰ সাহস আৰু দৃঢ়তা দেখি আমেৰিকাৰ ঔপন্যাসিক হেনৰী মিলাৰৰ এষাৰ কথা মনত পৰিছে— 'জীৱনটো যেনেকৈ দেখা তেনেকৈয়ে তাক ভাল পাবলৈ শিকা। ভাল পাবলৈ শিকা মানুহক, বস্তুক, সাহিত্যক, সংগীতক, পৃথিৱীখন ইমান ঐশ্বৰ্যময়, ইমান আৱেগমণ্ডিত, সুন্দৰ হৃদয় আৰু আকৰ্ষণীয় মানুহেৰে ইমান পৰিপূৰ্ণ যে এই পৃথিৱীখনক ভাল নোপোৱাকৈ থকাটো অসম্ভৱ। এইবোৰৰ মাজত নিজকে পাহৰি যোৱা।' দ্ৰৌপদী মুৰ্মুৰ জীৱনৰ পৰা আচলতে আমি বহু শিক্ষা আৰু পাঠ ল'ব পাৰোঁ, বিশেষকৈ মহিলাসকলে। কাৰণ দ্ৰৌপদী মুৰ্মুৰ জীৱনৰ পৰা আমি চিলিৰ ন'বেল বঁটা বিজয়ী কবি 'গেব্ৰিয়েলা মিষ্টেলে' কোৱা কিছুমান বাস্তৱ আৰু সত্য কথাৰ হুবহু প্ৰতিচ্ছবি দেখিবলৈ পাওঁ। তেওঁ কৈছিল —'সুস্থ আৰু সবল হৈ থাকিব পৰাটো অতি সৌভাগ্যৰ কথা, কিন্তু তাতোকৈ বেছি সৌভাগ্যৰ কথা হ'ল আনৰ সেৱাত নিয়োজিত হৈ থাকিব পৰাটো। পৃথিৱীখনত যদি কৰিবলৈ একো কাম নোহোৱা হয়, তেন্তে ই হ'ব এখন অতি বিমৰ্ষ আৰু নিৰানন্দ জগত। যিখন পৃথিৱীত গোলাপৰ পুলি ৰুবলৈ কাৰো ইচ্ছা নোহোৱা হয় বা জীৱনৰ কঠিন প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ কাৰো সাহস নোহোৱা হয়, সেইখন পৃথিৱীত জীয়াই থাকিবলৈ কাৰ ইচ্ছা হ'ব ? সহজ কামত লাগি নাথাকিবা। সেইবোৰ কাম কৰিবলৈ নিজে আগবাঢ়ি যাবা, যিবোৰ কাম কঠিন বুলি আনে কৰিব নোখোজে। 'মিষ্ট্ৰেলে কোৱাৰ দৰে দ্ৰৌপদী মুৰ্মুৱেও পুত্ৰ শোকত ভাগৰি নপৰি সমাজসেৱাৰ জৰিয়তে নিজৰ জীৱনৰ আনন্দবোৰ বুটলিবলৈ আৰম্ভ কৰিছিল। কাৰণ সমাজসেৱাৰ জৰিয়তেই তেওঁ আকৌ ঘূৰাই পাইছিল তেওঁৰ সুখ আৰু মনৰ হাঁহি । আটাইতকৈ ডাঙৰ শিক্ষা হিচাপে তেওঁৰ জীৱনৰ পৰা আজিৰ মহিলাসকলে সহজ-সৰল জীৱনৰ ল'ব পাৰে।

**ফোন : ৮৬৩৮৯-৪৭২৯২**

# ট্ৰ'ল- সাধনা দেৱীৰ প্ৰসংগৰে

■ **কৰেন্দ্ৰ চক্ৰৱৰ্তী**

সামাজিক মাধ্যমৰ সৈতে জড়িত এটি শব্দ হৈছে Troll বা ট্ৰ'ল। কোনো বিষয়ৰ প্ৰসংগৰে কাৰোবাক হীন বা নিম্ন পৰ্যায়ৰ অথবা নস্যাৎ সাব্যস্ত কৰিবলৈ তৰল মন্তব্য বা ভেঙুচালি কৰে আৰু সেইটোৱেই হৈছে ট্ৰ'ল। ট্ৰ'ল যেন এতিয়া সামাজিক মাধ্যমৰ এটি বৈশিষ্ট্য। ট্ৰ'লৰ দ্বাৰা মানসিক হাৰাশাস্তি কৰে আৰু কিছুমানে ট্ৰ'লৰ দ্বাৰা আক্ৰান্ত হৈ মানসিক চাপৰ সন্মুখীন হয়। কোনোৱে আকৌ মানসিক ভাৰসাম্য হেৰুৱাই চূড়ান্ত সিদ্ধান্ত ল'বলৈ আগবাঢ়ে।

ট্ৰ'ল আধুনিক সমাজৰ অতিকৈ ভয়াৱহ ব্যাধিৰূপে বিবেচিত হৈছে। কোনো কাৰ্যই চিন্তাধাৰা-দৃষ্টিভংগী প্ৰকট কৰে। ট্ৰ'লৰ আধিক্যই সামাজিক মাধ্যমৰ সৌন্দৰ্য হানি কৰিছে। সামাজিক মাধ্যমে মুক্ত মত প্ৰকাশৰ সুবিধা কৰি দিছে। কিন্তু অপব্যৱহাৰৰ ফলত সামাজিক মাধ্যমৰ মৰ্যাদাত আঘাত হানিছে। ট্ৰ'ল বিকৃত মানসিকতাৰ প্ৰতিফলন বুলিব পাৰি। কোনো বিষয়ৰ ক্ষেত্ৰত বিপৰীতে মন্তব্য দিলে যে বিকৃতভাৱে ক'ব লাগিব নিয়ম ধাৰ্য কৰা নাই। গঠনমূলক দৃষ্টিকোণেৰে ভাষাৰ শালীনতা বৰ্তাই ৰাখি বক্তব্য উপস্থাপন কৰিব কিয় নোৱাৰি? ট্ৰ'লৰ দ্বাৰা বুৎপত্তি দেখুৱাব বিচৰাসকলৰ যে শব্দ আৰু ভাষাৰ ক্ষেত্ৰত দীনতা আছে সেইটো প্ৰতীয়মান হয়। সদ্যঘোষিত উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ কলা শাখাত যুটীয়াভাৱে প্ৰথম স্থান অধিকাৰ কৰা সাধনা দেৱীক ট্ৰ'ল কৰি ইউটিবত ভিডিঅ' আপলোড কৰিছে। কোনোবা এজনে কওঁতে চাই উপলব্ধি হৈছিল যে সঁচাকৈয়ে বিকৃত মানসিকতাৰ প্ৰতিফলন। সাধনা দেৱীক কি কি কৰি ভাল পাই সোধোতে গান গাই ভাল পোৱা বুলি কৈছিল আৰু গাবলৈ কওঁতে গান গাইছিল। কিন্তু তেওঁ পেছাদাৰী গায়ক নহয় আৰু শুৱলা নোহোৱাটো অস্বাভাৱিক নহয়। কিন্তু সেইটো কাৰণতে ট্ৰ'ল কৰিব লাগেনে?

আনহাতে, সাধনাৰ অসমীয়া প্ৰশ্ন কাকতৰ উত্তৰ বহী নিৰীক্ষণ কৰাসকলে এশতকৈ অধিক নম্বৰ দিয়াৰ পোষকতা কৰিছিল। আনহাতে, ট্ৰল কৰাসকলে এই বিষয়টোৰ সৈতে শ্ৰদ্ধাৰ বাণীকান্ত কাকতিদেৱকো জড়িত কৰিছে। সকলোৰে এইটো অৱগত যে কাকতিদেৱক এশৰ ভিতৰত এশ পাঁচ নম্বৰ দিছিল আৰু সেইটোৱে কাকতিদেৱৰ প্ৰতিভাৰ উমান দিছিল। সাধনা দেৱীকো এশৰ ওপৰৰ অধিক নম্বৰ দিয়াৰ সপক্ষে মত প্ৰকাশৰ পাছত কাকতিদেৱৰ প্ৰসংগ উত্থাপন কৰিছে। কোনো ব্যক্তিৰ সৈতে কোনো ব্যক্তিৰ তুলনা সম্ভৱ নহয়। কাকতিদেৱে যেতিয়া এশৰ ভিতৰত এশ পাঁচ পাইছিল তেতিয়া তেখেত ছাত্ৰাৱস্থাতে আছিল। অসমীয়া ভাষা-সাহিত্যৰ বিদগ্ধ পণ্ডিত বুলি স্বীকৃত বা পৰিগণিত হোৱা নাছিল। পাছত যেতিয়া তেখেতে পাণ্ডিত্যৰ পৰ্যায়লৈ উত্তৰিত হৈছিল তেতিয়া এশৰ ভিতৰত এশ পাঁচ পোৱাটো চৰ্চিত হৈছিল। সাধনা দেৱীও প্ৰতিভাৱান আৰু ছাত্ৰাৱস্থাতে আছে। গতিকে ভৱিষ্যতে সাধনা দেৱীয়েও কৰ্মৰ দ্বাৰা অসমৰ এগৰাকী প্ৰাতঃস্মৰণীয় সত্তা হোৱাৰ সম্ভাৱনাক নুই কৰিব নোৱাৰি আৰু যদি তেওঁ সেই কৃতিত্ব অৰ্জন কৰিব পাৰে তেতিয়া তেওঁৰ ক্ষেত্ৰতো অসমীয়া বিষয়ত এশৰ অধিক নম্বৰ দিয়াৰ পোষকতা কৰা প্ৰসংগও উত্থাপন হ'ব। আকৌ সাধনা দেৱীক স্থানৰ বিষয়ে সোধোতে তেওঁ একৰ পৰা তিনিৰ ভিতৰত থাকিব বুলি আত্মবিশ্বাসৰে কৈছিল। এইক্ষেত্ৰত প্ৰশ্ন উত্থাপন হৈছে যে তেওঁ কেনেকৈ জানিলে যে একৰ পৰা তিনিৰ ভিতৰত থাকিব? অন্যসকলে স্থান পোৱাৰ আশা কৰা বুলি কৈছে। সাধনা দেৱীয়ে হয়তো পৰীক্ষা সমাপ্ত হোৱাৰ পাছত বিশ্লেষণ কৰি আগৰ ৰেকৰ্ড চাই তেওঁ এনেকুৱা এটি স্থান পাব বুলি ধাৰণা কৰিছিল।

সাধনা দেৱী কৈশোৰ অৱস্থাতে আছে আৰু প্ৰত্যাশিত ফল পোৱাৰ পাছত আৱেগিক হোৱাটো তেনেই স্বাভাৱিক। তেওঁৰ কথা-বাৰ্তাত ভুল হোৱাটো অস্বাভাৱিক নহয়। কিন্তু সেইটোৰ দ্বাৰা তেওঁৰ প্ৰতিভা আৰু কৃতিত্বক নস্যাৎ কৰাটো উচিত হ'ব নে? অসমত তাৎক্ষণিকভাৱে মূৰত তুলি লোৱা আৰু নমাই দিয়া কাৰ্য সুলভ। ট্ৰ'ল আজিৰ কাৰ্য নহয়। এতিয়া তথ্য-প্ৰযুক্তিয়ে নতুন মাত্ৰা প্ৰদান কৰিছে। ভূপেনদাও ট্ৰ'লৰ মুখামুখি হৈছিল। ট্ৰ'ল ঈৰ্ষাৰ অন্য এটি ৰূপ। আনহাতে, ট্ৰ'লৰ আধিক্যই সামাজিক মাধ্যমৰ ব্যৱহাৰিক দিশৰ ক্ষেত্ৰত নেতিবাচক প্ৰভাৱ পেলাইছে। সামাজিক মাধ্যম হৈছে মত প্ৰকাশৰ মঞ্চ। কিন্তু মাধ্যমটিৰ প্ৰয়োজনীয়তা, গুৰুত্বৰ উপলব্ধিৰ অভাৱে অপব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰিছে। একাংশই গুৰুত্বহীনভাৱে বক্তব্য-মন্তব্য প্ৰদান কৰি অসুস্থ বাতাবৰণ উদ্ভৱ কৰিছে। সাধনা দেৱীৰ প্ৰসংগৰে আহ্বান জনাইছোঁ যাতে ট্ৰ'লৰ দ্বাৰা প্ৰতিভাক মোহাৰি পেলাবলৈ প্ৰয়াস নকৰে যেন। আনহাতে, ট্ৰ'লৰ মুখামুখি হ'বলৈ সকলোৱে সাহসী নহ'বও পাৰে। সেইসকল অকল কোনো পৰিয়ালৰে সদস্য নহয়, সমাজ তথা দেশৰো অংগ। দেশ-সমাজৰ উন্নয়নৰ ক্ষেত্ৰত প্ৰতিভাৱানে নেতৃত্ব ল'ব লাগিব। আনহাতে, যিহেতু প্ৰত্যেকৰে স্বকীয়তা আছে তুলনা কৰিবও নালাগে। বিতৰ্ক, সমালোচনা যিয়েই নহওক, সকলোবোৰ ইতিবাচক চিন্তাৰে সমাজৰ হিতৰ কাৰণে হওক। কৈশোৰ অৱস্থাৰ প্ৰতিভাৱান ছাত্ৰীগৰাকীক ট্ৰ'ল কৰি বিশেষ কিবা গৌৰৱপূৰ্ণ কাৰ্য কৰা বুলি ভাবিব নালাগে। ট্ৰ'ল কৰিব লগা বিষয় আছে আৰু সেইবোৰত দায়িত্ববোধৰ পৰিচয় দিব পাৰে।



*ফোন : ৯৫০৮০-১৩১১৫*

# তামাৰহাটৰ কাছাৰীগাঁৱত আঠবছৰীয়া নাবালিকাক ধৰ্ষণক লৈ চলা বাৰদিনীয়া নাটকৰ জৱনিকা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামাৰহাট, ২২ জুলাই ঃ** আৰক্ষীৰ উৰ্ধ্বত নেকি এতিয়া গাঁৱৰ দেৱানী (মুৰব্বী)। আৰক্ষীয়ে দেৱানীৰ আগত শিকাত কৰি আছিল নে আৰক্ষীক মেনেজ কৰি ৰখা হৈছিল। ধৰ্ষণৰ বাৰদিন পিছত কিয় এজাহাৰ দিলে অভিযোগকাৰীয়ে। অভিযোগকাৰীয়ে নিজ ইচ্ছামতে ইমান দিনে এজাহাৰ দিয়া নাছিল নে কাৰোবাৰ ভয়ত। এয়াই এতিয়া লাখটকীয়া প্ৰশ্ন হৈ পৰিছে? কাৰণ ধৰ্ষণ হোৱাৰ খবৰ আৰক্ষীক দিয়া হৈছিল আৰু সেইমৰ্মে ধৰ্ষণৰ বলি হোৱা নাবালিকাক স্বাস্থ্য পৰীক্ষা কৰাই কিয় গাঁৱলীয়া বৈঠকৰ বাবে এৰি দিছিল। এয়া লৈ এতিয়া সৰ্বসাধাৰণ ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত কাছাৰীগাঁৱত যোৱা ১০ জুলাইৰ দিনা এটা লম্পটে এজনী আঠ বছৰীয়া ফুল কুমলীয়া নাবালিকাক ধৰ্ষণ কৰাৰ ঘটনা সম্প্ৰতি পোহৰলৈ আহিছে। জানিব পৰা মতে, যোৱা ১০ জুলাইৰ দিনা সন্ধিয়া সময়ত তামাৰহাট থানাৰ অন্তৰ্গত কাছাৰীগাঁৱৰ এজনী ৮ বছৰীয়া নাবালিকাক ঘৰৰ ওচৰত খেলি থকা অৱস্থাত গাঁওখনৰে বাসিন্দা ৰফিক আলীৰ যোৱান বছৰীয়া পুত্ৰ হাছিব আলীয়ে ঘৰৰ ওচৰত থকা বাঁহনিৰ মাজত লৈ গৈ বলপূৰ্বকভাৱে বলাৎকাৰ কৰি কিছু সময় পিছত নাবালিকাজনীক ঘৰলৈ পঠাই দিয়ে। পিছত নাবালিকাজনীয়ে কান্দি থকা দেখা পাই পৰিয়ালৰ লোকে সোধা-পোছা কৰাত তাই ঘটনা সম্পৰ্কে পৰিয়ালৰ লোকক অৱগত কৰে। পৰিয়ালৰ লোকে ঘটনা সম্পৰ্কে তামাৰহাট থানাত অৱগত কৰাত তামাৰহাট থানাৰ আৰক্ষীয়ে পিছদিনাখন নাবালিকাগৰাকীক ধুবুৰীলৈ নি চিকিৎসকৰ দ্বাৰা স্বাস্থ্য পৰীক্ষা কৰাই ঘৰলৈ পঠাই দিয়ে। তাৰ পিছতে নাবালিকাজনীক লৈ সৃষ্টি হয় এক গভীৰ ষড়যন্ত্ৰ। গাঁওখনৰ একাংশ মুৰব্বীয়ে (দেৱানী) উক্ত ঘটনাটোক গাপ দিয়াৰ উদ্দেশ্যে ধৰ্ষকাৰীৰ পৰা ৭০ হাজাৰ টকা লৈ নাবালিকাগৰাকীৰ পৰিয়ালক দিয়াৰ কথা কৈ ধৰ্ষণকাৰীৰ বিৰুদ্ধে এজাহাৰ দিয়াত বাধা প্ৰদান কৰে। ইফালে পৰিয়ালৰ লোকে ধনৰ অভাৱত নাবালিকাজনীৰ চিকিৎসা কৰিব নোৱাৰাত নাবালিকাজনী গুৰুতৰভাৱে অসুস্থ হৈ পৰে। উক্ত ঘটনাৰ খবৰ পাই ধুবুৰী জিলাৰ চাইল্ড লাইনৰ এটা দলে কালি ধৰ্ষণৰ বলি হোৱা নাবালিকাজনীৰ ঘৰত উপস্থিত হৈ নাবালিকাজনীক উদ্ধাৰ কৰি চিকিৎসাৰ ব্যৱস্থা কৰাৰ লগতে দুৰ্গতীয়া পৰিয়ালটোৰ কাষত থিয় দি ন্যায় প্ৰদানৰ আশ্বাস দিয়ে। ফলত ভুক্তভোগী পৰিয়ালটোৱে সাহস পাই কালি তামাৰহাট থানাত উপস্থিত হৈ ঘটনাৰ লগতে মুৰব্বীসকলে সত্তৰ হাজাৰ টকা লৈ ধৰ্ষণ আচল ঘটনা গাপ দিয়াৰ চেষ্টা প্ৰদান কৰা সম্পৰ্কে এখন এজাহাৰ দাখিল কৰে। কিন্তু পিছত তামাৰহাট আৰক্ষীয়ে হেঁচাত পৰি অভিযোগকাৰীয়ে এজাহাৰখন সাল সলনি কৰি এজাহাৰখনত উল্লেখ কৰা মুৰব্বীসকলৰ ষড়যন্ত্ৰৰ সঁচা কথাখিনি বাদ দি কেৱল বলাৎকাৰৰ ঘটনাখিনি উল্লেখ কৰা এজাহাৰ এখন তামাৰহাট থানাত দাখিল কৰে। উক্ত এজাহাৰৰ ভিত্তিত তামাৰহাট থানাৰ আৰক্ষীয়ে যোৱানিশাই ধৰ্ষণকাৰী হাছিব আলীক আটক কৰি থানালৈ নিয়ে। আজি তামাৰহাট থানাৰ আৰক্ষীয়ে হাছিবৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধি অধীনত ৩৭৬ এবিচি অৰ পস্কো ধাৰাত ৩৬-২২ নম্বৰত গোচৰ পঞ্জীয়ন কৰি জুভেনাইল কৰ্টত ৰাখি তদন্ত অব্যাহত ৰাখে। উল্লেখ্য যে ধৰ্ষণকাৰী হাছিব আলী অপ্ৰাপ্তবয়স্ক হোৱা বাবে (১৬ বছৰ) বেকোস্থিত জুভেনাইল আদালতলৈ প্ৰেৰণ কৰে। এতিয়া কথা হ'ল, কিহৰ স্বাৰ্থত গাঁৱৰ একাংশ মুৰব্বীয়ে (দেৱানী) এজাহাৰ দিবলৈ বাধা প্ৰদান কৰিছিল। ধৰ্ষণৰ বলি হোৱা নাবালিকাজনীৰ স্বাস্থ্য পৰীক্ষা কৰাৰ পিছতো তামাৰহাট থানাৰ আৰক্ষীয়ে ইমানদিনে কিয় গোচৰ কাণ্ড নকৰিলে বা কিয় ধৰ্ষণকাৰীক গ্ৰেপ্তাৰ নকৰিলে। সেয়া এক ডাঙৰ প্ৰশ্ন হৈ পৰিছে। যিয়েই নহওক, দোষীক উচিত শাস্তি দিয়াৰ বাবে প্ৰশাসনৰ ওপৰত দাবী জনাইছে সৰ্বত্ৰ।



*চৰকাৰীভাৱে বাৰপূজীয়া কপিলী উন্নয়ন খণ্ডৰ কাৰ্যালয়ত ত্ৰিৰংগা নিৰ্মাণত ব্যস্ত এটি মহিলা গোট*
*ফটো ঃ দীপেন শইকীয়া*

# মাছখোৱাস্থিত আইটিএ চেণ্টাৰত ব্যতিক্ৰম মাছডোৰ ড্ৰাগ্‌ছবিৰোধী সজাগতা অনুষ্ঠান

## উপস্থিত থাকিব অসমৰ মহামান্য ৰাজ্যপাল

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২২ জুলাই ঃ** ব্যতিক্ৰম মাছডোৰ উদ্যোগত অব্যাহত আছে ৬০দিনীয়া ড্ৰাগ্‌ছ, সুৰা, মাদকদ্ৰব্যৰ সজাগতামূলক কাৰ্যসূচী। ৰাজভৱনৰ পৰা আৰম্ভ হোৱা এই কাৰ্যসূচীৰ লগত সংগতি ৰাখি অহা ২৬ জুলাই তাৰিখে দিনৰ ১০.৩০ বজাত গুৱাহাটীৰ মাছখোৱাস্থিত প্ৰাগজ্যোতি আইটিএ চেন্টাৰ প্ৰেক্ষাগৃহত এটি বাৰ্তালাপ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উক্ত অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী আৰু নাগৰিকসকলৰ লগত বাৰ্তালাপ কৰাৰ লগতে সজাগতামূলক ভাষণ প্ৰদান কৰিব অসমৰ মহামান্য ৰাজ্যপাল প্ৰফেছৰ জগদীশ মুখীদেৱে। প্ৰায় ১,০০০ৰ অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব লগা এই অনুষ্ঠানে সমাজৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এক সজাগতা সৃষ্টি কৰিব বুলি ব্যতিক্ৰম মাছডোৰ সভাপতি ড° সৌমেন ভাৰতীয়াই জানিবলৈ দিয়ে। ইতিমধ্যে বিভিন্ন শিক্ষানুষ্ঠানৰ লগতে নিচামুক্ত কেন্দ্ৰ, কেন্দ্ৰীয় কাৰাগাৰতো সজাগতামূলক অনুষ্ঠান অনুষ্ঠিত হোৱাৰ লগতে বিভিন্ন ঠাইত সজাগতামূলক চিত্ৰাংকণ প্ৰতিযোগিতা, বাটৰ নাট, লাইভ পেইণ্টিং, মূকাভিনয় আদিও অনুষ্ঠিত হৈছে। ব্যতিক্ৰম মাছডোৰ তৰফৰ পৰা উক্ত অনুষ্ঠানত সকলো ৰাইজৰ উপস্থিতি কামনা কৰা হৈছে।

# তেজপুৰত দুই গাঁজা সৰবৰাহকাৰীক ৰাইজে কৰায়ত্ত কৰি গতালে আৰক্ষীক

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২২ জুলাই ঃ** ৰাজ্যজুৰি ড্ৰাগ্‌ছ আৰু নিচাযুক্ত সামগ্ৰী বিক্ৰী আৰু সৰবৰাহকাৰীৰ বিৰুদ্ধে চৰকাৰৰ তৎপৰতাত আৰক্ষীয়ে নিতৌ অভিযান অব্যাহত ৰাখিছে যদিও ইয়াৰ সমান্তৰালভাৱে এতিয়াও সৰবৰাহকাৰীয়ে চলাই আহিছে এই অবৈধ ব্যৱসায়। তেজপুৰত ৰাইজৰ হাতত দুটাকৈ গঁজা সৰবৰাহকাৰী কৰায়ত্ত হোৱা ঘটনাই এই কথাকে পুনৰ প্ৰতিপন্ন কৰি তুলিছে। উল্লেখ্য যে ওদালগুৰিৰ গজেন নাৰ্জাৰী আৰু দীপাঞ্জন ব্ৰহ্ম নামৰ দুই যুৱকে তেজপুৰ বাটামাৰীত সন্দেহজনকভাৱে ঘূৰি ফুৰা প্ৰত্যক্ষ কৰে একাংশ স্থানীয় লোকে। তাৰ পিছত যুৱকদ্বয়ক সোধা-পোছা কৰোঁতে ওলাই পৰে ওৰহি গছৰ ওৰ। গাঁওখনৰ জনৈক জয়দৰ নামৰ লোকজনক প্ৰায় ৯ কেজি পৰিমাণৰ গাঁজা চমজাবলৈ অহা এই দুই যুৱকক ৰাইজে লপাথপা দি আৰক্ষীক খবৰ দিয়ে। এই খবৰৰ ভিত্তিত তেজপুৰ বৰঘাট আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ উক্ত গাঁজাখিনিৰ লগতে দুই সৰবৰাহকাৰীক আটক কৰে।

# গৌৰীপুৰত সংঘটিত হৈছে এক জঘন্য কাণ্ড শহুৰেকে পলুৱাই নিলে নিজৰ বোৱাৰীক

**দৈনন্দিন বাৰ্তাৰ সেৱা, গৌৰীপুৰ, ২২ জুলাই ঃ** জঘন্য, নিৰ্লজ্জ, অমানুষিক, পাষণ্ড, লম্পট শহুৰ-বোৱাৰীৰ পৱিত্ৰ সম্পৰ্কত কালিমা সানিলে লম্পট মণ্ডল ৰায়ে। নিজৰ বোৱাৰীৰ প্ৰেমত হাবুডুবু খাইছে শহুৰে। বোৱাৰীৰ লগত পৰকীয়া প্ৰেমৰ পাছত পলাই গ'ল দুয়ো বোৱাৰী আৰু শহুৰ। এই জঘন্য ঘটনা সংঘটিত হৈছে গৌৰীপুৰৰ বলদমাৰাত। ঘটনাৰ বিৱৰণী মতে, ধুবুৰী জিলাৰ গৌৰীপুৰ থানাৰ অন্তৰ্গত উত্তৰ গেৰামাৰী গাঁও পঞ্চায়তৰ বলদমাৰাৰ বাসিন্দা মণ্ডল ৰায়ে জয়দীপ ৰায় নামৰ পাঁচ বছৰীয়া নাতিৰ মায়া-মমতা পাহৰি নিজৰ বোৱাৰীক লৈ পলায়ন কৰাৰ বাতৰিয়ে তোলপাৰ লাগিছে পৰিয়ালটোত। উল্লেখ্য যে মণ্ডল ৰায়ৰ পুত্ৰ মহেশ ৰায়ে বহিঃৰাজ্যত কৰ্মসূত্ৰে থকাত দীৰ্ঘদিন ধৰি চলাই গৈছে অবৈধ যৌন সম্পৰ্ক। পিছত শহুৰ-বোৱাৰী দুয়োজনে যুগ্ম জীৱনৰ পাতনি মেলিবলৈ সিদ্ধান্ত লৈ ঘৰৰ পৰা পলায়ন কৰে। পিছত পুত্ৰ মহেশ ৰায়ে খবৰ লাভ কৰি ঘৰলৈ আহি সাংবাদিকৰ আগত কয় যে মোৰ পিতৃ মণ্ডল ৰায় এজন লম্পট। মোৰ পত্নীৰ লগত বহু দিনৰ পৰাই চলি আহিছে অবৈধ সম্পৰ্ক। উক্ত অবৈধ সম্পৰ্কৰ বিষয়ে মোৰ আত্মীয়-স্বজনৰ লগতে গাঁওবাসীক বহুবাৰ জনোৱাত মোৰ কথাটো কোনেও বিশ্বাসত ল'ব পৰা নাছিল। যাৰ ফলত কে'বাবাৰো মোক মাৰপিট কৰিছিল মোৰ পৰিয়ালৰ মানুহে। এতিয়া কি হ'ব মোৰ পাঁচ বছৰীয়া ফুলকুমলীয়া জয়দীপ ৰায়ৰ? কোনে দায়িত্ব ল'ব মহেশ ৰায়ৰ সংসাৰৰ? কি কৰিব মোৰ মাতৃয়ে? লম্পট মণ্ডল ৰায়ক উপযুক্ত শাস্তি প্ৰদান কৰিবনে প্ৰশাসনে? এইবোৰ প্ৰশ্নই এতিয়া জোকাৰি গৈছে মহেশ ৰায়ৰ হৃদয়।

# সৎকাৰ কৰা মৃতদেহ পুনৰ খান্দি উলিয়ালে আৰক্ষীয়ে

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ২২ জুলাই ঃ** বঙাইগাঁও জিলাৰ মাণিকপুৰ থানাৰ অন্তৰ্গত ভাণ্ডাৰাত এটা মৃতদেহক লৈ বিপাঙত পৰিছে আৰক্ষীৰ লগতে সাধাৰণ ৰাইজ। ভাণ্ডাৰাৰ হুনুফা খাতুন ৭ দিন নিৰুদ্দেশ হৈ থকাত পিতৃ পৰিয়ালে নগৰবেৰাত উদ্ধাৰ হোৱা অচিনাক্ত মহিলাৰ মৃতদেহটো হুনুফাৰ বুলি দাবী কৰি বুধবাৰে সৎকাৰ কৰিছিল। মৃতদেহটো সৎকাৰ কৰাৰ কিছু সময় পিছতে সোঁ-শৰীৰে পিতৃৰ ঘৰত আহি উপস্থিত হয় হুনুফা খাতুন। নিৰুদ্দিষ্ট হুনুফা খাতুন ঘৰত উপস্থিত হোৱাত হুৱাদুৱা লাগে চাৰিওফালে। খবৰটো আৰক্ষীয়ে লাভ কৰি নিশাই হুনুফা খাতুনক প্ৰাথমিক স্বাস্থ্যৰ বাবে বঙাইগাঁৱলৈ লৈ যায়। ইফালে, অচিনাক্ত মৃতদেহটো সৎকাৰৰ পিছত আৰক্ষীয়ে বিপাঙত পৰে। আজি কাৰ্যবাহী দণ্ডাধীশৰ উপস্থিত মৃতদেহটো খান্দি উলিয়াই লৈ যায় আৰক্ষীয়ে। মৃতদেহটো এতিয়াও চিনাক্ত হোৱা নাই। যদি কোনাবা পৰিয়ালৰ মহিলা নিৰুদ্দেশ হৈছে বা হত্যাৰ সন্দেহ হৈছে তেন্তে বঙাইগাঁও জিলা আৰক্ষীৰ লগত যোগাযোগ কৰিবলৈ আৰক্ষীয়ে অনুৰোধ জনাইছে।

# ধুবুৰীত ছোনিয়া গান্ধীক ই ডিৰ চমনক লৈ কংগ্ৰেছৰ উত্তাল প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২২ জুলাই ঃ** দেশৰ বিভিন্ন প্ৰান্তৰ লগতে ধুবুৰীতো শ শ কংগ্ৰেছ কৰ্মীৰ উপস্থিতিত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। আজি ছোনিয়া গান্ধীক ইডিৰ চমনক কেন্দ্ৰ কৰি ধুবুৰী ৰাজীৱ ভৱনৰ পৰা প্ৰতিবাদী সমদল উলিয়াই ধুবুৰী উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদৰ অন্তত ধুবুৰী জিলা উপায়ুক্তৰ কাৰ্যালয়ত এখন স্মাৰক-পত্ৰ প্ৰদান কৰে। উক্ত প্ৰতিবাদী সমদলত ৰাজ্যিক পৰ্যায়ৰ কংগ্ৰেছ নেতাৰ লগতে জিলা কংগ্ৰেছৰ সভাপতি ছামছুল হক, গোলকগঞ্জ বিধানসভা সমষ্টিৰ বিধায়ক আব্দুছ ছোবান আলী সৰকাৰ, জিলা মহিলা কংগ্ৰেছৰ সভানেত্ৰী বেবি বেগমকে ধৰি কংগ্ৰেছৰ দলীয় পদবীত থকা নেতাসকলৰ লগতে উপস্থিত থাকে শ শ কংগ্ৰেছ কৰ্মী।

# বিজেপিয়ে মিঠাই বিলাই পালিলে বিজয় উৎসৱ, নৱনিৰ্বাচিত ৰাষ্ট্ৰপতিক জনালে অভিনন্দন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২২ জুলাই ঃ** বিজেপি তথা এনডিএৰ সমৰ্থিত ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হিচাপে আদিবাসী সম্প্ৰদায়ৰ প্ৰথমগৰাকী মহিলা দ্ৰৌপদী মুৰ্মু নিৰ্বাচিত হোৱাত বঙাইগাঁও জিলা বিজেপিয়ে আদিবাসী লোকৰ মাজত মিঠাই বিতৰণ কৰি বিজয় উৎসৱ পালন কৰে। বিজেপি দলৰ প্ৰত্যক্ষ সমৰ্থিত প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মু নিৰ্বাচিত হোৱাৰ খবৰ লাভ কৰাৰ পিছতে বঙাইগাঁও জিলা বিজেপিৰ তৰফৰ পৰা বৃহস্পতিবাৰে বিয়লিৰ ভাগত বীৰঝৰা চাহ বাগিচাৰ আদিবাসী লোকৰ লগতে দলত থকা আদিবাসী কৰ্মীসকলৰ মাজত মিঠাই বিতৰণ কৰে। লগতে জিলা বিজেপিৰ সভানেত্ৰী হিমানী অধিকাৰী, যুটীয়া সাধাৰণ সম্পাদক শংকৰ বিশ্বাস, বিজেপিৰ বিষয়ববীয়া, ৱাৰ্ড কমিছনাৰ আদি বীৰঝৰা চাহ বাগিচাত নৱ নিৰ্বাচিত ৰাষ্ট্ৰপতিগৰাকীৰ প্ৰতিচ্ছবি লৈ উপস্থিত হৈ আদিবাসী যুৱতীসকলৰ সৈতে ঝুমুৰ নৃত্য কৰি আনন্দ উৎসৱত অংশগ্ৰহণ কৰে। ইয়াৰ পিছতে বীৰঝৰা চাহ বাগিচাৰ পৰিচালকৰ মূল কাৰ্যালয়লৈ



বুলি নৱনিৰ্বাচিত ৰাষ্ট্ৰপতিগৰাকীৰ প্ৰতিচ্ছবি লৈ সমদল কৰি যায় আৰু পৰিচালকৰ হাতত প্ৰতিচ্ছবি এখন প্ৰদান কৰে। ইপিনে, জিলা বিজেপিৰ সভানেত্ৰী হিমানী অধিকাৰীয়ে কয় যে আদিবাসী সম্প্ৰদায়ৰ মহিলা এগৰাকী আজি দেশৰ ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হোৱাৰ মূলতে হ'ল বিজেপি নেতৃত্বাধীন নৰেন্দ্ৰ মোদী চৰকাৰ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰী মোদীৰ সদিচ্ছাৰ বাবেই এয়া সম্ভৱপৰ হৈছে। সেয়ে আদিবাসী লোকসকলৰ লগতে দেশৰ বাবেও এয়া গৌৰৱৰ কথা বুলি কয়। লগতে দেশৰ পৰৱৰ্তী ৰাষ্ট্ৰপতি হিচাপে আদিবাসী সম্প্ৰদায়ৰ প্ৰথমগৰাকী মহিলা ৰাষ্ট্ৰপতি হিচাপে দৌপদী মুৰ্মু নিৰ্বাচিত হোৱাত আমিও আনন্দিত আৰু সেয়ে আদিবাসী লোকসকলৰ আনন্দ উৎসৱত অংশ লৈছোঁ বুলিও কয় জিলা সভানেত্ৰী অধিকাৰীয়ে। আনহাতে, এক প্ৰেছ বিবৃতিত ভাৰতৰ প্ৰথম জনজাতি সম্প্ৰদায়ৰ মহিলা ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক বিজেপিৰ বঙাইগাঁও জিলা সমিতিয়ে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে। বঙাইগাঁও জিলা বিজেপিৰ সভানেত্ৰী হিমানী অধিকাৰী স্বাক্ষৰিত এক প্ৰেছ বিবৃতিত কয় যে ১৯৫৮ চনৰ ২০ জুনত ওড়িশাত জন্মগ্ৰহণ কৰা দ্ৰৌপদী মুৰ্মুৱে ১৯৯৭ চনত বিজেপি দলত যোগদান কৰি ৰায়ৰংপুৰ নগৰ পঞ্চায়তৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হৈ ৰাজনৈতিক পৰিক্ৰমা আৰম্ভ কৰি বহুত উত্থান-পতনৰ মাজেৰে ওড়িশাৰ ৰায়ৰংপুৰ বিধানসভা সমষ্টিৰ পৰা বিধায়িকা হিচাপে নিৰ্বাচিত হৈ ওড়িশা চৰকাৰৰ মন্ত্ৰিত্বৰ পদ অলংকৃত কৰিছিল। উল্লেখ্য, ২০১৫ চনত দ্ৰোপদী মুৰ্মু ঝাৰখণ্ড ৰাজ্যৰ ৰাজ্যপাল হিচাপে নিযুক্ত হৈছিল। ৰাজনৈতিক ক্ষেত্ৰত ভৰি দিয়াৰ আগতে ওড়িশাৰ এখন বিদ্যালয়ৰ শিক্ষয়িত্ৰী হিচাপে জীৱন যাত্ৰা আৰম্ভ কৰা দ্ৰৌপদী মুৰ্মুৱে ভাৰতবৰ্ষৰ ১৫ তম্ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱাত তেখেতক শুভেচ্ছা জ্ঞাপন কৰে। তেখেতৰ নেতৃত্বত ভাৰতবৰ্ষই ৰাষ্ট্ৰ হিচাপে বিশ্বত আৰু বেছি উজলি উঠাৰ কামনা কৰি তেখেতৰ সুস্বাস্থ্য আৰু দীৰ্ঘজীৱনৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনাও জনায় জিলা বিজেপিৰ সভানেত্ৰী হিমানী অধিকাৰীয়ে।

# গুৰুজনাৰ জন্মস্থান বটদ্ৰৱাত ইছলাম ধৰ্মাৱলম্বী কণমানি ছোৱালীৰ সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষণ গ্ৰহণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বটদ্ৰৱা, ২২ জুলাই ঃ** শংকৰ মাধৱৰ দেশ অসমত যি সময়ত হিন্দু-মুছলমানৰ মাজত একাংশ উগ্ৰ ধৰ্মান্ধই সাম্প্ৰদায়িক বিষবাষ্প বিয়পাই আহিছে, অসমীয়া সমাজত বিভেদকামী মানসিকতাক প্ৰশয় দি আহিছে, ঠিক সেই সময়তে নগাঁও জিলাৰ বটদ্ৰৱাৰ ডুমডুমীয়াৰ জেঙনিৰ এজনী কণমানি ইছলাম ধৰ্মাৱলম্বী ছোৱালীয়ে সত্ৰীয়া নৃত্য শিক্ষাৰ প্ৰতি আগ্ৰহী হৈ বটদ্ৰৱাত গ্ৰহণ কৰিছে গুৰুজনাৰ সৃষ্ট সত্ৰীয়া সংস্কৃতিৰ শিক্ষা। ব্ৰহ্মপুত্ৰৰ চৰাঞ্চলৰ নিৱাসী ডুমডুমীয়াৰ জেঙনিৰ শিক্ষক তথা কলা অনুৰাগী ব্যক্তি আব্দুছ ছালাম চৌধুৰীৰ কন্যা চতুৰ্থ শ্ৰেণীত অধ্যয়নৰত ছুহানা চৌধুৰীয়ে গ্ৰীষ্ম বন্ধৰ সময়ছোৱাত বটদ্ৰৱা প্ৰেছ ক্লাবৰ উদ্যোগত বটদ্ৰৱা শ্ৰীমন্ত শংকৰদেৱ গৱেষণা প্ৰতিষ্ঠানত অনুষ্ঠিত হৈ থকা



সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষণ গ্ৰহণ কৰিছে। এইগৰাকী কণমানিৰ গুৰুজনাৰ সত্ৰ- সংস্কৃতিৰ নৃত্য-গীত আৰু অংকীয়া ভাওনাৰ প্ৰতি থকা অনুৰাগ তথা আগ্ৰহৰ বিষয়ে জানিব পাৰি নিজৰ পিতৃ-মাতৃয়েও জনাইছে সহানুভূতি। বটদ্ৰৱাৰ শিল্পী জগন্নাথ কলিতাৰ তত্ত্বাৱধানত শিল্পী নিতুমণি দেৱী আৰু লক্ষেশ্বৰ শইকীয়া বায়নৰ ওচৰত এইগৰাকী ইছলাম ধৰ্মৰ কণমানিয়ে সত্ৰীয়া নৃত্য-গীতৰ শিক্ষা গ্ৰহণ কৰিছে। প্ৰথমতে ইউ টিউবত সত্ৰীয়া নৃত্য চাই চাই গুৰুজনাৰ সৃষ্টিশীল সংস্কৃতিৰ জ্ঞান অন্বেষণৰ প্ৰতি আগ্ৰহী কণমানি ছুহানা চৌধুৰীয়ে অদূৰ ভৱিষ্যতেও গুৰুজনাৰ সংস্কৃতি চৰ্চা আৰু অনুশীলন অব্যাহত ৰাখিব বুলি নিজৰ অভিমত ব্যক্ত কৰে।

# ৩১ জুলাইত ওদালগুৰি জিলা আক্ৰাছু পশ্চিমৰ বিশেষ অভিনন্দন আৰু সম্বৰ্ধনা অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা টংলা, ২২ জুলাই ঃ** ওদালগুৰি জিলা কোচ-ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু) পশ্চিমৰ উদ্যোগত ভেৰগাঁও জিলা কোচ-ৰাজবংশী মূল, যুৱ, মহিলা সন্মিলনী আৰু টংলা আঞ্চলিক কোচ-ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছুৰ) সহযোগত টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত ৩১ জুলাই ২০২২ তাৰিখ দেওবাৰে বিশেষ অভিনন্দন আৰু সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উক্ত অনুষ্ঠানত সকলো ৰাইজৰ সহায়-সহযোগিতা, উপস্থিতি কামনা কৰি আয়োজক ওদালগুৰি জিলা কোচ-ৰাজবংশী ছাত্ৰ সন্থা আক্ৰাছু পশ্চিমৰ সভাপতি মিন্টু বৰুৱা, ওদালগুৰি জিলাৰ কোচ-ৰাজবংশী ছাত্ৰ সন্থা আক্ৰাছুৰ সাধাৰণ সম্পাদক মুকুন্দ ডেকা আৰু পংকজ ডেকাৰ লগতে ওদালগুৰি জিলা কোচ-ৰাজবংশী ছাত্ৰ সন্থা আক্ৰাছুৰ শিক্ষা সম্পাদক ডিম্বেশ্বৰ চহৰীয়াই কয় যে বিগত বৰ্ষবোৰৰ দৰেই এইবেলিও ওদালগুৰি জিলা কোচ-ৰাজবংশী ছাত্ৰ সন্থা আক্ৰাছুৰ পশ্চিমৰ উদ্যোগত ২০২২ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে এই বিশেষ অভিনন্দন আৰু সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হৈছে । টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৩১ জুলাইৰ ১১ বজাত সকলোৰে উপস্থিতি কামনা কৰা হৈছে।

# পাটাছাৰকুছিত স্থাপন হ'ব হৰেন্দ্ৰনাথ শৰ্মা আৰু উমেশ চন্দ্ৰ দেৱচৌধুৰীৰ ব্ৰঞ্জৰ মূৰ্তি

## মত বিনিময় অনুষ্ঠানত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ ঘোষণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাটাছাৰকুছি/বজালী, ২২ জুলাই ঃ** অসমৰ এগৰাকী কৃতী শিক্ষক, পাটাছাৰকুছি বিদ্যাপীঠৰ প্ৰতিষ্ঠাপক অধ্যক্ষ তথা সমাজকৰ্মী প্ৰয়াত হৰেন্দ্ৰনাথ শৰ্মা আৰু ভাৰতীয় জাতীয় সেনা তথা আজাদ হিন্দ ফৌজৰ লেফটেনেণ্ট প্ৰয়াত উমেশ চন্দ্ৰ দেৱচৌধুৰীৰ ব্ৰঞ্জৰ মূৰ্তি পাটাছাৰকুছিত কৰা হ'ব। এই কথা জানিবলৈ দিয়ে অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি পাটাছাৰকুছিত অনুষ্ঠিত এক মত বিনিময় অনুষ্ঠানত। আনহাতে, ভাৰতৰ স্বাধীনতা আন্দোলনৰ শ্বহীদ্বয় মদন বৰ্মন আৰু ৰাউতাৰাম কোচৰ প্ৰতিমূৰ্তি স্থাপনৰ ব্যৱস্থাও ইতিমধ্যে কৰা হৈছে বুলিও মন্ত্ৰী দাসে জানিবলৈ দিছে। পাটাছাৰকুছি উন্নয়ন সমিতিৰ উদ্যোগত স্থানীয় শিৱ-দুৰ্গাধামত পাটাছাৰকুছিৰ কে'বাটাও অনুষ্ঠানৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা এই মত বিনিময় অনুষ্ঠানত সভাপতিত্ব কৰে পাটাছাৰকুছি উন্নয়ন সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি প্ৰসন্ন কুমাৰ শৰ্মাই আৰু আঁত ধৰে সমিতিৰ সম্পাদক হিতেশ ৰয়ে। এই অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে পাটাছাৰকুছিত স্থাপন হ'বলগীয়া বজালী জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক আৰু জিলা শিক্ষা বিষয়াৰ কাৰ্যালয়, উপ-কোষাগাৰ, অগ্নিনিৰ্বাপক বাহিনীৰ কাৰ্যালয়, স্থানীয় নিৰ্মল হালৈ মহাবিদ্যালয়ত বিজ্ঞান শাখাৰ পাঠদানৰ ব্যৱস্থা আদিৰ অগ্ৰগতিৰ বিষয়ে ৰাইজক অৱগত কৰে। তদুপৰি পাটাছাৰকুছিৰ প্ৰাচ্য সংঘ আৰু নিৰ্মীয়মাণ শিৱ মন্দিৰৰ বাবে আগবঢ়োৱা অনুদানৰ বিষয়েও মত বিনিময় অনুষ্ঠানত বিষদভাৱে আলোচনা কৰা হয়। এই মত বিনিময় অনুষ্ঠানত ৰাইজৰ পৰা উন্নয়ন সমিতিৰ প্ৰাক্তন সভাপতি ৰবীন শৰ্মা, সম্পাদক দিলীপ কুমাৰ ৰয়, শিৱধাম পৰিচালনা সমিতিৰ সম্পাদক ধীৰেন গোস্বামী, শিৱ মন্দিৰ নিৰ্মাণ সমিতিৰ সভাপতি কৈলাস ডেকা, সম্পাদক মন্টু কুমাৰ শৰ্মা, সমাজকৰ্মী ক্ৰমে দিগন্ত গোস্বামী, ৰাজীৱ শৰ্মা, প্ৰকাশ শৰ্মা, বীৰেন কলিতা, ডিম্বেশ্বৰ শৰ্মা, হিতেশ গোস্বামী, বজালী জিলা পৰিষদৰ অধ্যক্ষ ৰণজিৎ শালৈ, পাটাছাৰকুছি নগৰ সমিতিৰ অধ্যক্ষ জয়ন্ত তহবিলদাৰ আদিকে ধৰি কে'বাগৰাকীও ব্যক্তিয়ে বিভিন্ন বিষয় সম্পৰ্কত বক্তব্য আগবঢ়ায়। সভাৰ শেষত শলাগৰ শৰাই আগবঢ়ায় উন্নয়ন সমিতিৰ সম্পাদক হিতেশ ৰয়ে।



## আঁত ধৰা অৰ্থাৎ এংকৰিং কলা অনাগত দিনত জীৱিকা হিচাপে গ্ৰহণ কৰাৰ পথ সুগম হৈছে ঃ পৃথ্বীৰাজ ৰাভা

# ৰাজ্যৰ ভিতৰতে প্ৰথমবাৰৰ বাবে তেজপুৰত আয়োজিত প্ৰণালীবদ্ধ আঁত ধৰা কৰ্মশালাৰ অন্তিম দিনটোত বিস্তৃত কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২২ জুলাই ঃ** একবিংশ শতিকাৰ এই প্ৰতিযোগিতামূলক জগতখনত উপলব্ধ বিভিন্ন বিষয়ক শিক্ষা গ্ৰহণৰ জৰিয়তে যুৱক-যুৱতীসকলে সংস্থাপনৰ পথ মুকলিৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। এনে প্ৰেক্ষাপটৰ মাজতে বিভিন্ন চৰকাৰী-বেচৰকাৰী অনুষ্ঠান আৰু প্ৰতিষ্ঠানত দক্ষ আঁত ধৰা অৰ্থাৎ এংকৰিং কৰা ব্যক্তিৰ প্ৰাধান্য ক্ৰমান্বয়ে বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। যাৰ ফলত বিভিন্ন তথ্য-জ্ঞান, বুদ্ধিমত্তা আৰু শ্ৰুতিমধুৰ কথনশৈলী গুণৰ অধিকাৰীসকলে আঁত ধৰা কাৰ্য সম্পাদনক জীৱিকা হিচাপে গ্ৰহণ কৰাৰ পথ সুগম হৈছে। অনাগত দিনত একোগৰাকী দক্ষ আঁত ধৰোঁতাই এই সুযোগ গ্ৰহণ কৰা উচিত। আজি তেজপুৰত এইদৰে কয়, ৰাজ্য চৰকাৰৰ শ্ৰম আৰু নিয়োগ বিনিময় বিভাগৰ অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক তথা স্থানীয় বিধায়ক পৃথিৰাজ ৰাভাই। উল্লেখ্য যে তেজপুৰৰ বহুমুখী প্ৰতিভাধৰ হেমন্ত কুমাৰ বৰুৱাৰ সোঁৱৰণত যোৱা ১৫ জুলাইৰ পৰা ৯ দিনীয়াকৈ তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শতাব্দী ভৱনত আয়োজিত আঁত ধৰা অৰ্থাৎ এংকৰিঙৰ কৰ্মশালাত আজি এগৰাকী প্ৰশিক্ষক হিচাপে অংশগ্ৰহণ কৰে পৃথিৰাজ ৰাভাই। এগৰাকী বিশিষ্ট অভিনেতা হিচাপে অংশগ্ৰহণ কৰা ৰাভাই আজি প্ৰায় দুকুৰি কিশোৰ-কিশোৰী প্ৰশিক্ষাৰ্থীক বিভিন্ন অনুষ্ঠান-কাৰ্যসূচী পৰিস্থিতি আৰু বিষয় অনুসাৰে আঁত ধৰোঁতাগৰাকীৰ ভিন্ন মাত্ৰাৰ কণ্ঠস্বৰ শৈলী আৰু আত্মবিশ্বাস বৃদ্ধিৰ কৌশল বিষয়ত উদাহৰণসহ প্ৰশিক্ষণ প্ৰদান কৰে। এই প্ৰশিক্ষণ কালছোৱাত বিশিষ্ট অভিনেতা পৃথিৰাজ ৰাভাই বিভিন্ন বোলছবি আৰু নাটকৰ গীত-মাত আৰু সংলাপ আওৰাই প্ৰশিক্ষাৰ্থীসকলক আপ্লুত কৰি তোলে। পাঠদানৰ মাজতে ৰাভাই প্ৰদান কৰা ভাষণ প্ৰসংগত ৰাজ্যখনৰ ভিতৰতে আঁত ধৰা বিষয়ক এইখনেই প্ৰণালীবদ্ধ প্ৰথম কৰ্মশালা আৰু এই কৰ্মশালাতে উন্মোচিত হোৱা সাংবাদিক ৰাজ কুমাৰ মহন্তৰ দ্বাৰা ৰচিত আঁত ধৰা বিষয়ক প্ৰথমখন অসমীয়া হাতপুথিখনৰ জৰিয়তে উঠি অহা প্ৰজন্মই আঁত ধৰা সম্পৰ্কত প্ৰাথমিক জ্ঞান লাভ কৰিবলৈ সক্ষম হ'ব বুলি মন্তব্য কৰে। লগতে তেওঁ এনে সৃষ্টিশীল আৰু ব্যতিক্ৰমী পদক্ষেপৰ বাবে হেমন্ত কুমাৰ বৰুৱা স্মৃতিৰক্ষা সমিতিক ভূয়সী প্ৰশংসা কৰে। উল্লেখ্য যে আজি দক্ষ আঁত ধৰোঁতা পংকজ বৰুৱাই নিৰ্দিষ্ট বিষয়ত পাঠদান দিয়া কৰ্মশালাখনত শব্দযন্ত্ৰী শিল্পী জয়ন্ত দত্তই প্ৰশিক্ষাৰ্থীসকলক মাইক্ৰ' ফোনৰ সদ্ব্যৱহাৰ আৰু শব্দ যন্ত্ৰ সন্দৰ্ভত প্ৰশিক্ষণ প্ৰদান কৰে। প্ৰকাশ যে অহা ২৩ জুলাইত স্থানীয় শতাব্দী ভৱনতে পুৱা ১০ বজাৰ বিস্তৃত কাৰ্যসূচীৰে এই ৯ দিনীয়া কৰ্মশালাখনিৰ সামৰণী পৰিব। সামৰণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে তেজপুৰ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° বীৰেন দাসে অংশগ্ৰহণ কৰিব। একেটি অনুষ্ঠানতে 'গণ সংযোগৰ অন্যতম অংগ হিচাপে বিভিন্ন সামাজিক অনুষ্ঠানত আঁত ধৰা গৰাকীৰ ভূমিকা' শীৰ্ষক বিষয়ত নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিব তেজপুৰ বিশ্ববিদ্যালয়ৰ গণ সংযোগ আৰু সাংবাদিকতা বিভাগৰ মুৰব্বী অধ্যাপিকা ড° জয়া চক্ৰৱৰ্তীয়ে। এই ৯দিনীয়া কৰ্মশালাখনিৰ সামৰণী অনুষ্ঠানত তেজপুৰীয়া ৰাইজৰ উপস্থিতি কামনা কৰিছে উদ্যোক্তাসকলে।

# পৰ্যাপ্ত পৰিমাণৰ বিষয়া-কৰ্মচাৰী অবিহনে চলিছে মানকাচৰ জিলা কৃষি বিষয়াৰ কাৰ্যালয় ঃ কৃষকৰ মাজত হাহাকাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মানকাচৰ, ২২ জুলাইঃ** দক্ষিণ শালমাৰা-মানকাচাৰ জিলাৰ হাটশিঙ্গিমাৰীত থকা জিলা কৃষি বিভাগত পৰ্যাপ্ত পৰিমাণে বিভিন্ন পদৰ বিষয়া-কৰ্মচাৰী নথকাৰ বাবে সাধাৰণ কৃষকৰ বিভিন্ন কাম-কাজ বৰ্তমান বন্ধ হৈ আছে। জানিব পৰা মতে জিলাখনত থকা কৃষি বিভাগত আজি ৩ তিনি বছৰ ধৰি ২৫গৰাকী কৃষি সম্প্ৰসাৰণ সহায়কৰ পৰিৱৰ্তে ৪জনে কাম কৰি আছে আৰু কৃষি উন্নয়ন পদ ৫টা খালী হৈ থকাৰ বাবে কৃষকসকলৰ বাবে চৰকাৰে দিয়া পি এম কিষাণ আঁচনি, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা আঁচনি, হিতাধিকাৰীৰ বাছনি আৰু বীজ বিতৰণত অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে বুলি জানিব পৰা গৈছে। ইয়াৰ উপৰি জিলা কৃষি বিভাগৰ কাৰ্যালয়ৰ জিলা কৃষি বিষয়াৰ অতি গুৰুত্বপূৰ্ণ পদ দুটা মহকুমা কৃষি বিষয়াৰ পদ আৰু জিলা কৃষি বিষয়াৰ পদ আজি কে'বাবছৰ খালী হৈ আছে। বিভাগীয় উৰ্ধ্বতন কৰ্তৃপক্ষই এজন ছিনিয়ৰ এডিঅ'ক মহকুমা কৃষি বিষয়া আৰু জিলা কৃষি বিষয়াৰ দায়িত্ব দিছে যদিও এজন বিষয়াই দুটাকৈ পদৰ কাম কৰাত বিশেষ অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে। বৰ পৰিতাপৰ বিষয় যে জিলাখনৰ ৮০ শতাংশ লোকে কৃষিজীৱী লোক। কেনেকৈ নগণ্য কৰ্মচাৰী দি কৃষকৰ কাম-কাজ কৰাৰ লগতে কাৰ্যালয় চলাই আছে সেয়া কাৰ্যালয়ৰ ভিতৰত প্ৰৱেশ কৰিলে গম পোৱা যায়। গতিকে অনতিপলমে জিলাখনত থকা কৃষি বিভাগত এজন মহকুমা কৃষি বিষয়া, এজন জিলা কৃষি বিষয়া, ৫জন কৃষি উন্নয়ন বিষয়া আৰু ২০জন কৃষি সম্প্ৰসাৰণ সহায়কৰ খালী পদসমূহ পূৰণৰ ব্যৱস্থা লোৱাৰ বাবে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক দাবী জনায় ভুক্তভোগী কৃষক আৰু সচেতন মহলে।

# চাৰিদুৱাৰ আঞ্চলিক সূত সন্মিলনৰ ৭০সংখ্যক বাৰ্ষিক অধিৱেশন ২৪ জুলাইত তেজপুৰত

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২২ জুলাই ঃ** চাৰিদুৱাৰ আঞ্চলিক সূত সন্মিলনৰ ৭০সংখ্যক বাৰ্ষিক অধিৱেশনখন ২৪ জুলাইত তেজপুৰ দক্ষিণ বেছেৰীয়া শ্ৰীশ্ৰী শংকৰদেৱৰ নামঘৰত দিনজোৱা বিস্তৃত কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। দক্ষিণ বেছেৰীয়া অঞ্চলৰ সূত জনগোষ্ঠী ৰাইজৰ সহযোগত চাৰিদুৱাৰ আঞ্চলিক সূত সন্মিলনৰ অনুষ্ঠিত ৰাজহুৱা সভাত স্থায়ী সভাপতি মিলন দাসৰ সভাপতিত্বত ইতিমধ্যেই অনুষ্ঠিত সভাত ৩৪জন সদস্যৰে এখনি শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰি দুলাল বৰাক সভাপতি যচনীন বৰাক সম্পাদকৰ দায়িত্ব অৰ্পণ কৰা হয়। চাৰিদুৱাৰ আঞ্চলিক সূত সন্মিলনৰ সম্পাদক তুলসী বৰাই আঁত ধৰা সভাখনত চাৰিদুৱাৰ আঞ্চলিকৰ অন্তৰ্গত সূত জনগোষ্ঠী ৰাইজৰ ৮০ বছৰ উৰ্ধৰ ব্যক্তিসকলক এখন মান-পত্ৰ আৰু ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱাৰ লগতে হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱা হ'ব। অধিৱেশনত ৰাইজৰ উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে চাৰিদুৱাৰ আঞ্চলিক সূত সন্মিলনে।




# বঙাইগাঁৱত জিলা প্ৰশাসনৰ দ্বাৰা কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২২ জুলাইঃ** চলিত বৰ্ষত বঙাইগাঁও জিলাৰ যিসকল ছাত্ৰ-ছাত্ৰীয়ে হাইস্কুল শিক্ষান্ত, অসম হাই মাদ্ৰাছা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অসমৰ ভিতৰত স্থান পাইছে আৰু যিসকলে তুলনামূলকভাৱে ভাল ফল দেখুৱাবলৈ সক্ষম হৈছে সেইসকল ছাত্ৰ- ছাত্ৰীক বৃহস্পতিবাৰে বঙাইগাঁও জিলা প্ৰশাসনৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। এই উদ্দেশ্যে উপায়ুক্ত নৱদীপ পাঠকৰ সভাপতিত্বত উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত বিধায়ক ফণীভূষণ চৌধুৰী, আৰক্ষী অধীক্ষক স্বপ্নীল ডেকা, জিলা উন্নয়ন আয়ুক্ত ভাস্কৰ দাস, অতিৰিক্ত উপায়ুক্ত (শিক্ষা) শ্যামল ক্ষেত্ৰ গগৈ, জিলা প্ৰাথমিক শিক্ষা বিষয়া তথা বিদ্যালয়সমূহৰ পৰিদৰ্শক (ভাৰপ্ৰাপ্ত) জ্যোৎস্না ৰাণী বৰ্মন, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ পৰেশ কুমাৰ ৰয় আৰু কেইবাগৰাকীও শিক্ষা বিষয়াৰ উপস্থিতিত জিলাখনৰ ১৪গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক একোখন মানপত্ৰ, গামোচা আৰু কিতাপেৰে সম্বৰ্ধনা জনোৱা হয়। বঙাইগাঁও জিলা প্ৰশাসনে হাইস্কুল শিক্ষান্ত পৰীক্ষাত দশম স্থান পোৱা অনুভৱ কপিলৰ (৯৮ শতাংশ) লগতে মেঘনা ৰয় (৯৩ শতাংশ), আৰ্চিতা ৰুদ্ৰা (৮৮.৫ শতাংশ), তনভী সাহা (৮৭ শতাংশ), ছাইদুৰ ৰহমান (৮৬.১৬ শতাংশ), অনামিকা চুলতানা (৯৪.৬৭ শতাংশ), প্ৰেৰণা দাস (৯০.৮৩ শতাংশ), চুলতান আলী (৯০.৮৩ শতাংশ), আশিক ৰায় (৯০.৩৩ শতাংশ) আৰু অসম হাই মাদ্ৰাছা পৰীক্ষাত দ্বিতীয় স্থানপ্ৰাপক মোস্তাক আহমেদৰ (৯১.৬৭ শতাংশ) লগতে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত দশম স্থান পোৱা অনন্যা সূত্ৰধৰ (৯৪.৬ শতাংশ) তথা ৰিহা দাস (৮৫.২ শতাংশ), সন্ধ্যা পাল (৮৬ শতাংশ) আৰু লিছা সৰকাৰক (৭৯.৬ শতাংশ) সম্বৰ্ধনা জনায়। উল্লেখ্য যে এই অনুষ্ঠানতে হাইস্কুল শিক্ষান্ত পৰীক্ষাত দশম স্থানপ্ৰাপক অনুভৱ কপিল, অসম হাই মাদ্ৰাছা পৰীক্ষাত দ্বিতীয় স্থানপ্ৰাপক মোস্তাক আহমেদ আৰু বঙাইগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ (ইংৰাজী মাধ্যম) অধ্যক্ষ আব্দুল মান্নান চৌধুৰীলৈ মুখ্যমন্ত্ৰীৰ পৰা পঠোৱা সম্বৰ্ধনা-পত্ৰও প্ৰদান কৰা হয়। সম্বৰ্ধনা সভাত ভাষণ প্ৰদান কৰি বিধায়ক ফণীভূষণ চৌধুৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক কয় যে তেওঁলোকে আজিৰ এই সন্মান লাভ কৰি নিশ্চয় অনুপ্ৰাণিত হ'ব আৰু অহংকাৰশূন্য হৈ আগবাঢ়ি যাব। উপায়ুক্ত নৱদীপ পাঠকে সভাপতিৰ ভাষণত কয় যে ছাত্ৰ-ছাত্ৰীসকল দেশৰ সম্পদ। তেওঁলোক আগুৱাই গ'লেহে দেশে আগুৱাই যাব পাৰিব। সভাত বিদ্যালয়সমূহৰ পৰিদৰ্শক জ্যোৎস্না ৰাণী বৰ্মন, আৰক্ষী অধীক্ষক স্বপ্নীল ডেকা আৰু কৃতী ছাত্ৰ-ছাত্ৰী আৰু তেওঁলোকৰ দুজনমান অভিভাৱকেও বক্তব্য আগবঢ়ায়।

# দ্ৰৌপদী মুৰ্মু ৰাষ্ট্ৰপতি হোৱাত আনন্দৰ জোৱাৰ কঠীয়াতলীৰ শগুনবাহী চাহ বাগিচাত

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২২ জুলাইঃ** দেশৰ সৰ্বোচ্চ সাংবিধানিক পদত এন ডি এৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মু বিপুলভাৱে জয়ী হোৱাৰ খবৰে বিশেষভাৱে উৎফুল্ল কৰি তোলে নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত চাহ বাগান অঞ্চলবাসীক। কালি বিয়লি বঢ়মপুৰ বিধানসভা সমষ্টিৰ বিধায়ক জিতু গোস্বামীৰ নিৰ্দেশ মৰ্মে কঠীয়াতলী মণ্ডল বিজেপিৰ উদ্যোগত শগুনবাহী চাহ বাগিচাত তিনি শতাধিক চাহ জনগোষ্ঠীয় পুৰুষ-মহিলাৰ উপস্থিতিত এই উপলক্ষে এক অভিনন্দন সভাৰ আয়োজন কৰা হয়। কালি বিয়লি ভোট গণনাৰ অন্তত আদিবাসী মূলৰ দ্ৰৌপদী মুৰ্মু জয়ী হোৱা বুলি ঘোষিত হোৱাৰ লগে লগে চাহ বাগিচা অঞ্চলটোৰ ৰাইজৰ মাজত আনন্দৰ জোৱাৰ উঠা পৰিলক্ষিত হয়। তাতে এখন সভাৰ জৰিয়তে নৱ-নিৰ্বাচিত ৰাষ্ট্ৰপ্ৰধানগৰাকীলৈ অভিনন্দন জ্ঞাপন কৰে। সভাত উপস্থিত থাকি ভাষণ প্ৰদান কৰে তিৱা স্বায়ত্ত পৰিষদৰ অধ্যক্ষ মদন বৰদলৈ আৰু জিলা চাহ কোষৰ সভাপতি বিজু ৰাউতিয়াৰ লগতে কঠীয়াতলী মণ্ডল বিজেপিৰ সভাপতি চন্দন বৰাই। অভিনন্দন জ্ঞাপন সভাত উপস্থিত থাকে কঠীয়াতলী মণ্ডল বিজেপিৰ উপ-সভাপতি হৰিপদ মুখাৰ্জী, সাধাৰণ সম্পাদক ৰূপাংকৰ বৰদলৈ, জ্যেষ্ঠ নেতা শশী বৰদলৈ আৰু বহু কৰ্মকৰ্তা উপস্থিত থাকে।




## টুপামাৰী বজাৰত শৌচাগাৰ তিনি বছৰ ধৰি তলাবন্ধ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২২ জুলাইঃ** নগৰবেৰাৰ টুপামাৰীত বগাহাতীত পৰিণত চৰকাৰী আঁচনি। বৃহত্তৰ টুপামাৰী অঞ্চলৰ একমাত্ৰ ব্যৱসায় প্ৰতিষ্ঠান টুপামাৰী (কড়িতলা) বজাৰ। বজাৰখন কোনো সমূহীয়া শৌচাগাৰ নথকাত ক্ৰেতা-বিক্ৰেতাৰ লগতে ৰাইজে বহু অসুবিধাত ভুগিবলগীয়া হৈছে। উল্লেখ্য যে বজাৰত প্ৰায় তিনি বছৰ পূৰ্বে আঁচনিৰ জৰিয়তে কেইবা লাখ টকা ব্যয় সাপেক্ষে এটা সমূহীয়া শৌচাগাৰ নিৰ্মাণ হৈছিল যদিও দুৰ্ভাগ্যজনকভাৱে টুপামাৰী বজাৰ পৰিচালনা কমিটীয়ে মুকলিৰ এসপ্তাহ পিছতেই উক্ত সমূহীয়া শৌচাগাৰটো তলাবন্ধ কৰি ৰাখিছে। কিয় সমূহীয়া শৌচাগাৰটো বজাৰ কমিটীয়ে তলাবন্ধ কৰি থৈছে সেই লৈ ব্যৱসায়ীসকলৰ মাজত প্ৰশ্ন উত্থাপন হৈছে। ব্যৱসায়ীসকলৰ লগতে অঞ্চলটোৰ সচেতন ৰাইজৰ মনত প্ৰশ্ন উদ্ৰেক হৈছে, ৰাইজে যদি ব্যৱহাৰেই কৰিব নোৱাৰে তেন্তে কিয় চৰকাৰে লাখ লাখ টকা ব্যয় কৰি নিৰ্মাণ কৰিছে সমূহীয়া শৌচাগাৰটো। বজাৰ কমিটীয়ে কিয় ওলমাই ৰাখিছে তলা? কাৰ গাফিলতিৰ বাবে বজাৰখনত সমূহীয়া শৌচাগাৰ থকা সত্বেও ৰাইজে অসুবিধা ভুগিবলগীয়া হৈছে? শীঘ্ৰে বজাৰ কমিটীৰ লগতে কৰ্তৃপক্ষক তলাবন্ধ হৈ থকা সমূহীয়া শৌচাগাৰটো ব্যৱহাৰৰ উপযোগীকৈ মুকলি কৰি দিয়াৰ দাবী জনাইছে ৰাইজে।

## আজিজুৰ ৰহমানৰ মৃত্যুত শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২২ জুলাইঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ শিমলুগুৰি আঞ্চলিক সমিতিৰ প্ৰাক্তন সভাপতি, বৰ্তমানৰ উপদেষ্টা তথা শিমলুগুৰিৰ বিভিন্ন সামাজিক কাম-কাজত আগৰণুৱা জাতীয়তাবাদী নেতা আজিজুৰ ৰহমানৰ (৫৩) পৰহি নিশা ডিব্ৰুগড়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। বিগত ৩০ বছৰৰ অধিক সময় যুৱ-ছাত্ৰ পৰিষদৰ লগত জড়িত ৰহমানৰ মৃত্যুত শিমলুগুৰিত শোকৰ ছাঁ পৰিছে। কালি সন্ধিয়া শিলাসাঁকো অঞ্চলত তেওঁৰ জানাজা সম্পন্ন কৰা হয়। যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক কুশল চেতিয়া, শিৱসাগৰ জিলা সমিতিৰ সভাপতি উৎপল কোঁৱৰ, সম্পাদক পলাশ ৰাজকোঁৱৰৰ প্ৰমুখ্যে বহু কৰ্মী ৰহমানৰ বাসগৃহত উপস্থিত হৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত ৰহমানে পত্নীসহ দুই পুত্ৰ আৰু এগৰাকী জীক এৰি থৈ যায়।






## লাহৰীঘাট থানা চৌহদত আজাদী কা অমৃত মহোৎসৱ উপলক্ষে গছপুলি ৰোপণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২২ জুলাইঃ** ভাৰতবৰ্ষৰ স্বাধীনতা লাভ কৰা ৭৫ বছৰ উপলক্ষে এই বছৰটো 'আজাদী কা অমৃত মহোৎসৱ' হিচাপে সমগ্ৰ দেশতে উদ্‌যাপিত হৈ আছে। আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি অসমতো বিজ্ঞান-প্ৰযুক্তিবিদ্যা আৰু জলবায়ু পৰিৱৰ্তন বিভাগে সমগ্ৰ ৰাজ্যখনতে 'মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানভিত্তিক গছপুলি ৰোপণ নামকৰণেৰে মাহজোৰা গছপুলি ৰোপণ কাৰ্যসূচী হাতত লৈছে। ১৮ জুলাইত কেন্দ্ৰীয়ভাৱে মুখ্যমন্ত্ৰীয়ে জনতা ভৱনত এই অনুষ্ঠানৰ শুভাৰম্ভ কৰে। তাৰ লগত সংগতি ৰাখি আজি মৰিগাঁও জিলাৰ লাহৰীঘাট থানা চৌহদত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আমিৰ হুছেইন, জিলা আৰক্ষী ছাউনীৰ শুক্ল কাকতি, অমিয় কুমাৰ বৰাৰ লগতে থানা কৰ্তৃপক্ষৰ বাকী বিষয়ববীয়াসকলে গছপুলি ৰোপণ কৰে।

## নগাঁৱত অসংগঠিত শ্ৰমিকৰ সজাগতা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২২ জুলাইঃ** ভাৰত চৰকাৰৰ শ্ৰম মন্ত্ৰণালয়ৰ গুৱাহাটী মণ্ডলৰ উদ্যোগত ভাৰতীয় খাদ্য নিগমৰ সহযোগত প্ৰধানমন্ত্ৰীৰ 'শ্ৰমযোগী মান-ধন আঁচনি'ৰ এক সজাগতা সভা অনুষ্ঠিত হয়। আজি অনুষ্ঠিত এই সজাগতা সভাত অসংগঠিত শ্ৰমিকসকলৰ বিভিন্ন দিশৰ বিষয়ে আলোচনা কৰা হয়। এই শ্ৰমিকসকল কৰ্মক্ষেত্ৰত কেনেদৰে উপকৃত হ'ব পাৰে সেই বিষয়ে আলোকপাত কৰা হয়। বিনামূলীয়া ই-শ্ৰম কাৰ্ড প্ৰদান, ই-শ্ৰম কাৰ্ডৰ জৰিয়তে এই শ্ৰমিকসকল উপকৃত হ'ব পাৰিব। এই কাৰ্ডৰ জৰিয়তে অসংগঠিত শ্ৰমিকসকল বীমা পেন্সন, চৰকাৰৰ আন আন আঁচনিত অন্তৰ্ভুক্ত হ'ব পাৰিব। শ্ৰমিকৰ সংখ্যা নিৰূপণ আৰু সুবিধা-অসুবিধাৰ প্ৰতি গুৰুত্ব দিবৰ বাবে ই-শ্ৰম পঞ্জীয়নৰ ব্যৱস্থা আছে। আজিৰ এই সজাগতা সভাত বিভাগীয় উপ-মুখ্য শ্ৰম আয়ুক্ত এছ কে ৰয়, নিগমৰ আঞ্চলিক প্ৰবন্ধক সন্দীপ গগৈৰ লগতে পাৱাৰ গ্ৰীডৰ এন এম বৰা, কেন্দ্ৰীয় লেবাৰ এনফৰ্চমেণ্ট বিষয়া এছ বি দাস আদিয়ে অংশগ্ৰহণ কৰে।

# শিৱসাগৰত দুটি শিশু শ্ৰমিক উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২২ জুলাইঃ** শিৱসাগৰ জিলা প্ৰশাসনৰ তৎপৰতাত আৰু সহকাৰী আয়ুক্ত তথা ভাৰপ্ৰাপ্ত জিলা শিশু সুৰক্ষা বিষয়া মানালী প্ৰসাদ ৰজকৰ তত্ত্বাৱধানত শিৱসাগৰ জিলাৰ অন্তৰ্গত শিৱসাগৰ ৰংঘৰ চাৰিআলিৰ দুখন গাড়ী ধোৱা স্থানৰ পৰা জিলা শিশু শ্ৰমিক ট্ৰাস্ক ফৰ্চৰ উদ্যোগত শিশু শ্ৰমিকৰূপে নিয়োজিত দুটি শিশু শ্ৰমিক উদ্ধাৰ কৰা হয়। শিশুকেইটিক উদ্ধাৰ কৰাৰ পাছতে শিশু কল্যাণ সমিতিৰ ওচৰত হাজিৰ কৰাই জয়সাগৰস্থিত প্ৰজ্জালয়া শিশুগৃহত প্ৰকৃত পিতৃ-মাতৃৰ লগতে সঠিক বয়সৰ চিনাক্তকৰণ নোহোৱা পৰ্যন্ত ৰখাৰ ব্যৱস্থা কৰা হয়। জানিব পৰা মতে জিলাখনৰ শ্ৰম বিভাগৰ শ্ৰম পৰিদৰ্শক জীৱন টাইদে এই সন্দৰ্ভত শিশু শ্ৰমিকৰূপে নিয়োগ কৰা মালিকৰ ওপৰত শিৱসাগৰ থানাত লিখিত এজাহাৰ দাখিল কৰিছে বুলি জানিবলৈ দিয়ে। উল্লেখ্য যে শিশুকেইটিক উদ্ধাৰ কাৰ্যত সহকাৰী আয়ুক্ত আৰু ভাৰপ্ৰাপ্ত জিলা শিশু সুৰক্ষা বিষয়া মানালী প্ৰসাদ ৰজক, শিশু কল্যাণ সমিতিৰ সদস্যা বন্দনা কৌশিক বৰদলৈ, শ্ৰম পৰিদৰ্শক জীৱন টাইদ, জিলা শিশু সুৰক্ষা বিষয়াৰ কাৰ্যালয়ৰ আইনী আবেক্ষণ বিষয়া ৰাণী হাজৰিকা, কিশোৰ-কিশোৰী বিচাৰ ন্যায় বিচাৰৰ মণ্ডলীৰ সদস্য নৱ নাৰায়ণ টায়ে, সমাজ সেৱক দীপক টায়েৰ লগতে শিৱসাগৰ সদৰ থানাৰ আৰক্ষী বিষয়াৰ উপস্থিতিত শিশুকেইটিক উদ্ধাৰ কৰা হয়।

# লাহৰীঘাটত স্কাউট এণ্ড গাইডৰ ৩ দিনীয়া প্ৰশিক্ষণ শিবিৰ উদ্বোধন



**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২২ জুলাইঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজিৰে পৰা লাহৰীঘাট স্কাউট অপেন ট্ৰুপৰ উদ্যোগত স্কাউট এণ্ড গাইডৰ তিনিদিনীয়া প্ৰশিক্ষণ শিবিৰ উদ্বোধন কৰা হয়। প্ৰশিক্ষণ শিবিৰটোৰ শুভাৰম্ভ কৰা হয় পতাকা উত্তোলন কাৰ্যসূচীৰে। পতাকা উত্তোলন কৰে জিলা স্কাউট এণ্ড গাইড সমিতিৰ সহঃ সম্পাদক এমদাদুল ইছলামে। উদ্বোধনী অনুষ্ঠান পৰিচালনা কৰে জিলা স্কাউট এণ্ড গাইডৰ সম্পাদক আজহাৰ উদ্দিনে। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি বালিডোঙ্গা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বাহাৰুল ইছলাম, লাহৰীঘাট থানাৰ দুজন বিষয়ববীয়া ক্ৰমে প্ৰবীণ বৰা, জাকিৰ হুছেইনৰ লগতে সাংবাদিক খাইৰুল ইছলামেও বৰ্তমান সময়ত স্কাউট এণ্ড গাইডৰ গুৰুত্বৰ ওপৰত বক্তব্য আগবঢ়ায়। প্ৰশিক্ষণ শিবিৰৰ প্ৰশিক্ষক ইলিয়াছ আহমেদে জনোৱা মতে ১০খন স্কুলৰ প্ৰায় শতাধিক ছাত্ৰ-ছাত্ৰীয়ে প্ৰশিক্ষণত অংশগ্ৰহণ কৰিছে। তিনিদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰীসকলক প্ৰশিক্ষণ দিব ইলিয়াছ আহমেদ, জহিৰুল ইছলাম, জামাদুল ইছলাম আৰু হাৰুণ অল ৰশিদে।

# নগাঁৱত জাপানীজ এনকেফেলাইটিছৰ বিৰুদ্ধে অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২২ জুলাইঃ** ৰাজ্যত জাপানীজ এন্‌কেফেলাইটিছে সংহাৰী ৰূপ ধাৰণ কৰাৰ সময়ত নগাঁও জিলাতো এই ৰোগে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। চলিত বৰ্ষত দ্বিতীয়টো ভয়াৱহ বানৰ পাছত জাপানীজ এনকেফেলাইটিছ ৰোগত জিলাখনত প্ৰায় ১১জন লোকে প্ৰাণ হেৰুৱাইছে। জাপানীজ এনকেফেলাইটিছ মহৰ পৰা সৃষ্ট এই বিধ ৰোগ নিৰ্মূল কৰিবলৈ স্বাস্থ্য বিভাগৰ মেলেৰিয়া বিভাগে প্ৰাপ্তবয়স্ক মহবোৰ ধ্বংসৰ কাৰণে ফ'গিঙৰ ব্যৱস্থা কৰে। বিচাৰ্যৰ বিষয় এই যে, সমগ্ৰ নগাঁও জিলাত বৰ্তমান ফ'গিং মেচিন আছে মাত্ৰ তিনিটা। মাত্ৰ তিনিটা ফ'গিং মেচিনৰে এতিয়া নগাঁৱত চলিছে অভিযান। তিনিটা ফ'গিং মেচিনক টনা-আঁজোৰা কৰিয়েই সমগ্ৰ জিলাখনত এনকেফেলাইটিছৰ দৰে ভয়াৱহ ৰোগবিধক প্ৰতিহত কৰাৰ চেষ্টা চলাই আছে নগাঁও জিলা স্বাস্থ্য বিভাগে। প্ৰশ্ন হয়, ৰাজ্যৰ স্বাস্থ্য বিভাগে ঢাক-ঢোল বজাই সৰ্বত সৰ্বসাধাৰণ ৰাইজে স্বাস্থ্য বিভাগৰ পৰা সকলো সুবিধা লাভ কৰি থকা বুলি জাহিৰ কৰি থকাৰ সময়তে নগাঁৱত জাপানীজ এনকেফেলাইটিছ ৰোগৰ ভয়াৱহতাৰ সময়ত স্বাস্থ্য বিভাগে গ্ৰামাঞ্চলৰ উপৰি নগৰাঞ্চলসমূহত কেৱল এই তিনিটা ফ'গিং মেচিনেৰে এটা বিভাগ চলাই থকা কাৰ্যই বাৰুকৈয়ে চিন্তিত হৈছে নগাঁওবাসী সচেতন ৰাইজ। জিলা মেলেৰিয়া বিভাগে তিনিটা ফ'গিং মেচিনেৰে জিলাখনৰ বিভিন্ন প্ৰান্তৰ লগতে চহৰাঞ্চলৰ কিছু পৌৰ এলেকাত ফ'গিং, গৃহস্থৰ ব্যৱহৃত আঁঠুৱাসমূহ ঔষধিকৰণ, বিভিন্ন সজাগতা সভা আদিৰে জাপানীজ এনকেফেলাইটিছ ৰোগ প্ৰতিৰোধৰ ব্যৱস্থা কৰিছে বুলি জিলা মেলেৰিয়া বিভাগৰ তৰফৰ পৰা জানিব পৰা গৈছে।

# কেওটপাৰা শ্ৰীশ্ৰীমা মনসা দেৱী পূজা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছয়গাঁও, ২২ জুলাইঃ** আজাৰা কেওটপাৰাস্থিত শ্ৰীশ্ৰীমা মনসা দেৱী পূজাভাগ অইনবেলিৰ পৰম্পৰা অক্ষুণ্ণ ৰাখি এইবেলিও সোতৰ জুলাইৰ পৰা একৈশ জুলাইলৈ পাঁচদিনীয়াকৈ অনুষ্ঠিত কৰা হয়। ঢুলীয়া, কালিয়া, আয়তীৰ নাম, ওজাপালি, বেণুপাৰ্টী, দেওধনী নৃত্য আৰু নিশা সাংস্কৃতিক অনুষ্ঠানেৰে ৰজনজনাই থকা পূজাভাগৰ একৈশ জুলাইৰ নিশা সফল সামৰণি পৰে। বৰ্ণাঢ্য কাৰ্যক্ৰমণিকা অনুসৰি সোতৰ জুলাইৰ সন্ধিয়া প্ৰতিমা স্থাপন আৰু অধিবাসেৰে পূজাৰ আৰম্ভণি ঘটে। তাৰ পিছত নিশা ওজাপালি, দেওধা নাচ অনুষ্ঠিত হয়। ঠিক তেনেদৰে ওঠৰ জুলাইৰ পুৱা জলযাত্ৰা আৰু ঘটবুৰণ, খৰ্গ ও ডুলনি আদৰা, দেৱীৰ পূজা আৰম্ভ হয়। তাৰ পিছত উচৰ্গা, বলিদান, দেওধা নাচ, হোম, শান্তি, পুষ্পাঞ্জলি, প্ৰসাদ বিতৰণ, ভোগ আৰু ঠগি বিতৰণ সম্পন্ন হোৱাৰ পিছত সন্ধিয়া আৰতি আৰু ওজাপালি অনুষ্ঠিত হয়। অনুৰূপ কাৰ্যক্ৰমণিকা সম্পন্ন কৰাৰ পিছত শেষৰ দিনা অৰ্থাৎ একৈশ জুলাইত দেৱী বিসৰ্জন দিয়াৰ লগতে নিশা সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰে। পূজা কমিটীৰ সভাপতি নিৰেন কুমাৰ দাস, উপ-সভাপতি দিলীপ কুমাৰ দাস, প্ৰসন্ন দাস, কুঞ্জৰাম দাস, সাধাৰণ সম্পাদক ৰত্নেশ্বৰ দাস আৰু সহঃ সম্পাদক ধাৰখোৱা দাস, অমূল্য দাস আৰু পংকজ দাসে জনোৱা মতে অহা বৰ্ষত সোণালী জয়ন্তী উপলক্ষে সমূহ অসমবাসী ৰাইজৰ সহায়-সহযোগিতা আৰু পৰামৰ্শ আন্তৰিকতাৰে কামনা কৰিছে।

# সদৌ অসম কলিতা আলপাইন জনগোষ্ঠীৰ নলবাৰী চহৰ আঞ্চলিক সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২২ জুলাইঃ** সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ নলবাৰী জিলা সমিতিৰ অন্তৰ্গত নলবাৰী টাউন আঞ্চলিক সমিতিখন গঠনৰ বাবে এখন সাংগঠনিক সভা অনুষ্ঠিত হয়। নলবাৰী হৰি মন্দিৰ প্ৰাংগণত কালি আবেলি অনুষ্ঠিত হোৱা সভাত সভাপতিত্ব কৰে বিশিষ্ট শিক্ষাবিদ তথা সমাজকৰ্মী হেমন্ত পাটগিৰীয়ে। সভাত সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক প্ৰতুল কুমাৰ কলিতাৰ লগতে নলবাৰী জিলা সমিতিৰ সভাপতি সৰ্বেশ্বৰ কলিতা, নলবাৰী জিলা সমিতিৰ সাধাৰণ সম্পাদক ভুৱনেশ্বৰ কলিতা, নলবাৰী জিলা সমিতিৰ সাংগঠনিক সম্পাদক ফণীধৰ কলিতা, কেন্দ্ৰীয় সমিতিৰ সহঃ সম্পাদক হিৰেন কলিতা, কেন্দ্ৰীয় সমিতিৰ সহঃ সম্পাদক নয়ন কলিতা, চটাইবাৰী আঞ্চলিক সমিতিৰ সভাপতি ধনেশ্বৰ বৰ্মন, ১৪নং পূব বনভাগ আঞ্চলিক সমিতিৰ সভাপতি বিমল কলিতা, নলবাৰী টাউনৰ বিভিন্ন ৱাৰ্ডৰ কেইবাগৰাকী বিশিষ্ট সমাজকৰ্মীৰ উপৰি প্ৰায় শতাধিক ব্যক্তিৰ উপস্থিতিত সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ নলবাৰী জিলা সমিতিৰ অন্তৰ্গত নলবাৰী টাউন আঞ্চলিক সমিতিখন গঠন কৰা হয়। হেমন্ত পাটগিৰীক সভাপতি, দিনেশ কলিতা, জয়ন্ত বৰ্মন, গিৰীশ তহবিলদাৰক উপ-সভাপতি, ৰমেন কলিতাক সাধাৰণ সম্পাদক, নৃপেন কুমাৰ কলিতা আৰু দীংপাকৰ কলিতাক সহঃ সম্পাদকৰ নাম প্ৰস্তাৱ কৰি ২১জনীয়া নলবাৰী টাউন আঞ্চলিক সমিতিখন গঠন কৰা হয়। জিলা প্ৰতিনিধি হিচাপে সৰ্বেশ্বৰ কলিতা, ভগৱান কলিতা, শৈলেন তামুলী আৰু বিপুল বৰ্মনৰ নাম প্ৰস্তাৱ কৰে বুলি সদৌ অসম কলিতা জনগোষ্ঠী সন্মিলণীৰ সাধাৰণ সম্পাদক প্ৰতুল কলিতাই প্ৰেছ জনাইছে।



## নিজ পকোৱাৰ ত্ৰিনয়ন নাট্য গোষ্ঠীৰ প্ৰশংসনীয় পদক্ষেপ

### মেট্ৰিকত ডিষ্টিংশ্বনপ্ৰাপকক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২২ জুলাইঃ** পশ্চিম নলবাৰী অঞ্চলৰ নিজ পকোৱাৰ অন্যতম সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'ত্ৰিনয়ন নাট্য গোষ্ঠী'ৰ উদ্যোগত ২০ জুলাইত এইবেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতী শিক্ষাৰ্থীসকলক অভিনন্দন জনোৱা হয়। এই উপলক্ষে পকোৱা হাইস্কুল প্ৰাংগণত অনুষ্ঠিত এক অনুষ্ঠানত মিলন হাইস্কুল, পানীগাঁও পৰীক্ষা কেন্দ্ৰৰ পৰা ডিষ্টিংশ্বন লাভ কৰা পাঁচগৰাকী কীৰ্তিমানক ত্ৰিনয়ন নাট্য গোষ্ঠীৰ তৰফৰ পৰা ফুলাম গামোচা, জাপি আৰু অভিনন্দন-পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অভিনন্দিত কৃতী শিক্ষাৰ্থীকেইগৰাকী হৈছে- পকোৱা হাইস্কুলৰ মানস প্ৰতিম চৌধুৰী, ধৃতিষ্মান দত্ত, জুমন ডেকা, জ্যোতিৰ্ময় দত্ত আৰু বিষ্ণুজ্যোতি জাতীয় বিদ্যালয়ৰ হীৰামণি চৌধুৰী। পকোৱা হাইস্কুলৰ প্ৰধান শিক্ষক মইনুৰ হুছেইনৰ পৌৰোহিত্যত অনুষ্ঠিত আৰু ত্ৰিনয়ন নাট্য গোষ্ঠীৰ বিত্ত সম্পাদক ৰমেন কুমাৰ দত্তই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষক উমেশ চন্দ্ৰ দত্ত, পকোৱা হাইস্কুলৰ শিক্ষক দীপক বৰ্মন, পকোৱা হাইস্কুলৰ বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ উপ-সভাপতি বেদান্ত বিকাশ দত্ত, নিজ পকোৱা স্বাস্থ্য আৰু পৰিয়াল কল্যাণ কেন্দ্ৰৰ স্বাস্থ্য বিষয়া ডাঃ প্ৰিয়ম কুমাৰ চাগ্ৰাৱলী, সমাজসেৱী গুৰুচৰণ ডেকা, যুৱ কবি নিতুল কুমাৰ দত্তই প্ৰাসংগিক বক্তব্য আগবঢ়ায়।

# বঙাইগাঁৱত ফটকা ফুটাই, ঝুমুৰ নৃত্য কৰি দ্ৰৌপদী মুৰ্মুক আদৰিছে আদিবাসী লোকে



**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২২ জুলাইঃ** ভাৰতৰ প্ৰথমগৰাকী আদিবাসী জনগোষ্ঠীৰ মহিলা ৰাষ্ট্ৰপতি হিচাপে দ্ৰৌপদী মুৰ্মু নিৰ্বাচিত হোৱাত উৎফুল্ল হৈ পৰিছে বঙাইগাঁৱৰ আদিবাসী লোকসকল। দেশৰ পৰৱৰ্তী ৰাষ্ট্ৰপতি হিচাপে দ্ৰৌপদী মুৰ্মু নিৰ্বাচিত হোৱাৰ বাতৰি বিয়পি পৰা পিছতে বঙাইগাঁৱৰ বীৰঝৰা চাহ বাগিচাত আদিবাসী লোকসকলে ফটকা ফুটাই, ঝুমুৰ নৃত্যৰে আনন্দ প্ৰকাশ কৰে। ইপিনে আদিবাসী জনগোষ্ঠীৰ নেতা হীৰু বাগদীয়ে কয় যে আমি আজি নথৈ আনন্দিত হৈছো আৰু গৌৰৱান্বিত হৈছো যে চৰকাৰে আমাৰ আদিবাসী জনগোষ্ঠীৰ মহিলা দ্ৰৌপদী মুৰ্মুক ৰাষ্ট্ৰপতিৰ আসনত বহিবলৈ সুযোগ দিছে। কিন্তু এই আনন্দৰ মাজতো আমাৰ এটাই দুখ যে সমগ্ৰ ভাৰততে আমি আদিবাসী বুলি জনাজাত বা পৰিচিত যদিও অসমত আমাক চাহ জনগোষ্ঠী বুলিহে পৰিচয় দিয়া হয়। এয়া আমাৰ কাৰণে চৰম দুৰ্ভাগ্য। গতিকে আমি অসম চৰকাৰক আহ্বান জনাওঁ যে যিহেতু আমাৰ আদিবাসী সম্প্ৰদায়ৰ মহিলা দেশৰ পৰৱৰ্তী ৰাষ্ট্ৰপতিৰ আসনত বহিব, সেয়ে আজিৰ পৰা আমাৰ গাত আৰু যাতে চাহ জনগোষ্ঠী শব্দটো লগাই নিদিয়ে। এতিয়াৰে পৰা আমি যাতে আদিবাসী হিচাপেহে স্বীকৃত হওঁ আৰু অসমৰ ৰাইজ তথা চৰকাৰেও আদিবাসী হিচাপেহে স্বীকৃতি দিয়ে তাকে কামনা কৰিছো। **বিজেপিয়ে বিলালে মিঠাই, নৱ-নিৰ্বাচিত ৰাষ্ট্ৰপতিক জনালে শুভেচ্ছা ঃ** বিজেপি তথা এনডিএ সমৰ্থিত ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হিচাপে আদিবাসী সম্প্ৰদায়ৰ প্ৰথমগৰাকী মহিলা দ্ৰৌপদী মুৰ্মু নিৰ্বাচিত হোৱাত বঙাইগাঁও জিলা বিজেপিয়ে আদিবাসী লোকৰ মাজত মিঠাই বিতৰণ কৰি আনন্দ প্ৰকাশ কৰে। বিজেপি দলৰ প্ৰত্যক্ষ সমৰ্থিত প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মু নিৰ্বাচিত হোৱাৰ খবৰ লাভ কৰাৰ পিছতে বঙাইগাঁও জিলা বিজেপিৰ তৰফৰ পৰা বীৰঝৰা চাহ বাগিচাৰ আদিবাসী লোকৰ লগতে দলত থকা আদিবাসী কৰ্মীসকলৰ মাজত মিঠাই বিতৰণ কৰে। লগতে জিলা বিজেপিৰ সভানেত্ৰী হিমানী অধিকাৰী, যুটীয়া সাধাৰণ সম্পাদক শংকৰ বিশ্বাস, বিজেপিৰ বিষয়ববীয়া, ৱাৰ্ড কমিছনাৰ আদি বীৰঝৰা চাহ বাগিচাত নৱ-নিৰ্বাচিত ৰাষ্ট্ৰপতিগৰাকীৰ প্ৰতিচ্ছবি লৈ উপস্থিত হৈ আদিবাসী যুৱতীসকলৰ সৈতে ঝুমুৰ নৃত্য কৰি আনন্দ উৎসৱত অংশ গ্ৰহণ কৰে। ইয়াৰ পিছতে বীৰঝৰা চাহ বাগিচাৰ পৰিচালকৰ মূল কাৰ্যালয়লৈ বুলি নৱ-নিৰ্বাচিত ৰাষ্ট্ৰপতিগৰাকীৰ প্ৰতিচ্ছবি লৈ সমদল কৰি যায় আৰু পৰিচালকৰ হাতত প্ৰতিচ্ছবি এখন প্ৰদান কৰে। ইপিনে জিলা বিজেপিৰ সভানেত্ৰী হিমানী অধিকাৰীয়ে কয় যে আদিবাসী সম্প্ৰদায়ৰ মহিলা এগৰাকী আজি দেশৰ ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হোৱাৰ মূলতে হ'ল বিজেপি নেতৃত্বাধীন নৰেন্দ্ৰ মোদী চৰকাৰ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সদিচ্ছাৰ বাবেই এয়া সম্ভৱপৰ হৈছে। সেয়ে আদিবাসী লোকসকলৰ লগতে দেশৰ বাবেও এয়া গৌৰৱৰ কথা বুলি কয়। লগতে দেশৰ পৰৱৰ্তী ৰাষ্ট্ৰপতি হিচাপে আদিবাসী সম্প্ৰদায়ৰ প্ৰথমগৰাকী মহিলা ৰাষ্ট্ৰপতি হিচাপে দ্ৰৌপদী মুৰ্মু নিৰ্বাচিত হোৱাত আমিও আনন্দিত আৰু সেয়ে আদিবাসী লোকসকলৰ আনন্দ উৎসৱত অংশ লৈছো বুলিও কয় জিলা সভানেত্ৰী অধিকাৰীয়ে। আনহাতে, এক প্ৰেছ বিবৃতিত ভাৰতৰ প্ৰথম জনজাতি সম্প্ৰদায়ৰ মহিলা ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক বিজেপিৰ বঙাইগাঁও জিলা সমিতিয়ে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে। বঙাইগাঁও জিলা বিজেপিৰ সভানেত্ৰী হিমানী অধিকাৰী স্বাক্ষৰিত এক প্ৰেছ বিবৃতিত কয় যে, ১৯৫৮ চনৰ ২০ জুনত ওড়িশাত জন্মগ্ৰহণ কৰা দ্ৰৌপদী মুৰ্মুয়ে ১৯৯৭ চনত বিজেপি দলত যোগদান কৰি ৰায়ৰংপুৰ নগৰ পঞ্চায়তৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হৈ ৰাজনৈতিক পৰিক্ৰমা আৰম্ভ কৰি বহুত উত্থান-পতনৰ মাজেৰে ওড়িশাৰ ৰায়ৰংপুৰ বিধানসভা সমষ্টিৰ পৰা বিধায়িকা হিচাপে নিৰ্বাচিত হৈ ওড়িশা চৰকাৰৰ মন্ত্ৰী পদ অলংকৃত কৰিছিল। উল্লেখ্য, ২০১৫ চনত দ্ৰৌপদী মুৰ্মুয়ে ঝাৰখণ্ড ৰাজ্যৰ ৰাজ্যপাল হিচাপে নিযুক্ত হৈছিল। ৰাজনৈতিক ক্ষেত্ৰত ভৰি দিয়াৰ আগতে ওড়িশাৰ এখন বিদ্যালয়ৰ শিক্ষয়িত্ৰী হিচাপে জীৱন যাত্ৰা আৰম্ভ কৰা দ্ৰৌপদী মুৰ্মুয়ে ভাৰতবৰ্ষৰ ১৫সংখ্যক ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱাত তেওঁক শুভেচ্ছা জ্ঞাপন কৰে। তেওঁৰ নেতৃত্বত ভাৰতবৰ্ষই ৰাষ্ট্ৰ হিচাপে বিশ্বত আৰু বেছি উজলি উঠাৰ কামনা কৰি তেওঁৰ সু-স্বাস্থ্য আৰু দীৰ্ঘজীৱনৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনাও জনায় জিলা বিজেপিৰ সভানেত্ৰী হিমানী অধিকাৰীয়ে।

## ডিমৌতো বিজয় উল্লাস

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২২ জুলাইঃ** দেশৰ ৰাষ্ট্ৰপতি পদৰ বাবে ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাৰ সমৰ্থিত প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুৰ বিজয় উদ্‌যাপনত কালি শিৱসাগৰ জিলাৰ ডিমৌতো আনন্দ-উল্লাস কৰা পৰিলক্ষিত হয়। কালি বিয়লি বিজেপিৰ থাওৰা নগৰ মণ্ডলৰ উদ্যোগত দলীয় কাৰ্যকৰ্তাসকলে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু নিৰ্বাচিত হোৱাক লৈ ডিমৌৰ ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথত ফটকা ফুটাই বিজয় উৎসৱ পালন কৰে।

## দৰমহাৰ পৰা বঞ্চিত অসম উন্নয়ন প্ৰাধিকৰণৰ কৰ্মচাৰী
# ডিব্ৰুগড়ত সদৌ অসম উন্নয়ন কৰ্মচাৰী ঐক্যমঞ্চৰ সংবাদ মেল

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২২ জুলাই ঃ** মাহৰ পাছত মাহ ধৰি দৰমহাৰ পৰা বঞ্চিত অসমৰ প্ৰাধিকৰণসমূহৰ শ্ৰমিক-কৰ্মচাৰী। চাকৰিৰ চৰম নিৰাপত্তাহীনতাত ভুগি পানীৰ হাঁহ নচৰাৰ অৱস্থা ৰাজ্যৰ প্ৰায় ৩০০জন কৰ্মচাৰীৰ। চৰকাৰৰ বিভাগক বাৰম্বাৰ দৃষ্টিগোচৰ কৰি অহাৰ পাছতো কোনো গুৰুত্ব আৰোপ নকৰাত উপায়বিহীন হৈ পৰিছে। কৰ্মৰত কৰ্মচাৰীসকলে মাহৰ পাছত মাহ ধৰি তেওঁলোকৰ ন্যায্য প্ৰাপ্য দৰমহাৰ পৰা বঞ্চিত হৈ বস্তুত মৃত্যুক আঁকোৱালি লোৱাৰ লগতে বহুতে অসময়ত ল'ব লগা পৰিস্থিতিৰ সৃষ্টি হৈছে। সদৌ অসম উন্নয়ন প্ৰাধিকৰণ কৰ্মচাৰী ঐক্যমঞ্চই ২১ জুলাইত বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবত এক সংবাদ মেলৰ জৰিয়তে নিজৰ পৰিয়ালৰ ভৰণ-পোষণ, সন্তানৰ শিক্ষা, স্বাস্থ্য, ঘৰ-ভাৰা আদি এশ-এবুৰি সমস্যাৰে জৰ্জৰিত হৈ চৰম হতাশাত ভোগা বুলি সদৰী কৰে। দীৰ্ঘদিন ধৰি বিভিন্ন প্ৰতিকূলতাৰ মাজতো কৰ্তব্যৰ প্ৰতি অৱহেলা নকৰি অসম চৰকাৰৰ অন্যান্য বিভাগৰ কৰ্মচাৰীৰ দৰেই নিজৰ কৰ্তব্য সম্পাদন কৰাৰ পাছতো চাকৰি চৰকাৰীকৰণ, কৰ্মচাৰীৰ চাকৰি সেৱাৰিধি প্ৰকাশ আৰু দুখৰ কথা, মাহৰ পাছত মাহ ধৰি দৰমহা বঞ্চিত হ'ব লগা হৈ অহা বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। কোনো এখন চৰকাৰে কৰ্মচাৰীসকলৰ প্ৰতি দায়বদ্ধতাৰে কোনো এক সুস্থিৰ পদক্ষেপ গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন কৰে। উন্নয়ন প্ৰাধিকৰণসমূহৰ কৰ্মচাৰীসকল চৰম আৰ্থিক সংকট, চাকৰিৰ নিৰাপত্তাহীনতাত ভুগি অহাৰ একে সময়তে ৰাজনৈতিক দৃষ্টিকোণেৰে নিয়োজিত সভাপতিসকলেও মাথোঁ নিজৰ চকীখন বৰ্তাই ৰাখি নিষ্ক্ৰিয় আৰু আওকণীয়া মনোভাব পোষণ কৰি আহিছে বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। সংবাদ মেলৰ জৰিয়তে চাকৰি প্ৰাদেশিকীকৰণকে ধৰি চাকৰিৰ নিৰাপত্তা, অনিশ্চিত দৰমহা, অবসৰৰ পাছত আৰু কৰ্মৰত অৱস্থাত মৃত্যু হোৱা কৰ্মচাৰীৰ পৰিয়ালক পেন্সন, গ্ৰেচুইটী আৰু ভৱিষ্যনিধি আদিকে ধৰি প্ৰধান সমস্যাসমূহ চৰকাৰে দায়বদ্ধতাৰে অতিশীঘ্ৰে সমাধানৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে। উল্লেখ্য যে উন্নয়ন প্ৰাধিকৰণৰ কৰ্মচাৰীসকলে দেৰগাঁৱত ৪২মাহ, লখিমপুৰ ৭২ মাহ, ডিব্ৰুগড়ত ৪০মাহ, সোণাৰিত ৪৭ মাহ, গোৱালপাৰাত ৪২ মাহ, কৰিমগঞ্জত ২৮ মাহ, ধুবুৰীত ২৪ মাহ, জাগীৰোডত ৪১ মাহ, শিলচৰত ২ মাহ, বৰপেটাত ৪৫ মাহ, নগাঁৱত ৪ মাহ, নাজিৰাত ৪৬মাহ, শিৱসাগৰত ২৫ মাহ, গোলাঘাটত ১৯ মাহ আৰু ধেমাজিত ৭ মাহ দৰমহাৰ পৰা বঞ্চিত হৈ আছে। সংবাদমেলত সদৌ অসম উন্নয়ন প্ৰাধিকৰণ কৰ্মচাৰী ঐক্যমঞ্চৰ উপদেষ্টা নৃপেন্দ্ৰ বৰা, সাধাৰণ সম্পাদক সঞ্জীৱ কুমাৰ বৰগোহাঁইৰ, কোষাধ্যক্ষ সুবৰ্ণ পাত্ৰগোহাঁইকে আদি কৰি কে'বজনো বিষয়ববীয়া উপস্থিত থাকে।




## দুধনৈত লোকনিৰ্মাণ বিভাগৰ পথ উন্নীতকৰণৰ বাবে আধাৰশিলা স্থাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, দুধনৈ, ২২ জুলাই ঃ** দুধনৈৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা উদয়পুৰ হৈ দুধনৈ চাৰিআলিৰ পৰা মেঘালয়লৈ যোৱা ২১৭নং ৰাষ্ট্ৰীয় ঘাইপথত সংযোগ কৰিব পৰাকৈ বহু বছৰ পূৰ্বে নিৰ্মিত উদয়পুৰলৈ যোৱা পথছোৱা উন্নীতকৰণৰ বাবে আনুষ্ঠানিকভাৱে আধাৰশিলা স্থাপন কৰি পথছোৱাৰ কামৰ শুভাৰম্ভ কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই। ২০২১-২২ বৰ্ষৰ নাবাৰ্ডৰ 'গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন ফাণ্ডৰ জৰিয়তে দুধনৈ আৰু পূব গোৱালপাৰা লোকনিৰ্মাণ বিভাগৰ টেৰিটৰীয়েল ৰোড ডিভিজনৰ অধীনত নিৰ্মাণ কৰিব লগা পথছোৱাৰ বাবে ৫,৯৭,১৬,৮০০.০০ টকা চৰকাৰীভাৱে ধাৰ্য কৰা হৈছে। উল্লেখ্য যে বৰ্তমান এই পথছোৱা দুধনৈৰ অতি গুৰুত্বপূৰ্ণ আৰু ব্যস্ত পথ। কিয়নো উদয়পুৰৰ বৃহত্তৰ অঞ্চলত দুধনৈ জৱাহৰ নৱোদয় বিদ্যালয়, ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ সচিবালয়, কৃষি বিজ্ঞান কেন্দ্ৰ, নিখিল ৰাভা সাহিত্য সভাৰ মুখ্য কাৰ্যালয়, অগ্নি নিৰ্বাপক বাহিনীৰ স্থায়ী কাৰ্যালয়, মহকুমা কৃষি কাৰ্যালয়, উদয়পুৰ ৰাজহুৱা খেলপথাৰ, নৱনিৰ্মিত আয়ুৰ্বেদিক চিকিৎসালয়, সদৌ ৰাভা কৃষ্টি সন্মিলনৰ মুখ্য কাৰ্যালয়, দুধনৈ ইউকো বেংকৰ উপ-শাখা, লাঙা ঠাকুৰ থান, স্থায়ী বায়খো দাম (থান) অৱস্থিত। সেয়ে পথছোৱা অতি গুৰুত্বপূৰ্ণ। ইপিনে, আধাৰশিলা স্থাপন কৰি ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই কয় যে এই গুৰুত্বপূৰ্ণ পথছোৱাৰ কাম সম্পূৰ্ণ হ'লে ৰাইজে যাতায়াত কৰোঁতে যথেষ্ট সুবিধা হ'ব। আধাৰশিলা স্থাপনৰ শুভাৰম্ভ কাৰ্যসূচীত দুধনৈ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া শ্বাগুপ্তা অঞ্জুম সেহেলি, লোকনিৰ্মাণ বিভাগৰ গোৱালপাৰা ডিভিজনৰ কাৰ্যবাহী অভিযন্তা কুশল কাকতি, দুধনৈ ডিভিজনৰ অভিযন্তা প্ৰাণজিৎ তালুকদাৰ, ৰাভা হাচং পৰিষদৰ অধ্যক্ষ চাৰুমোহন ৰাভাৰ উপৰি বহু লোক উপস্থিত থাকে।

## অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ উদ্যোগত ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠান







**দৈনন্দিন বাৰ্তা সেৱা, দেওপানী, ২২ জুলাই ঃ** বৰপথাৰ আঞ্চলিক জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ উদ্যোগত দেওপানী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা কীৰ্তিমান ছাত্ৰ-ছাত্ৰীসকলৰ অভিনন্দন অনুষ্ঠানত উপস্থিত থাকে অঞ্চলটিৰ বিশিষ্ট ব্যক্তিসকলৰ লগতে কাৰ্বি আংলং জিলা অসম জাতীয়বাদী যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি জিতু ফুকন। সভাখনত সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত অধ্যক্ষ বীৰেন দত্তই। সমগ্ৰ ২৪নং দেওপানী পৰিষদীয় সমষ্টিৰ পৰা উচ্চতৰ আৰু উচ্চ মাধ্যমিক শেষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ পিতৃ-মাতৃৰ লগতে সমগ্ৰ অঞ্চলটিলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হোৱা ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনোৱা হয়। বৰপথাৰ আঞ্চলিক জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি যদু শইকীয়াই আঁত ধৰা অনুষ্ঠানটিত বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয় শান্তিপুৰ অঞ্চলৰ পৰা গৈ অৰুণাচল বিশ্ববিদ্যালয়ত ইংৰাজী বিভাগত সন্মানসহকাৰে সোণৰ পদক লাভ কৰিবলৈ সক্ষম হোৱা ডেইজী বাটলাৰ আৰু লিট্‌ল মিছ দিব্যা খিতাপ অৰ্জন কৰা খাকৰাজানৰ কণমানি ভাব্যা শ্ৰেষ্ঠক সম্বৰ্ধনা জনোৱা হয়।

## মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ত কেৰিয়াৰ সজাগতা অনুষ্ঠান সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২২ জুলাই ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ উদ্যোগত আয়োজিত কেৰিয়াৰ সজাগতা অনুষ্ঠানৰ আজি সফলতাৰে সামৰণি পৰে। পুৱা ১১ বজাৰ পৰা বিশ্ববিদ্যালয়খনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰ্মশালাৰ আঁত ধৰে গৱেষক ছাত্ৰ গৌৰাঙ্গ বৰাই। 'প্ৰত্যাহ্বান নাথাকিলে জীৱনৰ প্ৰকৃত মাদকতা লাভ কৰা অসম্ভৱ। শিক্ষাৰ্থীসকলে আনৰ প্ৰতিভাক অনুকৰণ কৰাতকৈ নিজৰ প্ৰতিভা, পচন্দৰ ক্ষেত্ৰ নিৰ্বাচন কৰি আগুৱালেহে সফলতা লাভ কৰিব পাৰে।' অনুষ্ঠানটি উদ্বোধন কৰি বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক মৃদুল হাজৰিকাই এই মন্তব্য আগবঢ়ায়। উদ্বোধনী অনুষ্ঠানৰ পিছতে হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাত ক্ৰমাগতভাৱে ৰাজ্যৰ ভিতৰতে উন্নত ফলাফল দেখুৱাই অহা ৰামানুজন কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ দিলীপ বৰাক বিশ্ববিদ্যালয়খনে সম্বৰ্ধনা জ্ঞাপন কৰে । ইয়াৰ পিছতে কেৰিয়াৰ সজাগতা অনুষ্ঠানটোত সমল ব্যক্তি হিচাপে অংশ লৈ অসমৰ জনপ্ৰিয় কেৰিয়াৰ পৰামৰ্শদাতা তথা অসম ডনবস্ক' বিশ্ববিদ্যালয়ৰ যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগৰ মুৰব্বী ড° বুলজিৎ বুঢ়াগোহাঁয়ে উপস্থিত এশৰো অধিক শিক্ষাৰ্থীৰ সন্মুখত দ্বাদশ শ্ৰেণী উত্তীৰ্ণ হোৱাৰ পিছত কেনেধৰণৰ কেৰিয়াৰ নিৰ্বাচন কৰিব তাৰ সম্পৰ্কত তথ্যসমৃদ্ধ বক্তব্য আগবঢ়োৱাৰ লগতে শিক্ষাৰ্থীসকলৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ দিয়ে। অনুষ্ঠানত বক্তব্য আগৱঢ়াই বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক ড° মৃণাল কুমাৰ বৰাই শিক্ষাৰ্থীসকলক উদ্দেশ্যি প্ৰেৰণাদায়ক বক্তব্য আগবঢ়ায়। অনুষ্ঠানটোত বিশ্ববিদ্যালয়খনৰ উপ-পঞ্জীয়ক (শৈক্ষিক) ড° নয়নমণি শইকীয়াৰ লগতে অধ্যাপক-অধ্যাপিকা, বিষয়া-কৰ্মচাৰীসকলো উপস্থিত থাকে।

### তেজপুৰত অংকৰ যাদুৰ কৌশল শিকালে তেজপুৰ বিশ্ববিদ্যালয়-বিভিন্ন মহাবিদ্যালয়ৰ গণিতৰ শিক্ষকে
## গণিত অলিম্পিয়াডলৈ পাৰদৰ্শী কৰিলে বিদ্যালয়ৰ শিক্ষাৰ্থীক

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২২ জুলাই ঃ** অসম গণিত শিক্ষায়তনৰ শোণিতপুৰ জিলা সমিতিৰ উদ্যোগত যোৱা ১১ জুলাইৰ পৰা ১৯ জুলাইলৈ তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী কন্যা বিদ্যালয় প্ৰাংগণত এসপ্তাহজোৰা এখনি গণিতৰ কৰ্মশালা অনুষ্ঠিত হয়। উক্ত কৰ্মশালাত তেজপুৰৰ বিভিন্ন শিক্ষানুষ্ঠানৰ চল্লিশগৰাকীতকৈও অধিক শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। পঞ্চম মানৰ পৰা দশমমানলৈ অধ্যয়ন কৰি থকা ছাত্ৰ-ছাত্ৰীসকলক তিনিটা ভাগত ভাগ কৰি তিনিটা কোঠাত শিক্ষক তথা সমল ব্যক্তিসকলে পাঠ দান কৰে। তেজপুৰ বিশ্ববিদ্যালয়কে ধৰি বিভিন্ন শিক্ষানুষ্ঠানৰ কে'বাগৰাকী শিক্ষকে সমল ব্যক্তি হিচাপে অংশ গ্ৰহণ কৰে। তেওঁলোক হ'ল- দৰং মহাবিদ্যালয়ৰ গণিত বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° ৰামচৰণ ডেকা, তেজপুৰ বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ অধ্যাপকসকল—ড° ভীমপ্ৰসাদ শৰ্মা, ড° শোভম সেন, ড° বিপুল কুমাৰ শৰ্মা, ড° জয়ন্ত কুমাৰ বৰা, শিলিখাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক শশী উপাধ্যায়, ডনবস্ক' হাইস্কুলৰ শিক্ষক অলকেশ দাস ৰয়, ইন্সপায়াৰ একাডেমীৰ শিক্ষক জিতুমণি বৰ্মন। তদুপৰি ৰাষ্ট্ৰীয় গণিত অলিম্পিয়াডত উত্তীৰ্ণ হোৱা ছাত্ৰ অয়ন নাথেও সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। কালি কৰ্মশালাৰ সামৰণিৰ দিনাখন অসম গণিত শিক্ষায়তনৰ শোণিতপুৰ জিলা সমিতিৰ সভাপতি ড° ৰামচৰণ ডেকাৰ সভাপতিত্বত সমল ব্যক্তি, শিক্ষাৰ্থী আৰু অভিভাৱকসকলৰ উপস্থিতিত এখন সভা অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে উক্ত কৰ্মশালাৰ সমন্বয়ক তথা তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী কন্যা বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক নবীন চন্দ্ৰ লহকৰে। সভাত সমল ব্যক্তি ড° ভীমপ্ৰসাদ শৰ্মা আৰু জয়ন্ত কুমাৰ বৰাই গণিতৰ কৰ্মশালাৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক বহুমূলীয়া পৰামৰ্শ আগবঢ়ায়। এনে ধৰণৰ কৰ্মশালাই ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতে গণিতৰ অলিম্পিয়াডত উত্তীৰ্ণ হোৱাৰ ক্ষেত্ৰত যথেষ্ট সহায়ক হ'ব বুলিও ড° শৰ্মা আৰু বৰাই কয়। সভাত তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° অৰূপ ৰয়কে ধৰি কে'বাগৰাকী অভিভাৱকে মূল্যৱান পৰামৰ্শ আগবঢ়ায়। ইয়াৰোপৰি কে'বাগৰাকী শিক্ষাৰ্থীয়ে কৰ্মশালাত অংশগ্ৰহণ কৰি গণিতৰ বিভিন্ন দিশৰ ভালেখিনি কথা খৰচি মাৰি জানিবলৈ সক্ষম হৈছে বুলি আৰু যথেষ্ট পৰিমাণে উপকৃত হোৱা বুলি মন্তব্য প্ৰকাশ কৰে। সভাপতিৰ ভাষণত ড° ৰামচৰণ ডেকাই অভিভাৱক আৰু শিক্ষাৰ্থীসকলে আগবঢ়োৱা পৰামৰ্শৰ ওপৰত ভিত্তি কৰি ভৱিষ্যতে অনুষ্ঠিত হ'ব লগা গণিতৰ কৰ্মশালাত বিশেষ পদক্ষেপ লোৱা হ'ব বুলি কোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি বহুমূলীয়া পৰামৰ্শ আগবঢ়ায়। শলাগৰ শৰাই আগবঢ়ায় গণিত শিক্ষায়তনৰ শোণিতপুৰ জিলা সমিতিৰ কোষাধ্যক্ষ শশী উপাধ্যায়ে।

## লাহৰীঘাটত এইবাৰ গো-মাংসৰ বিৰুদ্ধে আৰক্ষীৰ অভিযানত দুজনক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২২ জুলাই ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটৰ বৰবৰিৰ পৰা আজি দুজন গো-মাংস ব্যৱসায়ীক আটক কৰিবলৈ সক্ষম হয়। লাহৰীঘাট আৰক্ষীৰ থানা ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আমীৰ হুছেইনৰ নেতৃত্বত গোপন খবৰৰ ভিত্তিত যোৱা আৰক্ষীৰ দলটিয়ে থানাৰ অন্তৰ্গত বৰবৰি চাৰিআলিৰ পৰা গো-মাংসসহ বৰবৰি গাঁৱৰ ইছমাইল হুছেইন (৩২) আৰু দাঁতিয়ালবৰি গাঁৱৰ ওমৰ ফাৰুক (২২)ক হাতে-লোটে আটক কৰিবলৈ সক্ষম হয়। লোককেইজনে দীৰ্ঘদিনৰ পৰা এনে গো মাংসৰ ব্যৱসায় মুকলিভাৱে চলাই গৈছিল।

## গুজৰাটৰ মুৰ্গা জিৰা কোম্পানীৰ ব্ৰেণ্ড লগাই বৰপেটাৰোডত হুবহু নকল ব্ৰেণ্ডৰে ৰমৰমীয়া ব্যৱসায়
### ৰোহিদাস সাহাৰ বিৰুদ্ধে বৰপেটা ৰোড আৰক্ষী থানাত এজাহাৰ দাখিল

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটাৰোড, ২২ জুলাই ঃ** গুজৰাটৰ মুৰ্গা জিৰা কোম্পানীৰ ব্ৰেণ্ড লগাই বৰপেটাৰোডৰ ৰোহিদাস সাহা নামৰ এজন ধুৰন্ধৰ ব্যৱসায়ীয়ে দীৰ্ঘদিনৰে পৰা ৰমৰমীয়া ব্যৱসায় চলাই থকাৰ এক গুৰুতৰ অভিযোগ উত্থাপন হৈছে । গুজৰাটৰ আহমেদাবাদৰ মুৰ্গা জিৰা ব্ৰেণ্ড কোম্পানীৰ ৰবি পাণ্ডে নামৰ লোকজনে বৰপেটাৰোড আৰক্ষী থানাত বৰপেটাৰোডৰ ৰোহিদাস সাহাৰ বিৰুদ্ধে বুধবাৰে এখন এজাহাৰ দাখিল কৰিছে। বৰপেটাৰোডৰ এইগৰাকী ধুৰন্ধৰ তথা লম্পট ব্যৱসায়ী ৰোহিদাস সাহাই গুজৰাটৰ মুৰ্গা কোম্পানীৰ জিৰাৰ ডুপ্লিকেট পেকেটিং কৰি ৰমৰমীয়া ব্যৱসায় চলাই হোৱাহোৱে ধন ঘটি অহাৰ অভিযোগ তুলিছে গুজৰাটৰ মুৰ্গা জিৰা ব্ৰেণ্ডৰ লোকে। গুজৰাটৰ আহমেদাবাদৰ মুৰ্গা জিৰা ব্ৰেণ্ডৰ হুবহু নকল পেকেট বনাই বৰপেটাৰোডৰ লম্পট ব্যৱসায়ী ৰোহিদাস সাহাই অতি কম দিনৰ ভিতৰতে কোটি কোটি টকা উপাৰ্জন কৰাৰো অভিযোগ উত্থাপন হৈছে। ৰোহিদাস সাহাই অতি কম দিনৰ ভিতৰত কোটি কোটি টকাৰ গৰাকী হোৱাত বৰপেটাৰোডৰ সাধাৰণ লোকে ভাবিছিল ৰোহিদাস সাহাই 'আলাউদ্দিনৰ চাকি' পাইছে। কিন্তু ধুৰন্ধৰ তথা লম্পট ব্যৱসায়ী সাহাই যে গুজৰাটৰ মুৰ্গা জিৰা কোম্পানীৰ পেকেট নকল কৰি মুৰ্গা জিৰাৰ নকল পেকেটিং কৰি সেই ডুপ্লিকেট মুৰ্গা জিৰা বজাৰত বিক্ৰী কৰি অবৈধভাৱে ব্যাপক ধন ঘটি আহিছিল বুলি গুজৰাটৰ অৰিজিনেল মুৰ্গা জিৰা কোম্পানীৰ ৰবি পাণ্ডেই বৰপেটাৰোড থানাত দিয়া এজাহাৰৰ পাছতহে বৰপেটাৰোডৰ ৰাইজে উমান পালে এয়া কোন 'আলাউদ্দিনৰ চাকি'। ইপিনে গুজৰাটৰ মুৰ্গা জিৰা কোম্পানীৰ তৰফৰ পৰা অভিযুক্ত ৰোহিদাস সাহাৰ বিৰুদ্ধে তথ্য প্ৰমাণসহ বৰপেটাৰোড আৰক্ষীক এজাহাৰ দিয়াৰ পাছতো এই মুহূৰ্তলৈকে আৰক্ষীয়ে অভিযুক্তক কৰায়ত্ত কৰিবলৈ সক্ষম হোৱা নাই বুলি জানিব পৰা গৈছে। উল্লেখ্য যে গুজৰাটৰ মুৰ্গা জিৰা কোম্পানীৰ প্ৰকৃত গৰাকীয়ে বৰপেটাৰোড আৰক্ষী থানাত এই বিষয়ত এজাহাৰ দিয়াৰ পাছত বৰপেটাৰোড আৰক্ষীৰ থানাৰ অ'চি বিপুল কলিতাই তদন্ত কৰি ৰোহিদাস সাহাৰ দোকানৰ পৰা নকল মুৰ্গা জিৰাসহ পেকেট উদ্ধাৰ কৰে। কিন্তু ৰহস্যজনকভাৱে তদন্তকাৰী ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বিপুল কলিতাই মুৰ্গা জিৰাৰ আচল নকল সম্পৰ্কে তদন্ত কৰি থকাৰ সময়তে আৰক্ষী বিষয়া বিপুল কলিতাক বৰপেটাৰোড আৰক্ষীৰ থানাৰ পৰা অইন ঠাইলৈ বদলি কৰা বুলিও জানিব পৰা গৈছে। ইপিনে, গুজৰাটৰ মুৰ্গা ব্ৰাণ্ডৰ জিৰা নকল কৰি কৰি বজাৰত বিক্ৰী কৰি ৰমৰমীয়া ব্যৱসায় চলাই কোটি কোটি টকা ঘটা অভিযুক্ত ৰোহিদাস সাহাৰ পৰা সাংবাদিকে জানিবলৈ তেওঁৰ ব্যৱসায়িক প্ৰতিষ্ঠানলৈ যায় যদিও সাংবাদিকক প্ৰত্যক্ষ কৰি তেওঁ পলাই পত্ৰং দিয়ে। ইতিমধ্যে বৰপেটাৰোড আৰক্ষীয়ে এজাহাৰৰ ভিত্তিত এটা কেচ ৰুজু কৰি তদন্ত অব্যাহত আছে বুলি বৰপেটাৰোড আৰক্ষী বিষয়া বিপুল কলিতাই সাংবাদিকক জানিবলৈ দিয়ে।

### মেৰাপানীৰ চিচুপানী সমবায় সমিতিত এজেন্টৰ ব্যাপক অনিয়ম
## ৰেচনকাৰ্ড বনোৱা, আধাৰ কাৰ্ড লিংকৰ নামত হিতাধিকাৰীৰ পৰা ধন সংগ্ৰহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ২২ জুলাই ঃ** গোলাঘাট জিলাৰ খাদ্য-অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অধীনৰ চিচুপানী সমবায় সমিতিৰ অন্তৰ্গত ৮নং গোলকপুৰ ৱাৰ্ডত সুলভ মূল্যৰ দোকানত ৰেচন কাৰ্ড বনোৱা আৰু চৰকাৰী চাউল বিতৰণত ব্যাপক অনিয়মৰ অভিযোগ উঠিছে। অভিযোগ মতে, গোলকপুৰ ৱাৰ্ডৰ যোগেচী পথাৰ গাঁৱৰ সুলভ মূল্যৰ দোকানৰ এজেন্ট গিৰেন স্বৰ্গীয়াৰীয়ে হিতাধিকাৰীসকলৰ পৰা পৰিয়াল পৰিচয়-পত্ৰত নাম উঠোওৱা আৰু আধাৰ কাৰ্ডত লিংক কৰাৰ নামত হাজাৰ হাজাৰ টকা সংগ্ৰহ কৰিছে। যোগেচী পথাৰ গাঁৱৰ ৰেণু বসুমতাৰী নামৰ দৰিদ্ৰ পৰিয়ালৰ মহিলাগৰাকী বহিঃৰাজ্যত কাম কৰিবলৈ যাব লগা হোৱাত তেওঁৰ পুত্ৰ লাইজ্ঞা বসুমতাৰী আৰু বোৱাৰী চৰ্নম বসুমতাৰীৰ নামটো ৰেচন কাৰ্ডৰ অন্তৰ্ভুক্ত কৰিবলৈ গিৰেন স্বৰ্গীয়াৰীয়ে নগদ পোন্ধৰ শ টকা আদায় ল'লে। তেনেদৰে, অনন্ত দৈমাৰী আৰু নিমাই দৈমাৰীৰ বোৱাৰীয়েক ৰৈমনি খাখলাৰীৰ নামটো ৰেচন কাৰ্ডত অন্তৰ্ভুক্ত কৰিবলৈ নগদ এহাজাৰ টকা লোৱাৰ উপৰিও ৰিবানী দৈমাৰী নামৰ মহিলাগৰাকীৰ তিনিজন পুত্ৰ বহিঃৰাজ্যত থকাৰ বাবেই আধাৰ কাৰ্ড লিংক কৰাৰ নামত সমবায় দোকানৰ এজেন্টজনে নগদ চাৰিশ টকা আদায় কৰে বুলি মহিলাগৰাকীয়ে আক্ষেপ প্ৰকাশ কৰিছে। অন্যহাতে, সমবায় দোকানত ফিংগাৰ প্ৰিন্ট দিয়াৰ সময়তো এশ টকাকৈ আদায় দিব লাগে বুলি জানিবলৈ দিছে। ইয়াৰ বিপৰীতে প্ৰতিটো পৰিয়ালৰ প্ৰতিজন হিতাধিকাৰীৰ পৰা এজেন্টজনে এক কিলোগ্ৰামকৈ চাউল কৰ্তন কৰি তিনিজন হিতাধিকাৰীক পোন্ধৰ কিলোৰ পৰিৱৰ্তে ১৩ কিলোগ্ৰাম চাউলহে আদায় দিয়ে বুলিও হিতাধিকাৰীসকলে জানিবলৈ দিছে। পৰিতাপৰ বিষয় যে এই অভিযোগসমূহৰ বিষয়ে ৰাইজে, গোলাঘাট জিলাৰ খাদ্য অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগক লিখিত অভিযোগ দিছিল যদিও বিভাগটোৱে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰিলে বুলি হিতাধিকাৰীসকলে জানিবলৈ দিছে। ইফালে এই ক্ষেত্ৰত সাংবাদিকসকলে সমবায় এজেন্টজনৰ লগত যোগাযোগ কৰি এজেন্টজনৰ পৰা জানিব বিচৰাত এজেন্ট গিৰেন স্বৰ্গীয়াৰীয়ে, গোলাঘাটলৈ আহা-যোৱা কৰা আৰু যোগান বিভাগৰ অফিচত চাহ খোৱাৰ খৰচ দিবলগা হোৱাত এই টকা সংগ্ৰহ কৰিছোঁ বুলি অৱগত কৰে। এতিয়া প্ৰশ্ন হৈছে যে দেশৰ দৰিদ্ৰ জনসাধাৰণে দুবেলা দুমুঠি খাই জীয়াই থাকিবলৈ ভাৰত চৰকাৰে দেশত খাদ্য সুৰক্ষা আইন প্ৰণয়ন কৰি ৰাজহুৱাকৈ বিতৰণ কৰা এই চৰকাৰী চাউলকেইটাৰ হিতাধিকাৰী হ'বলৈও ইমান টকাৰ খৰচ কৰিব লগা হোৱা বিষয়টোৱে সচেতন ৰাইজৰ চকু কপালত তুলিছে। এই অসাধু এজেন্টজনৰ নামত থকা সুলভ মূল্যৰ দোকানখন কৰ্তন কৰি দৰিদ্ৰ হিতাধিকাৰীয়ে খাদ্য সুৰক্ষা আইনখন সঠিকভাৱে ৰূপায়ণ কৰিবলৈ গোলাঘাট জিলাৰ খাদ্য অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগক দাবী জনাইছে।

## দৰঙৰ টাংনী নদীত অবৈধ বালি খনন, ট্ৰেক্টৰ চালকৰ দৌৰাত্ম্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধূলা, ২২ জুলাই ঃ** দৰঙৰ টাংনী নদীৰ পৰা নিতৌ অব্যাহত আছে অবৈধভাৱে বালি খননকাৰ্য। বালি কঢ়িওৱা ডাম্পাৰ আৰু ট্ৰেক্টৰসমূহে সন্ত্ৰাসৰ সৃষ্টি কৰিছে বিভিন্ন গাঁৱত। অত্যধিক বোজাইৰে লোকনিৰ্মাণ বিভাগৰ পথসমূহত তীব্ৰ বেগেৰে গাড়ী চলোৱাত পথসমূহ বিধ্বস্ত কৰাৰ লগতে বিভিন্ন সময়ত বিভিন্ন ঠাইত সংঘটিত হৈ আহিছে সৰু-বৰ পথ দুৰ্ঘটনা। এই ক্ষেত্ৰত কাণসাৰ নাই বন বিভাগ তথা স্থানীয় আৰক্ষী প্ৰশাসনৰ। টাংনী নৈখনত দৈনিক শ শ ট্ৰেক্টৰে অবৈধভাৱে বালি খনন কৰাৰ ফলত নদীখনে বিভিন্ন গাঁৱত শ শ বিঘা কৃষি ভূমি ধ্বংস কৰাৰ লগতে উটুৱাই নিছে কে'বাটাও পৰিয়ালৰ ঘৰ-বাৰী। ভাঙিছে চৰকাৰী বিদ্যালয় আদি। দলগাঁও সমষ্টিৰ অন্তৰ্গত ১-২নং বৰুৱাঝাৰ, মোল্লাপাৰা, কুঁৱৰীপুখুৰী, নিজ বৰুৱাঝাৰ, ভোটপুখুৰী, নদীৰমুখ, ওজাগাঁও, আটাকাটা আদি গাঁৱত দিনে-নিশাই জেচিবি ট্ৰেক্টৰ আৰু ডাম্পাৰৰ দৌৰাত্ম্য অব্যাহত আছে। উল্লেখ্য যে নিজ বৰুৱাঝাৰ গাঁৱৰ মৃত লাল মিঞা হাজীৰ দুই পুত্ৰই বলপূৰ্বকভাৱে নিতৌ জেচিবি আৰু ট্ৰেক্টৰেৰে বালি খনন কাৰ্যত স্থানীয় ৰাইজে বাধা প্ৰদান কৰাত বিভিন্ন ভয়-ভাবুকি প্ৰদান কৰাৰ অভিযোগ উঠিছে। এই ক্ষেত্ৰত নীৰৱ ভূমিকা পালন কৰিছে বন বিভাগ তথা স্থানীয় আৰক্ষীয়ে। ট্ৰেক্টৰ চালক আৰু মালিকে টাংনী নদীৰ পৰা অবৈধভাৱে বালি খনন কৰি বিভিন্ন ঠাইত বিক্ৰী কৰি চলাই গৈছে ৰমৰমীয়া ব্যৱসায়। এই সন্দৰ্ভত অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ সভাপতি মফিদুল ইছলামে বন বিভাগক অভিযোগ দাখিল কৰি শীঘ্ৰে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।



## লখৰাত অগ্নিপথ আঁচনিৰ সন্দৰ্ভত সজাগতা সভা সম্পন্ন



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২২ জুলাই ঃ** কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা অগ্নিপথ আঁচনিখনৰ বিৰুদ্ধে দেশত প্ৰতিবাদ হৈ থকাৰ সময়তে কোনো কোনো ৰাজ্য শিক্ষিত নিবনুৱা যুৱক-যুৱতীসকলে সমৰ্থন কৰাও দেখা গৈছে। ইফালে, অগ্নিপথ আঁচনিৰ জৰিয়তে সেনাবাহিনীত যোগদান কৰিবলৈ একাংশ যুৱক- যুৱতীয়ে ইতিমধ্যে অনুশীলন আৰম্ভ কৰা দেখা গৈছে শোণিতপুৰ বিশ্বনাথ জিলাতো। ইফালে, এই বিতৰ্কিত কেন্দ্ৰীয় চৰকাৰৰ অগ্নিপথ আঁচনিখনৰ সন্দৰ্ভত শুকুৰবাৰে শোণিতপুৰ জিলাৰ লখৰা অসম ৰাইফলছৰ দ্বাৰা এক সজাগতা সভা অনুষ্ঠিত হয় লখৰা হাইস্কুল খনামুখত। অসম ৰাইফলছৰ বেটেলিয়ন আৰু মুখ্য কাৰ্যালয়ৰ অধীনত অসম ৰাইফলছৰ মহাপৰিদৰ্শক (পূব) ২১ খণ্ডই অসমৰ শোণিতপুৰ জিলাৰ লখৰা হাইস্কুল খনামুখৰ প্ৰায় ৬১গৰাকী স্থানীয় শিক্ষিত যুৱক-যুৱতীক এক গোট কৰি অগ্নিপথ আঁচনিখনৰ সন্দৰ্ভত বহলাই বাখ্যা আগবঢ়াই অসম ৰাইফলছ বিষয়বীয়াসকলে। এই সজাগতা সভাতে যুৱক-যুৱতীসকলক আঁচনিখনৰ লাভালাভ আৰু আঁচনিখনৰ সন্দৰ্ভত দেশত চলি থকা সমস্যাবোৰৰ লগতে যুৱকসকলৰ ভাবি থকা সন্দেহবোৰ স্পষ্টভাৱে প্ৰকাশ কৰে অসম ৰাইফলছে।

## মেৰাপানী সীমাত অব্যাহত চোৰাং গৰুৰ বেহা
### অতিৰিক্ত আৰক্ষী অধীক্ষকৰ নেতৃত্বত চোৰাং গৰু, বাহনসহ আটক ২

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ২২ জুলাই ঃ** মেৰাপানীত গোলাঘাটৰ অতিৰিক্ত আৰক্ষী অধীক্ষক অঞ্জন পণ্ডিতৰ নেতৃত্বত পুৱতি নিশা অভিযান চলাই চোৰাং গৰুভৰ্তি বাহনসহ এখন ছুইফ্‌ট ডিজায়াৰ আৰু দুই সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। মেৰাপানী আৰক্ষী থানাৰ অন্তৰ্গত মেৰাদলঙৰ সমীপত জব্দ চোৰাং গৰুভৰ্তি এএছ ০৩ এচি ৬২১৪ নম্বৰৰ টাটা ডি আই আৰু সৰবৰাহকাৰীয়ে ব্যৱহাৰ কৰা এ এছ-১৯ ডি ০৮৯০ ছুইফ্‌ট ডিজায়াৰ জব্দ কৰে। জব্দ কৰা ডি আই বাহনখনৰ পৰা আৰক্ষীয়ে এঘাৰটা চোৰাং গৰুৰ লগতে আচিক আহমেদ আৰু নেকিবুৰ আহমেদ নামৰ দুজন যুৱককো আটক কৰে। আটক কৰা দুই যুৱকক মেৰাপানী আৰক্ষীয়ে জে'ললৈ প্ৰেৰণ কৰিছে। উল্লেখ্য যে ৰাজ্যত গৰুৰ সৰবৰাহ চৰকাৰে নিষিদ্ধ কৰাৰ পাছতো মেৰাপানী সীমাৰ পৰা দৈনিক চুবুৰীয়া নাগালেণ্ডলৈ গৰুৰ চোৰাং বেহা অব্যাহত ৰাখিছে দুষ্ট চক্ৰই।

## মৰিগাঁও জিলা নাথ-যোগী সন্মিলনিৰ জৰুৰী কাৰ্যনিৰ্বাহক সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিগাঁও, ২২ জুলাই ঃ** বুধবাৰে দিনৰ ৩ বজাত মৰিগাঁও জিলাৰ গ্ৰাম্য পুথিভঁৰাল সন্থাৰ কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত মৰিগাঁও জিলাৰ নাথ-যোগী সন্মিলনিৰ সভাপতি সোমেশ্বৰ নাথৰ সভাপতিত্বত এখন জৰুৰী কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। সভাত ২৩ জুলাইত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ-ছাত্ৰী আৰু বিশেষ ব্যক্তিক সম্বৰ্ধনা অনুষ্ঠানটি বিশেষ প্ৰাকৃতিক পৰিৱেশৰ লগত পৰিস্থিতিৰ বুজি শীত-তাপ নিয়ন্ত্ৰিত প্ৰেক্ষাগৃহৰ বাবে মৰিগাঁও জিলাৰ পৰিতৰা হাট প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰিবলৈ সভাত প্ৰস্তাৱ গ্ৰহণ কৰে। এক প্ৰেছ বাৰ্তাযোগে সম্পাদক হেমন্ত কুমাৰ নাথে জনাইছে।

**SHORT QUOTATION NOTICE**

It is for general information to all concerned, that quotation will be received on 12/08/2022 up to 03:00 P.M. (IST) in the Office of the Divisional Forest Officer, Aie Valley Division, Bongaigaon for various items of work/ activities under Non Plan Scheme. The details of the work and terms and condition may obtain form the Office of the undersigned in any working day.

**Divisional Forest Officer**
**Aie Valley Division**
**Bongaigaon**

Janasanyog/C/6944/22

## প্ৰথম পৃষ্ঠাৰ পৰা—

## আইমী বৰুৱাৰ ছবি চেমখৰলৈ

পেট্ৰ (তামিল)এ শ্ৰেষ্ঠ বৈশিষ্ট্যপূৰ্ণ চলচ্চিত্ৰৰ সন্মান লাভ কৰে। অপৰ্ণা বালামুৰালী (সুৰাৰাই পোট্ৰ)য়ে শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা লাভ কৰে। '১২৩২ কিলোমিটাৰ মৰেংগে টু ৰাহি জাৰ্ঘ'ৰ বাবে বিশাল ভৰদ্বাজক শ্ৰেষ্ঠ সংগীত পৰিচালনাৰ বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে। অভিনেত্ৰী তথা পৰিচালক আইমী বৰুৱাৰ ছবি চেমখৰ শ্ৰেষ্ঠ ডিমাচা চলচ্চিত্ৰৰ বঁটা লাভ কৰাৰ বিপৰীতে নগাঁৱত পৰিচালক কৃপাল কলিতাৰ চলচ্চিত্ৰ ব্ৰিজে ফিচাৰ ফিল্ম শ্ৰেণীত শ্ৰেষ্ঠ অসমীয়া চলচ্চিত্ৰৰ বঁটা লাভ কৰে। খঞ্জন কিশোৰ নাথৰ কাৰ্বি ভাষাৰ চুটি ছবি কাচিচিনিথুৰ আৰু দীপ ভূঞা পৰিচালিত 'মানাহ আৰু মানুহ'লৈ শ্ৰেষ্ঠ পৰিৱেশমূলক ছবিৰ বঁটা প্ৰদান কৰা কৰিছে। শ্ৰেষ্ঠ পৰিচালক- চাচি, আয়াপ্পানুম কোশিয়ুম, শ্ৰেষ্ঠ জনপ্ৰিয় চলচ্চিত্ৰ স্বাস্থ্যকৰ মনোৰঞ্জন প্ৰদান- তানহাজী। শ্ৰেষ্ঠ অভিনেতা- সুৰাৰাই পোট্ৰুৰ বাবে সুৰিয়া আৰু তানহাজীৰ বাবে অজয় দেৱগণ।

শ্ৰেষ্ঠ অভিনেত্ৰী- অপৰ্ণা বালামুৰলী, সুৰাৰাই পোট্ৰ। শ্ৰেষ্ঠ সহঃ অভিনেতা- বিজু মেনন, আয়াপ্পানুম কোছিয়াম। শ্ৰেষ্ঠ সহঃ অভিনেত্ৰী- লক্ষ্মীপ্ৰিয়া চন্দ্ৰমৌলী, শিৱৰঞ্জিনিয়াম ইনাম চিলা পেংগালুম। শ্ৰেষ্ঠ চিত্ৰনাট্য- সুৰাৰাই পোট্ৰু, শালিনী উষা নায়াৰ আৰু সুধা কোংগাৰা। শ্ৰেষ্ঠ চিত্ৰনাট্য (সংলাপ লেখক)- মাডনে অশ্বিন, মেণ্ডেলা। শ্ৰেষ্ঠ সংগীত পৰিচালনা (গান)- আলা বৈকুণ্ঠপুৰমুলু, থামান এছ। শ্ৰেষ্ঠ সংগীত পৰিচালনা (পৃষ্ঠভূমি সংগীত)- সুৰাৰাই পোট্ৰু, জি ভি প্ৰকাশ। শ্ৰেষ্ঠ পুৰুষ প্লেবেক গায়ক- মি বসন্তৰাওৰ বাবে ৰাহুল দেশপাণ্ডে। শ্ৰেষ্ঠ মহিলা প্লেবেক গায়িকা- নানচাম্মা, আয়াপ্পানুম কোছিয়াম। শ্ৰেষ্ঠ গীত- চাইনা, মনোজ মুনতাশিৰ। শ্ৰেষ্ঠ অডিঅ'গ্ৰাফী (অৱস্থান ধ্বনি ৰেকৰ্ডিষ্ট)- জবিন জয়ন, ডলু। শ্ৰেষ্ঠ অডিঅ'গ্ৰাফী (ধ্বনি ডিজাইনাৰ)- আনমোল ভাৱে, মিঃ বসন্তৰাও। শ্ৰেষ্ঠ অডিঅ'গ্ৰাফী (চূড়ান্ত মিশ্ৰিত ট্ৰেকৰ পুনৰ-ৰেকৰ্ডবাদক)- মালিকৰ বাবে বিষ্ণু গোবিন্দ আৰু শ্ৰীশংকৰ। শ্ৰেষ্ঠ নৃত্য পৰিচালনা- সন্ধ্যা ৰাজু, নাটকম। শ্ৰেষ্ঠ চিনেমাটোগ্ৰাফী- অভিযাত্ৰিক, সুপ্ৰতীম ভোল। শ্ৰেষ্ঠ পোছাক ডিজাইন- নাচিকেত বাৰ্ভে আৰু মহেশ শেৰলা, তানহাজী। শ্ৰেষ্ঠ উৎপাদন ডিজাইন- আনিছ নাডোডি, কাপ্পেলা। শ্ৰেষ্ঠ সম্পাদনা- শ্ৰীকাৰ প্ৰসাদ, শিৱৰঞ্জিনিয়াম ইনাম চিলা পেংগালুম। শ্ৰেষ্ঠ মেক-আপ- টিভি ৰামবাবু, নাটিয়াম। শ্ৰেষ্ঠ চিত্ৰনাট্য- সুৰাৰাই পোট্ৰু, সুধা কংগাৰা আৰু মেণ্ডেলা, মাডনে অশ্বিন। শ্ৰেষ্ঠ ষ্টাণ্ট কৰিঅ'গ্ৰাফী- ৰাজশেখৰ, মাফিয়া শশী আৰু চুপ্ৰিম সুন্দৰ, আয়াপ্পানুম কোছিয়ুম। বিশেষ উল্লেখ- ছেমখৰৰ বাবে আইমী বৰুৱা, ভাংকু, জুন, অভৰক্ষিত আৰু গোদাকথৰ বাবে কিশোৰ কদম আৰু টুলিডাছ জুনিয়াৰৰ বাবে বৰুণ বুদ্ধদেৱ। শ্ৰেষ্ঠ হিন্দী চলচ্চিত্ৰ- টুলিডাছ জুনিয়াৰ। শ্ৰেষ্ঠ কানাড়া চলচ্চিত্ৰ- ডলু। শ্ৰেষ্ঠ মালয়ালম চলচ্চিত্ৰ- থিংকালাজচা নিশ্চয়াম। শ্ৰেষ্ঠ তামিল চলচ্চিত্ৰ- শিৱৰঞ্জিনিয়াম ইনাম চিলা পেংগালুম। শ্ৰেষ্ঠ তেলুগু চলচ্চিত্ৰ- ৰঙীণ ফটো। শ্ৰেষ্ঠ হাৰিয়ানভি চলচ্চিত্ৰ- দাদা লাখমী। শ্ৰেষ্ঠ ডিমাচা চলচ্চিত্ৰ- ছেমখৰ। শ্ৰেষ্ঠ টুলু চলচ্চিত্ৰ- জিতিগে। শ্ৰেষ্ঠ মাৰাঠী চলচ্চিত্ৰ- গোষ্টা একা পাইথানিচি। শ্ৰেষ্ঠ বাংলা চলচ্চিত্ৰ- অভিযাত্ৰিক। শ্ৰেষ্ঠ অসমী চলচ্চিত্ৰ- দলং।

শ্ৰেষ্ঠ শিশু শিল্পী- টাক-টাকৰ বাবে অনীশ মংগেশ গোছাভি। শ্ৰেষ্ঠ শিশু চলচ্চিত্ৰ- চুমি। পৰিৱেশ সংৰক্ষণৰ ওপৰত শ্ৰেষ্ঠ চলচ্চিত্ৰ- তালেণ্ডা। সামাজিক সমস্যাৰ ওপৰত শ্ৰেষ্ঠ চলচ্চিত্ৰ- ফিউনেৰেল। এজন পৰিচালকৰ শ্ৰেষ্ঠ আত্মপ্ৰকাশ চলচ্চিত্ৰৰ বাবে ইন্দিৰা গান্ধী বঁটা- মেণ্ডেলা। অ-ফিচাৰ ফিল্ম। শ্ৰেষ্ঠ অ-বৈশিষ্ট্যপূৰ্ণ চলচ্চিত্ৰ- আম্লাৰ সাক্ষ্য। শ্ৰেষ্ঠ পৰিৱেশ চলচ্চিত্ৰ- মানাহ আৰু মানুহ। পাৰিবাৰিক মূল্যবোধৰ ওপৰত শ্ৰেষ্ঠ চলচ্চিত্ৰ- কুকুমাৰচান। শ্ৰেষ্ঠ চুটি কল্পকাহিনী চলচ্চিত্ৰ- কাচিচিনিথু। শ্ৰেষ্ঠ অনুসন্ধানমূলক চলচ্চিত্ৰ- দ্য ছেভিয়েৰ- ব্ৰিগেডিয়াৰ প্ৰীতম সিং। শ্ৰেষ্ঠ প্ৰচাৰমূলক চলচ্চিত্ৰ- ছাৰ্মিউটিং প্ৰতাপুৰ। শ্ৰেষ্ঠ বিজ্ঞান আৰু প্ৰযুক্তি চলচ্চিত্ৰ- অন দ্য ব্ৰিংক ছিজন-২ বেটচ।

শ্ৰেষ্ঠ অন্বেষণ চলচ্চিত্ৰ- ৱহীলিং দ্য বল। শ্ৰেষ্ঠ কলা আৰু সংস্কৃতি চলচ্চিত্ৰ- নাদাদা নাভানিতা ডি আৰ পিটি ভেংকটেশ কুমাৰ। শ্ৰেষ্ঠ জীৱনীমূলক চলচ্চিত্ৰ- পাবুং চিয়াম। শ্ৰেষ্ঠ নৃতাত্ত্বিক চলচ্চিত্ৰ- মণ্ডল কে বোল। শ্ৰেষ্ঠ আত্মপ্ৰকাশ এজন পৰিচালকৰ অ-বৈশিষ্ট্যপূৰ্ণ চলচ্চিত্ৰ- পাৰিয়া। শ্ৰেষ্ঠ নিৰ্দেশনা- ওহ সেইটো ভানু, আৰ ভি ৰমণী। শ্ৰেষ্ঠ চিনেমাটোগ্ৰাফী- শাবদিক্কুণা কলাপ্পা, নিখিল এছ প্ৰবীণ। শ্ৰেষ্ঠ অডিঅ'গ্ৰাফী- মকভূমিৰ মুক্তা, অজিত সিং ৰাথোৰ।

শ্ৰেষ্ঠ সংগীত নিৰ্দেশনা- ১২৩২ কিমিঃ মাৰেংগে তো ৰাহিন জাকাৰ, বিশাল ভৰদ্বাজ। শ্ৰেষ্ঠ সম্পাদনা- বৰ্ডাৰলেণ্ডছ, অনাদি আথালি। বিশেষ জুৰী বঁটা- স্বীকৃত, ওজাছছই শৰ্মা। চলচ্চিত্ৰ বিষয়ক শ্ৰেষ্ঠ কিতাপ (বিশেষ উল্লেখ)- সূৰ্য দেওৰ দ্বাৰা এম টি অনুনাচাক্কালুডে পুস্তকাম, অনুপ ৰামকৃষ্ণন আৰু কালী পেইন কালিৰা চিনেমা। শ্ৰেষ্ঠ চলচ্চিত্ৰ সমালোচক- এই বছৰ কোনো বিজয়ী নাই। সৰ্বাধিক চলচ্চিত্ৰ বন্ধুত্বপূৰ্ণ ৰাজ্য- মধ্য প্ৰদেশ। উল্লেখ্য, ৬৮সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা নিৰ্বাচক সমিতিত অধ্যক্ষ বিপুল শাহৰ উপৰি জুৰী সদস্যসকল ক্ৰমে চিত্ৰগ্ৰহণকাৰী ধৰম গুলাটি, ৰাষ্ট্ৰীয় বঁটা বিজয়ী বঙালী অভিনেতা শ্ৰীলেখা মুখাৰ্জী, চিত্ৰগ্ৰহণকাৰী জি এছ ভাস্কৰ, এ কাৰ্তিকৰাজা, ভি এন আদিত্য, ভিজি থাম্পী, সঞ্জীৱ ৰতন, এছ থাংগাদুৰাই আৰু নিশিগান্ধা আদি ব্যক্তিসকল আছে।

## বনৰীয়া হাতীয়ে এটা

ছাত্ৰ সন্থাৰ (আছু) বামুণজুলি আঞ্চলিক সমিতিৰ সভাপতি শিৱদত্ত তাঁতীৰ লগতে বামুণজুলিবাসী ৰাইজে। হাতী-মানুহৰ সংঘাত নিবাৰণ কৰিবলৈ চৰকাৰী বা বেচৰকাৰীভাৱে ইতিমধ্যে গছপুলি ৰোপণ, সজাগতা সভা, কাঁইটীয়া তাঁৰৰ ব্যৱস্থা কৰা হৈছে যদিও খাদ্যৰ অভাৱত জনাঞ্চললৈ বন্যহস্তী আহি মানুহ মাৰে, ধাননিপথাৰ তহিলং কৰে, বস্তি-ঘৰ বিধ্বস্ত কৰে। যাৰ ফলত মানুহৰ হাতত হাতী নিধন হয়। বিদ্যুৎস্পৃষ্ট হৈ নতুবা খাদ্যত বিষক্ৰিয়া হৈ হাতী নিধন হোৱাৰ খবৰো পোৱা যায়। যুগ যুগ ধৰি চলি অহা হাতী-মানুহৰ সংঘাত কোনো নিবাৰ্য কৰিব সেয়া হৈছে কোটিটকীয়া প্ৰশ্ন।

## প্ৰণৱ শৰ্মা নামৰ এজনক হানি

উত্তেজিত ৰাইজে হত্যাকাৰী নিবেদন শৰ্মাৰ ঘৰ ঘেৰাও কৰে। পিছত ঘটনাস্থলীত টিহু আৰক্ষী উপস্থিত হৈ হত্যাকাৰী নিবেদন শৰ্মাক আটক কৰে। উল্লেখ্য যে হত্যাকাৰী নিবেদন শৰ্মাই পূৰ্বেও এজন লোকক হত্যাৰ চেষ্টা চলাই কিছুদিন আত্মগোপন কৰি আছিল বুলিও জানিব পৰা গৈছে। আনহাতে, হত্যাকাৰী নিবেদন শৰ্মাই প্ৰতিদিনে হাতত চোকা অস্ত্ৰ লৈ বিভিন্নজনক ভয়-ভাবুৰি দি অহাৰো স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰে। ৰং মিস্ত্ৰী হিচাপে কাম কৰি পৰিয়াল পোহপাল দিয়া প্ৰণৱ শৰ্মাৰ মৃত্যুত মাতৃ, পত্নী, পুত্ৰসহ পৰিয়ালটো শোকত ভাগি পৰিছে। আৰক্ষীয়ে নিহত প্ৰণৱ শৰ্মাৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে নলবাৰী শ্বহীদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। নিহত প্ৰণৱ শৰ্মাৰ পৰিয়াল আৰু স্থানীয় ৰাইজে হত্যাকাৰী নিবেদন শৰ্মাক উচিত শাস্তি দিবলৈ দাবী জনাইছে।

## হাজোত জাপানীজ

চিকিৎসালয় ভৰ্তি কৰোৱা হৈছিল যদিও পৰৱৰ্তী পৰ্যায়ত উন্নত চিকিৎসাৰ বাবে আমিনগাঁৱৰ জিএনআৰচি হাস্পতালত ভৰ্তি কৰোৱা হয়। পৰ্যায় ক্ৰমে মহিলাগৰাকীৰ স্বাস্থ্যৰ অৱস্থা গুৰুতৰ হোৱাত আজি মহিলাগৰাকীৰ মৃত্যু হয়। যাৰ বাবে অঞ্চলজুৰি এক আতংকময় পৰিৱেশে বিৰাজ কৰিছে। মৃত মহিলাগৰাকীৰ নাম নলিনী দাস। বয়স ৬০ বছৰ। মৃত্যুৰ সময়ত তেওঁ স্বামী, পুত্ৰ-বোৱাৰীসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায়।

## চিবিএছই দশম, দ্বাদশ শ্ৰেণীৰ

চিবিএছইৰ দ্বাদশ শ্ৰেণীৰ পৰীক্ষা অনুষ্ঠিত হৈছিল। cbse.gov.in ৱেবছাইটত ফলাফল উপলব্ধ হৈছে। জানিব পৰা মতে, চলিত বছৰত পঞ্জীয়নভুক্ত শিক্ষাৰ্থীৰ সংখ্যা আছিল ১৪,৪৪৩,৪২গৰাকী, উত্তীৰ্ণ হয় ১৪,৩৫,৩৬৬গৰাকী। ইয়াৰে উত্তীৰ্ণ হয় ১৩,৩০,৬৬২জন। শ্ৰেণীত উত্তীৰ্ণৰ হাৰ ৯২.৭১ শতাংশ। কেন্দ্ৰীয় মাধ্যমিক শিক্ষা বৰ্ডৰ দশম শ্ৰেণীৰ ফলাফল ঘোষণা কৰিছে। ইয়াৰ পূৰ্বে আজি পুৱা দ্বাদশ শ্ৰেণীৰ ফলাফলো ঘোষণা কৰিছে। চিবিএছইৰ দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে নিজৰ ফলাফল অফিচিয়েল ৱেবছাইট cbse.nic.in আৰু results.cbse.gov.inত চাব পাৰিব। ইয়াৰ লগতে দশম শ্ৰেণীৰ ফলাফল ডিজিলকাৰ আৰু উমাংগ এপতো লাভ কৰিব। উল্লেখ্য যে এই বছৰ পৰীক্ষাত ২১,০৯,২০৮গৰাকী শিক্ষাৰ্থীয়ে ৰেজিষ্ট্ৰেচন কৰাইছিল। ইয়াৰ ভিতৰত ২০,৯৩,৯৭৮গৰাকী শিক্ষাৰ্থীয়ে পৰীক্ষাত অবতীৰ্ণ হৈছিল। ১৯,৭৬,৬৬৮ গৰাকী শিক্ষাৰ্থী উত্তীৰ্ণ হৈছে এই পৰীক্ষাত। উত্তীৰ্ণৰ হাৰ ৯৪.৪০ শতাংশ। দশম শ্ৰেণীৰ পৰীক্ষাত পুনৰ এবাৰ চমক দিলে ছাত্ৰীয়ে। ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ ৯৫.২১ শতাংশ, ছাত্ৰৰ উত্তীৰ্ণৰ হাৰ ৯৩.৮০ শতাংশ।

## সাংবিধানিক মুৰব্বীৰ আসনত

৮৪ বছৰীয়া সিন্‌হাই এটা আদৰ্শৰ সপক্ষে বিবেক ভোটৰ আহ্বান জনাইছিল। পিছে ৰাজনীতিত বিবেক ভোটৰ পৰিভাষা যে সলনি হৈছে সেয়া বিগত সময়ৰ বহু নিৰ্বাচনত আন ধৰণৰ কাম কাজৰ কথা-বাৰ্তাই উদঙাই আহিছে। সিন্‌হাই ওঠৰ বিৰোধী দলৰ বাহিৰৰ পৰাও ভোট আশা কৰাৰ সময়তে নিজ পক্ষৰ এনচিপি, কংগ্ৰেছ, সমাজবাদী পাৰ্টীৰ একাংশ জনপ্ৰতিনিধিয়ে শাসক দলৰ প্ৰাৰ্থীক ভোট দিয়া বুলি উঠা অভিযোগ বিৰোধী ঐক্যৰ বাবেই হতাশজনক বিষয়। লগতে এনডিএৰ বাহিৰত থকা সকলোবোৰ দলক ৰাষ্ট্ৰপতি নিৰ্বাচনত একত্ৰিত কৰিব নোৱৰাটোও বিৰোধীৰ প্ৰধান দুৰ্বলতাৰূপে বিবেচিত হৈছে। শেহতীয়াকৈ শিৰোমণি আকালি দল, শিৱসেনা, বিজেডি, বিএছপি, জে এমএমৰ দৰে আঞ্চলিক দলে এনডিএৰ প্ৰাৰ্থী মুৰ্মুক সমৰ্থন দিয়াত তেওঁৰ বিজয় সুনিশ্চিত হৈ পৰে। ৰাষ্ট্ৰপতি নিৰ্বাচনতে বিৰোধীৰ ঐক্যবদ্ধতাহীনে কেৱল তেওঁলোকক ক্ষতিগ্ৰস্ত কৰিছে এনে নহয় অহা উপ-ৰাষ্ট্ৰপতি নিৰ্বাচন আৰু ২০২৪ ৰ লোকসভা নিৰ্বাচনতো ইয়াৰ প্ৰভাৱ নিশ্চয় পৰিব।

যি কি নহওক প্ৰতিভা দেৱী সিং পাটিলৰ পিছত দ্বিতীয়গৰাকী মহিলা ভাৰতৰ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱাটো দেশখনৰ বাবে এক গৌৰৱোজ্জ্বল ঐতিহাসিক ঘটনা আৰু তেওঁ পঞ্চদশগৰাকী ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱা প্ৰথমগৰাকী জনজাতীয় ৰাষ্ট্ৰপতি। দেশৰ ভিতৰত আটাইতকৈ পিছপৰা জনগোষ্ঠী হ'ল জনজাতিসকল। ওড়িশাৰ এখন ভিতৰুৱা গাঁৱত জন্মগ্ৰহণ কৰা মুৰ্মুক ৰাষ্ট্ৰপতি পদৰ বাবে মনোনীত কৰি শাসক দল বিজেপিয়ে দেশৰ পিছপৰা সম্প্ৰদায় তথা জনজাতীয় লোকসকলৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিলে বুলি ক'ব পাৰি। নিৰ্বাচনৰ পূৰ্বে শাসক দলৰ নেতাসকলে দল-মত নিৰ্বিশেষে তেওঁক সকলোৰে সমৰ্থন জনাব লাগে বুলি ব্যাপক প্ৰচাৰ চলাইছিল। জনজাতীয় চিনাকি প্ৰচাৰে স্কুল শিক্ষয়িত্ৰী, সহকাৰী অধ্যাপিকা, চৰকাৰী বিভাগৰ কৰ্মচাৰী হোৱাৰ পৰা ৰাজনৈতিক ক্ষেত্ৰখনতো পঞ্চায়তৰ কাউন্সিলৰ, বিধায়ক, মন্ত্ৰীৰ পৰা ৰাজ্যপালৰ দায়িত্বও সুখ্যাতিৰে চম্ভালা ৬৪ বছৰীয়া অভিজ্ঞতাপুষ্ট, বিচক্ষণা মহিলাগৰাকীৰ অনন্য জীৱন সংগ্ৰামৰ কথা যেন তল পৰি ৰৈছিল। শেষত দেশৰ সাংবিধানিক মুৰব্বীৰ আসনৰ বাবে নিৰ্বাচিত হৈ মুৰ্মুৱে কেৱল এটা সম্প্ৰদায়কে গৌৰৱান্বিত কৰা নাই, ওড়িশাৰ অখ্যাত গাঁৱৰ চাৰপাঞ্চুৰ কন্যাও এদিন দেশৰ সৰ্বোচ্চ আসনৰ নেত্ৰী হ'ব পৰা ভাৰতৰ গণতন্ত্ৰৰ মহত্বও পুনৰ প্ৰতিষ্ঠা কৰিলে। শাসক মৰ্চা এনডিএৰ প্ৰাৰ্থী হিচাপে নিৰ্বাচিত কৰাটোৱেই আছিল এক গুৰুত্বপূৰ্ণ ঐতিহাসিক সিদ্ধান্ত। কিন্তু বিৰোধী দলসমূহ ঐক্যবদ্ধ হ'ব নোৱৰা বাবেই অৱশেষত যশৱন্ত সিন্‌হা জয়ৰ পৰা বঞ্চিত হ'বলগীয়া হ'ল। সিন্‌হা জয়ী হোৱা হ'লে হয়তো দেশখনে এগৰাকী অতি শক্তিশালী, নিৰ্ভীক আৰু ব্যতিক্ৰমী ৰাষ্ট্ৰপতি লাভ কৰিলেহেঁতেন। অৱশ্যে ভাৰতৰ ৰাষ্ট্ৰপতিগৰাকীক ৰাবাৰ ষ্টাম্প বুলি সমালোচনা কৰা দেখা যায়। সিন্‌হা হয়তো এনে পৰম্পৰাৰ উৰ্ধ্বলৈ গ'লহেঁতেন। অৱশ্যে এগৰাকী সৰল, নিকা ব্যক্তিত্বৰ অধিকাৰী মুৰ্মুৱে ভাৰতৰ গণতন্ত্ৰৰ গৌৰৱ বিশ্বৰ আগত দাঙি ধৰিব তাত কোনো সন্দেহ নাই। যি সময়ত ভাৰতৰ গণতন্ত্ৰৰ ভাবমূৰ্তি দুৰ্বল হৈ পৰা বুলি দেশে-বিদেশে চৰ্চিত হৈছে, ধৰ্মৰ নামত বিভাজন আৰু অসহিষ্ণুতা বৃদ্ধি পোৱা বুলি আৰু দলিত, জনজাতীয় আদি দুৰ্বল শ্ৰেণীসমূহ বৈষম্য তথা উৎপীড়নৰ বলি হৈছে বুলি অভিযোগ উত্থাপন কৰা হৈছে, সেই সময়ত এগৰাকী জনজাতীয় মহিলাৰ দেশৰ সৰ্বোচ্চ পদ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱাটো নিশ্চয় এক গতিশীল, ঐতিহাসিক আৰু সুদূৰপ্ৰসাৰী সিদ্ধান্ত। নক'লেও হ'ব যে জনজাতীয় মহিলা ৰাজনীতিক দ্ৰৌপদী মুৰ্মুক প্ৰাৰ্থিত্ব প্ৰদানৰ সৈতে বিজেপিৰ দুৰদৰ্শী ৰাজনৈতিক অংক জড়িত হৈ আছে। মুদ্ৰাস্ফীতি, মূল্যবৃদ্ধি, সংস্থানহীনতা তথা বিপন্ন অৰ্থনীতিয়ে দেশবাসীক অৱজ্ঞা কৰাৰ লগতে সাম্প্ৰদায়িক কাম-কাজে বিতুষ্ট কৰা জনসাধাৰণৰ ওচৰত বিজেপিৰ ভাবমূৰ্তি উদ্ধাৰৰ বাবে এনে অৱস্থাত গেৰুৱা দলটোক সহায় কৰিবৰ বাবে চিন্তা-চৰ্চাৰ প্ৰয়োজন হৈছিল। এই বছৰৰ শেষৰ ফালে অনুষ্ঠিত হ'বলগীয়া গুজৰাটৰ নিৰ্বাচন, অহা বছৰৰ ৰাজস্থান আৰু টেলেংগানাৰ লগত আন কেইবাখনো ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচনৰ লগতে ২০২৪ চনৰ লোকসভাৰ নিৰ্বাচনৰ অংকৰেই বিজেপিয়ে সু-পৰিকল্পিত কল্পনাৰ পদক্ষেপ লৈছে। ইয়াৰ বিপৰীতে বিৰোধীয়ে প্ৰয়োজনীয় বিচক্ষণতা প্ৰদৰ্শন কৰিব নোৱৰাত হৈ যোৱা নিৰ্বাচনবোৰত ব্যৰ্থতাৰহে পৰিচয় প্ৰকাশ কৰি আহিছে। উল্লেখ্য যে দেশৰ ৰাষ্ট্ৰপতিৰ পদটো অলংকাৰিক হ'লেও পদটিত অধিষ্ঠিতজনৰ ব্যক্তিত্বই ইয়াৰ গৰিমা বৃদ্ধি কৰে। দেশৰ আভ্যন্তৰীণ কোনো গুৰুত্বপূৰ্ণ বিষয়ত নাইবা ৰাজনৈতিক সংকটৰ সময়ত ৰাষ্ট্ৰপতিগৰাকী দেশৰ প্ৰধান মুখপাত্ৰ। সেয়েহে তেওঁ এগৰাকী ব্যক্তিত্বশালী, প্ৰজ্ঞাশীল ব্যক্তি হিচাপে দেশৰ বাবেই গৌৰৱৰ কথা। দ্ৰৌপদী মুৰ্মুই নিশ্চয় দেশবাসীৰ প্ৰত্যাশা পূৰণ কৰিব পাৰিব। কোনো সম্প্ৰদায়ৰে নহয় সকলো সম্প্ৰদায়ৰে মহিলা সবলীকৰণৰ প্ৰতীক হওক। সকলোৰে আশা-ভৰসা লাভ কৰিব পৰাকৈ দেশক নেতৃত্ব দিয়ক। দেশৰ পঞ্চদশ ৰাষ্ট্ৰপতি নিৰ্বাচিত হোৱাৰ বাবে দ্ৰৌপদী মুৰ্মুলৈ আমিও আন্তৰিত অভিনন্দন আৰু শুভকামনা জ্ঞাপন কৰিলোঁ।

## মটৰচাইকেলৰ মুখামুখি

সংঘৰ্ষ হোৱাত এজন মটৰচাইকেল আৰোহীৰ থিতাতে মৃত্যু হয় আৰু আনজন আৰোহী গুৰুতৰভাৱে আহত হয়। জানিব পৰা মতে তামাৰহাট থানাৰ অন্তৰ্গত তালোৱা গাঁৱৰ বাসিন্দা আব্দুল ছায়েদ শ্বেখ আৰু একেখন গাঁৱৰে বাসিন্দা নাছিৰ শ্বেখে যোৱানিশা এ এছ-১৭ কে-৪৩০৮ নম্বৰৰ মটৰচাইকেলেৰে গ্ৰাহামপুৰৰ পৰা প্ৰস্তাৱিত ১২৭ (বি) ৰাষ্ট্ৰীয় ঘাইপথেৰে তামাৰহাট অভিমুখে আহি আছিল। অহাৰ পথত বিপৰীত দিশৰ পৰা তীব্ৰ বেগেৰে গৈ থকা এ এছ-১৬ চি-৬৮৭৩ নম্বৰৰ বিবাহ যাত্ৰী কঢ়িওৱা বাছখনৰ লগত মুছলমানপাৰা গাঁৱত মুখামুখি সংঘৰ্ষ হয়। ফলত বাইকখনত থকা আব্দুল ছায়েদ শ্বেখ নামৰ ব্যক্তিগৰাকী ঘটনাস্থলীতে নিহত হয় আৰু নাছিৰ শ্বেখ নামৰ আনজন ব্যক্তি গুৰুতৰভাৱে আহত হয়। ঘটনাৰ খবৰ পাই স্থানীয় ৰাইজ আৰু তামাৰহাট থানাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ গুৰুতৰভাৱে আহত নাছিৰ শ্বেখক উদ্ধাৰ কৰি তামাৰহাট প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত চিকিৎসাৰ বাবে ভৰ্তি কৰায় যদিও প্ৰাথমিক চিকিৎসাৰ অন্তত উন্নত চিকিৎসাৰ বাবে নাছিৰক ধুবুৰী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। আনহাতে, আৰক্ষীয়ে ছায়েদ শ্বেখৰ মৃতদেহ নিশাৰ ভিতৰতে তামাৰহাট থানালৈ নিয়ে আৰু আজি মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে ধুবুৰীৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। আনহাতে, দুৰ্ঘটনা সংঘটিত কৰি পলাবলৈ চেষ্টা কৰা বাছখন স্থানীয় ৰাইজ আৰু গাঁওৰক্ষী বাহিনীয়ে ঘটনাস্থলীৰ পৰা কিছু দূৰত আটক কৰি তামাৰহাট থানাৰ আৰক্ষীক চমজাই দিয়ে।

## যোগীঘোপাত চোৰাং কাঠ

অন্তৰ্গত জৈৱ-বৈচিত্ৰ্যৰে ভৰপূৰ যোগীঘোপাৰ ঐতিহাসিক অশোক কাগজ কলত দীৰ্ঘদিন ধৰি বন ধ্বংস যজ্ঞ অব্যাহত আছে। অশোক কাগজ কলৰ সংৰক্ষিত আৱাসিক এলেকাত চোৰাং কাঠ বেপাৰীয়ে প্ৰতি নিশাই এফালৰ পৰা মূল্যৱান গছসমূহ কাটি তহিলং কৰিছে। অভিযোগ মতে, অশোক কাগজ কলটোৰ চোৰা-চিতাৰ দায়িত্বত থকা ৰক্ষকে এতিয়া ভক্ষকৰ ৰূপত পৰিণত হৈছে। যাৰ ফলত ধ্বংসস্তূপত পৰিণত হৈছে কাগজ কলটো। কলটোৰ চোৰা-চিতাৰ দায়িত্বত থকা বিষয়া আৰু নিৰাপত্তাৰক্ষীৰ সৈতে গোপন মিতিৰালি গঢ়ি চোৰাং কাঠ বেপাৰীয়ে কলটোৰ সংৰক্ষিত আৱাসিক এলেকাৰ বনজ সম্পদ এফালৰ পৰা ধ্বংসযজ্ঞ চলাইছে। জানিব পৰা মতে কাগজ কলটোৰ সংৰক্ষিত আৱাসিক এলেকাত প্ৰতি নিশাই প্ৰায় ২৫/৩০জনীয়া চোৰাং কাঠ বেপাৰীৰ এটা দলে চোকা অস্ত্ৰ লৈ নিৰ্বিঘ্নে ভিতৰত প্ৰৱেশ কৰে। চোৰাং কাঠ বেপাৰীৰ দলটোৱে ভিতৰত প্ৰৱেশ কৰি অতি পুৰণি বিশাল প্ৰকৃতিৰ মূল্যৱান শাল গছসমূহ এফালৰ পৰা কাটি লৈ গৈছে। চোৰাং বেপাৰীয়ে নিশা উক্ত স্থানতে গছ কাটি কুণ্ডা বনাই লৈ যোৱাৰ লগতে আন কিছু গছ আধা কাটি ৰাখে। যাতে চোৰাং কাঠ বেপাৰীয়ে আধা কটা গছসমূহ পিছৰ দিনা অতি কম সময়ৰ ভিতৰতে কাটি লৈ যাব পাৰে। প্ৰায় অৰ্ধশতাধিক বৃহৎ আকাৰৰ গছ কাটি ইতিমধ্যে লৈ যায় চোৰাং কাঠ বেপাৰীয়ে। জনা মতে, চোৰাং কাঠ বেপাৰীয়ে গছৰ কুণ্ডাসমূহ পূৰ্বৰ পৰাই অশোক কাগজ কলৰ চাৰিসীমাৰ বাহিৰত ৰৈ থকা টাটা মবাইল গাড়ীৰে তথা ওচৰৰে বৈ যোৱা নৈখনেদি নাৱেৰে বিভিন্ন অঞ্চললৈ নিয়ে। জানিব পৰা মতে, চোৰাং কাঠৰ বেপাৰীয়ে অবৈধ কাঠফলা কল স্থাপন কৰি তাতেই শাল গছৰ কুণ্ডাবোৰ নি কাঠ বনাই মুকলিকৈ বিক্ৰী কৰি আহিছে। কাগজ কলটোৰ আৱাসিক এলেকাত চলা চোৰাং কাঠৰ এই ব্যৱসায়ত কাগজ কলটোৰ দাঁতিকাষৰীয়া একাংশ লোক জড়িত থকাৰ অভিযোগ উত্থাপিত হৈছে। নিশা কলটোৰ চাৰিওফালে নিৰাপত্তাৰক্ষী আছে যদিও শুই থাকিয়ে দিন পাৰ কৰিছে। অভিযোগ মতে, কাগজ কলটোৰ চোৰা-চিতাৰ দায়িত্বত থকা মুখ্য এগৰাকী বিষয়াৰ লগতে একাংশ নিৰাপত্তাৰক্ষীয়ে ধনৰ লোভত চোৰাং কাঠ বেপাৰীক নিৰ্বিঘ্নে মূল্যৱান শাল গছসমূহ কাটিবলৈ হাত উজান দিছে। জনা মতে, চোৰাং কাঠ বেপাৰীয়ে গছৰ কুণ্ডাসমূহ গাড়ীৰে এফ চি আই বজাৰৰ সমীপতে থকা কাবাইটাৰী খণ্ড বন বিষয়া কাৰ্যালয়ৰ সন্মুখৰে সৰবৰাহ অব্যাহত ৰাখিছে। এইসমূহ বিষয়ত বন বিভাগৰ বিষয়া-কৰ্মী অৱগত যদিও এইক্ষেত্ৰত নীৰৱ ভূমিকা গ্ৰহণ কৰা বুলি অভিযোগ উত্থাপিত হৈছে। এনেদৰে প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ কলটোৰ আৱাসিক এলেকাত প্ৰতি নিশাই চোৰাং কাঠ বেপাৰীয়ে এফালৰ পৰা মূল্যৱান শাল গছসমূহ কাটি টহিলং কৰিছে। দীৰ্ঘদিনৰ পৰা কাগজ কলটোত চোৰাং কাঠ বেপাৰীয়ে অব্যাহত ৰখা শাল গছ ধ্বংসযজ্ঞ ৰোধৰ ক্ষেত্ৰত অশোক কাগজ কলৰ উচ্চ বিষয়া, বন বিভাগ আৰু জিলা প্ৰশাসনক ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে স্থানীয় ৰাইজে।

## ভুৱা খবৰ প্ৰচাৰ কৰা

তথ্য-প্ৰযুক্তি আইন, ২০০০ৰ ধাৰা ৬৯ এ-ৰ অধীনত এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰে। ঠাকুৰে কয় যে ইণ্টাৰনেটত ভুৱা বাতৰি প্ৰচাৰ কৰি দেশৰ সাৰ্বভৌমত্বৰ বিৰুদ্ধে কাম কৰা এনে মাধ্যমসমূহৰ বিৰুদ্ধে চৰকাৰে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। এনে পদক্ষেপৰ উদ্দেশ্যে ২০২০ চনৰ ৩১ মাৰ্চত ক'ভিড-১৯ সম্পৰ্কে প্ৰচাৰ হৈ থকা ভুৱা বাতৰিৰ পৰীক্ষা কৰিবলৈ প্ৰেছ ইনফৰ্মেচন ব্যুৰোৰ (পিআইবি) তথ্য পৰীক্ষা গোটৰ অধীনত এক নতুন গোট গঠন কৰা হৈছিল বুলি তেওঁ সদৰী কৰে। ঠাকুৰে দাখিল কৰা তথ্য অনুসৰি নতুনকৈ গঠিত এই গোটটোৱে ক'ভিড-১৯ সন্দৰ্ভত উত্থাপিত প্ৰশ্নকে ধৰি বিভিন্ন বিষয়ত ৩৪,১২৫টা কাৰ্যকৰী প্ৰশ্নৰ উত্তৰ দিছে। উল্লেখ্য যে যোৱা বৰ্ষৰ ডিচেম্বৰ মাহত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়ে প্ৰথমবাৰৰ বাবে পাকিস্তানৰ পৰা কাম কৰি থকা ২০টা ইউটিউব চেনেল আৰু দুটা ৱেবছাইট বন্ধ কৰাৰ নিৰ্দেশনা জাৰি কৰিছিল। অৱশ্যে কেন্দ্ৰীয় চৰকাৰৰ এই পদক্ষেপৰ ওপৰত আন এক প্ৰশ্নও উত্থাপিত হৈছে। বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰে ২০১৪ চনত শাসনত অধিষ্ঠিত হোৱাৰ পিছত বিজেপিৰ আই টি ছেলৰ লগতে দলটোৰ একাংশ সমৰ্থকে ব্যাপকভাৱে ভুৱা খবৰ প্ৰচাৰ কৰি আহিছে। কেৱল বিজেপিৰ কৰ্মী বা সমৰ্থকেই নহয়, দেশৰ মূলসুঁতিৰ সংবাদ মাধ্যমসমূহেও প্ৰত্যক্ষভাৱে চৰকাৰৰ সমৰ্থনত নানা অপপ্ৰচাৰত লিপ্ত হোৱাৰ কেতবোৰ নজিৰ আছে। কিন্তু এইসমূহৰ বিৰুদ্ধে অভিযোগ উত্থাপন হোৱাৰ পিছতো চৰকাৰে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰাত হোঁহকা-পিছলা কৰা দেখিবলৈ পোৱা গৈছে। সেয়েহে অপপ্ৰচাৰ তথা ভুৱা খবৰৰ ব্যাপক প্ৰচাৰত নাকী লগাবলৈ চৰকাৰে পক্ষপাতহীন নীতি গ্ৰহণ কৰা উচিত বুলি দাবী উত্থাপন হৈছে।

## তেজপুৰৰ বৰপক্ষীয়াঝাৰ

লাভৰ মুখ। অঞ্চলটোৰ কৃষকসকলে খেতিপথাৰত ধান ৰুলেও নিৰ্ভৰ কৰিব লাগে বতৰৰ ওপৰত। লহপহকৈ বাঢ়ি অহা শালি খেতিত ছিৰাল ফাঁটৰ বাবেই খেতি নষ্ট হোৱাৰ উপক্ৰম হৈছে। তেতিয়াৰ পৰাই অঞ্চলটোৰ কৃষকসকলে পোৱা নাই চৰকাৰী সুবিধা। জলসিঞ্চনৰ ব্যৱস্থা নথকাৰ বাবেই কৃষকসকলে বিজ্ঞানসন্মতভাৱে খেতিপথাৰত খেতি কৰিব পৰা নাই। চৰকাৰৰ প্ৰতি কৃষকৰ দাবী— অঞ্চলটোত স্থাপন হওক এখন পানী যোগান আঁচনি।

## অৰুণাচলত দুৰ্ঘটনাত মৃত্যু ৪

পথেৰে যোৱাৰ পিছৰে পৰা তেওঁলোকৰ কোনো বাতৰি লাভ কৰা নাছিল যুৱককেইজনৰ পৰিয়ালৰ লোকে। ১৯ জুলাইত পৰিয়ালৰ লোকৰ লগত ফোনত কথা পতাৰ পিছৰে পৰা তেওঁলোকৰ কোনো বাতৰি লাভ কৰা নাছিল পৰিয়ালৰ লোকে। উপায়ান্তৰ হৈ কালি বেদান্ত আৰু নয়নজ্যোতিৰ পৰিয়ালৰ লোকে নগাঁও সদৰ থানাত দুই যুৱক সন্ধানহীন হোৱা সন্দৰ্ভত এজাহাৰ দাখিল কৰে। অৱশেষত আজি পুৱা আহিল এই দুঃসংবাদটো। প্ৰাপ্ত খবৰ মতে অৰুণাচলৰ জিৰ'ৰ সমীপৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ২০০ ফুট তলত যুৱককেইজনৰ মৃতদেহৰ লগতে তেওঁলোকে ব্যৱহাৰ কৰা ভগছ ৱাগন প'ল' বাহনখন একাংশ লোকে প্ৰত্যক্ষ কৰে। ঘন কুঁৱলীৰ বাবেই ভয়ংকৰ দুৰ্ঘটনাটো সংঘটিত হোৱা বুলি জানিব পৰা গৈছে। পথৰ পৰা দুশ ফুট তলত পৰা যুৱককেইজনৰ মৃতদেহৰ লগতে বাহনখন উদ্ধাৰৰ বাবে আজি পুৱা এন ডি আৰ এফ বাহিনীয়ে অভিযান চলায়। আনহাতে, বাইক ৰাইডাৰ্ছ হিচাপে প্ৰায়ে অৰুণাচললৈ যোৱা নগাঁও চহৰৰ লাওখোৱা ৰোডৰ বেদান্ত পৰিয়ালৰ একমাত্ৰ সন্তান আছিল। সৰুৰে পৰা এগৰাকী মেধাৱী ছাত্ৰ হিচাপে পৰিচিত বেদান্তই অভিযান্ত্ৰিকতাৰ পাঠ্যক্ৰম সম্পূৰ্ণ কৰিছিল। আনহাতে, বঢ়মপুৰ কন্দলীৰ বৰকছাৰী গাঁৱৰ নয়নজ্যোতি বসুমতাৰীও ঘৰৰ একমাত্ৰ ল'ৰা। আমায়িক স্বভাৱৰ নয়নজ্যোতি কঠীয়াতলীৰ এখন ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ শিক্ষক হিচাপে কৰ্মৰত হৈ আছিল। দুয়োগৰাকী যুৱকৰ মৃত্যুৰ বাতৰিয়ে নগাঁও চহৰ আৰু কন্দলী অঞ্চলৰ ৰাইজক শোকস্তব্ধ কৰি তুলিছে।

## বৰকলাত পিতৃয়ে হত্যা

চামচেৰ সিং। ঘটনাস্থলীত বৰ্তমান ৰহা আৰক্ষী উপস্থিত হৈ সমগ্ৰ ঘটনা তদন্ত কৰাৰ লগতে হত্যাকাৰী পিতৃক আটক কৰিছে। সম্প্ৰতি হত্যাকাৰী পিতৃক ৰহা আৰক্ষীৰ জিম্মাত ৰখা হৈছে বুলি জানিব পৰা গৈছে।

## তেজৰ নুমুনা পৰীক্ষাৰ বাবে

অহা এই চিকিৎসালয়খন এতিয়া বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত হোৱাত ৰোগীসকলৰ মাজত ভীষণ সমস্যাই দেখা দিছে। এটি সাধাৰণ তেজৰ নুমুনা পৰীক্ষা কৰিবলৈ হ'লেও এতিয়া ৰোগীসকলে যাবলগীয়া হয় ব্যক্তিগত পৰীক্ষাগাৰলৈ। একোৱে পৰীক্ষা নহয় এই চিকিৎসালয়খনত। মধুমেহ, ইউৰিন, ডেংগু, টাইফয়েড ফিভাৰ আদি সৰু সৰু পৰীক্ষাসমূহৰ বাবেও ৰোগীয়ে যাবলগীয়া হয় অন্য ব্যক্তিগত পৰীক্ষাগাৰলৈ। যিটো সময়ত অসম চৰকাৰৰ স্বাস্থ্য বিভাগটোৱে গ্ৰাম্য চিকিৎসালয়সমূহত ৰোগীসকলক বিভিন্ন ধৰণে বিনামূলীয়া চিকিৎসা প্ৰদান কৰি অহাৰ কথা বিজ্ঞাপনযোগে প্ৰচাৰ কৰি আহিছে, সেই সময়ত কিন্তু এই চিকিৎসালয়খনত এই সকলোবোৰ ফুটুকাৰ ফেনত পৰিণত হৈছে। শাসকীয় দলৰ বিধায়ক থকাৰ পিছতো পূৰ্বৰ তুলনাত এই চিকিৎসালয়খনৰ বৰ্তমান এনে দুৰৱস্থা দেখি সচেতন ৰাইজে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। চিকিৎসালয়খনত যি এখন এম্বুলেঞ্চ আছিল সেইখনো এতিয়া বছৰ বছৰ ধৰি পৰি থকাত সেইখনো উঁৱলি গৈছে। ইয়াৰ উপৰি পূৰ্বতে এই চিকিৎসালয়খনত গৰ্ভপাত কৰোৱাৰ ব্যৱস্থা আছিল যদিও সেয়াও প্ৰায় দুবছৰ ধৰি বন্ধ হৈ আছে। ইয়াৰ বাবে অনা সা-সৰাঞ্জমসমূহো অন্য চিকিৎসালয়লৈ স্থানান্তিৰত কৰিছে। ইয়াৰ উপৰি হিনলেব ব্যৱস্থাটো ইয়াৰ পৰা উঠাই নিয়াত এতিয়া দৰিদ্ৰ ৰোগীসকলে পৰীক্ষাৰ বাবে হাহাকাৰ কৰিবলগীয়া হৈছে। এই ব্যৱস্থাটোৰ দ্বাৰা পূৰ্বতে ৰোগীসকলে বিনামূলীয়াকৈ সকলো পৰীক্ষা কৰাৰ সুবিধা লাভ কৰিছিল। ইফালে এক্স-ৰে ব্যৱস্থাৰো তথৈবচ অৱস্থা। চিকিৎসালয়খনৰ চৌহদ এতিয়া হাবি-জংঘলে আৱৰি ধৰিছে। এইক্ষেত্ৰত দায়িত্বত থকা উপ-অধীক্ষক আৰু মহকুমা চিকিৎসা বিষয়া দুগৰাকীও দায়ী। বছৰ বছৰ ধৰি চিকিৎসালয়খনৰ আন্তঃ গাঁথনিৰ বাবে লাখ লাখ টকা আবণ্টন হৈ আহিছে যদিও এই টকাবোৰ কাৰ জেপত সোমাই তাক লৈও প্ৰশ্ন উত্থাপন হৈছে। ইফালে এন এইচ্ এমৰ গাণনিক বিষয়াগৰাকীয়েও জোৰা-টাপলি মাৰি কামবোৰ কৰাৰ ফলতে এতিয়া চিকিৎসালয়খনত ন্যূনতম অভাৱসমূহো পূৰণ নহয় বুলি চিকিৎসালয়খনৰ কৰ্মৰত একাংশ কৰ্মচাৰীয়ে অভিযোগ কৰিছে। এইগৰাকী গাণনিক বিষয়াই বছৰ বছৰ ধৰি একেখন টেবুলতে খামোচ মাৰি ধৰি থকাত প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে স্থানীয় ৰাইজে। শীঘ্ৰে এই সমস্যাসমূহ দূৰ কৰি এখন পূৰ্ণাংগ চিকিৎসালয় গঢ়ি তোলাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক দাবী জনাইছে।

## কাহিলীপাৰাত টিউটৰ শিক্ষক

শিক্ষকসকলে ৯ দফীয়া দাবীৰ সমৰ্থনত আজি এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে বুলি জানিবলৈ দিয়ে। (১) প্ৰাদেশীকৃত শিক্ষক (টিউটৰ)সকলক শিক্ষকৰ মৰ্যাদা প্ৰদান কৰা, (২) স্ব-আধাৰ (SELF BASE) বিদ্যালয়সমূহক পূৰ্ণাংগ বিদ্যালয় হিচাপে গঢ়ি তোলাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলকো সকলো ধৰণৰ সা-সুবিধা প্ৰদান কৰা, (৩) ৫ ফেব্ৰুৱাৰী ২০২১ তাৰিখত তদানীন্তন শিক্ষামন্ত্ৰীয়ে ঘোষণা কৰা ১০ লাখ টকাৰ গ্ৰেছুইটী প্ৰদান কৰা, (৪) প্ৰাদেশিকীকৰণ আইন অনুসৰি বিদ্যালয়ৰ প্ৰধানসকলক 'প্ৰধান শিক্ষক'ৰ মৰ্যাদা প্ৰদান কৰা, (৫) প্ৰাদেশিকীকৰণ আইন অনুসৰি চকীদাৰৰ পদসমূহ প্ৰাদেশিকীকৰণ কৰা, (৬) বাদ পৰা শিক্ষকসকলৰ পদ প্ৰাদেশিকীকৰণ কৰা, (৭) প্ৰাদেশীকৃত শিক্ষক (টিউটৰ)সকলক অন্যান্য শিক্ষকসকলৰ সমহাৰত দৰমহা দিয়াৰ ব্যৱস্থা কৰা, (৮) প্ৰাদেশীকৃত শিক্ষক (টিউটৰ)সকলৰ পেন্সনৰ ব্যৱস্থা কৰা, (৯) বিনা-বেতনে অৱসৰ বা মৃত্যু হোৱা শিক্ষকসকলৰ পৰিয়ালক এককালীন অৰ্থ সাহায্য প্ৰদান কৰা আদি দাবীসমূহ অনতিবিলম্বে পূৰণ কৰিবলৈ চৰকাৰলৈ দাবী উত্থাপন কৰে। অন্যথা অনাগত দিনত সংস্থাটোৱে জংগী গণতান্ত্ৰিক আন্দোলন অব্যাহত ৰাখিব বুলি সকীয়াই দিয়ে।

## ৰাষ্ট্ৰপতি হিচাবে কেনে সুবিধা

এই প্ৰাসাদত আছে ৩৪০টা কোঠা। প্ৰায় ২০০জন লোক ৰাষ্ট্ৰপতি ভৱনৰ কৰ্মত নিয়োজিত হৈ আছে। মন কৰিবলগীয়া যে, ৰাষ্ট্ৰপতিৰ বাসগৃহ, কৰ্মচাৰী, অতিথি আৰু খাদ্য আদিয়ে বছৰি প্ৰায় ২ কোটি ২৫ লাখ ব্যয় কৰে। আজীৱন সুবিধা ঃ ভাৰতৰ ৰাষ্ট্ৰপতিয়ে বিনামূলীয়া চিকিৎসা আৰু থকাৰ ব্যৱস্থা লাভ কৰে। নিৰাপত্তা ঃ ভাৰতৰ ৰাষ্ট্ৰপতি কাষ্টম-বিল্ট ব্লেক মাৰ্ছিডিজ বেঞ্জ পুলমেন গাৰ্ডৰ সুৰক্ষা দিয়া হয়। চৰকাৰী ভ্ৰমণৰ বাবে অস্ত্ৰৰে সজ্জিত এখন দীঘল লিমুজিন বাহনো ৰাষ্ট্ৰপতিৰ সুৰক্ষাৰ বাবে সদা তৎপৰ। লগতে ৰাষ্ট্ৰপতিৰ কাৰাভানত আছে ২৫খন বাহন। তদুপৰি ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে থাকে ৮৬জন দেহৰক্ষী। অৱসৰৰ পিছৰ সুবিধা ঃ অৱসৰৰ পিছত ৰাষ্ট্ৰপতিগৰাকীয়ে পেন্সন হিচাপে প্ৰতিমাহে লাভ কৰে ১.৫ লাখ। লগতে মাহে ৬০ হাজাৰ টকা ষ্টাফৰ বাবে ব্যয় কৰিবলৈ সুকীয়াকৈ প্ৰদান কৰা হয়। এটা বিনামূলীয়া বাংলো আজীৱন লাভ কৰিব। দুটা বিনামূলীয়া লেণ্ডলাইন আৰু এটা মোবাইল ফোন। ৰে'ল বা বিমানেৰে কোনো সতীৰ্থৰ সৈতে বিনামূলীয়া ভ্ৰমণ আৰু আজীৱন বিনামূলীয়া বাহনৰ সুবিধা। দিল্লী আৰক্ষীৰ নিৰাপত্তা আৰু ২জন সচিব। এনেবোৰ সুবিধাৰ উপৰি আন ভালেমান সুবিধা ৰাষ্ট্ৰপতিয়ে লাভ কৰি আহিছে।

## বকতা-খালৈঘোগুৱাত সপ্তদশ বাৰ্ষিক কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠান আৰু ড° হৰেন্দ্ৰ ফুকন সোঁৱৰণী কুইজ প্ৰতিযোগিতাৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২২ জুলাই ঃ** বকতা-খালৈঘোগুৱা সাংস্কৃতিক আৰু জনকল্যাণ সমিতিৰ উদ্যোগত নঙলামৰা-নেমুগুৰি শাখা সমিতি, বকতা গোহাঁই গাঁও আৰু নেমুগুৰিবাসীৰ সহযোগত ২৪ জুলাইত নেমুগুৰি থানাৰ সমীপৰ বকতা কোঁৱৰটিং ৰাজহুৱা প্ৰেক্ষাগৃহত সপ্তদশ বাৰ্ষিক কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠান আৰু ড° হৰেন্দ্ৰ ফুকন সোঁৱৰণী কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। বিগত দুটা বৰ্ষ ক'ভিডকালীন পৰিস্থিতিৰ বাবে এই অনুষ্ঠানটো কৰিব পৰা নাছিল। বকতা আৰু খালৈঘোগুৱা মৌজা দুটাৰ অধীনস্থ ২০২২ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ তিনি শতাধিক মেধাৱী ছাত্ৰ-ছাত্ৰীক গ্ৰন্থৰ টোপোলা আৰু মানপত্ৰৰে অভিনন্দন জ্ঞাপন কৰিব। ইয়াৰে অভাৱগ্ৰস্ত পৰিয়ালৰ মেধাৱী ছাত্ৰ-ছাত্ৰীক গ্ৰন্থৰ টোপোলা, মানপত্ৰৰ লগতে আৰ্থিক সাহায্য প্ৰদান কৰিব বুলি বকতা-খালৈঘোগুৱা সাংস্কৃতিক আৰু জনকল্যাণ সমিতিৰ সভাপতি অতুল বৰুৱা আৰু মুখ্য সম্পাদক ডাঃ ৰূপম কুমাৰ বৰুৱাই জনাইছে। তদুপৰি পঞ্চদশ বাৰ্ষিক ড° হৰেন্দ্ৰ ফুকন সোঁৱৰণী কুইজ প্ৰতিযোগিতাৰ প্ৰথম শ্ৰেষ্ঠ বিজয়ী দলক ড° হৰেন্দ্ৰ ফুকন সোঁৱৰণী চলন্ত বঁটাৰ লগতে নগদ ধন প্ৰদান কৰিব। কুইজৰ প্ৰথম পুৰস্কাৰ ৫০০০ টকা, দ্বিতীয় পুৰস্কাৰ ৪০০০ টকা আৰু তৃতীয় পুৰস্কাৰ ৩০০০ টকা প্ৰদান কৰা হ'ব। দিনৰ ১১.৩০ বজাত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জ্ঞাপন কৰাৰ লগতে আৰ্থিক সাহায্য আৰু কুইজ প্ৰতিযোগিতাত বিজয়ী দলক পুৰস্কাৰসমূহ প্ৰদান কৰিব। উক্ত অনুষ্ঠানতে চাৰিজন বিশেষ ব্যক্তিক সমিতিৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰিব।

## তামুলপুৰত চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত উত্তাল প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২২ জুলাই ঃ** ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধ্যক্ষ ছোনিয়া গান্ধীক ই ডিৰ চমন জাৰি কৰি হাৰশাস্তি কৰাৰ অভিযোগত সমগ্ৰ অসম জুৰি অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ আহ্বানত আজি বাক্সা জিলা কংগ্ৰেছ কমিটীৰ উদ্যোগত তামুলপুৰত তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বাক্সা জিলাৰ বৰমা, গোৰেশ্বৰ, নাগ্ৰীজুলি, তামুলপুৰ আদি বিভিন্ন ঠাইৰ পৰা আহি তামুলপুৰ ৰাজীৱ ভৱনত সমৱেত হোৱা কংগ্ৰেছ কৰ্মীসকলে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সম্পাদকত্ৰয় উমেশ ডেকা, চাজিয়া বেগম, নুৰুল ইছলামৰ নেতৃত্বত তামুলপুৰ থানাৰ সন্মুখৰ পৰা উলিওৱা প্ৰতিবাদী সমদল চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত উপস্থিত হৈ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে বিজেপি চৰকাৰ হায় হায়, গণতন্ত্ৰ ৰক্ষা কৰক, ই ডিৰ ষড়যন্ত্ৰ বন্ধ কৰক, বিজেপি মুৰ্দাবাদ আদি শ্ল'গানেৰে তামুলপুৰ চক্ৰ বিষয়াৰ কাৰ্যালয় চৌহদত উত্তাল কৰি তোলে। ইয়াৰ পিছতে তামুলপুৰ ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে ভাৰতৰ ৰাষ্ট্ৰপতিলৈ এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰে প্ৰতিবাদী কংগ্ৰেছ কৰ্মীসকলে। আজি এই প্ৰতিবাদী কাৰ্যসূচীত বাক্সা জিলা কংগ্ৰেছৰ উপ-সভাপতি খলিলুৰ ৰহমান, কনক বসুমতাৰী, ৰমেশ বড়ো, নাগ্ৰীজুলি ব্লক কংগ্ৰেছ কমিটীৰ সভাপতি বীৰেন চক্ৰৱৰ্তী, বৰমা ব্লকৰ উৰ্মিলা দাস, হিৰেন মেধিকে ধৰি বহুসংখ্যক কৰ্মকৰ্তাই অংশগ্ৰহণ কৰে।

## শ্ৰীলংকাৰ নতুন প্ৰধানমন্ত্ৰী

সংসদৰ জ্যেষ্ঠ সদস্যগৰাকীয়ে শপতগ্ৰহণ কৰে। কলম্বোৰ ফ্লাৱাৰ ৰোডৰ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ত দীনেশ গুণাবৰ্ধনে শপতগ্ৰহণ কৰে। ইয়াৰ পূৰ্বে তেওঁ শ্ৰীলংকাৰ গৃহমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ৰাষ্ট্ৰপতি ৰনিল বিক্ৰমসিংহেই আজি এখন নতুন কেবিনেট গঠন কৰিব। প্ৰধানমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰা দীনেশ গুণাবৰ্ধনে দেশৰ প্ৰাক্তন ৰাষ্ট্ৰপতি গোটাবায়া ৰাজপাক্ষে আৰু প্ৰভাৱশালী ৰাজপাক্ষে পৰিয়ালৰ সহযোগী বুলি বহু সংবাদ মাধ্যমে দাবী কৰিছে। শ্ৰীলংকাৰ নতুন ৰাষ্ট্ৰপতি ৰনিল বিক্ৰমসিংহে তেওঁৰ স্কুলীয়া সতীৰ্থ দীনেশ গুণাবৰ্ধনেক দেশৰ প্ৰধানমন্ত্ৰী হিচাপে নিযুক্তি দিছে। গুণাবৰ্ধনে নিজেই এটা বিশিষ্ট ৰাজনৈতিক পৰিয়ালৰ সদস্য। ১৯৪৮ চনত ব্ৰিটেইনৰ পৰা স্বাধীনতা লাভ কৰাৰ পিছত শ্ৰীলংকাই সাম্প্ৰতিক সময়ত ইয়াৰ আটাইতকৈ বেয়া অৰ্থনৈতিক সংকটৰ সন্মুখীন হৈছে। ৰনিল বিক্ৰমসিংহে বুধবাৰে দেশৰ সংসদত ১৩৪টা ভোট লাভ কৰি শ্ৰীলংকাৰ নতুন ৰাষ্ট্ৰপতি নিৰ্বাচিত হয়। তেওঁৰ প্ৰতিদ্বন্দ্বী দুল্লাচ আলাহাপেৰুমাই ৮২টা ভোট আৰু অনুৰা কুমাৰে ৩টা ভোট লাভ কৰিছিল। ৰাষ্ট্ৰপতি নিৰ্বাচনত ২২৩জন সাংসদে ভোট দান কৰিছিল। অৱশ্যে দুজন সাংসদে ভোটদানৰ পৰা বিৰত থাকে। চাৰিটা ভোট বাতিল বুলি গণ্য কৰা হৈছিল আৰু বৈধ ভোটৰ সংখ্যা আছিল ২১৯টা। ইয়াৰ পূৰ্বে যোৱা ১৪ জুলাইত গোটাবায়া ৰাজপাক্ষে ছিংগাপুৰলৈ পলাই গৈ তেওঁৰ পদত্যাগ-পত্ৰ প্ৰেৰণ কৰাৰ পিছত পদটো খালী হৈ পৰিছিল। ইপিনে শ্ৰীলংকাত আজিও জনতাই ৰুদ্ৰ ৰূপ ধাৰণ কৰিয়েই আছে।

## ছোনীয়া গান্ধীক ইডিৰ জেৰাৰ

আনহাতে সভাপতি ভূপেন বৰাক সমালোচনা কৰি কবিতা লিখাত মানুহতকৈ গৌৰৱ গগৈকে সভাপতিৰ পদ দিয়া উচিত বুলি বিধায়ক কৰিমউদ্দিন বৰভূঞাই কৰা মন্তব্যৰ সন্দৰ্ভত 'ঠিকেই আছে ধন্যবাদ বুলি বিষয়টো এৰাই চলি কয় যে, চৰকাৰ গঠনৰ পূৰ্বে দুৰ্নীতি অভিযোগ উত্থাপিত এচাম লোকক এইখন চৰকাৰে ফুলাম গামোছা পিন্ধাই বৰঞ্চ আদৰিহে আনিলে বুলি মন্তব্য কৰে। কেৱল ইমানেই নহয়, মূল্যবৃদ্ধি, নিবনুৱা সমস্যা, চৰকাৰী আঁচনি সন্দৰ্ভতো মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনক সমালোচনা কৰে। আনহাতে বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই ক্ৰছ ভোটিং সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি নিজ দলত গাড্ডাৰ থকা কথা স্বীকাৰ কৰাৰ লগতে কংগ্ৰেছ দলত প্ৰায়ে সৃষ্টি হোৱা বিসম্বাদ সন্দৰ্ভত সাম্প্ৰতিক সময়ত বিজেপি চৰকাৰে বিৰোধী ভূমিকাক নস্যাৎ কৰিব খোজাতো সুস্থ গণতন্ত্ৰ নহয় বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। উল্লেখ্য যে, আজি কংগ্ৰেছৰ সভানেত্ৰী ছোনিয়া গান্ধীক তদন্তৰ নামত হাৰাশাস্তি কৰা অভিযোগ কৰি শোণিতপুৰ জিলা কংগ্ৰেছৰ আহ্বানমৰ্মে তেজপুৰত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ ভূপেন বৰাৰ নেতৃত্বত এক বিশাল প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সভাপতি গৰাকীৰ নেতৃত্বত শোণিতপুৰ জিলা কংগ্ৰেছৰ কাৰ্যালয় পৰা উপায়ুক্ত কাৰ্যালয় অভিমুখে উলিওৱা এই প্ৰতিবাদী সমদলত অংশগ্ৰহণ কৰে ক্ৰমে - বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, উপঃদলপতি ৰকিবুল হুছেইন, কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন শিকদাৰ আৰু ৰাণা গোস্বামী, বিধায়ক ৰেকিবুদ্দিন আহমেদ আৰু বসন্ত দাস, জ্যেষ্ঠ উপঃসভাপতি দিজেন শৰ্মা, প্ৰশাসনিক সাধাৰণ সম্পাদক অপূৰ্ব কুমাৰ ভট্টাচাৰ্য আদিয়ে।

## লক্ষীপুৰত বন্য হস্তীৰ আক্ৰমণত

যে যোৱানিশা প্ৰায় আঢ়ৈ মান বজাত বৃহৎ এজাক বনৰীয়া হাতীয়ে লক্ষীপুৰ আঞ্চলিক বন বিভাগৰ কাৰ্যালয়ৰ পৰা মাত্ৰ এক কিলোমিটাৰ মান আঁতৰত থকা নিদানপুৰ গৰোপাৰাত তীব্ৰ উপদ্ৰৱ চলায়। গাঁওখনৰ কেইবাটাও পৰিয়ালৰ ঘৰ-দুৱাৰ ভাঙি টহিলং কৰাৰ লগতে গাঁওখনৰ নিজাম উদ্দিন আৰু ছানে হাজং নামৰ দুজন লোক বন্যহস্তীৰ আক্ৰমণত মৃত্যু ঘটে। উল্লেখ্য যে লক্ষীপুৰ আঞ্চলিক বন বিভাগৰ দাঁতি-কাষৰীয়া গ্ৰামাঞ্চলত বিগত দিনত বন্যহস্তীৰ আক্ৰমণত ১২জনৰো অধিক লোকৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। বিগত দিনত লক্ষীপুৰ আঞ্চলিক বনাঞ্চলৰ দাঁতি-কাষৰীয়া গ্ৰামাঞ্চলত মানুহৰ ঘৰ-দুৱাৰ ভাঙি খেতি-বাতি, ধান-চাউল খাই বিস্তৰ ক্ষতি সাধন কৰি আহিছে। প্ৰায় পঞ্চাশটামান হাতী থকা জাকটোৱে দীৰ্ঘ বছৰৰ পৰা এনেদৰে এখনৰ পিছত আনখন গাঁৱত সোমাই তীব্ৰভাৱে চলাই আহিছে উপদ্ৰৱ। প্ৰতি নিশা পহৰা দি উজাগৰে কটাই আহিবলগীয়া হৈছে লক্ষীপুৰ আঞ্চলিক বন বিভাগৰ দাঁতি-কাষৰীয়া গ্ৰামাঞ্চলবাসী। এনে উপদ্ৰৱৰ পৰা পৰিত্ৰাণ পোৱাৰ ব্যৱস্থা ল'বলৈ গোৱালপাৰা জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে দাবী জনাই আহিছে। গোৱালপাৰা জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সাধাৰণ সম্পাদক মণি শংকৰ গয়াৰীয়ে লক্ষীপুৰত এজনৰ পিছত এজনকৈ লোক বন্যহস্তীৰ আক্ৰমণত মৃত্যু হোৱা ঘটনাত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। বিগত দিনত বন্যহস্তীৰ জাকটোৱে লক্ষীপুৰ আঞ্চলিক বন বিভাগৰ দাঁতি-কাষৰীয়া গ্ৰামাঞ্চলত চলাই অহা উপদ্ৰৱৰ পৰা ৰক্ষা কৰাৰ বাবে এক বিজ্ঞানসন্মত ব্যৱস্থা ল'বলৈ, বন্যহস্তীৰ আক্ৰমণত মৃত্যু হোৱা লোকক আৰু ক্ষতিগ্ৰস্তসকলক উপযুক্ত ক্ষতিপূৰণ দিবলৈ গোৱালপাৰা জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে দাবী জনাই আহিছে যদিও লক্ষীপুৰ আঞ্চলিক বন বিভাগে এনে দাবীৰ প্ৰতি কোনো গুৰুত্ব নিদিয়া বুলি অভিযোগ কৰিছে। ৰাইজে বন্যহস্তীৰ জাকটোৰ এনে উপদ্ৰৱৰ পৰা পৰিত্ৰাণ পোৱাৰ ব্যৱস্থা ল'বলৈ দাবী জনাইছে।

# ৰাষ্ট্ৰীয় শিক্ষা নীতি আৰু বিদ্যালয় প্ৰাদেশীকৰণক লৈ বৰপেটাত মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ মন্তব্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ২২ জুলাইঃ** শুকুৰবাৰে বৰপেটাত উপস্থিত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু। উপস্থিত হৈ বৰপেটা জিলা প্ৰশাসনৰ লগত বানত বিধ্বস্ত হোৱা পৰিয়ালসমূহৰ ক্ষয়-ক্ষতিৰ পৰ্যালোচনা কৰে। বৰপেটাত উপস্থিত হৈ ৰাষ্ট্ৰীয় শিক্ষানীতি প্ৰাদেশীকৰণ সন্দৰ্ভত কেতবোৰ গুৰুত্বপূৰ্ণ মন্তব্য প্ৰকাশ কৰে। বিদ্যালয় প্ৰাদেশিকীকৰণ আইনখনক সংশোধনৰ কোনো প্ৰস্তাৱ নাই ৰাজ্য চৰকাৰৰ। বিদ্যালয় প্ৰাদেশীকৰণক লৈ ৰাজ্যত একাংশই অপপ্ৰচাৰ চলাই থকা বুলি মন্তব্য কৰি প্ৰাদেশীকৰণ বিল সংশোধনৰ কোনো প্ৰস্তাৱ চৰকাৰৰ নাই বুলি স্পষ্ট কৰি দিয়ে ৰাজ্যৰ শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে। ৰাজ্যত যিমানসংখ্যক বিদ্যালয়ৰ প্ৰয়োজন তাতকৈ অধিকসংখ্যক বিদ্যালয় থকা বুলি দাবী কৰি ৰাজ্যখনত আৰু উপৰঞ্চি বিদ্যালয়ৰ প্ৰয়োজন নাই বুলি মন্তব্য শিক্ষামন্ত্ৰীৰ। ফলত ২০১৭ চনৰ বিদ্যালয় প্ৰাদেশীকৰণ সংশোধনীৰ আওতাৰ অধীনত নপৰা বিদ্যালয় প্ৰাদেশীকৰণ কৰা নহ'ব বুলি স্পষ্ট কৰি দিয়ে মন্ত্ৰীগৰাকীয়ে। এইক্ষেত্ৰত ২০১৭ চনৰ আওতাত নপৰা বিদ্যালয়সমূহ সংশোধনীৰ জৰিয়তে প্ৰাদেশীকৰণ কৰা হ'ব বুলি একাংশই অপপ্ৰচাৰ চলাই থকা বুলিও মন্তব্য শিক্ষামন্ত্ৰীৰ। অৱশ্যে ২০১৭ চনৰ আওতাত পৰা কোনো বিদ্যালয়ৰ কোনো শিক্ষক প্ৰাদেশীকৰণৰ পৰা বাদ পৰি যোৱা নাই বুলি মন্তব্য কৰি তেওঁ কয় যে যদিহে কোনোবা বাদ পৰি গৈছে তেন্তে তেওঁলোকক পুনৰ আবেদন জনাবলৈ আহ্বান শিক্ষামন্ত্ৰীৰ। ইপিনে, জাতীয় শিক্ষানীতিত সাধাৰণ গণিত আৰু সাধাৰণ বিজ্ঞান বিষয়টো ইংৰাজী ভাষাত প্ৰণয়ন কৰা হ'ব বুলিও মন্তব্য শিক্ষামন্ত্ৰীৰ। অৱশ্যে শিক্ষাৰ মাধ্যম অসমীয়া হৈ থাকিব বুলিও স্পষ্ট কৰি দিয়ে শিক্ষামন্ত্ৰীয়ে। প্ৰতিযোগিতামুলক পৰীক্ষাসমূহৰ কথা ভাবিয়েই ছাত্ৰ-ছাত্ৰীসকলক সৰুৰ পৰাই গঢ়ি তোলাৰ লক্ষ্যৰে উক্ত বিষয় দুটা ইংৰাজী ভাষাত প্ৰণয়নৰ কৰাৰ সিদ্ধান্তৰ কথা উল্লেখ কৰে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে।




*বঙাইগাঁও জিলা যুৱ কংগ্ৰেছৰ লগতে অভিভাৱক কংগ্ৰেছ, এন এছ ইউ আয়ে নেত্ৰী ছোনিয়া গান্ধীক ইডিৰ তদন্তৰ প্ৰতিবাদত প্ৰতিবাদী সমদল, শুকুৰবাৰে*

# 'দেউৰী পৰিষদৰ কাচিকটা সমষ্টিৰ বাদ পৰি যোৱা গাঁওসমূহ ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ মুখ্যমন্ত্ৰীক স্মাৰক-পত্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২২ জুলাইঃ** দেউৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে প্ৰস্তুত কৰি উলিওৱা ভোটাৰ তালিকাত বহুসংখ্যক পূৰ্বৰ ভোটাৰৰ নাম বাদ পৰি যোৱা দেখা গৈছে। গতিকে এই ভোটাৰসকলক তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ অসমৰ মুখ্যমন্ত্ৰীৰ ওচৰত একাংশ ৰাইজে আবেদন জনাইছে। উল্লেখ্য যে ১৩নং পুৰণা আৰু ১৭নং নতুন কাচিকটা সমষ্টিত বাদ পৰি যোৱা গাঁওসমূহ হ'ল- কাচিকটা গাঁও প্ৰাথমিক বিদ্যালয় ভোট কেন্দ্ৰৰ অন্তৰ্গত ১নং সাৰজান, কাচিকটা, ২নং সাৰজান আৰু কাচিকটা বাগান গ্ৰান্ট আছে। নয়নজ্যোতি মজলীয়া ভোট কেন্দ্ৰৰ অন্তৰ্গত ৰাজগড় আৰু বান্দৰদেৱাৰ ভোটাৰসকল তালিকাৰ পৰা বাদ পৰি আছে। অৰুণোদয় প্ৰাথমিক বিদ্যালয়ৰ ভোট কেন্দ্ৰত বাদ পৰি আছে দুসুঁতিমুখ, জয়পুৰ পিছলা, কেৰেকজুলি আদিৰ লগতে ১নং মতিয়া, ২নং বৰবালি আদি গাঁৱৰ ভোটাৰসকলো তালিকাৰ পৰা বাদ পৰি আছে। সেয়েহে ৰাজহুৱা স্বাৰ্থ জড়িত আবেদনৰ জৰিয়তে স্থানীয় ভোটাৰ বিমল দেউৰী, অজিত কুমাৰ দেউৰী, বিণু দেউৰী আদিয়ে স্বাক্ষৰ কৰি ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ উপৰিও লখিমপুৰ জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ত স্মাৰক-পত্ৰ দাখিল কৰিছে। উল্লেখ্য যে কাচিকটা সমষ্টিৰ উপৰিও লখিমপুৰ জিলাৰ অন্তৰ্গত দেউৰী স্বায়ত্তশাসিত পৰিষদৰ অন্য বহুকেইটা সমষ্টিত পূৰ্বৰ ভোটাৰসকল বাদ পৰি যোৱা বুলি অভিযোগ উঠিছে। সেয়েহে পৰিষদৰ নিৰ্বাচনৰ পূৰ্বে ভোটাৰ তালিকা পুনৰ পৰ্যৱেক্ষণ কৰিব লাগে আৰু সকলো সমষ্টিতে বাদ পৰি যোৱা ভোটাৰসকলক অন্তৰ্ভুক্ত কৰি নতুনকৈ শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰিবলৈ ৰাজহুৱাভাৱে দাবী জনোৱা হৈছে।

# ডিব্ৰুগড় জিলা পথ সুৰক্ষা সমিতিৰ নতুন সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২২ জুলাই ঃ** উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা অনুসৰি ডিব্ৰুগড় জিলাৰ পথ সুৰক্ষা সমিতিখন অলপতে পুনৰ্গঠন কৰা হয়। জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত জিলা পথ সুৰক্ষা সমিতিৰ সভাত নতুন সমিতিখনি গঠন কৰা হয়। জিলা উপায়ুক্ত বিশ্বজিৎ পেগুৰ সভাপতিত্বত অনুষ্ঠিত সভাত অতিৰিক্ত উপায়ুক্ত সংঘমিত্ৰা বৰুৱা, জিলা পৰিবহণ বিষয়া সঞ্জীৱ হাজৰিকা, যান-বাহন পৰিদৰ্শক, ডিব্ৰুগড় আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰাজু চেত্ৰী, যান-বাহন আৰক্ষী পৰিদৰ্শক, এনফ'ৰ্চমেণ্ট পৰিদৰ্শক, সহকাৰী কাৰ্যবাহী অভিযন্তা, গৃহ, লোকনিৰ্মাণ, এনএছআইডিচিএল, স্বাস্থ্য বিভাগৰ প্ৰতিনিধি, আবকাৰী অধীক্ষক ইত্যাদিৰ লগতে সংশ্লিষ্ট বিষয়াববীয়া, কৰ্মচাৰী উপস্থিত থাকে। উক্ত সভাত পুনৰ্গঠিত জিলা পথ সুৰক্ষা সমিতিত নতুন সদস্য হিচাপে পথ সুৰক্ষা কৰ্মী তথা জ্যেষ্ঠ সাংবাদিক ৰতন হাজৰিকাক সন্নিবিষ্ট কৰা হয়। উক্ত বৈঠকত উপায়ুক্ত পেগুৱে সম্ভাব্য দুৰ্ঘটনা ৰোধৰ স্বাৰ্থত কোনো পেট্ৰ'ল পাম্পৰ চৌহদৰ ভিতৰত ট্ৰাক ৰখাবলৈ নিদিয়াৰ উপৰি চালকসকলক পেট্ৰ'ল পাম্পৰ ভিতৰত গেছ ষ্ট'ভ নাইবা চিলিণ্ডাৰ ব্যৱহাৰ কৰি ৰন্ধন কাৰ্য কৰাৰ পৰা বিৰত থাকিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ উপৰিও নিৰ্দিষ্ট কৰি ৰখা স্থানৰ বাহিৰে ৰাষ্ট্ৰীয় ঘাইপথৰ কাযত ট্ৰাক নৰখাবলৈও নিৰ্দেশ জাৰি কৰে। বৈঠকত আলোচনা আৰু সিদ্ধান্তমৰ্মে ডিব্ৰুগড় চহৰৰ গ্ৰাহাম বজাৰৰ পৰা এএমচিএইচলৈ যোৱা পথটো 'ৱান ৱে' কৰা হ'ব। সভাত জিলা পৰিবহণ বিষয়া সঞ্জীৱ হাজৰিকাই বিগত ২০২১ বৰ্ষত জিলাখনত ৯৫টা পথ দুৰ্ঘটনাৰ বিপৰীতে চলিত বৰ্ষৰ জুন মাহলৈকে ৮৪টা পথ দুৰ্ঘটনা সংঘটিত হোৱা বুলি উল্লেখ কৰে। বৈঠকত বিশেষকৈ ডিব্ৰুগড় চহৰত যান-জঁট পৰিহাৰ কৰিবলৈ ল'বলগীয়া বিভিন্ন পদক্ষেপ গ্ৰহণৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়।

## চতিয়াত নদুৱাৰ সংগীত বিদ্যাপীঠৰ গ্ৰীষ্মকালীন কৰ্মশালাৰ সামৰণী অনুষ্ঠান

# কণ কণ নৃত্যশিল্পীৰ নৃত্যই মুগ্ধ কৰিলে দৰ্শকক

**দৈনন্দিন বাৰ্তাৰ সেৱা, চতিয়া, ২২ জুলাই ঃ** এজাক কণমানিৰ নৃত্যই জীপাল কৰি তুলিলে চতিয়া নাট্য ভৱন। দৰ্শকৰ পাৰ ভগা উছাহ আৰু নদুৱাৰ সংগীত বিদ্যাপীঠৰ গ্ৰীষ্মকালীন কৰ্মশালাৰ সফল পৰিসমাপ্তিয়ে চতিয়াত একক অনন্য মাত্ৰা প্ৰদান কৰিলে নদুৱাৰ সংগীত বিদ্যাপীঠৰ গ্ৰীষ্মৰ ভাৰত নাট্যম আৰু সৃষ্টিশীল নৃত্যৰ কৰ্মশালাৰ সামৰণী অনুষ্ঠানক। সোমবাৰ আৰু মঙলবাৰে সন্ধিয়া চতিয়া নাট্য ভৱনত অনুষ্ঠিত সামৰণী অনুষ্ঠানত কণ কণ নৃত্যশিল্পীৰ দ্বাৰা পৰিৱেশিত হ'ল বহুকেইটা ন-পুৰণি গীতৰ নৃত্য। সোমবাৰে মূলাগাভৰুৰ পৰা বৰযুণৰ বতৰত মইনা নুঠে মটৰত গীতৰ কণ কণ নৃত্য শিল্পীৰ দ্বাৰা পৰিৱেশন কৰা নৃত্যই উপস্থিত থকা দৰ্শকক মুগ্ধ কৰিবলৈ সক্ষম। আনহাতে, মঙলবাৰে ভাৰত নাট্যম অনুষ্ঠানে এই কৰ্মশালাই যে চতিয়াৰ ভৱিষ্যৎ প্ৰজন্মক আৰু এখোজ আগুৱাই নিলে তাকে প্ৰতীয়মান কৰিলে। যোৱা ৩ জুলাইৰ পৰা ১৮ জুলাইলৈকে ১৫ দিনীয়া নৃত্য কৰ্মশালাত তিনি শতাধিক কণ কণ শিক্ষাৰ্থীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰি সামৰণী অনুষ্ঠানত নিজ নিজ নৃত্যশৈলী পৰিৱেশন কৰে। এই অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি চতিয়াৰ বিধায়ক তথা সংগীত বিদ্যাপীঠখনৰ জন্মদাতা পদ্ম হাজৰিকাই নদুৱাৰ সংগীত বিদ্যাপীঠৰ সম্পাদক খঞ্জন শইকীয়া, প্ৰশিক্ষক তথা আয়োজকক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে কণ কণ শিল্পীসকলে পৰিৱেশন কৰা অনুষ্ঠান উন্নত মানৰ আৰু ভৱিষ্যতে কণ কণ শিল্পীসকল প্ৰতিষ্ঠিত হোৱাৰ কামনা কৰে। এই সামৰণী অনুষ্ঠানত প্ৰশিক্ষক হিচাপে প্ৰশিক্ষণ প্ৰদান কৰা প্ৰতীশা সুৰেশ, মৰমী বৰঠাকুৰ আৰু মৌচুমী বৰুৱাক সম্বৰ্ধনা জনোৱা হয়।




*নীলাঞ্জনা বসু, কনজিউমাৰ ভইচ দিল্লীৰ লগতে নৰ্থ-ইষ্ট কেন্সাৰ ইনষ্টিটিউট এণ্ড ৰিছাৰ্চ চেণ্টাৰৰ সঞ্চালক ডাঃ মুনীন্দ্ৰ নাৰায়ণ বৰুৱাৰ সৈতে গুৱাহাটীত কনজিউমাৰ ভইচৰ দ্বাৰা আয়োজিত 'ফ্ৰণ্ট অৱ পেক লেবেলছ' শীৰ্ষক পুস্তিকা মুকলি কৰাৰ ছবি, গুৱাহাটীত শুকুৰবাৰে*

# ছালাকাটিত অগপ দলৰ ভাতৃ সংগঠন কৃষক পৰিষদৰ সভাৰ আয়োজন

## ইউপিপিএল দলে অগপক আঘাত হনাৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছালাকাটি, ২২ জুলাই ঃ** বিটিআৰৰ সদৰ কোকৰাঝাৰ চহৰৰ নিকটৱৰ্তী ছালাকাটিত অসম গণ পৰিষদ দলৰ ভাতৃ সংগঠন কৃষক পৰিষদৰ সভা অনুষ্ঠিত হ'ব অহা ১৭ আগষ্টত। জিলাখনৰ কালীপুখুৰীৰ ১৭নং চৌটাকী প্ৰাথমিক বিদ্যালয়ত আজি অনুষ্ঠিত সভাত উক্ত সিদ্ধান্ত গৃহীত হয়। কেন্দ্ৰীয় জাতীয় পৰিষদৰ সভাপতি পৰেশ বৈশ্যক মুখ্য অতিথি হিচাপে আমন্ত্ৰণ কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰা হয়। কোকৰাঝাৰ জিলা সমিতি অগপ দলৰ সভাপতি জাকিৰ হুছেইনৰ সভাপতিত্বত অনুষ্ঠিত সভাত সাংগঠনিক ভেটি মজবুতৰে দলটিক শক্তিশালী কৰা, গতিশীল কৰা, শৃলংলাবদ্ধ কৰা ইত্যাদি সংক্ৰান্তত খৰচি মাৰি আলোচিত হয়। সভাত প্ৰতিজন বিষয়ববীয়াই বিটিআৰৰ শাসনাধিষ্ঠিত ইউপিএলএল দলৰ কৰ্ম-কাণ্ডত তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰি কোনোধৰণৰ সম্পৰ্ক নৰখাৰ পৰামৰ্শ আগবঢ়ায়। ইউপিপিএলে পূৰ্বে দিয়া প্ৰতিশ্ৰুতি কোনো এটিও পূৰণ নকৰাৰ কথা ক্ষোভেৰে ব্যক্ত কৰে এক আছুতীয়া সাক্ষাৎকাৰত অগপ দলৰ কোকৰাঝাৰ জিলা সমিতিৰ সভাপতি জাকিৰ হুছেইনে। অগপ দলৰ পৰা এটি সঁজাতী দলে ছালাকাটি এনটিপিচি পৰিদৰ্শন কৰি স্থানীয় নিবনুৱাক সংস্থাপনৰ সুবিধা কৰিব পৰা যায় নেকি উক্ত বিষয়ৰ ওপৰতো এনটিপিচিৰ শীৰ্ষ বিষয়াৰ স'তে আলাপ-আলোচনা কৰিব বুলি জিলা অগপ দলৰ সভাপতিগৰাকীয়ে ব্যক্ত কৰে। সভাত অগপ দলৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক ৰহেন ৰায়, কোকৰাঝাৰ জিলা সমিতিৰ উপদেষ্টা কৰ্ণমোহন ৰায় আদি উপস্থিত থাকে। সভাৰ আঁত ধৰে জিলা সম্পাদক ছিৰাজ নাথে।

# ডিমৌত ন-ভূঁই ৰোৱা কাৰ্যসূচী ৰূপায়ণ বিজেপিৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২২ জুলাই ঃ** বিজেপি শিৱসাগৰ জিলা মহিলা মৰ্চাৰ সৌজন্যত ,নিতাই পানীদিহিং মণ্ডল আৰু নিতাই পানীদিহিং মণ্ডল মহিলা মৰ্চাৰ উদ্যোগত নহাট পঞ্চায়তৰ গড়ভগা পথাৰত ন-ভূঁই ৰোৱা এক অনুষ্ঠান ৰূপায়ণ কৰে। প্ৰায় চাৰি বিঘা মাটিত গৰু হাল আৰু টেক্টৰেৰে বোকা কৰাৰ পিছতে প্ৰায় অৰ্ধশতাধীক বিজেপি মহিলাই ভূই ৰোৱে। পুৱাৰ এই অনুষ্ঠানত বিশেষ ভাৱে উপস্থিত থাকি কাৰ্যকৰ্তা সকলক নাঙলৰ মুঠি হাতত লৈ উৎসাহিত কৰে থাওৱা সমষ্টিৰ প্ৰাক্তন বিধায়ক কুশল দুৱৰী শিৱসাগৰ জিলা মহিলা মৰ্চা, ডিমৌ নগৰ মণ্ডল,যুৱ মৰ্চা আৰু কাৰ্যকৰ্তা সকলে বৰ্তমান গ্ৰাম্য সমাজৰ পৰা হেৰাই যোৱা কৃষক ৰাইজৰ ন-ভূঁইত ভাগ লয়।

No. B/MHL/Mining Contract/3754

**NOTICE**

Due to some unavoidable circumstances, the Ekchelia Stone Mahal under Kamrup West Division, Bamunigaon which was put on E-auction vide NIT No. KWD/E-Auction Notice/ 3421 dtd. 04.07.2022 is hereby cancelled.

**Divisional Forest Officer,**
**Kamrup West Division,**
**Bamunigaon.**

Janasanyog/C/6977/22

# শ্ৰীশ্ৰী কালশিলা সত্ৰৰ বুঢ়া সত্ৰাধিকাৰ তথা সত্ৰীয়া সংস্কৃতিৰ সাধক মদন চন্দ্ৰ মহন্তৰ ৯৭ বছৰ বয়সত পৰলোকপ্ৰাপ্তি

**দৈনন্দিন বাৰ্তৰ সেৱা, মৰিগাঁও, ২২ জুলাই ঃ** মৰিগাঁও চহৰৰ সমীপৰ নাওকটাস্থিত শ্ৰীশ্ৰী কালশিলা সত্ৰৰ সত্ৰাধিকাৰ, ধৰ্মপ্ৰাণ ব্যক্তি, বিশিষ্ট সত্ৰীয়া সাধক মদন চন্দ্ৰ মহন্তৰ কালি পুৱা ৮.৩০ বজাত নাওকটাৰ নিজ বাসভৱনত পৰলোক প্ৰাপ্তি হয়। বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱা সত্ৰাধিকাৰগৰাকীৰ বয়স হৈছিল ৯৭ বছৰ। সৰুৰে পৰা সত্ৰীয়া কৰা সংস্কৃতিৰ চৰ্চাৰ লগত জড়িত হৈ অহা মদন চন্দ্ৰ মহন্ত এগৰাকী অমায়িক আৰু সৰবৰহী স্বভাৱৰ ধৰ্মপ্ৰাণ ব্যক্তি আছিল। দীৰ্ঘদিন ধৰি নাওকাটাৰ ঐতিহাসিক শ্ৰীশ্ৰী কালশিলা সত্ৰৰ সত্ৰাধিকাৰ হিচাপে সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে ব্ৰতী হৈ অহা বুঢ়া সত্ৰাধিকাৰগৰাকীৰ মৃত্যুত অঞ্চলটোৰ লগতে সত্ৰৰ ভকত-বৈষ্ণৱৰ মাজত শোকৰ ছাঁ পৰিছে। আজি দুপৰীয়া ভকত-বৈষ্ণৱৰ লগতে আত্মীয় স্বজন, অনুৰাগীৰ উপস্থিতিত সত্ৰীয়া সংস্কৃতিৰ পৰম্পৰাৰে সত্ৰাধিকাৰগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰে। মৃত্যুৰ সময়ত সত্ৰাধিকাৰগৰাকীয়ে পত্নী, পুত্ৰ-বোৱাৰী, পাঁচ জী-জোঁৱাই, নাতি-নাতিনীসহ বহু আত্মীয় স্বজন আৰু গুণমুগ্ধক এৰি গৈছে।

# ইণ্ডিয়া টুডেৰ সমীক্ষাত উজলিল ধেমাজি বালিকা মহাবিদ্যালয়

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ২২ জুলাই ঃ** দেশৰ ভিতৰত জনপ্ৰিয় বাৰ্তা আলোচনী ইণ্ডিয়া টুডেত ইতিমধ্যে ২০২২ বৰ্ষৰ বেষ্ট কলেজ ৰেংকিং সমীক্ষাৰ ফলাফল প্ৰকাশ পাইছে। ইণ্ডিয়া টুডে আৰু এমডিআৰএ (মাৰ্কেটিং এণ্ড ডেভলপমেন্ট ৰিছাৰ্চ এছ'চিয়েছন) নামৰ এটি বিশ্বমানৰ গুণগত গৱেষণা সংস্থাই প্ৰতি বছৰে ভাৰতবৰ্ষৰ সকলো ধৰণৰ কাৰিকৰী, মেডিকেল, কলা, বিজ্ঞান, বাণিজ্য আদি শাখাৰ বালিকা মহাবিদ্যালয়ে শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ বিষয়ে ৰাষ্ট্ৰীয় পৰ্যায়ত সমীক্ষা চলাই আহিছে। চলিত বৰ্ষত অসমৰ ফৰকাটিং, সোণাপুৰ আৰু ধেমাজি জিলাই এই ফল লাভ কৰিবলৈ সক্ষম হৈছে। ইণ্ডিয়া টুডেৰ সমীক্ষাত এই বৰ্ষত কলা শাখাত নতুন দিল্লীৰ তিনিখন মহাবিদ্যালয় ক্ৰমে হিন্দু মহাবিদ্যালয়, চেইণ্ট ষ্টিফেনছ মহাবিদ্যালয় আৰু মিৰাণ্ডা হাউছে প্ৰথম তিনিটা স্থান দখল কৰিবলৈ সক্ষম হয়। সুখবৰ এই যে অসমৰ প্ৰেক্ষাপটত কলা শাখাত ফৰকাটিং মহাবিদ্যালয়, সোণাপুৰ মহাবিদ্যালয় আৰু ধেমাজি বালিকা মহাবিদ্যালয়ে ৰাষ্ট্ৰীয় পৰ্যায়ত ক্ৰমে ১৩০, ১৩৬ আৰু ১৫০সংখ্যক স্থান দখল কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। ধেমাজি জিলাৰ একমাত্ৰ মহিলা উচ্চ শিক্ষা প্ৰতিষ্ঠান ধেমাজি বালিকা মহাবিদ্যালয়ৰ এই ফলে মহাবিদ্যালয়ৰ লগতে অঞ্চলটোৰ ৰাইজ অত্যন্ত সুখী হৈছে। জিলাখনৰ বহু শুভাকাংক্ষী ব্যক্তিয়ে বালিকা মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গলৈ অভিনন্দন জ্ঞাপন কৰে। নিষ্ঠা আৰু সেৱাৰ মনোভাৱেৰে উচ্চ শিক্ষাৰ ক্ষেত্ৰখনক আগুৱাই নিয়া অঞ্চলটোৰ শিক্ষা ক্ষেত্ৰত অৰিহণা আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীপক বৰগোহাঁই আৰু শিক্ষক-কৰ্মচাৰী তথা ছাত্ৰীসকলৰ শলাগ লয়। উল্লেখ কৰিব পাৰি যে ২০২১ বৰ্ষত নাকৰ পৰিদৰ্শনতো ধেমাজি বালিকা মহাবিদ্যালয়ে 'বি' গ্ৰেড লাভ কৰিবলৈ সক্ষম হৈছিল।

# বিশিষ্ট সমাজ সেৱক মৌলানা ছাইফুল ইছলামৰ মৃত্যুত কদমনিত শোকৰ ছাঁ

**দৈনন্দিন বাৰ্তাৰ সেৱা,বটদ্ৰৱা, ২২ জুলাই ঃ** নগাঁও জিলাৰ বটদ্ৰৱা থানাৰ অন্তৰ্গত কদমনি গাঁৱৰ মৃত ইছমাইল মিদ্দাৰ পুত্ৰ বিশিষ্ট সমাজ সেৱক মৌলানা ছাইফুল ইছলামৰ কালি নিশা ৯ বজাত নগাঁৱৰ এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত মধুমেহ ৰোগৰ লগতে কিডনী ৰোগত আক্ৰান্ত হৈ ইহলীলা সম্বৰণ কৰে। মৌলানাগৰাকীয়ে আজি কে'বামাহ ধৰি এই বেমাৰত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। মৃত্যুৰ সময়লৈকে মৌলানাগৰাকীয়ে কদমনি ছিনিয়ৰ মাদ্ৰাছাৰ সভাপতিৰ দায়িত্ব পালন কৰি আহিছিল। মৌলানাই অঞ্চলটোৰ বিভিন্ন সামাজিক আৰু ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত সদায় জড়িত হৈ নিঃস্বাৰ্থ সেৱা আগবঢ়াই আহিছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৪৪ বছৰ। কালি ৰাতি পুৱা ১০.৩০ বজাত কদমনি ছিনিয়ৰ মাদ্ৰাছা খেলপথাৰত পাঁচ শতাধিক লোকৰ উপস্থিতিত তেওঁৰ জানাজা নামাজ সম্পন্ন কৰা হয়। তেওঁৰ মৃত্যুত টুকটুকী প্ৰেছ ক্লাবৰ সভাপতি জালাল উদ্দিন আহমেদ. সম্পাদক মুস্তাফা ছালিম আহমেদ, বটদ্ৰৱা সাংবাদিক সন্থাৰ সভাপতি নিতুমণি গোস্বামী, বটদ্ৰৱা আঞ্চলিক আমছু, সংখ্যালঘু গণতান্ত্ৰিক যুৱ-ছাত্ৰ ফেডাৰেচন, অসমৰ ধূপগুৰি আঞ্চলিক সমিতি, কদমনি বজাৰ ব্যৱসায়ী সন্থা, ধূপগুৰি বজাৰ সমিতিকে আদি কৰি বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰাৰ লগতে শোকসপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুগৰাকী কন্যাসহ বহুতো গুণমুগ্ধক ইহ সংহাৰত এৰি যায়।

# নগাঁৱৰ কামপুৰত বৃহৎ পৰিমাণৰ গাঁজা জব্দ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২২ জুলাই ঃ** নগাঁৱৰ আৰক্ষীয়ে কালি নিশা কামপুৰত অভিযান চলাই বৃহৎ পৰিমাণৰ গাঁজা জব্দ কৰিবলৈ সক্ষম হয়। এক গোপন সূত্ৰৰ পম খেদি কামপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অচ্যুত কৃষ্ণ ফুকন আৰু নগাঁও নগৰ আৰক্ষীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আভাজ্যোতি ৰাভাৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে কামপুৰৰ ৫নং মহলাৰ ৰাজু সিঙৰ ঘৰত অভিযান চলায়। আৰক্ষীয়ে ৰাজু সিঙৰ ঘৰৰ পৰা ২৬ কিলোগ্ৰাম গাঁজা জব্দ কৰাৰ লগতে ৰাজু সিঙক গ্ৰেপ্তাৰ কৰে। আজি নগাঁৱত এই কথা সদৰী কৰি আৰক্ষীয়ে জানিবলৈ দিয়ে যে ৰাজু সিঙে নিজৰ ঘৰত এই গাঁজাখিনি মজুত কৰি ৰাখিছিল। ৰাজুৱে জিলাখনৰ বিভিন্ন স্থানলৈ গাঁজা সৰবৰাহ কৰি আহিছে। সম্প্ৰতি আৰক্ষীয়ে ৰাজুক জেৰা অব্যাহত ৰাখিছে।

# চাৰি শাখাযুক্ত ডিমৌ ৩৭নং ৰাষ্ট্ৰীয় ঘাই পথৰ দুৰৱস্থাই কন্দুৱাইছে ৰাইজক

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২২ জুলাই ঃ** শিৱসাগৰৰ দিচাং দলঙৰ পৰা ডিমৌলৈকে চাৰি শাখাযুক্ত ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ দুৰৱস্থাই জলাকলা খুৱাইছে সাধাৰণ জনসাধাৰণৰ লগতে সৰু-বৰ যান-বাহন চালকসকলক। তথাকথিত চাৰি শাখাযুক্ত পথ নিৰ্মাণকাৰী সংস্থাৰ চূড়ান্ত মইমতালি আৰু চৰকাৰী ধন লুণ্ঠনৰ মানসিকতাৰ বাবেই বছৰৰ পিছত বছৰ ধৰি ৰাইজৰ বাবে সঠিক ৰূপ পথটো নিৰ্মাণ কৰি মুকলি কৰি দিব নোৱাৰাটো অতি দুৰ্ভাগ্যজনক বিষয় হিচাপে চিহ্নিত হৈছে। পথছোৱা নিৰ্মাণৰ বাবে চাৰি শাখাযুক্ত পথ নিৰ্মাণকাৰী সংস্থাক জবাবদিহি কৰাত বৰ্তমান চৰকাৰ আৰু বিভাগীয় কৰ্তৃপক্ষও চূড়ান্ত ৰূপত ব্যৰ্থ হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। যোৱা সময়ছোৱাত পথছোৱাৰ পৰা যমৰ যাতনা ভোগ কৰি অহা জনসাধাৰণে বৰ্তমান চৰকাৰৰ সদিচ্ছাৰ অভাৱৰ বাবেই এটা অতিকৈ ব্যস্ততাপূৰ্ণ তথা গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় ঘাইপথ এতিয়া অতি পুতৌলগা অৱস্থাত পৰিণত হৈছে বুলি অভিযোগ কৰিছে। যাৰ পৰিণতিত এই ৰাষ্ট্ৰীয় পথটো পথ নহয় যেন মৰণ ফান্দলৈহে পৰিণত হৈছে। দৈনিক ইটোৰ পিছত সিটো সৰু-বৰ দুৰ্ঘটনা সংঘটিত হোৱা ডিমৌ ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথ এতিয়া পৰিণত হৈছে একো একোটা বৃহৎ বৃহৎ পুখুৰীলৈ। ঘাইপথৰ মাজত সৃষ্টি হোৱা দ দ গাঁতত লাগি ধৰিছে সৰ-বৰ বাহনৰ পৰা মালবাহী ট্ৰাক। এক বিপদসংকুল অৱস্থাৰে ডিমৌ ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথেৰে অব্যাহত আছে যাতায়াত। চৰকাৰ আৰু বিভাগীয় কৰ্তৃপক্ষই এই পথছোৱাত সময় থাকোঁতেই যাৱতীয় ব্যৱস্থা গ্ৰহণ নকৰিলে অনাগত দিনত পথছোৱাই ইয়াতকৈয়ো ভয়াৱহ ৰূপ ধাৰণ কৰিব বুলি মন্তব্য কৰিছে ভুক্তভোগীয়ে।




*উৎকট গৰম... ডাবৰ পানী খাই শৰীৰ ঠাণ্ডা কৰিছে পথচাৰীয়ে, গুৱাহাটীত শুকুৰবাৰে*

**NOTICE INVITING TENDER**

Sealed Tender affixing court fee stamp of Rs.8.25 (Rupees eight and paise twenty five) only are invited from the intending Contractor/firm/Suppliers for supply of "Misc. article "Building Material", "Plumbing Materials" and "Electrical Goods" during the financial year 2022-23 which would be received by the undersigned on or before 18-082022 up-to 1200 hrs. and the tender will be opened on the same day at 1300 hrs. The intending tenderer or their representative may be present at the schedule time opening the tender if so desired.

**TERMS AND CCNDITICNS:-**

1. Rates quoted by each firm must be genuine and **excluding** GST, if any rate once quoted will be final and effective from the date of acceptance and will remain valid up-to 31-03-2023.
2. All Tenderers must submit their tenders along with the copy of the following documents duly attested by Gazette officer.

The tenderer have to furnish the following documents along with the tender otherwise it will not be accepted.

a) Copy of up to date clearance of Income Tax.
b) Copy of Permanent Account Number (PAN).
c) Copy of Firm Registration certificate.
c) Copy of GSTIN Registration certificate.
d) Copy of Current Bank account number of any SBI branch.
e) Police Hqr. Registration certificate.

3. All the Tender (s) must be accompanied by Rs.5000/- (Rupees five thousand) only as earnest money in the form of Demand draft/NSC and should be pledged in favour of the undersigned failing which the tender (s) will be liable for rejection.
4. If any tenderer withdraw his tender before finalization of the tender or if any approved contractor refuses to undertake the contract the earnest money so deposited will be forfeited to the Govt. of Assam.
5. The earnest money of the unsuccessful tender will be returned after finalization of the contract and in case of successful tenderer will be converted into security deposit.
6. The earnest money will be returned to the successful contractor (s) concerned after completion of the period of agreement.
7. The successful tenderer will have to be signed a contract agreement with undersigned.
8. The approved contractor shall have to deliver all indented articles as per specification all the delivered articles should best of quality and brands. Rejected articles shall be replaced immediately at his own cost.
9. Tender (s) are hereby cautioned that every clause of the tender notice above should be strictly followed, failing which will be liable rejection forthwith.

The undersigned is not bound to accept the lowest rate and reserved the all right to reject any or all the tenders without assigning any reason thereof.

The selected tender (s) will have supply the required materials to this office at his own cost within the stipulated time as and when required.

The sealed cover should be super scribed as "TENDER FOR SUPPLY OF MISC. ARTICLES, BUILDING MATERIALS, PLUMBING MATERIALS AND ELECTRICAL GOODS" for the financial year 2022-23.

/
**Commadant**
**16th A.P.(IR) Battalion Bormonipur**
**Morigaon Assam.**

Janasanyog/C/6960/22

# নাইকাপাৰত ‘আমাৰো সপোন আছে’ শীৰ্ষক অভিযান

## সিহঁতৰ প্ৰতিভা বিকাশ আৰু ভাল মানুহ কৰাই আমাৰ লক্ষ্য



**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ২২ জুলাইঃ** সিহঁতৰ প্ৰতিভা আছে, সেই প্ৰতিভাক বিকাশ ঘটোৱাৰ লগতে মানৱ সম্পদ গঢ়া আৰু ভাল মানুহৰূপে সমাজত পৰিচয় কৰাই দিবলৈ যি অভিযান আপোনালোকে আৰম্ভ কৰিছে তাৰবাবে শলাগ লৈছোঁ বুলি কৈ ‘আমাৰো সপোন আছে’ শীৰ্ষক অভিযানৰ দুই উদ্যোগী সমাজহিতৈষী মহিলা টংলাৰ ৰীতামণি তালুকদাৰ আৰু সবিতাৰাণী মহলীয়াক ভূয়সী প্ৰশংসা কৰে ভেৰগাঁও মহকুমাৰ কাৰ্যবাহী দণ্ডাধীশ লোকাশ বৈশ্য আৰু হৰিশিঙা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মনীষা নাথে। ৬ জুলাইৰ পৰা আৰম্ভ কৰা নাইকাপৰীয়া শিশু বিকাশ অভিযানৰ ২১ জুলাইত আনুষ্ঠানিকভাৱে সামৰণি পৰা আৰু সবিতাৰাণী মহলীয়াই আঁত ধৰা অনুষ্ঠানত অংশগ্ৰহণ কৰি এইদৰে কয়। টংলা ফ্লেক্সি চাইন আদিয়ে বহী, কলম, কাঠ পেঞ্চিল, বিস্কুট, চকলেট প্ৰদান কৰে। শিক্ষা-সাহিত্য-সংস্কৃতি-ক্ৰীড়া নগৰী টংলা চহৰৰ মাজেৰে বৈ যোৱা নাইকা নদীৰ পাৰত যুগ যুগ ধৰি বসতি স্থাপন কৰা এচাম লোকৰ কণমানিহঁতক দুষিত পৰিৱেশৰ পৰা উদ্ধাৰ কৰি ভাল মানুহ কৰা, সিহঁতৰ সপোন পূৰণ কৰাৰ বাবে আগবাঢ়ি আহিল সমাজকৰ্মী ৰীতামণি তালুকদাৰ আৰু কবি, শিক্ষয়িত্ৰী সবিতাৰাণী মহলীয়াই। প্ৰথম পৰ্যায়ত সিহঁতক গীত-মাত, নাচ, জাতীয় সংগীত, ৰাষ্ট্ৰীয় সংগীত, ছবি অঁকা, ইংৰাজী ভাষাৰ জ্ঞান, আচাৰ-ব্যৱহাৰ, ডাঙৰে সৰুক, সৰুৱে ডাঙৰক কেনেকৈ কথা ক’ব লাগে, কাগজৰ ফুল বনোৱা, চেঙেল বনোৱাৰ উপৰি গছপুলি ৰোপণ কৰি ৰক্ষণাবেক্ষণ দিবলৈকে ত্ৰিশটাতকৈ অধিক শিশুক শিক্ষণ প্ৰদান কৰা সামৰণী অনুষ্ঠানত চৰকাৰী বিষয়া দুগৰাকীয়েও গছপুলি ৰোপণ কৰে। ত্ৰিশঘৰ পৰিয়ালৰ লোকসকলে কদৰ্যময় পৰিৱেশত বিশুদ্ধ খোৱাপানী আৰু শৌচাগাৰ অবিহনে বসতি স্থাপন কৰি আহিছে যদিও কোনো চৰকাৰে তেওঁলোকক সুব্যৱস্থা লোৱা নাই। নাইকা নৈৰ বানপানীয়েও জুৰুলা কৰা দুৰ্ভগীয়া হিন্দীভাষী পৰিয়ালৰ এজাক শিশুক ভাল মানুহ কৰাৰ সপোন বাস্তৱত ৰূপায়িত কৰিবলৈ আগবাঢ়ি অহা দুয়োগৰাকী উদ্যোগী মহিলাই প্ৰথমে হতাশ হৈছিল যদিও সেই ঠাইখনৰ পৰা জুৱা, তাচ খেলা লোকসকল নিজে নিজেই আঁতৰি গৈছিল। হিন্দীভাষী হ’লেও অসমীয়াতে কথা-বতৰা পতা শিশুজাকৰ সৈতে ভৱিষ্যতৰ দিনতো আমাৰো সপোন আছে শীৰ্ষক কাৰ্যসূচী চলি থাকিব বুলি জানিবলৈ দিয়ে মহিলাদু গৰাকীয়ে। সামৰণী অনুষ্ঠানত চাইল্ড লাইনৰ সংগঠক অৰূপ বড়ো, আসাম প্ৰেছ কৰেছপণ্ডেণ্টছ ইউনিয়নৰ ওদালগুৰি জিলা সমিতিৰ সম্পাদক ফটিক ৰাভা, কৃতী শিক্ষক হৰি শৰ্মা, শিক্ষয়িত্ৰী মল্লিকা শৰণীয়া পাঠক, বীণা বৰ্মন, পুনম নাথ, জয়ন্ত দাস, ক্ৰিয়েটিভ ডান্স একাডেমীৰ পৰিচালক আদিয়েও অংশগ্ৰহণ কৰে।



## সোণাৰি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত বিশেষ অভিনন্দন অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণাৰি, ২২ জুলাই ঃ** সোণাৰি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত সোণাৰি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আজি বিশেষ অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰা হয়। সদ্যঘোষিত উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ সোণাৰিলৈ গৌৰৱ কঢ়িয়াই অনা ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে আয়োজন কৰা হয় এই অভিনন্দন অনুষ্ঠানৰ। চৰাইদেউ জিলা উপায়ুক্ত পল বৰুৱা মুখ্য অতিথি হিচাপে উপস্থিত থকা অভিনন্দন অনুষ্ঠানটো উদ্বোধন কৰে সোণাৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমল চন্দ্ৰ গগৈয়ে। চৰাইদেউ জিলা অতিৰিক্ত আৰক্ষী অধীক্ষক সবিতা দাস, সোণাৰি কমাৰ্চ কলেজৰ অধ্যক্ষ ড° বিপুল দে’, সোণাৰি মহাবিদ্যালয়ৰ উপাধ্যক্ষ দিলীপ ৰঞ্জন বৰুৱা, সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সদস্য অনিল গগৈ, সমাজকৰ্মী হেমন্ত কুমাৰ গদুকা বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক প্ৰশান্ত দত্তই সদৌ অসম ছাত্ৰ সন্থাৰ দৃষ্টিভংগী ব্যাখ্যা কৰে। অনুষ্ঠানত ষ্টাৰ আৰু ডিষ্টিংচন নম্বৰসহ সুখ্যাতিৰে উত্তীৰ্ণ সোণাৰিৰ ১৮৪গৰাকী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱা হয়। সাংবাদিক অভিজিৎ ভূঞাই আঁত ধৰা অভিনন্দন অনুষ্ঠানত সদৌ চৰাইদেউ জিলা ছাত্ৰ সন্থাৰ সভাপতি দিলীপ বৰা, সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক বিতোপন গগৈও উপস্থিত থাকে। সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশন কৰা সমৱেত সংগীতেৰে শুভাৰম্ভ অভিনন্দন অনুষ্ঠানটোত আদৰণী ভাষণ প্ৰদান কৰে সোণাৰি আঞ্চলিক ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক দেৱাশিস বৰুৱাই। আনহাতে, বিগত কেইবাবছৰ ধৰি সোণাৰি পৰীক্ষা কেন্দ্ৰৰপৰা উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত অসমীয়া বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ কৰা বঁটা এইবাৰ দুগৰাকী ছাত্ৰীক প্ৰদান কৰা হয়। প্ৰয়াত সিংহেশ্বৰ গগৈ সোঁৱৰণত দীপা গগৈ বুঢ়াগোহাঁয়ে প্ৰদান কৰা এই বঁটা এইবাৰ লাভ কৰে সোণাৰিৰ শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ ছাত্ৰীদ্বয় নীহাৰিকা গোৱালা আৰু ওজাস্বিতা গগৈয়ে। আনহাতে, পৰীক্ষা কেন্দ্ৰৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীক বিগত বৰ্ষসমূহত প্ৰদান কৰা প্ৰয়াত ধৰণী চন্দ্ৰ ডেকা সোঁৱৰণী বঁটা এইবাৰ চেণ্ট যোছেফ স্কুলৰ ছাত্ৰ সৌৰভ দেৱক প্ৰদান কৰে ড° ঋষিকেষ কাশ্যপে। ইফালে প্ৰাক্তন ছাত্ৰ নেতা বিশ্বজিৎ গগৈ আৰু সমাজকৰ্মী মৃদুপৱন বড়াই বিগত বৰ্ষৰ দৰে এইবাৰো কে’বাগৰাকীও ছাত্ৰ-ছাত্ৰীক আৰ্থিক সহায় আগবঢ়ায় অভিনন্দন অনুষ্ঠানৰ মঞ্চতে।



## মাজুলী মিলন সংঘৰ গায়ন-বায়ন কৰ্মশালাৰ সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ২২ জুলাইঃ** মাজুলীৰ প্ৰাচীন সাংস্কৃতিক অনুষ্ঠান মাজুলী মিলন সংঘ, কমলাবাৰীৰ উদ্যোগত আৰু মাজুলী সাংস্কৃতিক কেন্দ্ৰৰ সহযোগত পোন্ধৰদিনীয়াকৈ অনুষ্ঠিত হোৱা গায়ন-বায়ন কৰ্মশালাৰ ২১ জুলাইত সামৰণি পৰে। এই উপলক্ষে পুৱা ড° আনন্দ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত সামৰণী অনুষ্ঠানৰ বন্তি প্ৰজ্বলনেৰে শুভ উদ্বোধন কৰে অৱসৰপ্ৰাপ্ত সাংস্কৃতিক বিষয়া তৰুণ বৰুৱাই। বিশিষ্ট অতিথি ৰূপে উপস্থিত থকা মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নৰেন চন্দ্ৰ ঠাকুৰীয়াই সংঘৰ প্ৰচেষ্টাৰ শলাগ লয়। প্ৰশিক্ষক গোলাপ বৰুৱা বৰবায়নে এই কাৰ্যসূচীৰ সফলতাৰ পাছত পৰৱৰ্তী সময়ত সাংস্কৃতিক কেন্দ্ৰৰ তৰফৰ পৰা অংকীয়া নাটৰ এক কৰ্মশালা অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰে। সম্পাদক অমৰজ্যোতি বৰুৱাই আঁত ধৰা সভাত প্ৰশিক্ষক গোলাপ বৰুৱা বৰবায়ন আৰু সমন্বয়ক দিগন্ত শইকীয়াক সংঘৰ তৰফৰ পৰা সম্বৰ্ধনা জনায়। ইয়াৰ পিছতে কৰ্মশালাত অংশগ্ৰহণ কৰা শিল্পীসকলে গায়ন-বায়ন প্ৰদৰ্শন কৰে। কৰ্মশালাত ৪২গৰাকী প্ৰশিক্ষাৰ্থীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰে।

# অসম বিজ্ঞান সমিতিৰ সৌজন্যত বান-সাহায্য বিতৰণ



**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ২২ জুলাই ঃ** সমগ্ৰ অসমত দুটাকৈ প্ৰলয়ংকৰী পানীৰ কবলত পৰি বহু পৰিয়ালে ঘৰ-দুৱাৰ, সা-সম্পদ হেৰুৱাই সৰ্বস্বান্ত হৈছে। এইসকল বানপীড়িত লোকৰ বৰ্তমান দুখ- দুৰ্গতিৰ সীমা-সংখ্যা নোহোৱা হৈছে। সমান্তৰালভাৱে দৰং জিলাৰ পশ্চিমাঞ্চলত ঠাইবিশেষে বৰ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। সেই ঠাইত বৰ্তমান স্বাভাৱিক অৱস্থা ঘূৰি আহিছে যদিও স্বাস্থ্যজনিত সমস্যাসমূহে দেখা দিছে। এনে পৰিস্থিতিত অসম বিজ্ঞান সমিতিৰ উদ্যোগত বানপীড়িত লোকসকলক কিছু সহায়ৰ হাত আগবঢ়োৱাৰ উদ্দেশ্যে আজি পশ্চিম দৰঙৰ দুনী পঞ্চায়তৰ অধীনৰ পশ্চিম বৰপথাৰত এটি বানসাহায্য আৰু স্বাস্থ্য সজাগতা কাৰ্যসূচী গ্ৰহণ কৰা হয়। সমিতিৰ সদস্যসকলৰ পৰা পোৱা বৰঙণিৰে ডেৰশৰো অধিক পৰিয়ালৰ মাজত আঁঠুৱা, কাগজ-পত্ৰ, ব্লিচিং পাউদাৰ , দৈনন্দিন ব্যৱহৃত সামগ্ৰী আদি বিতৰণ কৰা হয়। সমিতিৰ বিষয়ববীয়াসকলে অতি ক্ষতিগ্ৰস্ত পাঁচটা পৰিয়ালৰ গৃহলৈ গৈ কিছু আৰ্থিক সহযোগিতাও আগবঢ়ায়। এই উপলক্ষে পশ্চিম বৰপথাৰ নৱমিলন সংঘৰ কাৰ্যালয় প্ৰাংগণত অনুষ্ঠিত বান সাহায্য আৰু স্বাস্থ্য সজাগতা কাৰ্যসূচীত অসম বিজ্ঞান সমিতিৰ সভাপতি তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ জৈৱ প্ৰযুক্তি বিভাগৰ মুৰব্বী ড° মোহন চন্দ্ৰ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সভাত উপস্থিত আছিল কেন্দ্ৰীয় সমিতিৰ বিজ্ঞান বিষয়া চন্দ্ৰ বৰ্মন, সহকাৰী বিজ্ঞান বিষয়া ভৱেশ শৰ্মা, প্ৰকল্প বিষয়া পিংকু কুমাৰ দাস, কাৰ্যনিৰ্বাহক সদস্য তথা মঙলদৈ কলেজৰ প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপিকা লীনা শইকীয়া, ছিপাঝাৰ শাখাৰ সভাপতি তথা দেওমৰনৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অক্ষয় কুমাৰ নাথ, উপ-সভাপতি হেৰম্ব কুমাৰ নাথ, অৰুণ নাথ আদি। অসম বিজ্ঞান সমিতিৰ যুটীয়া সচিব তথা স্থানীয় শিক্ষক হিৰণ্য কুমাৰ নাথে আঁত ধৰা অনুষ্ঠানটিত বিষয়ববীয়াসকলে বানবিধ্বস্ত অঞ্চলসমূহত হ’ব পৰা স্বাস্থ্যজনিত সমস্যাসমূহৰ কথা অৱগত কৰাৰ লগতে খোৱাপানী সেৱনত ল’বলগীয়া সাবধানতাসমূহৰ বিষয়ে দিহা পৰামৰ্শ আগবঢ়ায়। লগতে অনুষ্ঠানৰ আৰম্ভণিতে সাংবাদিক কমল কুমাৰ নাথে বানত বিধ্বস্ত হোৱা উক্ত এলেকাৰ ক্ষয়-ক্ষতিৰ কিছু আভাস দিয়ে।বান সাহায্য বিতৰণ কাৰ্যসূচীৰ পূৰ্বে অসম বিজ্ঞান সমিতিৰ সভাপতিৰ নেতৃত্বত গুৱাহাটীৰ পৰা অহা বিষয়ববীয়াসকলে দৰং জিলা প্ৰশাসনৰ দ্বাৰা স্বচ্ছ গাঁও হিচাপে স্বীকৃত হালধালৈ গৈ গাঁওখনত স্বচ্ছতাৰ লগতে ৰেছম পালন আঁচনি, জৈৱিক কেঁচু সাৰ প্ৰকল্প আদি আনুষংগিক বিষয়সমূহ পৰ্যৱেক্ষণ কৰি গাঁওবাসীৰ সৈতে মত বিনিময় কৰি গাঁওবাসীয়ে কৰি থকা কাম-কাজৰ প্ৰশংসা কৰে। আজি হৈ যোৱা সমুদায় কাম ৰূপায়ণত ছিপাঝাৰ আৰু মঙলদৈ শাখাৰ লগতে স্থানীয় ব্যক্তি ৰমেশ ডেকা আৰু নৱজ্যোতি ডেকাই সহযোগিতা আগবঢ়ায়।




## লাহৰীঘাটৰ গেৰুৱা-ভূৰাগাঁৱতো ত্ৰিৰংগা বিক্ৰী কেন্দ্ৰ মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২২ জুলাই ঃ** আজাদী কা অমৃত মহোৎসৱ ঘৰে ঘৰে ত্ৰিৰংগা আঁচনিৰ প্ৰতি লক্ষ্য ৰাখি মৰিগাঁও জিলাৰ লাহৰীঘাটৰ গেৰুৱাত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান বিএমএমইউ লাহৰীঘাট উন্নয়ন খণ্ডৰ অধীনত সমন্নয় মহিলা মণ্ডল পৰ্যায়ৰ সংগঠনে আজি ত্ৰিৰংগা বিক্ৰী কেন্দ্ৰ মুকলি কৰে। ত্ৰিৰংগা বিক্ৰী কেন্দ্ৰ উদ্বোধন কৰে লাহৰীঘাটৰ পঞ্জাব নেচনেল বেংকৰ মেনেজাৰ সুধাংশু শেখৰে। ত্ৰিৰংগা বিক্ৰী কেন্দ্ৰৰ মুকলি অনুষ্ঠানত বিপিএম ৰশ্মিৰেখা কলিতা, বি চি জ্যোতি বিকাশ বৈশ্য, মাহমাদুৰ ৰহমান, এমআইএছ খাইৰুল ইছলাম, ইক্ৰামূল হুছেইন, বুদ্ধেশ্বৰী বৰদলৈ, গৌৰীশংকৰ বৰাৰ লগতে গ্ৰামীণ জীৱিকা সহায়ক গোটৰ মহিলাসকলো উপস্থিত থাকে। আনহাতে ভূৰাগাঁও নিউ মাৰ্কেটত ত্ৰিৰংগা বিক্ৰী কেন্দ্ৰ বিপিএম ৰশ্মিৰেখা কলিতাই উদ্বোধন কৰে।

*সাংবাদিক অনুজ ৰাজখোৱা চিকিৎসাধীন*

## শিৱসাগৰৰ পৰা ডিব্ৰগড়লৈ প্ৰেৰণৰ সিদ্ধান্ত



**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২২ জুলাই ঃ** ‘দৈনিক জনমভূমি’ কাকতৰ নাজিৰাৰ নিয়মীয়া সংবাদদাতা অনুজ ৰাজখোৱা দুদিন ধৰি শিৱসাগৰৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। ২০ জুলাইৰ পুৱা প্ৰায় ৫ বজাত সাংবাদিকজনে গেলেকী লাহনগাঁৰৰ নিজা বাসভৱনত শয্যা এৰাৰ সময়তে অসুস্থতা অনুভৱ কৰাত পৰিয়ালৰ সদস্যসকলে ততাতৈয়াকৈ শিৱসাগৰৰ প্ৰগতি চিকিৎসালয়ত উপস্থিত কৰোৱায়। তাতে চিকিৎসকে তেওঁক প্ৰাথমিক চিকিৎসা প্ৰদান কৰি শাৰীৰিক সুস্থতা প্ৰদানৰ চেষ্টা কৰে। সামান্য সুস্থ হৈ উঠা অৱস্থাত ২১ জুলাইৰ সন্ধিয়া পত্নী শেৱালি ৰাজখোৱাই অধিক চিকিৎসাৰ প্ৰয়োজন অনুভৱ কৰি ডিব্ৰুগড়ৰ চিকিৎসালয়লৈ লৈ যোৱাৰ সিদ্ধান্ত প্ৰকাশ কৰে। গেলেকী ত্ৰিৱেণী হাইস্কুলৰ পৰা ২০১৮ চনৰ নৱেম্বৰ মাহত সহকাৰী শিক্ষক হিচাপে অৱসৰৰ পাছত অনুজ ৰাজখোৱাই নাজিৰা জুনিয়ৰ কলেজৰো সহযোগী অধ্যাপক হিচাপে কৰ্ম তৎপৰতা অব্যাহত ৰাখিছে। নাজিৰা প্ৰেছ ক্লাব, নাজিৰা জিলা সাংবাদিক সংস্থা, নাজিৰা মুক্ত সাংবাদিক সন্থা, শিমলুগুৰি প্ৰেছ গীল্ডৰ লগতে নাগালেণ্ডৰ ন-চাং ষ্টুডেণ্ট ফেডাৰেচনৰ সদস্যসকলে বন্তি জ্বলাই সাংবাদিকজনৰ আশু আৰোগ্য কামনাৰে প্ৰাৰ্থনা জনোৱাৰ লগতে গেলেকীৰ নামঘৰ আৰু মছজিদতো প্ৰাৰ্থনা জনাই আশু আৰোগ্য কামনা কৰিছে।

## নৈত গা ধুবলৈ গৈ যুৱকৰ সলিল সমাধি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২২ জুলাই ঃ** কোকৰাঝাৰৰ সৰলপাৰাত সহপাঠীৰ সৈতে ফুৰিবলৈ গৈ বঙাইগাঁৱৰ মনোৰঞ্জন দাস (২১) নামৰ এজন যুৱকৰ নৈত সলিল সমাধি ঘটে। বঙাইগাঁও চহৰৰ ৰূপেশ্বৰ দাসৰ পুত্ৰ তথা বঙাইগাঁও মহাবিদ্যালয়ৰ বাণিজ্য শাখাৰ ছাত্ৰ মনোৰঞ্জন দাসে সহপাঠীৰ সৈতে বৃহস্পতিবাৰে সৰলপাৰাত ফুৰিবলৈ গৈছিল। ফুৰিবলৈ গৈ যুৱকজনে সৰলপাৰাৰ নৈত গা ধুবলৈ গৈ উটি যায়। ক্ষন্তেক পিছত অসুস্থ অৱস্থাত যুৱকজনক উদ্ধাৰ কৰি স্থানীয় চিকিৎসালয়ত ভৰ্তি কৰিলেও উন্নত চিকিৎসাৰ বাবে বঙাইগাঁৱলৈ অনাৰ সময়তে যুৱকজনৰ মৃত্যু হয়।

## তেজপুৰৰ ভোমোৰাগুৰি, ভোজখোৱা আদি অঞ্চলত ব্ৰহ্মপুত্ৰৰ গভীৰ সমস্যা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২২ জুলাই ঃ** তেজপুৰৰ ভোমোৰাগুৰি, ভোজখোৱা আদিৰ লগতে ভৈৰৱপদ, দেৱীসিং ঘাটকে ধৰি বিভিন্ন অঞ্চলত ব্ৰহ্মপুত্ৰই গভীৰ সমস্যাৰ সৃষ্টি কৰি আহিছে। উল্লেখ্য যে ভোমোৰাগুৰি আৰু ভোজখোৱা অঞ্চলৰ বৃহৎ পৰিমাণৰ কৃষিভূমিৰ লগতে বহুসংখ্যক বাসগৃহ ব্ৰহ্মপুত্ৰৰ বান আৰু গৰাখহনীয়াত ইতিমধ্যে জাহ গৈছে। বান আৰু গৰাখহনীয়াত আক্ৰান্ত কোনো অঞ্চলত বিশেষকৈ নদ নদীৰ নিচেই কাষতে থকা এলেকাত এনেদৰে জধেমধে খনন কাৰ্য চলোৱাটো সকলোৰে বাবে অতিকৈ বিপদজনক বুলি জলসম্পদ বিভাগে প্ৰায়ে প্ৰকাশ কৰি আহিছে। তদুপৰি মথাউৰিৰ কাষত এস্কেভেটৰেৰে খননকাৰ্য চলোৱাৰ ফলত মথাউৰি দুৰ্বল হৈ পৰে। বৰ্তমান যি অংশত এই খনন চলাই থকা হৈছে সেই স্থানৰ পৰা নিলগতে ব্ৰহ্মপুত্ৰৰ বানে পূৰ্বে মথাউৰি ছিগিছিল। তেজপুৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ নিলগতে একাংশ লোকে ব্ৰহ্মপুত্ৰৰ কাষত খননকাৰ্য চলোৱা আৰু ১৫নম্বৰ ৰাষ্ট্ৰীয় পথৰ কাষৰ কৃষিভূমি পুতি থকা সত্বেও আজিলৈকে কোনো ব্যৱস্থাই গ্ৰহণ নকৰা ঘটনাই ৰহস্যৰ সৃষ্টি কৰিছে।

## তেজপুৰত কংগ্ৰেছৰ প্ৰতিবাদ

### প্ৰতিবাদকাৰীৰ ওপৰত আৰক্ষীৰ লাঠীচালনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২২ জুলাই ঃ** কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধীক কৰা জেৰাৰ প্ৰতিবাদ তেজপুৰত। তেজপুৰত কংগ্ৰেছৰ প্ৰতিবাদী সমদলত আৰক্ষীৰ বাধা। ছোনীয়া গান্ধীলৈ ইডিৰ চমনৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী লৈছিল শোণিতপুৰ জিলা কংগ্ৰেছে। নেচনেল হেৰাল্ড পেপাৰৰ আৰ্থিক দুৰ্নীতিৰ গোচৰত কংগ্ৰেছ সভানেত্ৰী ছোনীয়া গান্ধীক এনফ’ৰ্চমেণ্ট ডাইৰেক্তৰে সোধা-পোছা কৰাৰ প্ৰতিবাদত তেজপুৰত কংগ্ৰেছৰ প্ৰতিবাদী সমদল। প্ৰতিবাদী কাৰ্যসূচীত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, জ্যেষ্ঠ কংগ্ৰেছী ৰকিবুল হুছেইন, নুৰুল হুদা, জাকিৰ হুছেইন শিকদাৰ, প্ৰাক্তন সাংসদ তথা জিলা কংগ্ৰেছৰ সভাপতি ৰামপ্ৰসাদ শৰ্মা, জ্যেষ্ঠ কংগ্ৰেছী অপূৰ্ব ভট্টাচাৰ্যকে ধৰি কে’বাশতাধিক কংগ্ৰেছী নেতা-কৰ্মীয়ে এই প্ৰতিবাদী কাৰ্যসূচীত অংশ গ্ৰহণ কৰে। প্ৰতিবাদকাৰী দলটোক নিয়ন্ত্ৰণ কৰিবলৈ আৰক্ষীয়ে লাঠীচালনা কৰে। কেন্দ্ৰ তথা ৰাজ্যৰ বিজেপি চৰকাৰে চলোৱা হিটলাৰী শাসনৰ বিৰুদ্ধে বিৰোধী কংগ্ৰেছৰ সভাপতি ভূপেন বৰা সৰৱ হৈ পৰে।



## গৌৰীপুৰত ৭ বি এন এন চি চিৰ প্ৰশিক্ষণ শিবিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গৌৰীপুৰ, ২২ জুলাই ঃ** নামনি অসমৰ ৮খনকৈ জিলাৰ স্কুল আৰু কলেজীয়া ছাত্ৰ-ছাত্ৰীক লৈ ২০ জুলাইৰ পৰা আৰম্ভ হোৱা এই প্ৰশিক্ষণ ২৯ জুলাইলৈকে চলিব। এই প্ৰশিক্ষিণ শিবিৰত এন চি চি মুঠ ৫০০জন কেডাৰৰ ভিতৰত ১৪৮জন ছাত্ৰীয়ে আগভাগ লৈছে শিবিৰত। নিয়মানুৱৰ্তিতা, অনুশাসনৰ পোছাকো অইনৰ লগতে আৰ্ট অৱ লিভিঙৰ দৰে বিষয়বস্তুৰো প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে এই প্ৰশিক্ষণ শিবিৰত। আজি ১৯ বিএন বি এছ এফৰ দ্বাৰা শিবিৰত অস্ত্ৰ-শস্ত্ৰও প্ৰদৰ্শন কৰা হয়।

## চামতাত সদৌ অসম বাতৰি কাকত বিতৰক সন্থাৰ মধ্যকালীন অধিৱেশন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২২ জুলাইঃ** সদৌ অসম বাতৰি কাকত বিতৰক (হকাৰ) সন্থাৰ মধ্যকালীন অধিৱেশনখন নলবাৰী জিলাৰ চামতাত এদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰাৰ সিদ্ধান্ত কৰা হৈছে। সদৌ অসম বাতৰি কাকত বিতৰক (হকাৰ) সন্থাৰ সম্পাদক বিপ্লৱ কুমাৰ শৰ্মাই এক বিবৃতিযোগে এই কথা সদৰী কৰিছে। সন্থাৰ সম্পাদক বিপ্লৱ কুমাৰ শৰ্মাই জানিব দিয়া মৰ্মে, সন্থাৰ ৰাজ্যিক মধ্যকালীন অধিৱেশনখন নলবাৰী জিলাৰ চামতাত ধৰ্মপুৰ আঞ্চলিক বাতৰি কাকত বিতৰক সন্থাৰ সহযোগত ১৮ ছেপ্টেম্বৰত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰাৰ আয়োজন কৰা হৈছে। মধ্যকালীন অধিৱেশনত ৰাজ্যখনৰ সকলো জিলা আৰু আঞ্চলিক সন্থাৰ অন্তৰ্গত বাতৰি কাকত বিতৰকসকলক উপস্থিত থাকিবলৈ আৰু যিসকল বাতৰিকাকত বিতৰকে অদ্যাপী সন্থাৰ অন্তৰ্ভুক্ত হোৱা নাই তেওঁলোকে সংশ্লিষ্ট আঞ্চলিক অথবা জিলা সন্থাৰ লগত যোগাযোগ কৰি সন্থাৰ অন্তৰ্ভুক্ত হৈ সন্থাৰ ৰাজ্যিক মধ্যকালীন অধিৱেশনত অংশ ল’বলৈ আহ্বান জনাইছে সন্থাৰ সম্পাদক শৰ্মাই। এই ক্ষেত্ৰত সবিশেষ জানিবলৈ ৭৬৩৫৯৫৬২৩৪ অথবা ৭০০২৯৯০৯৯১ ম’বাইল নম্বৰত যোগাযোগ কৰিব পাৰিব বুলিও জনাইছে।

# নৃত্যাংগনা কলা কেন্দ্ৰৰ গ্ৰীষ্মকালীন কৰ্মশালাৰ সাংস্কৃতিক অনুষ্ঠানৰ সফল সামৰণি

## ‘নাচোনৰ জিলিঙনী’ শীৰ্ষক সাংস্কৃতিক অনুষ্ঠানত যশস্বী অভিনেতা অৰুণ হাজৰিকাক কলাৰত্ন সন্মান, জনপ্ৰিয় কণ্ঠশিল্পী আকাশ প্ৰীতমক সংগীত আলোক সন্মান



**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ২২ জুলাই ঃ** বাদুলীপাৰৰ নৃত্য শিক্ষাৰ অগ্ৰণী অনুষ্ঠান নৃত্যাংগনা কলা কেন্দ্ৰই আগন্তুক ১৫তম্ প্ৰতিষ্ঠা দিৱসত অনুষ্ঠিত হ’ব লগা ‘উত্তৰ-পূব নৃত্য শিৰোমনি’ৰ লগত সংগতি ৰাখি এইবাৰ বাদুলীপাৰ আৰু ৰঙাগড়া শাখাত পৃথকে পৃথকে আয়োজন কৰা ১৫ দিনীয়া গ্ৰীষ্মকালীন নৃত্য আৰু মডেলিং কৰ্মশালাৰ ২১ জুলাইত সফলৰূপে সামৰণি পৰে। সামৰণিত ‘নাচোনৰ জিলিঙনি’ শীৰ্ষক সাংস্কৃতিক অনুষ্ঠান ভূপেন হাজৰিকা সোঁৱৰণী সাংস্কৃতিক মঞ্চ ৰঙাগড়াত অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি পুৱা ৯.০০ বজাত পতাকা উত্তোলন কৰে নৃত্যাংগনা কলা কেন্দ্ৰৰ সভাপতি নবীন গোহাঁয়ে। পুৱা ১০ বজাত বন্তি প্ৰজ্বলন কৰে উদ্‌যাপন সমিতিৰ সম্পাদিকাদ্বয় ক্ৰমে— প্ৰণালী হাজৰিকা আৰু জুনু বৰাই। পুৱা ১১ বজাত সৃষ্টিশীল নৃত্যৰ প্ৰতিযোগিতা উদ্বোধন কৰে নৃত্যাংগনা কলা কেন্দ্ৰৰ উপদেষ্টা তথা সাংবাদিক পদ্মেশ্বৰ নৰহে। কৰ্মশালাখনিত অংশগ্ৰহণকাৰী প্ৰায় ২০০ ছাত্ৰ-ছাত্ৰীৰ মাজত সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা আৰু সাজ-পাৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। সন্ধিয়া ৬ বজাত ‘নাচোনৰ জিলঙনী’ শীৰ্ষক সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে ৰঙাগড়া জুনিয়ৰ কলেজৰ অধ্যক্ষ সদানন্দ দলেই। এই অনুষ্ঠানত বাদুলীপাৰ, ৰঙাগড়া, বনগাঁও, বালিদুৱাৰ, টিকিৰাই চাপৰিৰ নৃত্যাংগনা কলা কেন্দ্ৰৰ ছাত্ৰ-ছাত্ৰীসকলৰ বহুকেইটা আকৰ্ষণীয় নৃত্যানুষ্ঠানে অনুষ্ঠনটি অধিক আকৰ্ষিত কৰি তোলা পৰিলক্ষিত হয়। উক্ত অনুষ্ঠানতে নৃত্যাংগনা কলা কেন্দ্ৰৰ হৈ অসমৰ চলচ্চিত্ৰ জগতৰ যশস্বী অভিনেতা অৰুণ হাজৰিকাক ‘কলাৰত্ন’ সন্মান আৰু জনপ্ৰিয় কণ্ঠশিল্পী আকাশ প্ৰীতমক ‘সংগীত আলোক’ সন্মান প্ৰদান কৰা হয়। আনহাতে, জনপ্ৰিয় অভিনেতা দেৱাশিস বৰঠাকুৰ, কণ্ঠশিল্পী ৰক্তিমৰাজ নাথ আৰু ৰাতুল ৰাজ আৰু উদীয়মান অভিনেত্ৰী তিশ্যা হাজৰিকাক বিশেষভাৱে সন্মান প্ৰদান কৰা হয়। অসমৰ সাংস্কৃতিক জগতৰ এইসকল শিল্পীৰ উপস্থিতিয়ে অনুষ্ঠানটি অধিক জীপাল কৰি তোলে। তদুপৰি সাংস্কৃতিক কৰ্মী মালবিকা হাজৰিকা, উত্তৰা শইকীয়া আৰু বিজয় বাস্তৱ লইঙক সামাজিক, সাংস্কৃতিক কৰ্মী ৰূপে সম্বৰ্ধনা জ্ঞাপন কৰে। অসমৰ সাংস্কৃতিক জগতৰ প্ৰতিষ্ঠিত কৰিঅ’গ্ৰাফাৰ তথা নৃত্যাংগনা কলা কেন্দ্ৰৰ সঞ্চালক কামাল ৰাজাৰ তত্ত্বাৱধানত অনুষ্ঠিত হোৱা এই কৰ্মশালাত অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলক একোখনকৈ মান-পত্ৰ প্ৰদান কৰা হয়। বাদুলিপাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ কে’বাজনো বিষয়ববীয়া উপস্থিত থকা অনুষ্ঠানটিৰ আঁত ধৰে সঞ্চালক কামাল ৰাজা আৰু নীলাক্ষী বৰাই। অনুষ্ঠানটিৰ লগত প্ৰতিটো কাৰ্যত জড়িত পংকজ পৰাণ, দিবাকৰ মৰাং, উত্তম শইকীয়া, মনোমতী নৰহ, সীমান্ত শইকীয়া, বিদ্যুৎ বিকাশ বৰা, ৰতন দাস, সুৰজিৎ দাস, মুস্তাক আলম, জুন্টি নৰহ, নৃত্যাংগনাৰ সভাপতি নবীন গোহাঁই, সঞ্চালক কামাল ৰাজা তথা উদ্‌যাপন সমিতিৰ প্ৰতিগৰাকী বিষয়ববীয়াক কামাল ৰাজাই এনে এটি সুন্দৰ অনুষ্ঠান ৰাইজক উপহাৰ দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে অনুষ্ঠানটিৰ উত্তোৰোত্তৰ কামনা কৰিছে।

# গুৱাহাটীত হ'ব ঐতিহ্যমণ্ডিত ডুৰাণ্ড কাপ ফুটবলৰ দহখন মেচ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গুৱাহাটী, ২২ জুলাই ঃ** অসমৰ ক্ৰীড়াপ্ৰেমীৰ বাবে আনন্দ আৰু গৌৰৱৰ খবৰ। এছিয়া মহাদেশৰ সবাতোকৈ প্ৰাচীন ফুটবল প্ৰতিযোগিতা ডুৰাণ্ড কাপ এইবাৰ অসমত অনুষ্ঠিত হ'ব। মহানগৰীত আয়োজিত এক অনুষ্ঠানত ১৩১সংখ্যক ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ট্ৰফী আনুষ্ঠানিকভাৱে মুকলি কৰে অসমৰ মুখ্যমন্ত্ৰী




ড° হিমন্ত বিশ্ব শৰ্মাই। উল্লেখ্য যে ভাৰতীয় সেনাই আয়োজন কৰা ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতা প্ৰথমবাৰৰ বাবে অসমত অনুষ্ঠিত হ'ব। এয়া অসমৰ বাবে এক গৌৰৱময় ক্ষণ বুলি ব্যক্ত কৰে মুখ্যমন্ত্ৰী শৰ্মাই। 'অসমৰ সোণালী ক্ৰীড়া ইতিহাসত আৰু এক ঐতিহাসিক ঘটনা সন্নিবিষ্ট হ'ল এছিয়া মহাদেশৰ সবাতোকৈ প্ৰাচীন ফুটবল প্ৰতিযোগিতা ডুৰাণ্ড কাপ প্ৰথমবাৰলৈ গুৱাহাটীত অনুষ্ঠিত হোৱাৰ বাবে। কাৰণ ১৩৪ বছৰ পুৰণি বিশ্বৰ তৃতীয় প্ৰাচীন ফুটবল প্ৰতিযোগিতা ডুৰাণ্ড কাপ কেৱল এখন খেল নহয়, এয়া ভাৰতীয় ক্ৰীড়াৰ ঐতিহ্য প্ৰতিফলন হোৱা এক সোণালী দস্তাবেজ। অসমৰ বৰ্ণিল ক্ৰীড়া ইতিহাসত ফুটবলৰ স্বৰ্ণিল সফলতা ৰাজ্যবাসীৰ বাবে চিৰস্মৰণীয়। ১৯৪৮ত লণ্ডনত প্ৰথমবাৰৰ বাবে অলিম্পিক গেমছ খেলা ভাৰতীয় ফুটবল দলৰ অধিনায়কজন আছিল অসম সন্তান ভাৰত গৌৰৱ ডাঃ টি আও। ভাৰতৰত্ন লোকপ্ৰিয় বৰদলৈ ট্ৰফী, স্বাধীনতা কাপ আদি ফুটবল প্ৰতিযোগিতা তথা শতবৰ্ষ পূৰ্ণ কৰা গুৱাহাটী টাউন ক্লাব, মহাৰাণা ক্লাব আদিয়ে অসমৰ লগতে উত্তৰ-পূব ভাৰতৰ ফুটবলৰ এক সুদৃঢ় ভেটি গঢ় দিছে। ডুৰাণ্ড কাপৰ দৰে ঐতিহ্যমণ্ডিত ফুটবল প্ৰতিযোগিতা আয়োজনৰ জৰিয়তে ৰাজ্যৰ ফুটবল ক্ষেত্ৰক উত্তৰণৰ দিশলৈ আগুৱাই নিয়াত স্বাভাৱিকতে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব।' মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ব্যক্ত কৰে। অহা ১৭ আগষ্টৰ পৰা চাৰি ছেপ্টেম্বৰলৈ গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব ১৩১সংখ্যক ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ গ্ৰুপ 'ডি'ৰ মুঠ ১০খন মেচ। উল্লেখ্য যে প্ৰতিযোগিতাত অংশ লোৱাৰ সুযোগ লাভ কৰিছে দেশৰ আগশাৰীৰ ২০টা ক্লাবে। এটা গ্ৰুপত পাঁচটাকৈ দল অন্তৰ্ভুক্ত কৰি চাৰিটা গ্ৰুপ কৰা হৈছে। প্ৰতিটো গ্ৰুপৰ শীৰ্ষ দুটা দলে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিব। ফাইনেল, ছেমিফাইনেল আৰু কোৱাৰ্টাৰ ফাইনেল অনুষ্ঠিত হ'ব কলকাতাত। কলকাতাতে গ্ৰুপ 'এ' আৰু 'বি'ৰ মেচো অনুষ্ঠিত হ'ব। গ্ৰুপ 'চি'ৰ মেচ অনুষ্ঠিত হ'ব মণিপুৰত। গুৱাহাটীত খেলিব লগা গ্ৰুপ 'ডি'ৰ পাঁচটা দল হ'ল নৰ্থ-ইষ্ট ইউনাইটেড এফচি, ওড়িশা এফচি, দিল্লী এফচি, কেৰালা ব্লাষ্টাৰ্ছ এফচি আৰু আৰ্মী গ্ৰীন। উল্লেখ্য যে যি ২০টা ক্লাবে ১৩১সংখ্যক ডুৰাণ্ড কাপত অংশ লৈছে ইয়াৰে ১১টা আই এছ এলৰ ক্লাব। আনহাতে, প্ৰতিযোগিতাৰ আয়োজক ভাৰতীয় সেনাৰ চাৰিটা দলৰ লগতে আন পাঁচটা ক্লাবক সুযোগ দিয়া হৈছে। ট্ৰফী মুকলি অনুষ্ঠানত উপস্থিত থাকে ডুৰাণ্ড কাপৰ আয়োজক সমিতিৰ অধ্যক্ষ লেফটেনেণ্ট জেনেৰেল কে কে ৰেপছৱাল, লেফটেনেণ্ট জেনেৰেল কে চি পঞ্চনাথন, অসম চৰকাৰৰ মুখ্য সচিব জিষ্ণু বৰুৱা, মেজৰ জেনেৰেল বিকাশ চাইনি আদিৰ লগতে অসম চৰকাৰৰ কে'বাজনো শীৰ্ষ বিষয়া তথা ভাৰতীয় সেনাৰো কে'বাগৰাকী শীৰ্ষ বিষয়া।

# নগাঁৱত ৪৪সংখ্যক ৰাজ্যিক পাঞ্জা চেম্পিয়নশ্বিপ আৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২২ জুলাই ঃ** অসম আৰ্ম ৰেষ্টলিং এছ'চিয়েচনৰ উদ্যোগত আৰু নগাঁও জিলা সমিতিৰ সহযোগত আজিৰে পৰা দুদিনীয়াকৈ নগাঁও চহৰৰ ঐতিহ্যমণ্ডিত জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আৰম্ভ হ'ল ৪৪সংখ্যক সদৌ অসম আৰ্ম ৰেষ্টলিং চেম্পিয়নশ্বিপ-২০২২। আজি পুৱাৰ ভাগত এছ'চিয়েচনৰ ৰাজ্যিক সমিতিৰ পতাকা উত্তোলন কৰে অধ্যক্ষ মুনীন্দ্ৰ শইকীয়াই আৰু জিলা সমিতিৰ পতাকা উত্তোলন কৰে জ্যেষ্ঠ সাংবাদিক তথা অভ্যৰ্থনা সমিতিৰ সভাপতি কনক হাজৰিকাই। ইয়াৰ পাছতে জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত চেম্পিয়নশ্বিপখনৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাই। এগছি বন্তি প্ৰজ্বলন কৰি বিধায়ক ৰূপক শৰ্মাই কয়-অসমৰ ক্ৰীড়া ক্ষেত্ৰখনত নগাঁৱৰ এটা সুকীয়া নাম আছে। শেহতীয়াকৈ নগাঁও চহৰত কে'বাখনো ৰাজ্যিক পৰ্যায়ৰ খেল অনুষ্ঠিত হোৱাৰ পাছত আৰ্ম ৰেষ্টলিং চেম্পিয়নশ্বিপ অনুষ্ঠিত কৰাৰ বাবে এই এছ'চিয়েচনখনক ধন্যবাদ জ্ঞাপন কৰিছোঁ। এই অনুষ্ঠানতে নগাঁও জিলাৰ উপায়ুক্ত নৰেন্দ্ৰ শ্বাহ, অতিৰিক্ত আৰক্ষী অধীক্ষক নিৰুপম হাজৰিকা, নগাঁৱৰ পৌৰপতি অম্বিকা মজুমদাৰ, উপ-পৌৰপতি সীমান্ত বৰা, পৌৰসভাৰ কাৰ্যবাহী বিষয়া প্ৰীতম ৰাজা শৰ্মা, এছ'চিয়েচনৰ সভাপতি ৰাহুল দেৱ কলিতা, সম্পাদক দেৱজিৎ শৰ্মা আৰু নগাঁও জিলা সমিতিৰ সভাপতি অভিজিত কুমাৰ নাথ উপস্থিত থাকে। ৰাজ্যখনৰ বিভিন্ন জিলাৰ ডেৰশতাধিক খেলুৱৈ আৰু দুকুৰি অফিচিয়েলচ্ তথা ৰেফাৰীয়ে অংশগ্ৰহণ কৰা চেম্পিয়নশ্বিপখনৰ বাবে নগাঁও চহৰখনত এক উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি হৈছে। অহা কালিলৈ চেম্পিয়নশ্বিপখনৰ সামৰণি পৰিব।





## গুৱাহাটীত ভাৰত-দক্ষিণ আফ্ৰিকাৰ টি-২০ মেচ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গুৱাহাটী, ২২ জুলাই ঃ** দীৰ্ঘ বিৰতিৰ পাছত গুৱাহাটীত অনুষ্ঠিত হ'ব এখন আন্তৰ্জাতিক ক্ৰিকেট মেচ। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে দক্ষিণ আফ্ৰিকা আৰু ভাৰতৰ মাজত হ'ব লগা তিনিখন এদিনীয়া আৰু তিনিখন টি-২০ মেচৰ শৃংখলাৰ সূচী ঘোষণা কৰিছে। সেই অনুসৰি তিনিখনীয়া টি-২০ শৃংখলাৰ দ্বিতীয়খন মেচ গুৱাহাটীত অনুষ্ঠিত হ'ব। অসম ক্ৰিকেট সন্থাৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অহা পহিলা অক্টোবৰত দক্ষিণ আফ্ৰিকা আৰু ভাৰতৰ মাজত হ'ব তিনিখনীয়া টি-২০ শৃংখলাৰ দ্বিতীয়খন মেচ। শৃংখলাৰ প্ৰথম মেচ ২৮ ছেপ্টেম্বৰত ট্ৰিবান্দ্ৰমত আৰু তৃতীয় টি-২০খন তিনি অক্টোবৰত ইন্দোৰত হ'ব। ইফালে, তিনিখনীয়া টি-২০ শৃংখলাৰ পাছত দক্ষিণ আফ্ৰিকা আৰু ভাৰতৰ মাজত অনুষ্ঠিত হ'ব তিনিখনীয়া এদিনীয়া শংখলা। ছয় অক্টোবৰত ৰাঁচীত প্ৰথম মেচ হোৱাৰ পাছত লক্ষ্ণৌত দ্বিতীয় এদিনীয়াখন ন অক্টোবৰত অনুষ্ঠিত হ'ব। আনহাতে, ১১ অক্টোবৰত নতুন দিল্লীত তৃতীয় তথা অন্তিম এদিনীয়া মেচখন হ'ব। দক্ষিণ আফ্ৰিকা আৰু ভাৰতৰ মাজৰ তিনিখনীয়া টি-২০ শৃংখলাৰ পূৰ্বে টীম ইণ্ডিয়াই তিনিখন টি-২০ মেচ খেলিব অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে। ২০ ছেপ্টেম্বৰত ম'হালীত প্ৰথম মেচ, ২৩ ছেপ্টেম্বৰত নাগপুৰত দ্বিতীয় মেচ আৰু ২৫ ছেপ্টেম্বৰত হায়দৰাবাদত তৃতীয় মেচখন হ'ব। ইফালে, এছিয়া কাপ শ্ৰীলংকাৰ পৰিৱৰ্তে ডুবাইত হ'ব বুলি ব্যক্ত কৰিছে বিচিচি আইৰ সভাপতি সৌৰভ গাংগুলীয়ে।

## নগাঁৱৰ ৰাজনন্দিনীৰ টাইকোৱাণ্ডত সাফল্য


**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২২ জুলাই ঃ** নগাঁৱৰ ৰাজনন্দিনী বৰাই ৩৭ সংখ্যক অসম ৰাজ্যিক টাইকোৱাণ্ড চেম্পিয়নশ্বিপ ২০২২ত নিজ শাখাত সোণৰ পদক লাভ কৰিবলৈ সক্ষম হয়। বঙাইগাঁও জিলাৰ অভয়াপুৰীত অনুষ্ঠিত হৈ যোৱা অসম ৰাজ্যিক টাইকোৱাণ্ড প্ৰতিযোগিতাত এই সাফল্য লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ যে ৰাজনন্দিনী টাইকোৱাণ্ডত বিশ্বৰ



কনিষ্ঠতম ব্লেক বেল্ট অধিকাৰী। তদুপৰি ৰাজনন্দিনীয়ে ইতিমধ্যে বহুকেইটা খিতাপ অৰ্জন কৰিবলৈ সক্ষম হৈছে। ৰাজনন্দিনী নগাঁৱৰ কামপুৰৰ ৰাজীৱ বৰা আৰু জ্যোতিৰ্ময়ী গগৈৰ কন্যা। ৰাজনন্দিনীৰ এই সাফল্যত নগাঁৱৰ লগতে কামপুৰবাসী উৎফুল্ল হৈ পৰিছে।

# অসম যুৱ অলিম্পিক আৰম্ভ

**গুৱাহাটী ২২ জুলাই ঃ** অসম অলিম্পিক সন্থাই প্ৰথমবাৰৰ বাবে আয়োজন কৰা অসম যুৱ অলিম্পিক ২০২২ আজিৰে পৰা গুৱাহাটীত আৰম্ভ হৈছে। আজি সৰুসজাই ষ্টেডিয়ামত নৃত্য-গীতৰ মাজেৰে প্ৰতিযোগিতাখন মুকলি কৰা হয়। এই অনুষ্ঠানত উপস্থিত থাকে মন্ত্ৰী অশোক সিংহাল, ৰণজিৎ দাস, বিধায়ক দিগন্ত কলিতা, নৱ দলে আদি। আনহাতে, অৰ্জুন বঁটা বিজয়ী মনালিছা বৰুৱা, কমলেশ মেহতাৰ লগতে তৈবুনিচ্চা, মডালাছা বৰুৱা আদিয়েও অংশ লয়। অলিম্পিক শিখা দৌৰ আনুষ্ঠানিকভাৱে ষ্টেডিয়ামত প্ৰজ্বলন কৰে অংকুশিতা বড়ো আৰু অম্লান বৰগোহাঁয়ে। অনুষ্ঠানত ৰাজ্যৰ কেবাজনো জনপ্ৰিয় শিল্পীয়ে নিজৰ অনুষ্ঠান পৰিৱেশন কৰে। অংশগ্ৰহণকাৰী জিলাৰ খেলুৱৈৰ অভিবাদন গ্ৰহণ কৰে বিশিষ্ট অতিথিসকলে। কিন্তু সৰুসজাই ষ্টেডিয়ামৰ ফ্লাড লাইট বন্ধ হৈ থকাত সমগ্ৰ অনুষ্ঠানতো অন্ধকাৰৰ মাজতে সমাপন হয়। উল্লেখ্য যে ৰাজ্যৰ যুৱ খেলুৱৈসকলক এখন মঞ্চ দিয়াৰ উদ্দেশ্যে তথা নতুন প্ৰতিভা নিৰ্বাচন কৰি ৰাজ্যৰ ক্ৰীড়াক্ষেত্ৰক তৃণমূলৰ পৰা সুদৃঢ় কৰাৰ লক্ষ্যৰে অসম অলিম্পিক সন্থাই প্ৰথমবাৰৰ বাবে আয়োজন কৰিছে অসম যুৱ অলিম্পিক। প্ৰতিযোগিতাখনত অসমৰ ৩৫ খন জিলাৰ খেলুৱৈয়ে ৩২টা ইভেন্টত পদকৰ বাবে খেলিব। প্ৰতিযোগিতাখনত ইতিমধ্যে ৪,১১৭গৰাকী খেলুৱৈ, ৭১১জন অফিচিয়েল আৰু ৬৫৪জন টেকনিকেল অফিচিয়েলে যোগদান কৰাটো নিশ্চিত হৈছে। উল্লেখ্য যে গুৱাহাটীৰ মুঠ ১০টাকৈ ভেন্যুত অনুষ্ঠিত হ'ব এই অসম যুৱ অলিম্পিক। ইয়াৰ ভিতৰত আছে পল্টন বজাৰৰ ছাই কেন্দ্ৰ, দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়াম, সৰুসজাই এথলেটিকছ ষ্টেডিয়াম, এন এফ ৰে'লৱেৰ মালিগাঁও ইনড'ৰ ষ্টেডিয়াম, মহম্মদ তৈয়বুল্লা হকী ষ্টেডিয়াম, সোণাপুৰৰ এল এন আই পি ই ক্ৰীড়া প্ৰকল্প, কাহিলিপাৰা শ্যুটিং ৰেঞ্জ, চচল টেনিছ কৰ্ট, ভোগেশ্বৰী ফুকননী ইনড'ৰ ষ্টেডিয়াম আৰু দীঘলী পুখুৰী। ইফালে, খেল আৰম্ভ হোৱাৰ পূৰ্বে দীঘলী পুখুৰীত আজি এক অপ্ৰত্যাশিত ঘটনা সংঘটিত হয়। নৌকা চালনাৰ বাবে অনা নাও মেৰামতি কৰি থকা সময়তে কোনো অচিনাক্ত লোকে ক্ষতি কৰে বুলি আয়োজকে জনাইছে। ইতিমধ্যে এই ঘটনাক হৈ পাণ বজাৰ থানাত গোচৰ ৰুজু হৈছে আৰু তদন্ত অব্যাহত ৰাখিছে আৰক্ষীয়ে।



## ৰাষ্ট্ৰীয় জুনিয়ৰ সাঁতোৰত পাহীৰ ৰূপ


**গুৱাহাটী ২২ জুলাই ঃ** ভুৱনেশ্বৰত অনুষ্ঠিত ৪৮ সংখ্যক ৰাষ্ট্ৰীয় জুনিয়ৰ সাঁতোৰ প্ৰতিযোগিতাত তেজপুৰৰ পাহী বৰাই ৰূপৰ পদক অৰ্জন কৰিবলৈ সক্ষম হয়। বেজৰ চুবুৰিৰ নিৱাসী হেমন্ত বৰা আৰু দেৱযানী বৰাৰ একমাত্ৰ জীয়ৰী পাহীয়ে ৪,১০০ মিটাৰ মেডলি ৰে'লীত অংশ লৈ এই পদক অৰ্জন কৰে। পাহীয়ে তেজপুৰৰ হজৰা পুখুৰীত বিষ্ণুজ্যোতি আৰু তেজপুৰ সাঁতোৰ প্ৰশিক্ষণ কেন্দ্ৰত প্ৰশিক্ষণ লৈ আছে।

## ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ জয়লাভ

**গুৱাহাটী ২২ জুলাই ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা নুৰুল আমিন প্ৰাইজমানী প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ এখন খেলত ষ্টাৰ স্প'ৰ্টিং ক্লাবে ত্ৰিনয়ন গোষ্ঠীক ৩-১ গ'লত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। খেলখনত প্ৰাক্তন ৰাজ্যিক ফুটবলাৰ প্ৰণৱ বৰদলৈ আৰু ৰবীন্দ্ৰ কাকতিৰ প্ৰশিক্ষণৰে পুষ্ট ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ হৈ মানৱজ্যোতি বৰদলৈ, বিভানজ্যোতি লস্কৰ আৰু ৰূপজ্যোতি বৰাই গ'ল দিয়াৰ বিপৰীতে ত্ৰিনয়ন গোষ্ঠীৰ হৈ দিল ৰংহাঙে একমাত্ৰ গ'লটো দিয়ে। আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী ঘনশ্যাম দাসক সহায় কৰে পাৰ্থজ্যোতি দাস, শোণিত কুমাৰ বৰা আৰু অ'হিদুজ জামানে। খেলখনত মানৱজ্যোতি বৰদলৈ শ্ৰেষ্ঠ খেলুৱৈৰূপে পৰিগণিত হয়।

### বিশ্ব এথলেটিকছ চেম্পিয়নশ্বিপ

# প্ৰথম প্ৰচেষ্টাতে ফাইনেলত অলিম্পিক স্বৰ্ণজয়ী নীৰজ



**নতুন দিল্লী, ২২ জুলাই ঃ** টকিঅ' অলিম্পিকত স্বৰ্ণ জয়েৰে ভাৰতবাসীৰ প্ৰত্যাশাৰ নায়ক হৈ পৰা নীৰজ চোপ্ৰাই পুনৰ এবাৰ কোটি কোটি ভাৰতীয়ক গৌৰৱান্বিত কৰি তোলাৰ পথত আগবাঢ়িছে। অৰেগনত অনুষ্ঠিত বিশ্ব এথলেটিকছ চেম্পিয়নশ্বিপৰ কোৱালিফায়িং ৰাউণ্ডত প্ৰথম প্ৰচেষ্টাতে ৮৮.৩৯ মিটাৰ থ্ৰ' কৰি গ্ৰুপত প্ৰথম স্থান অধিকাৰ কৰাৰ লগতে ফাইনেলত প্ৰৱেশ কৰে নীৰজ। উল্লেখ্য যে তাৰকা জেভেলিন খেলুৱৈ নীৰজে টকিঅ' অলিম্পিকতো কোৱালিফাই ৰাউণ্ডত মাত্ৰ এটা থ্ৰ'তে ফাইনেললৈ যোগ্যতা অৰ্জন কৰিছিল। তাৰ পিছতে নীৰজে সৃষ্টি কৰিছিল ইতিহাস। অলিম্পিকৰ ট্ৰেক এণ্ড ফিল্ডত স্বৰ্ণ অৰ্জন কৰা প্ৰথম ভাৰতীয় তথা অলিম্পিকৰ ইতিহাসত স্বৰ্ণ জয়ী দ্বিতীয়গৰাকী ভাৰতীয় হোৱাৰ গৌৰৱ লাভ কৰে নীৰজে। উল্লেখ্য যে বিশ্ব এথলেটিকছ চেম্পিয়নশ্বিপৰ ইতিহাসত ভাৰতৰ সৰ্বকালৰ পদক তালিকাত মাত্ৰ এটা পদকেই আছে। ২০০৩ ত অঞ্জু ববি জৰ্জে মহিলাৰ লং জাম্পত জয় কৰা ব্ৰঞ্জ পদকেই বিশ্ব এথলেটিকছ চেম্পিয়নশ্বিপত ভাৰতৰ একমাত্ৰ পদক। এইবাৰ নীৰজে প্ৰতিযোগিতাখনত ভাৰতৰ এই পদকৰ অপেক্ষা অন্ত পেলাব বুলি আশা কৰিছে কোটি কোটি ভাৰতীয়ই। প্ৰতিগৰাকী ভাৰতীয়ৰ আশা বিশ্ব ক্ৰীড়াৰ মানচিত্ৰত আকৌ এবাৰ গৌৰৱেৰে উৰি উঠক ত্ৰিৰংগ পতাকা।

## ৰাজ্যিক ৰোলবলৰ সামৰণি

**গুৱাহাটী ২২ জুলাই ঃ** দুলীয়াজান বিহুতলীত অনুষ্ঠিত আন্তঃজিলা ৰোলবল প্ৰতিযোগিতাৰ সামৰণি পৰিছে। উল্লেখ্য যে প্ৰতিযোগিতাত গুৱাহাটীৰ জুনিয়ৰ ল'ৰাৰ দলে দুলীয়াজানক ৫-৪ ব্যৱধানত পৰাস্ত কৰি খিতাপ অৰ্জন কৰে। ৰাজ্যৰ দহখন জিলাৰ দলে অংশ লোৱা প্ৰতিযোগিতাৰ সামৰণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিধায়ক টেৰছ গোৱালা, অজিত কুমাৰ বৰুৱা, মুখ্য মহাপ্ৰবন্ধক, অইল ইণ্ডিয়া লিমিটেড, অজয় কুমাৰ ভট্টাচাৰিয়া, নীলাক্ষী নেওগ, অসম ৰোলবলৰ হৈ উপ-সভাপতি যোগেশ কলিতা, সম্পাদক ভূমিধৰ বৰ্মন, দুলীয়াজান ৰোলবলৰ দিলীপ বৰদলৈ, অমূল্য চেংলাৰী, জীৱন মৰান আদি। প্ৰতিযোগিতাত ছুপাৰ মিনি আৰু মিনি বিভাগত ল'ৰা শাখাত চেম্পিয়ন হয় দুলীয়াজান। আনহাতে, ছোৱালী শাখাত খিতাপ লাভ কৰে কামৰূপে। ছাব-জুনিয়ৰ ল'ৰাত দুলীয়াজান আৰু ছোৱালীত কামৰূপ চেম্পিয়ন হয়। জুনিয়ৰৰ ল'ৰাত গুৱাহাটী তথা ছোৱালী শাখাত কামৰূপ দলে খিতাপ অৰ্জন কৰে।

### ল'ৰা-ছোৱালীৰ ফুটবল আৰম্ভ

## ছোৱালীৰ হকীৰ ছেমিত তিনিচুকীয়া-ডিব্ৰুগড়, গুৱাহাটী-নগাঁও

**গুৱাহাটী ২২ জুলাই ঃ** অসম অলিম্পিক সন্থাই প্ৰথমবাৰৰ বাবে আয়োজন কৰা অসম যুৱ অলিম্পিক ২০২২ আজিৰে পৰা গুৱাহাটীত আৰম্ভ হৈছে। আজি ভেটাপাৰাত হকী ষ্টেডিয়ামত অনুষ্ঠিত হয় মহিলা হকীৰ চাৰিখন খেল। গুৱাহাটীয়ে তেজপুৰক ২-০ গ'লত, তিনিচুকীয়াই হোজাইক ১-০ গ'লত, নগাঁও দলে হাইলাকান্দিক ১৪-০ গ'লত আৰু ডিব্ৰুগড়ে মৰিগাঁৱক ১১-০ গ'লত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে। কাইলৈ ছেমিফাইনেলত তিনিচুকীয়াই ডিব্ৰুগড়ৰ বিৰুদ্ধে আৰু গুৱাহাটীয়ে নগাঁৱৰ বিৰুদ্ধে খেলিব। ইফালে, মহিলা ফুটবলত আজি কামৰূপে চৰাইদেউক ২-১ গ'লত, নগাঁও দলে নাজিৰাক ২-০ গ'লত আৰু ডিব্ৰুগড়ে কোকৰাঝাৰ দলক ৫-২ গ'লত হৰুৱায়। ল'ৰাৰ ফুটবলত নাজিৰাই টাইব্ৰেকাৰত ৪-১ গ'লত পৰাস্ত কৰে গোলাঘাটক।

## এ ডিভিজন ফুটবলত বৰভেটা স্প'ৰ্টছ ক্লাবৰ বৃহৎ জয়

**দৈনন্দিন বাৰ্তাৰ সেৱা, গুৱাহাটী, ২২ জুলাই ঃ** যোৰহাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত যোৰহাট ষ্টেডিয়ামত চলি থকা এ ডিভিজন ফুটবল লীগৰ এ গ্ৰুপৰ এখন খেলত বৰভেটা স্প'ৰ্টছ ক্লাবে গোহাঁই টেকেলা ফুটবল ক্লাবক ৭-০ গ'লত পৰাভূত কৰি সম্পূৰ্ণ পইন্ট লাভ কৰিবলৈ সক্ষম হয়। খেলৰ প্ৰথমাৰ্ধত বৰভেটা স্প'ৰ্টছ ক্লাবে ৫-০ গ'লত অগ্ৰগতি লাভ কৰে। আজিৰ খেলত বিধি-নিষিদ্ধভাৱে খেলা বাবে বৰভেটা স্প'ৰ্টছ ক্লাবৰ চিন্ময় মেচক ৰঙা কাৰ্ড দি খেলপথাৰৰ পৰা বাহিৰ কৰি দিয়ে। খেলখন পৰিচালনা কৰে সুমন্ত দত্তই। আনহাতে, লাইনত থাকে পৱন পাঠক আৰু বিমান বুঢ়াগোহাঁই। চতুৰ্থ ৰেফাৰী বি গগৈ। চলিত এ ডিভিজন ফুটবল লীগৰ কাইলৈৰ খেলত যোৰহাট টাউন ক্লাবে খেলিব কেন্দ্ৰীয় ক্লাব, টীয়কৰ বিৰুদ্ধে।

## ৰাজ্যিক পাঞ্জা চেম্পিয়নশ্বিপ আৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গুৱাহাটী ২২ জুলাই ঃ** অসম আৰ্ম ৰেষ্টলিং এছ'চিয়েচনৰ উদ্যোগত আৰু নগাঁও জিলা সমিতিৰ সহযোগত আজিৰে পৰা দুদিনীয়াকৈ নগাঁও চহৰৰ ঐতিহ্যমণ্ডিত জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আৰম্ভ হৈছে ৪৪সংখ্যক সদৌ অসম আৰ্ম ৰেষ্টলিং চেম্পিয়নশ্বিপ। আজি পুৱা ৰাজ্যিক সমিতিৰ পতাকা উত্তোলন কৰে ৰাজ্যিক সমিতিৰ অধ্যক্ষ মুনীন্দ্ৰ শইকীয়াই আৰু জিলা সমিতিৰ পতাকা উত্তোলন কৰে জ্যেষ্ঠ সাংবাদিক তথা অভ্যৰ্থনা সমিতিৰ সভাপতি কনক হাজৰিকাই। ইয়াৰ পাছতে জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত চেম্পিয়নশ্বিপখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাই। বন্তি প্ৰজ্বলন কৰি বিধায়ক ৰূপক শৰ্মাই কয়-অসমৰ ক্ৰীড়া ক্ষেত্ৰখনত নগাঁৱৰ এটা সুকীয়া নাম আছে। শেহতীয়াকৈ নগাঁও চহৰত কেইবাখনো ৰাজ্যিক পৰ্যায়ৰ খেল অনুষ্ঠিত হোৱাৰ পাছত আৰ্ম ৰেষ্টলিং চেম্পিয়নশ্বিপ অনুষ্ঠিত কৰাৰ বাবে এই সন্থাক ধন্যবাদ জ্ঞাপন কৰিছোঁ। এই অনুষ্ঠানতে নগাঁও জিলাৰ উপায়ুক্ত নৰেন্দ্ৰ শ্বাহ, অতিৰিক্ত আৰক্ষী অধীক্ষক নিৰূপম হাজৰিকা, নগাঁৱৰ পৌৰপতি অম্বিকা মজুমদাৰ, উপ-পৌৰপতি সীমান্ত বৰা, পৌৰসভাৰ কাৰ্যবাহী বিষয়া প্ৰীতম ৰাজা শৰ্মা, এচোছিয়েশ্যনৰ সভাপতি ৰাহুল দেৱ কলিতা, সম্পাদক দেৱজিৎ শৰ্মা আৰু নগাঁও জিলা সমিতিৰ সভাপতি অভিজিত কুমাৰ নাথ উপস্থিত থাকে। ৰাজ্য খনৰ বিভিন্ন জিলাৰ প্ৰায় ডেৰ শতাধিক খেলুৱৈ আৰু দুকুৰি বিষয়া তথা ৰেফাৰীয়ে অংশগ্ৰহণ কৰা চেম্পিয়নশ্বিপখন কাইলৈ সামৰণি পৰিব।

## বৰভেটা স্প'ৰ্টছ ক্লাব ছেমি ফাইনেলত

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট. ২২ জুলাই ঃ** যোৰহাট এ ডিভিজন ফুটবল লীগ প্ৰতিযোগিতাত আজি এ গ্ৰুপৰ খেলত বৰভেটা স্প'ৰ্টছ ক্লাবে ৰেডিয়েন্ট ক্লাবক ৯-০ গ'লত পৰাভূত কৰি লীগৰ সম্পূৰ্ণ পইন্ট লাভ কৰিবলৈ সক্ষম হোৱাৰ লগতে বৰভেটাই এ গ্ৰুপৰ প্ৰথমটো দল ৰূপে ছেমি ফাইনেলত উপনীত হৈছে। বৰভেটা স্প'ৰ্টছ ক্লাবে লীগৰ চাৰিখন খেলত অংশগ্ৰহণ কৰি তিনিখন খেলত জয়ী আৰু এখন ড্ৰ খেলি সৰ্বমুঠ ১০ পইন্ট সংগ্ৰহ কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। আজিৰ খেলত বৰভেটা স্প'ৰ্টছ ক্লাবৰ হৈ লোহিত হেমৰম, জিন্টু চাওৰা, ডব্লিউ এম মিঠাই, এন এছ সিং আদি বড়া, অ'আৰ সিঙে গ'ল কৰিবলৈ সক্ষম হয়। আজি খেল পৰিচালনা কৰে অনিল শইকীয়াই। লাইনত সুমন্ত দত্ত আৰু ৰাজীৱ শইকীয়া। চতুৰ্থ পৱন পাঠক। ২৩ জুলাইৰ খেল ঃ যোৰহাট টাউন ক্লাব বনাম অল ষ্টাৰ ক্লাব।

## ৰাজ্যিক টাইকোৱানডোত সন্তোষৰ সোণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২২ জুলাই ঃ** বঙাইগাঁৱৰ অভয়াপুৰীত অনুষ্ঠিত ৩৭সংখ্যক ৰাজ্যিক টাইকোৱানডো প্ৰতিযোগিতাৰ ছাব-জুনিয়ৰ শাখাত ৩২ কেজিত যোৰহাট জিলাৰ সন্তোষ বৰাই সোণৰ পদক লাভ কৰিছে। সন্তোষ বৰা ধলাজান টাইকোৱানডো প্ৰশিক্ষণ স্কুলৰ প্ৰশিক্ষাৰ্থী। খেলুৱৈজনে ব্লেক বেল্ট চতুৰ্থ ডান আৰু ৰাষ্ট্ৰীয় ৰেফাৰী গজেন বৰাৰ অধীনত প্ৰশিক্ষণ লৈ আছে। **অসম যুৱ অলিম্পিকৰ বাবে যোৰহাট জিলাৰ চাইক্লিং দল ঘোষণা ঃ** গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া অসম যুৱ অলিম্পিকৰ বাবে যোৰহাট জিলাৰ চাইক্লিং খেলুৱৈসকলৰ নাম ঘোষণা কৰা হৈছে। যোৰহাট জিলা চাইক্লিং সন্থাৰ সাধাৰণ সম্পাদক দেৱজ্যোতি দত্তই প্ৰেছ বিবৃতিৰ জৰিয়তে জনোৱা মতে নিৰ্বাচিত খেলুৱৈসকল হ'ল ঃ শ্ৰেয়ম দত্ত, অনুন্ন ডেকা, ঋষান্ত প্ৰপঞ্চ শইকীয়া। দলটোৰ প্ৰশিক্ষক হিচাপে আছে শান্তনু বৰা। মেনেজাৰ চুচেন কুমাৰ বৰুৱা।

## যুৱ অলিম্পিকৰ বাবে সাঁতোৰ দল ঘোষণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, গুৱাহাটী, ২২ জুলাই ঃ** অসম যুৱ অলিম্পিকৰ সাঁতোৰ প্ৰতিযোগিতাৰ বাবে যোৰহাট ছুইমিং ছ'চাইটীৰ জিলা দলটো ঘোষণা কৰা হৈছে। ল'ৰাৰ শাখাত ইলিয়াছ আহমেদ, দিশান্ত বুঢ়াগোহাঁই, কৃষাণু চাইলো তাঁতী, সংস্কাৰ ভূঞা, মৌচাক গুণগুণ বৰা, দেবাৰুণ দত্ত, তীৰ্থাংক পেগু, অংশুমান কাশ্যপ, আৰ্যমান দত্ত, জ্ঞানসন্ধান কাশ্যপ আৰু বিক্ৰম চাইমাই এই ১১ জন খেলুৱৈক বাছনি কৰা হৈছে। আনহাতে, ছোৱালীৰ শাখাত অনুস্বূয়া বৰা, মৃগাক্ষী শৰ্মা, অবিস্মিতা হাতীবৰুৱা, অশ্ৰিতা গোস্বামী, মনালী মিশ্ৰ, প্ৰাপ্তি চলিহা, আৰ্হি গোস্বামী, অৰিষ্টা শইকীয়া, দৰ্শিতা বৰুৱা, কৃষণালী দলে, আস্থা বৰদলৈ, অংশ্ৰুত হাজৰিকা, শুভ্ৰাংয়িনী প্ৰিয়দৰ্শিনীক বাছনি কৰা হৈছে। ২৫ জনীয়া দলটোৰ প্ৰশিক্ষক আৰু মেনেজাৰ হিচাপে থাকিব প্ৰশান্ত হাজৰিকা, লিটু পাল আৰু কল্যাণ কিশোৰ কাশ্যপ। ছ'চাইটীৰ মুখ্য প্ৰশিক্ষক হৰেকৃষ্ণ গগৈ প্ৰতিযোগিতালৈ টেকনিকেল বিষয়া হিচাপে যাব।

## মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ভূঞাপাৰাত মৰ্মান্তিক ঘটনা

# সৌৰচালিত ফেন্সিঙত বিদ্যুৎস্পৃষ্ট হৈ প্ৰকাণ্ড মাইকী হাতীৰ মৃত্যু



**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ২২ জুলাই ঃ** বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানত পুনৰ এক মৰ্মান্তিক ঘটনা সংঘটিত হয়। ৰাষ্ট্ৰীয় উদ্যানখনৰ ভূএঞাপাৰা ৰেঞ্জৰ অন্তৰ্গত কৰৈবাৰীত সৌৰশক্তি চালিত ফেন্সিঙত বিদ্যুৎস্পৃষ্ট হৈ এটা প্ৰকাণ্ড বনৰীয়া হাতীৰ করুণ মৃত্যু হয়। আজি পুৱাৰ ভাগত বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু হোৱা হাতীটো মৃত অৱস্থাত কৰৈবাৰী অঞ্চলৰ ৰাইজে প্ৰত্যক্ষ কৰে। উল্লেখ্য যে মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ভূএঞাপাৰা ৰেঞ্জ এলেকাত থকা উদ্যানৰ চাৰিসীমাত স্থাপন কৰা সৌৰশক্তিৰে বিদ্যুৎ প্ৰৱাহিত হৈ থকা লোৰ ফেন্সিঙত লাগি বিদ্যুৎস্পৃষ্ট হৈ হাতীটোৰ মৃত্যু হয়। যোৱানিশাৰ ভাগত হাতীটোৰ বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু হোৱাটো সন্দেহ কৰিছে বন বিভাগৰ লগতে স্থানীয় ৰাইজে। উল্লেখ্য যে মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বনাঞ্চলৰ পৰা খাদ্যৰ সন্ধানত জনাঞ্চললৈ ওলাই আহিব খোজা হাতীটোৱে সীমা পাৰ হ'বলৈ চেষ্টা চলোৱা সময়তে ফেন্সিঙত ওলমি ৰয়। আজি পুৱা স্থানীয় ৰাইজে হাতীটো প্ৰত্যক্ষ কৰি বন বিভাগক খবৰ দিয়ে। পিছত বন বিভাগৰ লগতে চিকিৎসক, এছএছবি জোৱানৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ হাতীটো মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে। বন বিভাগৰ চিকিৎসক প্ৰভাত বসুমতাৰীয়ে জানিবলৈ দিয়া অনুসৰি, শ্বৰ্টচাৰ্কিটৰ ফলত মৃত্যু হৈছে হাতীটোৰ। হাতী- মানুহৰ সংঘাত ৰোধৰ বাবে ব্যৱহাৰ কৰা ফেন্সিঙত কেনেকৈ বিদ্যুৎস্পৃষ্ট হ'বলৈ পালে সেয়াও ভাবিবলগীয়া বিষয় বুলি উল্লেখ কৰি বাৰিষাৰ বাবে পানী লাগি ভল্টেজ বৃদ্ধি হোৱাৰ ফলত অধিক হাৰত বিদ্যুৎ প্ৰবাহিত হৈ শ্বৰ্টচাৰ্কিত হোৱাৰ আশংকা কৰে চিকিৎসকগৰাকীয়। হাতীটোৰ মৃত্যুত বন বিভাগৰ লগতে স্থানীয় ৰাইজ মৰ্মাহত হৈ পৰে।

## অসম বিধানসভাৰ অধ্যক্ষৰ উদ্যোগ

# বন্যহস্তীৰ আক্ৰমণত নিহতৰ পৰিয়ালক চেক বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ২২ জুলাই ঃ** ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী ডিমাকুছি থানাৰ অন্তৰ্গত বিভিন্ন গাঁৱত হাতী-মানুহৰ তীব্ৰ সংঘাতে তীব্ৰ ৰূপ ধাৰণ কৰিছে। খাদ্যৰ অভাৱত জনাঞ্চললৈ নামি অহা বন্যহস্তীৰ জাকে চলিত মাহতে ৭জনতকৈ অধিক নিৰীহ লোকক নৃশংসভাৱে হত্যা কৰিছে। সেই দুৰ্ভাগ্যজনক ঘটনাত ব্যথিত হৈ দুৰ্ভগীয়া পৰিয়ালসমূহক আৰ্থিক সকাহ দিবলৈ অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ তৎপৰতাত নিহত আৰু আহতৰ পৰিয়ালক চেক বিতৰণ কৰে। পানেৰী সমষ্টিৰ বিধায়ক তথা অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে কয়, আজি মোৰ পানেৰী সমষ্টিৰ অন্তৰ্গত বিভিন্ন গাঁৱত বনৰীয়া হাতীৰ আক্ৰমণত দুৰ্ভাগ্যভাৱে মৃত্যু হোৱা ৰঞ্জিত কলয়া, মায়াৰাণী মণ্ডল, ছানীকা এক্কা, ৰহিত মীজাৰ, টেক বাহাদুৰ চেত্ৰীৰ পৰিয়ালক ৪ লাখকৈ টকা আৰু আঘাতপ্ৰাপ্ত টেলানী চৰেনক ৫০ হাজাৰ টকাৰ চেক প্ৰদান কৰা হয়। উক্ত কাৰ্যসূচীত স্থানীয় ই এম আৰু গাঁওবুঢ়াও উপস্থিত আছিল।



# তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পৰীক্ষাৰ্থীৰ বাবে বিনামূলীয়া প্ৰশিক্ষণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ২২ জুলাই ঃ** অসম চৰকাৰে নিযুক্তি দিবলগীয়া তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ পৰীক্ষাৰ্থীৰ সুবিধা হোৱাকৈ মোৰ সমষ্টিৰ পৰীক্ষাৰ্থীৰ বাবে বিনামূলীয়া প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে বুলি জানিব দিয়ে অসম বিধানসভাৰ অধ্যক্ষ তথা পানেৰী সমষ্টিৰ বিধায়ক বিশ্বজিৎ দৈমাৰীয়ে। ভেৰগাঁও মহকুমা পুথিভঁৰালত আৰম্ভ হোৱা ৩০ দিনীয়া প্ৰশিক্ষণত আজি এখন্তেক দেখা দি অনুপ্ৰেৰণামূলক বক্তব্যও ৰাখে অধ্যক্ষ দৈমাৰীয়ে। অধ্যক্ষ তথা বিধায়কগৰাকীৰ তত্ত্বাৱধানত অনুষ্ঠিত বিনামূলীয়া প্ৰশিক্ষণ কাৰ্যসূচীত পানেৰী সমষ্টিৰ চাৰি শতাধিক পৰীক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছে।




# বাইহাটাত টেম্প' চালকৰ ৰহস্যজনক মৃত্যু, হত্যাৰ সন্দেহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কমলপুৰ, ২২ জুলাই ঃ** কামৰূপৰ জিলাৰ বাইহাটা চাৰিআলিৰ ৰঙিয়া পথৰ টেম্প ষ্টেণ্ডত এগৰাকী টেম্প' চালকৰ ৰহস্যজনক মৃত্যুৱে গভীৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। মৃত টেম্প' চালকগৰাকী বাইহাটা চাৰিআলি আৰক্ষী থানাৰ অন্তৰ্গত পাত্ৰপুৰৰ মতিবৰ ৰহমান (৪২) বুলি জানিব পৰা গৈছে। মৃত টেম্প' চালক মতিবৰক তেওঁৰ টেম্প'খনেৰে (এএছ- ২৫ ডিচি ৩০০৫) কোনো লোকে কমলপুৰস্থিত মহাত্মা গান্ধী আদৰ্শ হস্পিতালত নিশা প্ৰায় ৮ বজাত টেম্প' সহ এৰি থৈ পলায়ন কৰে। লগে-লগে কমলপুৰ চিকিৎসালয়ত এক হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয় আৰু লোকজনক চিকিৎসালয়ৰ ভিতৰলৈ নি পৰীক্ষা-নিৰীক্ষা কৰে যদিও চিকিৎসকে মৃত ঘোষণা কৰে। ইফালে লোকজনক চিকিৎসালয় প্ৰাংগণত এৰি থৈ যোৱা লোকজনৰ সম্ভেদ বিচাৰে যদিও কোনো উৱাদিহ নাপায় চিকিৎসালয়ৰ চিচি কেমেৰা পৰীক্ষণ কৰাত বাইহাটা চাৰিআলি নগাঁৱৰ ৰেকিবুদ্দিন আহমেদৰ পুত্ৰ আচিক আহমেদ বুলি জানিব পৰা গৈছে। কি কাৰণত আচিফে মৃত লোকজনক চিকিৎসালয় প্ৰামগণত এৰি থৈ আত্মগোপন কৰিলে তাক লৈ যথেষ্ট ৰহস্যৰ সৃষ্টি হৈছে। উল্লেখ্য যে মৃতদেহটোৰ মূৰত আঘাতৰ চিন থকালৈ চাই এইটো এটা হত্যাকাণ্ড বুলি সন্দেহ প্ৰকাশ কৰিছে। ইতিমধ্যে কমলপুৰ আৰু বাইহাটা চাৰিআলি থানাৰ আৰক্ষী উপস্থিত হৈ ঘটনা সম্পৰ্কত তদন্ত আৰম্ভ কৰিছে।



# ছিপাঝাৰ সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত জিকিৰ আৰু জাৰীৰ কৰ্মশালাৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ২২ জুলাই ঃ** ছিপাঝাৰ সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত, চীড আৰু সমন্বয় মঞ্চ অসমৰ সহযোগত ২৪ জুলাইৰ পৰা ৩০ জুলাই তাৰিখলৈ সাতদিনীয়া কাৰ্যসূচীৰে জিকিৰ আৰু জাৰী গীতৰ কৰ্মশালাৰ আয়োজন কৰিছে। পশ্চিম ৰঙামাটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হ'বলগীয়া এই জিকিৰ আৰু জাৰী কৰ্মশালাৰ শুভ উদ্বোধন কৰিব দৰং জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ৰমেন চন্দ্ৰ মালাকাৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব জিকিৰ-জাৰীৰ গৱেষক ড° ভুৱনেশ্বৰ ডেকা। বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব ক্ৰমে ৰাজ্যিক কৃতী শিক্ষকৰ বঁটাপ্ৰাপক এম হাফিজ আলী, ছিপাঝাৰ সাংস্কৃতিক উন্নয়ন কেন্দ্ৰ বিষয়া ধনদা দাস হাজৰিকা, পশ্চিম ৰঙামাটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ তপন চন্দ্ৰ শৰ্মা, দৰং জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰকল্প বিষয়া জগদীশ ভট্টাচাৰ্য, গৰিয়া-মৰিয়া যুৱ-ছাত্ৰ পৰিষদৰ দৰং জিলা সমিতিৰ সভাপতি আব্দুল আলী আদি। কৰ্মশালাত মুখ্য প্ৰশিক্ষক হিচাপে উপস্থিত থাকিব অনাতাঁৰ আৰু দূৰদৰ্শন কেন্দ্ৰৰ বিশিষ্ট শিল্পীদ্বয় ক্ৰমে ফচিউৰ ৰহমান আৰু আব্দুল ৰহিম। কৰ্মশালাৰ সকলো কাৰ্যসূচী সফল কৰি তুলিবলৈ ছিপাঝাৰ সাংস্কৃতিক বিষয়াগৰাকীয়ে ৰাইজৰ সহযোগিতা কামনা কৰিছে।




৩০ জুন ২০২২ত সমাপ্ত ত্ৰৈমাসিক আৰু আনঅডিটেড ষ্টেণ্ডালোন আৰু কনচলিডেটেড বিত্তীয় ফলাফলসমূহৰ বিৱৰণ

(টকা লাখৰ হিচাপত)


| ক্ৰমিক নং | বিষয়-বস্তু | ষ্টেণ্ডালোন | | | কনছলিডেটেড | | |
|---|---|---|---|---|---|---|---|
| | | ত্ৰৈমাসিক সমাপ্তি ৩০-০৬-২০২২ | পূৰ্বৰ ত্ৰৈমাসিক সমাপ্তি ৩১-০৩-২০২২ | পূৰ্বৰ বৰ্ষৰ সমপৰ্কীত ত্ৰৈমাসিক সমাপ্তি ৩০-০৬-২০২১ | ত্ৰৈমাসিক সমাপ্তি ৩০-০৬-২০২২ | পূৰ্বৰ ত্ৰৈমাসিক সমাপ্তি ৩১-০৩-২০২২ | পূৰ্বৰ বৰ্ষৰ সমপৰ্কীত ত্ৰৈমাসিক সমাপ্তি ৩০-০৬-২০২১ |
| ১ | লেনদেনৰ পৰা মুঠ আয় | ৪৭,১১৫.২৫ | ৪৭,৩৫০.৪২ | ৩০,৮৬৫.১৮ | ৪৭,১২৫.০৯ | ৪৭,৩৭৪.৭৪ | ৩০,৯০০.১৭ |
| ২ | উক্ত সময়ৰ মুঠ লাভ (কৰৰ পূৰ্বে, এক্সেপচনেল আৰু/বা এক্সট্ৰাঅৰ্ডিনাৰী আইটেমছ) | ১১,৬৪৬.২৭ | ১১,৯১৯.৪১ | ৪,০১৭.২২ | ১১,৭৯২.০৮ | ১১,৯৭৮.৬৩ | ৪,১৩৪.২৭ |
| ৩ | উক্ত সময়ৰ মুঠ লাভ কৰৰ পূৰ্বে (পিছত এক্সেপচনেল আৰু/বা এক্সট্ৰাঅৰ্ডিনাৰী আইটেমছ) | ১১,৬৪৬.২৭ | ১১,৯১৯.৪১ | ৪,০১৭.২২ | ১১,৭৯২.০৮ | ১১,৯৭৮.৬৩ | ৪,১৩৪.২৭ |
| ৪ | উক্ত সময়ৰ মুঠ লাভ কৰৰ পিছত (পিছত এক্সেপচনেল আৰু/বা এক্সট্ৰাঅৰ্ডিনাৰী আইটেমছ) | ৭,৬১৪.৪৩ | ৭,৯৯৯.৯৭ | ২,৮৫৭.১৭ | ৭,৭৬০.২৪ | ৮,০৫৯.১৯ | ২,৯৭৪.২২ |
| ৫ | মুঠ সামগ্ৰিক আয় উক্ত সময়ৰ [সামগ্ৰিক লাভ উক্ত সময়ৰ (কৰৰ পিছত) আৰু অন্যান্য সামগ্ৰিক আয় (কৰৰ পিছত)] | ৭,৬১৪.৪৩ | ৭,৮৭১.৯৯ | ২,৮৫৭.১৭ | ৭,৮৩৩.৯৯ | ৭,৯৫৯.২৮ | ২,৯৯০.৮৯ |
| ৬ | ইকুইটি শ্বেয়াৰ কেপিটেল | ১,২২৬.২৭ | ১,২২৬.২৭ | ১,২২৬.২৭ | ১,২২৬.২৭ | ১,২২৬.২৭ | ১,২২৬.২৭ |
| ৭ | প্ৰতিটো শ্বেয়াৰৰ পৰা আয় (১/- টকা মূল্য/প্ৰতিটো) বেচিক আৰু ডায়লোটেড (টকাৰ হিচাপত) | ৬.২১ | ৬.৫২ | ২.৩৩ | ৬.৩৩ | ৬.৫৭ | ২.৪৩ |

**টোকা ঃ**
উপৰোক্ত তথ্যসমূহ ছেবি (লিষ্টিং অব্লিগেচনছ এণ্ড ডিছক্ল'জাৰ ৰিকুৱাৰমেনছ) বিধি, ২০১৫ৰ ৰেগুলেচন-৩৩ৰ অধীনত যোৱা ৩০ জুন ২০২২ত সমাপ্ত ত্ৰৈমাসিক আনঅডিটেড ষ্টেণ্ডালোন আৰু কনচলিডেটেড বিত্তীয় ফলাফলসমূহৰ বিৱৰণ, ষ্টক এক্সচেঞ্জত দাখিল কৰা অনুসৰি। উক্ত সময়ৰ ৩০ জুন ২০২২ত সমাপ্ত ত্ৰৈমাসিক আনঅডিটেড ষ্টেণ্ডালোন আৰু কনচলিডেটেড বিত্তীয় বিৱৰণসহ সম্পূৰ্ণকৈ উপলব্ধ আছে বিএছই লিমিটেড (বিএছই)ৰ ৱেবছাইট (URL : www.bseindia.com/corporates), নেচনেল ষ্টক এক্সছেঞ্জ অব ইণ্ডিয়া লিঃ (এনএছই)ৰ ৱেবছাইট (URL : www.nseindia.com/corporates) আৰু কোম্পানীৰ ৱেবছাইটত (URL : www.greenpanel.com/investor-relations)।

স্থান ঃ কলকাতা,
তাৰিখ ঃ ২২ জুলাই, ২০২২

সঞ্চালক মণ্ডলীৰ আদেশানুক্ৰমে
গ্ৰীণ পেনেল ইণ্ডাষ্ট্ৰীজ লিমিটেডৰ হৈ
শিৱ প্ৰকাশ মিট্টাল
কাৰ্যবাহী অধ্যক্ষ (ডিআইএন ঃ ০০২৩৭২৪২)

GREENPANEL INDUSTRIES LIMITED
Registered Office: Makum Road, Tinsukia, Assam - 786 125 | Corporate Office: 'Thapar House', 2nd Floor, 163 S. P. Mukherjee Road, Kolkata - 700 026
Corporate Identity Number: L20100AS2017PLC018272 | Phone: +91 33 4084 0600 | Fax: +91 33 2464 5525
Website: www.greenpanel.com | E-mail: investor.relations@greenpanel.com




CHIMNEYS WITH APPS I R.O. WATER PURIFIER I HOBS I GAS STOVE I OTHER KITCHEN APPLIANCES

Abhayapuri-94350-22784 I Agartala-98560-93668 I Baihata chariali-94351-42568/98641-40488 I Bangaigaon-7002184811, 9435547654,9435121367 I Barpeta road-94350-17865 99541-41975 I Barpeta town -94350-25127 I Bhawanipur-7002206773 I Bandardewa-98649-84753 I Bijoynagar -99570-98392/94010-01157/94353-40662 I Boko-94010-02588 I Chaygaon-9435014549 I Dadara -98546-98027 I Dhupdhara-96785-16189 I Dhamaji-99546-51322 I Dhubri-94350-29279 I Diphu-94350-66701/94350-66643 I Dudhnoi-94357-21505/94351-28048 I Goalpara-70023-10904/88762-23858 I Golaghat-96132-30384 I Guwahati -94355-59057/97065-94950 I Hajo-94353-47024/88763-09327 I Hojai-94357-29521/84028-59256 I Jorhat - 94350-53934/98541-06776 I Kharupitia -98541-44223 I Kokrajar-97070-29429/99548-88721/94354-81234 I Karimgunj-97061-39061 I Krishnai-88224-15337 I Lumding -94351-63327/97066-14137 I Mangaldoi -94350-87284/94351-86435/97065-39174/73994-79163 I Mirza-98540-71983/99572-81858 I Morigaon -94350-64986/80111-17171 I North lakhimpur-88224-21077 I Nagaon-97061-79408/94355-18665 I Nalbari -98644-14515/98540-30209 I Pathsala-80110-06658 I Dhekiajuli-98548-29934 I Dibrugarh-98548-11265 I Rangia -94351-05888/96782-26563 I Silchar -97061-39061/70054-86129 I Silapathar-70028-94393 I Shillong-90869-66640 I Suwalkuchi -98643-54859 I Tinsukia-94350-35156/94350-35511/94350-36463 I Tezpur-97060-73481 I Tihu-97068-53124 I Udalguri-97063-46492

Trade enq. 9435146909/9435559057/9435559056 www.capsindia.in Toll Free: 1800 103 4646

শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি